
# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

২১তম সংখ্যা • ১৯৯৭-৯৮ বৰ্ষ



# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

২১তম সংখ্যা

১৯৯৭-৯৮ বৰ্ষ

প্ৰীতি আৰু আন্তৰিকতাৰে,

প্ৰতি ঢকুৱাখনা মহাবিদ্যালয় পুথিভঁৰাললৈ

শ্ৰীজিতেন কুমাৰ শইকীয়া
সম্পাদক

শ্ৰীযুত পূৰ্ণানন্দ গগৈ
উপদেষ্টা



## কৃতজ্ঞতা

পূৰ্ণানন্দ গগৈ
ড° জিতৰাম কলিতা
অজয় কুমাৰ পাণ্ডে
ইন্দিবৰ বুঢ়াগোহাঞি
চিত্ৰ কুমাৰ কোঁচ
ডিম্বেশ্বৰ গগৈ
অধ্যক্ষ, শিৱ প্ৰসাদ গগৈ
নৰেন দত্ত
অনুপম
অৰবিন্দ্
বিপুল
সঞ্জীৱ
হিতেশ
দীপেন
শৰৎ
প্ৰনৱ
ডেইজী
প্ৰতিমা
নিৰ্মল
পবিত্ৰদা
পলাশদা
বিযুত্তদা
সুৰেণদা
আৰু
লাইব্ৰেৰীৰ কৰ্মীবৃন্দলৈ


প্ৰকাশক
[illegible] মহাবিদ্যালয় ছাত্ৰ একতা সভা

## সম্পাদনা সমিতি

উপদেষ্টা
শ্ৰীযুত পূৰ্ণানন্দ গগৈ

সভাপতি :
অধ্যক্ষ শিৱপ্ৰসাদ গগৈ, সভাপতি, ছাত্ৰ একতা সভা

শিক্ষক সদস্য :
ড° জিতৰাম কলিতা
অধ্যাপক অজয় কুমাৰ পাণ্ডে
অধ্যাপক ইন্দিবৰ বুঢ়াগোহাঞি

ছাত্ৰ সদস্য, সদস্যা :
শ্ৰীসঞ্জীৱ চুতীয়া
শ্ৰীপলাশ কোঁচ
শ্ৰীবিপুল গগৈ
শ্ৰীনিৰ্মল সূত
শ্ৰীপদ্মনাথ পায়েং
শ্ৰীমতী ডেইজীৰাণী গগৈ

সম্পাদক :
শ্ৰীজিতেন কুমাৰ শইকীয়া

বেটুপাত :
শ্ৰীযুত ইন্দিবৰ বুঢ়াগোহাঞিঃ

স্কেচ :
শ্ৰীনিৰ্মল সূত

অংগসজ্জা :
সম্পাদক

মুদ্ৰক :
কস্তুৰী প্ৰিণ্টাৰ্ছ, উত্তৰ লক্ষীমপুৰ
দূৰভাষ— ২২৩৯৩
আৰু
কস্তুৰী লেজাৰ প্ৰিণ্ট
ৰাজগড় লিংক ৰোড-১
গুৱাহাটী-৩

# উছৰ্গা

জাতীয় বীৰ শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত
এই সংখ্যাৰ আলোচনীখনি
অৰ্পণ কৰিলোঁ।

# শ্ৰদ্ধাঞ্জলি

বিগত বছৰটোৱে যিসকল মহান মণিষীক
আমাৰ মাজৰ পৰা আতৰাই নিলে..............................
কাঞ্চন বৰুৱা, সাহিত্যাচাৰ্য ড° যজ্ঞেশ্বৰ শৰ্মা
ইমদাদুল্লা, অষ্টাভিজ পাজ

# মহাবিদ্যালয় সঙ্গীত

কথা ঃ পূৰ্ণানন্দ গগৈ
প্ৰবক্তা, অসমীয়া বিভাগ

আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
পোহৰৰ গতি বেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নব দৃষ্টিৰে আপোন প্ৰতিভা বিকাশোঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সময়ৰ সংগতি ৰাখি
পুৰণি দুষ্কৃতি নাশি
আমি নব জ্ঞানৰ দিগন্ত প্ৰকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সাম্য মৈত্ৰীৰ গাণ ৰচি
বঞ্চিতক প্ৰাপ্য যাচি
ভাতৃসম বন্ধুত্বৰে
নতুন সমাজ গঢ়োঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ।



মৃদুলা বৰুৱা

শ্ৰেষ্ঠা অভিনেত্ৰী



মনালিছা গগৈ

শ্ৰেষ্ঠা তাৰ্কিক



# মহাবিদ্যালয় সঙ্গীত

কথা ঃ পূৰ্ণানন্দ গগৈ
প্ৰবক্তা, অসমীয়া বিভাগ

আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
পোহৰৰ গতি যেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নব দৃষ্টিৰে আপোন প্ৰতিভা বিকাশোঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সময়ৰ সংগতি ৰাখি
পুৰণি দুষ্কৃতি নাশি
আমি নব জ্ঞানৰ দিগন্ত প্ৰকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সাম্য মৈত্ৰীৰ গাণ ৰচি
বঞ্চিতক প্ৰাপ্য যাচি
ভাতৃসম বন্ধুত্বৰে
নতুন সমাজ গঢ়োঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ।

# আমাৰ গৌৰৱ


## প্ৰতিভাৰ পোহৰত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠসকল



মৃদুলা বৰুৱা
শ্ৰেষ্ঠা অভিনেত্ৰী



পদ্মনাথ পায়েং
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



বিশ্ব বড়ো
শ্ৰেষ্ঠ অভিনেতা



মনালিছা গগৈ
শ্ৰেষ্ঠা তাৰ্কিক



অৰুণ চমুৱা
শ্ৰেষ্ঠ কৌতুক অভিনেতা



কেৰম চেম্পিয়ন (দ্বৈত)
প্ৰতিমা গগৈ আৰু জুনুমনি গগৈ




তৰুণ গগৈ
একেৰাহে তিনিবছৰ কেৰম চেম্পিয়ন ও দুবছৰ
একেৰাহে টেবুল টেনিছ চেম্পিয়ন



বৈকুণ্ঠ শইকীয়া
পাঞ্জা বীৰ



ৰাতুল গগৈ
শ্ৰেষ্ঠ ক্ৰিকেটাৰ



ত্ৰিদিপ শইকীয়া
শ্ৰেষ্ঠ খেলুৱৈ



ৰাজু শৰ্ম্মা
শ্ৰেষ্ঠ যোগাসক



দেৱযানী বৰুৱা
শ্ৰেষ্ঠা কণ্ঠশিল্পী



তুলিকা গগৈ
শক্তিমান মহিলা




অনিমা গগৈ
পাঞ্জা ৰাণী




পলিশ্ৰী পেগু
[illegible] খেলুৱৈ



ৰাজেন সন্দিকৈ
শ্ৰেষ্ঠ ভলীবলাৰ



অজয় চুতীয়া
দৌৰবীৰ



যদু শইকীয়া
শক্তিমান পুৰুষ



কিৰণ চুতীয়া
সাঁতোৰবিদ



ৰাজীৱ সূত
স্মৃতিবান পুৰুষ




ভবেন চেতিয়া
একেৰাহে তিনি বছৰ শ্ৰেষ্ঠ ডবা খেলুৱৈ



স্মৃতি বৰুৱা
শ্ৰেষ্ঠা খেলুৱৈ



জিতু দত্ত
সদৌ অসম ' যোগানন্দ বৰগোঁহাই
আন্তঃমহাবিদ্যালয় সাহিত্য প্ৰতিযোগিতাৰ
কবিতা শাখাৰ ২য় পুৰস্কাৰপ্ৰাপ্ত।



জয়ন্ত দত্ত
ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত
যোগাসন প্ৰতিযোগী



পলিস্ত্ৰী সেণ্ড

[illegible]



যদু বড়িকীয়া

বাকীমান পুৰুষ



ভবেন চৌতিয়া


কবাতে তিনি বছৰ শ্ৰেষ্ঠ ডনা



## ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া সকল



**প্ৰশান্ত হিলৈদাৰী**
উপ-সভাপতি



**বিমান বৰুৱা**
সহঃ সাঃ সম্পাদক



**বিজু শৰ্মা**
ছাত্ৰ জিৰণি কোঠা সম্পাদক



**জিতেন শইকীয়া**
সম্পাদক




**দীপামণি বৰপাত্ৰ**
ছাত্ৰী জিৰণি কোঠা সম্পাদক




**লুলুমণি গগৈ**
সাংস্কৃতিক শাখা সম্পাদিকা




**হিৰণমণি গগৈ**
তৰ্ক ও আলোচনা শাখা সম্পাদক



**দেবেন গগৈ**
সমাজ সেৱা সম্পাদক




**মনোজ সোনোৱাল**
ক্ৰীড়া শাখাৰ সম্পাদক



**জয়ন্ত দত্ত**
শৰীৰ চৰ্চা সম্পাদক

# আলোচনী সম্পাদনা সমিতি
## ১৯৯৭-৯৮ বৰ্ষ

অজয় কুমাৰ পাণ্ডে
শিক্ষক সদস্য



ইন্দিবৰ বুঢ়াগোহাঞি
শিক্ষক সদস্য



পূৰ্ণানন্দ গগৈ
[illegible]




ড° জিতৰাম কলিতা
শিক্ষক সদস্য



সঞ্জীৱ চুতীয়া
সদস্য



জিতেন শইকীয়া
সম্পাদক



পলাশ কোঁচ
সদস্য




নিৰ্মল সূত
সদস্য



পদ্মনাথ পায়েং
সদস্য



ডেইজীৰাণী গগৈ
সদস্যা



বিপুল গগৈ
সদস্য




পূৰ্ণানন্দ গগৈ

উপদেষ্টা



জিতেন শইকীয়া

সম্পাদক



# সূচীপত্ৰ

সম্পাদকীয়

**প্ৰবন্ধ**

ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ সাহিত্যকৃতিৰ মূল্যায়ন : ড° জ্ঞিতৰাম কলিতা/১
অসমীয়া ভাওনা : ইয়াৰ ভৱিষ্যত : শ্ৰীপ্ৰণৱ বৰুৱা/৫
শ্ৰীমন্ত শঙ্কৰদেৱ আৰু কিছু মুকলি চিন্তা : শ্ৰীঅৰুণ চমুৱা/৭
অসমীয়া সাহিত্যৰ প্ৰথম কবি : লুইপাদ : শ্ৰীইন্দ্ৰজিৎ দত্ত/৯
অযোধ্যা, পোখৰাণ আৰু হিন্দু-মুছলিমৰ সম্প্ৰীতি : শ্ৰীসন্তোষ গগৈ/১১
মহাসাগৰৰ বিষয়ে চমুকৈ ইটো সিটো কথা : শ্ৰীনৰেন্দ্ৰ নাথ দত্ত/১৩
স্বাধীনোত্তৰ ৫০ বছৰত ভাৰত পাকিস্থানৰ সম্পৰ্ক : শ্ৰীখগেন দাস/১৫
ফটোগ্ৰাফীৰ আনন্দ আৰু উপলব্ধি : ইন্দিবৰ বুঢ়াগোহাঞি/১৭

**গল্প**

অব্যক্ত বেদনা : শ্ৰীভবেন কোঁৱৰ/১৯
মাটি আকাশ আৰু মই : শ্ৰীমতী জ্যোতি গগৈ/২৩
উদ্‌গীৰণ : শ্ৰীনিৰ্মল সূত/২৬
অবৈধৰ পৰিণতি : শ্ৰীজিতেন কুমাৰ শইকীয়া/২৮
শৈল হৃদয়ৰ গান : শ্ৰীৰমেন কুমাৰ গগৈ/৩০

**কবিতা**

অনুভৱৰ সিপাৰত তাই আৰু মই : জয়ন্ত কুমাৰ গগৈ/৩২
সখী : জয়শ্ৰী গগৈ/৩২
এয়ে মোৰ চিনাকী ৰূপালী নদী : হিমাদ্ৰী গগৈ/৩২
অনুভৱ : জাহ্নবী চেতিয়া/৩৩
কেক্‌টাছ বননি : জ্যোতি গগৈ/৩৩
অন্তৰীপ : নিৰ্মল সূত/৩৪
তেজে ধোৱা গান : জিতু দত্ত/৩৪
শ্বহীদ তেজৰ মূল্য : বিষ্ণু বৰুৱা/৩৪
লিমাৰিক : অধ্যক্ষ শিৱ প্ৰসাদ গগৈ/৩৫
কবিতা : হৰেশ ৰেগন/৩৬

**প্ৰাচীৰ পত্ৰিকা শিতান**

(১) 'অৰণি'ৰ কেইটিমান নিৰ্বাচিত লেখা /৩৭
(২) 'ইউটুপিয়া'ৰ নিৰ্বাচিত লেখা /৪৪
(৩) 'উৰ্ণনাভ'ৰ নিৰ্বাচিত লেখা /৪৮

**English Section**

Vowels in British Received Pronunciation and in General Indian English : Jamini kumar Saikia/51
Information Revolution : Dilip Hatibaruah/54

ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া সকলৰ প্ৰতিবেদন /৫৭

# সম্পাদকীয়

ভাৰতবৰ্ষই স্বাধীনতা লাভৰ ৫০ টা বছৰ গৰকি একাৰন্নতা বৰ্ষত ভৰি দিলেহি। ই অতি গৌৰৱৰ কথা যে স্বাধীনতাৰ সোণালী জয়ন্তী উপলক্ষে
অনুষ্ঠিত বিভিন্ন অনুষ্ঠানসমূহত আমি সদলবলে যোগদান কৰিলোঁ। সময়ৰ তুলাচনীত ভাৰতবৰ্ষই এই ৫০ টা বছৰত কি কি দিশত উন্নতি কৰিলে বুলি
জুখি চালে এটা কথা ধৰা পৰিব— যে, জনসংখ্যা বৃদ্ধি মূলাবৃদ্ধি, সন্ত্ৰাসবাদী, হত্যা, ধৰ্ষণ, লুণ্ঠন আদি নানা দিশৰ বাহিৰে অন্য উল্লেখযোগ্য বিশেষ নাই।
অৰ্ধশতাব্দীৰ সুদীৰ্ঘকালচোৱাত জনসাধাৰণে যি স্বপ্ন দেখিছিল সেইবোৰ বাস্তৱত কেনেধৰণেৰে প্ৰতিফলিত হ'ল?
বুদ্ধ আৰু অশোকৰ পিছত মহান ব্যক্তি হিচাপে জন্মলাভ কৰা মহামানৱ মহাত্মা গান্ধীয়ে মুক্তি আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিছিল আৰু জুতি
সাধাৰণ মানুহৰ মনত অংকুৰিত কৰিছিল স্বাধীনতাৰ বীজ। অহিংস নীতিৰে বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি গান্ধীয়ে দিলে ভাৰতীয় জনসাধাৰণক
স্বাধীনতাৰ সোৱাদ। আঢ়ৈশ বছৰ ধৰি বৃটিছৰ বন্দীশালত থকা ভাৰতবাসী হৈ পৰিল আনন্দত উত্ৰাৱল, ই স্বাভাৱিক কিন্তু সেই হাঁহি আৰু আনন্দ
কিমান দিন! আজি স্বাধীন দেশৰ ৮০% তকৈ অধিক মানহৰ মুখত নাই হাঁহি, জনসাধাৰণে হাঁহাকাৰ কৰিব লগীয়া হৈছে এমুঠি অন্নৰ বাবে। স্বাধীন
দেশৰ নাগৰিকৰ বাবে ই অতি পৰিতাপৰ বিষয়। মনীষি আব্ৰাহম লিঙ্কনে কৈছিল— "তুমি যদি এজন মানুহক পৰীক্ষা কৰি চাব খোজা তেওঁক অলপ
ক্ষমতা দি চাব পাৰা।" বাইজে বহুবাৰ পৰীক্ষা কৰিলে। কংগ্ৰেছ, জনতা, সংযুক্ত মৰ্চা আৰু বৰ্তমান বি জে পি আৰু অনেক আঞ্চলিক দ'ল পৰীক্ষাৰ
অন্তত দেখা গ'ল শাসনৰ বাঘজৰী হাতত পাই প্ৰতিজনেই মতলীয়া নিজ স্বাৰ্থৰ বাবে। মহাত্মা গান্ধীয়ে কৈছিল, "তোমাক যিখিনি প্ৰকৃততে লাগে
তাতকৈ বেছি থাকিলে তুমি হ'বা চোৰ, কাৰণ তুমি আন এজনক তেওঁৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছা।" আজি ক্ষমতাত থকাসকল ধনী হৈ গৈ আছে
আৰু প্ৰাপ্যৰ পৰা বঞ্চিত দুখীয়সকল দুখীয়া হৈ গৈ আছে। মহাত্মা গান্ধীয়ে যি উদ্দেশ্য আগত ৰাখি স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল সেই
উদ্দেশ্য সফল নহ'ল। এতিয়া দেশখনৰ পুনৰ্নিৰ্মাণ আৰু দেশপ্ৰেমৰ পুনৰুত্থানৰ বাবে দেশবাসীয়েই মহান দায়িত্ব গ্ৰহণ কৰিব লাগিব। ৰাজনীতিক পুনৰ
এক দৰ্শন আৰু চৰিত্ৰ দান কৰিব লাগিব। তেহে ভৱিষ্যতে দেশে কিছুক্ষেত্ৰত উন্নতি কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

**স্থানীয় সমস্যাসমূহৰ ওপৰত আলোকপাত ঃ**

১৯৮৯ চনতে ঢকুৱাখনাই মহকুমা হিচাপে স্বীকৃতি লাভ কৰে। তেতিয়াৰে পৰা বৰ্তমানলৈ সুদীৰ্ঘ দহটা বছৰত মহকুমাটোৰ কেউদিশ চালি জাৰি
চালে এটা কথাই পৰিলক্ষিত হয় যে উন্নতিৰ নামত ইয়াত একো হোৱা নাই। পিছপৰা অঞ্চল হিচাপে পৰিচিত ঢকুৱাখনা অঞ্চলৰ যাতায়ত, যোগাযোগ
আৰু আৰ্থ-সামাজিক জীৱন অতিকে পুতৌজনক। মহকুমা সদৰ হিচাপে থাকিবলগীয়া নূনতম সুবিধাখিনিৰো ইয়াত অভাৱ। উপৰোক্ত অভাৱবোৰে
স্থানীয় ৰাইজৰ বাজহাড় এনেয়ে বেকাঁ কৰি ৰাখিছে, তাতে 'ভূতৰ ওপৰত দানহ' স্বৰূপ প্ৰলয়ংকাৰী বানপানীয়ে ১৯৯৬ চনৰপৰা যি তাণ্ডৱ নৃত্য প্ৰদৰ্শন
কৰিলে সি ৰাইজৰ বাজহাড় চূৰ্ণীকৃত কৰি তুলিলে। সেই বাজহাড় জোৰা লগাই পুনৰ জীৱন যুদ্ধত অৱতীৰ্ণ হোৱাটো ৰাইজৰ বাবে দুৰূহ হৈ পৰিছে।
আত্ম-স্বজন, ঘৰ-বাৰী হেৰুৱাই চকুলোৰে বাট নেদেখা হৈ পৰা ঢকুৱাখনাবাসী ৰাইজৰ চকুলো আঁতৰায় কোনে?
ৰাইজে সমস্যা সমাধানৰ আশাত প্ৰতিবছৰে পৰিৱৰ্তন কৰিছে চৰকাৰৰ। কিন্তু কাৰ্যকালৰ অন্তত দেখা যায় যে জনসাধাৰণক সেৱা আগবঢ়াম
বুলি আগবাঢ়ি যোৱা চৰকাৰসমূহে 'এটা শূন্য'ৰ বাহিৰে ৰাইজক একো দিব পৰা নাই। চৰকাৰী বন্ধ, উৎসৱ-অনুষ্ঠানৰ বন্ধ, সংগঠন আদিৰ বন্ধ পালন
কৰোঁতেই মহাবিদ্যালয়সমূহ বছৰত ১০-১১ মাহে বন্ধ থাকে। তাতে বিগত বছৰকেইটাত বানপানীয়ে শিক্ষানুষ্ঠানসমূহৰ যি অপূৰণীয় ক্ষতি কৰিলে সি
অবৰ্ণনীয়।

ঢকুৱাখনা মহকুমাটোৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ 'ঢকুৱাখনা মহাবিদ্যালয়' খনি বৰ্তমান চাৰিকড়ীয়া নদীৰ প্ৰবল খহনীয়াৰ বুকুত। ১৯৯৮ চনৰ
প্ৰলয়ংকাৰী বানে মহাবিদ্যালয় চৌহদৰ বহুতো মূল্যবান গছৰ লগতে মাননীয় শিক্ষাগুৰু দুজনমানৰ বাসগৃহও উটাই লৈ যায়। এনেদৰে খহনীয়া
অব্যাহত থাকিলে আৰু তিনি-চাৰিটা বছৰৰ মূৰকত ঢকুৱাখনা মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাসমূহো নদীৰ বুকুত জাহ যাব। আশা ৰাখিছোঁ, চৰকাৰৰ
মাননীয় বিষয়াসকলে উক্ত বিষয়ৰ ওপৰত গুৰুত্ব সহকাৰে বিবেচনা কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিব। অনাথা এই পবিত্ৰ শিক্ষানুষ্ঠানটি নিঃশ্চিহ্ন হৈ পৰিব
কালৰ বুকুত।

'অ ভাৱে স্বভাৱ নষ্ট কৰে'। ঐতিহ্যমণ্ডিত ঢকুৱাখনা অঞ্চলত বৰ্তমান অভাৱ আৰু অভাৱ। এই অভাৱেই স্বভাৱ নষ্টৰ মুখ্য কাৰণ। বানপানী
সমস্যা যিদিনালৈকে সমাধান নহয়, সিদিনালৈকে ঢকুৱাখনা বাসী ৰাইজৰ অভাৱ-অনাটনো দূৰ নহয়। এই অভাৱ দূৰ হ'ব বুলি আশা কৰিব পাৰিনে
বাৰু? মাননীয় অসম চৰকাৰৰ মন্ত্ৰী মহোদয়সকলে ঢকুৱাখনাবাসী ৰাইজৰ আহ্বান শুনক। বিশাল জলাশয়ত পৰিণত হোৱাৰ আগতে মহকুমাটোৰ
বানপানী সমস্যাৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰক। ঐতিহ্যমণ্ডিত ঢকুৱাখনাবাসী ৰাইজৰ ম্লান পৰি যোৱা হাঁহি পুনৰ বিৰিঙাই তোলক......।

**মহাবিদ্যালয় আলোচনী প্ৰসংগত ঃ**

এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী ছাত্ৰ-ছাত্ৰীসকলৰ হাতত তুলি দিম বুলি যি আশা আৰু কল্পনা বুকুত বান্ধি কামত আগবাঢ়িছিলোঁ উন্নত মানদণ্ডৰ
(শিক্ষাগুৰুসকলৰ বাদে) লিখনিৰ অভাৱে আশাত চেঁচাপানী ঢালিলে। তথাপি 'শুকুতাকে মুকুতা' কৰি 'ঢকুৱাখনা মহাবিদ্যালয় আলোচনী' খনিৰ
একবিংশতিতম সংখ্যাটি আপোনাসৱৰ হাতত অৰ্পণ কৰিলোঁ। এই আপাহতে ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি
অধ্যয়নৰ লগতে সাহিত্য চৰ্চাও অব্যাহত ৰাখিবলৈ আহ্বান জনালোঁ। অধ্যয়ন আৰু চৰ্চা অব্যাহত ৰাখিলে হোমেন বৰগোহাঞি, ড' চন্দ্ৰধৰ চমুৱাৰ
দৰে আৰু সু-সাহিত্যিকৰ জন্ম ঢকুৱাখনাত নিশ্চয় হ'বই।
সদৌ শেষত মোৰ প্ৰচেষ্টাত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, শিক্ষাগুৰুসকলে সহায়- সহযোগ আগবঢ়ালে সকলোটিলৈকে কৃতজ্ঞতা জনাই
অনভিজ্ঞতাজনিত ভুল-ত্ৰুটিৰ বাবে ক্ষমা-ভিক্ষা মাগিছোঁ।

সেৱাৰে

শ্ৰীজিতেন কুমাৰ শইকীয়া।

# ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ সাহিত্যকৃতিৰ মূল্যায়ন ঃ

ড° জিতৰাম কলিতা
মুৰব্বী, অসমীয়া বিভাগ

## অসমীয়া ৰমন্যাসিক সাহিত্য বিস্তাৰত বৰদলৈৰ ভূমিকা ঃ

ৰজনীকান্ত বৰদলৈৰ সময়ত অসমীয়া ৰমন্যাসিক সাহিত্যৰ সূচনা মাত্ৰ হৈছিল। ১৮৮৯ খ্ৰীঃত প্ৰকাশ হোৱা জোনাকী আলোচনীৰ যোগেদি অসমীয়া সাহিত্যত ৰমন্যাসিক আন্দোলনৰ শুভাৰম্ভ হয়। ১৮৯৪ খ্ৰীঃত বৰদলৈয়ে **মিৰি জীয়ৰী** উপন্যাস ৰচনা কৰাৰ সময়ত ৰমন্যাসিক আন্দোলন আৰম্ভ হোৱাৰ ছয় বছৰহে হৈছিল। ইংৰাজী সাহিত্যত ৰমন্যাসিক পুনঃজাগৰণ ১৮ শ শতিকাৰ পৰা ১৯ শ শতিকাৰ মধ্যভাগলৈ অব্যাহত আছিল আৰু চাৰ বাল্টাৰ স্কট এই সময়ৰ ইংৰাজী সাহিত্যৰ উল্লেখযোগ্য ঔপন্যাসিক। সাহিত্যৰ এটা নতুন শাখা উপন্যাস। তেওঁ এই শাখাক সৌষ্ঠৱশালী কৰি তোলে আৰু ব্যক্তি আৰু সমাজ-জীৱন গঢ় লৈ উঠাত উপন্যাসক প্ৰধান শক্তি হিচাপে সু-প্ৰতিষ্ঠিত কৰে। স্কটৰ উপন্যাসত মানুহৰ অতীত আৰু বৰ্তমান এনেদৰে পুনৰ নিৰ্মিত হৈছিল যে মনুষ্য জীৱনৰ কোমল আৰু কঠিন ৰূপটো একেলগে সুমণ্ডিত ৰূপত প্ৰকাশ পাইছিল। ঐতিহাসিক উপন্যাসৰ প্ৰবৰ্ত্তক স্কটৰ মতে প্ৰকৃতাৰ্থত বুৰঞ্জী কেৱল কিছুমান ঘটনা, যুদ্ধ-বিগ্ৰহ, সন্ধি আদিৰ সমষ্টি নহয়। সেই সময়ৰ মানুহৰ খোৱা-পিন্ধাৰ সমস্যা, চিন্তা-চৰ্চা, আচাৰ-অনুষ্ঠান, প্ৰেম-বিৰহ এই সকলোবোৰ হ'ল বাস্তৱ কথা। এই ঐতিহাসিক বাস্তৱবাদক স্কটে উপন্যাসবোৰত অংকণ কৰিছিল। তেওঁ মানুহৰ সততা, মহত্ব আৰু মানবীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। স্কটৰ ঐতিহাসিক উপন্যাসবোৰৰ আৰ্হিতে বৰদলৈয়ে অসমীয়া ভাষাত উপন্যাস ৰচনা কৰিছিল আৰু তেওঁৰ ৰচিত উপন্যাস কেইখনত স্কটে প্ৰয়োগ কৰা কৌশলসমূহ অনুকৰণ কৰিছিল। বৰদলৈক অসমীয়া উপন্যাসৰ প্ৰবৰ্তক আখ্যা দিব পাৰি। অসমীয়া ভাষা-সাহিত্যৰ অৱস্থা আৰু সেই সময়ৰ অসমৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পটভূমিত উপন্যাস ৰচনা কৰি নিজা সংকল্পক বাস্তৱত ৰূপায়ণ কৰাত বৰদলৈ সফল হৈছিল।

অসমীয়া সাহিত্যত ৰমন্যাসিক ধাৰাটোক উপন্যাসৰ মাধ্যমত বৰদলৈয়ে শক্তিশালী কৰে। উপন্যাস আধুনিক যুগৰ সবাতোকৈ জনপ্ৰিয় সাহিত্য। গতিকে ইয়াৰ যোগেদি এই ভাৱধাৰা বিস্তাৰ কৰাটো সহজ সাধ্য। ১৮৩২ খ্ৰীঃত স্কটৰ মৃত্যুৰ লগে লগে ইংৰাজী উপন্যাসত ৰমন্যাসিক ভাৱধাৰাৰ অৱসান ঘটে। আনহাতে ইয়াৰ ছয় দশকৰ পিছতহে অসমত ৰমন্যাসিক উপন্যাসে গা কৰি উঠে। বৰদলৈয়ে উপন্যাস ৰচনা কৰিবলৈ লোৱাৰ সময়ত অসমত নগৰকেন্দ্ৰিক সভ্যতা গঢ় লৈ উঠা নাছিল। ঔদ্যোগিক বিকাশ নঘটাৰ ফলত শিল্পাঞ্চল সৃষ্টি হোৱা নাছিল আৰু ব্যক্তি সত্ত্বাই প্ৰতিপত্তি লাভ কৰা নাছিল। এই বাবে অসমত মধ্য যুগীয় সমাজ ব্যৱস্থাত এই ব্যক্তি স্বতন্ত্ৰতা পোৱা নগৈছিল। এইবাবে লক্ষীমপুৰ জিলাৰ সোৱণশিৰীৰ পাৰৰ মিচিংসকলৰ সামাজিক জীৱনৰ এখন মনোৰম ছবি তেওঁৰ প্ৰথম উপন্যাস **মিৰি জীয়ৰীত** (১৮৯৪) সুন্দৰকৈ অংকণ কৰি অসমীয়া কাহিনী সাহিত্যত ৰমন্যাসিক ধাৰাটো শক্তিশালী কৰে।

বৰদলৈয়ে মনোমতী, ৰংগিলী, নিৰ্মল ভকত, ৰহদৈ লিগিৰী, তাম্ৰেশ্বৰীৰ মন্দিৰ, ৰাধা ৰুক্মিনীৰ ৰণ উপন্যাসত অসম বুৰঞ্জীৰ অতি গুৰুত্বপূৰ্ণ সময়ৰ পৰা বিশেষকৈ মানৰ আক্ৰমণ আৰু মোৱামৰীয়া বিদ্ৰোহৰ পৰা বিষয়বস্তু গ্ৰহণ কৰিছে। ১৯ শ শতিকাৰ ২য় আৰু ৩য় দশকত মানৰ তিনিবাৰ আক্ৰমণে অসমীয়া জাতীয় জীৱনলৈ ভয়াবহতা কঢ়িয়াই আনিছিল। বৰদলৈয়ে তেওঁৰ ঐতিহাসিক উপন্যাস কেইখনত সেই দিনবোৰৰ একোখন মনোৰম চিত্ৰ অংকণ কৰিছে। লেখকৰ কল্পনা শক্তিৰ প্ৰভাৱত সেই দুখজনক পৰিস্থিতিত ৰহদৈ, মনোমতী, ৰংগিলী, পদুমী, শান্তিৰাম, নিৰ্মল আদি অসংখ্য চৰিত্ৰ-সৃষ্টি কৰি অতীতক মূৰ্তমান কৰি তুলিছে। মুঠতে বুৰঞ্জীমূলক উপন্যাস কেইখনৰ যোগেদি বৰদলৈয়ে ইতিহাসৰ পটভূমিত অসমীয়া জাতীয় জীৱনৰ আদৰ্শৰ ইংগিত দিছে আৰু অসমীয়া সাহিত্যত ৰমন্যাসিক ধাৰাটো শক্তিশালী কৰি তোলে।

ৰমন্যাসিক সাহিত্যৰ এটা প্ৰধান বৈশিষ্ট হ'ল ৰোমান্স প্ৰৱণতা। বৰদলৈয়ে উপন্যাসবোৰৰ মাজেৰে এই লক্ষণ প্ৰকাশ কৰিছে। ৰমন্যাসিক লেখক হিচাপে বৰদলৈ আছিল কল্পনা প্ৰয়াসী। কল্পনাৰ ৰঙেৰে অসম বুৰঞ্জীৰ ঘটনাসমূহৰ লগত চৰিত্ৰসমূহক জড়িত কৰাৰ লগতে পাঠকৰ সন্মুখত সেইবোৰ অধিক সজীৱ আৰু আকৰ্ষণীয় ৰূপত অংকণ কৰা হৈছে। এই চৰিত্ৰ বোৰৰ ভিতৰত হলকান্ত, মনোমতী, পমিলা, পদুমী, শান্তিৰাম, ৰহদৈ, ৰংগিলী, নিৰ্মল, দয়াৰাম উল্লেখ যোগ্য। ঠিক সেইদৰে কিছুমান চৰিত্ৰ পোনপটীয়াকৈ বু ৰঞ্জীৰ পৰা সংগ্ৰহ কৰা। চন্দ্ৰকান্ত সিংহ, পুৰ্ণনন্দ বুঢ়াগোহাঁই, বদন বৰফুকন সৎৰাম, হৰদত্ত, বীৰদত্ত, কলীয়া ভোমোৰা, ৰূপসিং; নিজৌ গাভৰু, ৰাজমাও, মিংগিমহা তিলোৱা আদি চৰিত্ৰ বুৰঞ্জীৰ ঘটনাৰ লগত ওতঃ প্ৰোতঃ ভাৱে জড়িত। কাহিনীৰ প্ৰয়োজন অনুসৰি ঘটনাৰ লগত জড়িত কৰিবলৈ যাওঁতে কল্পনাৰ কিছু আশ্ৰয় লোৱা হৈছে বাবে সৰহভাগ চৰিত্ৰৰে কিছু তাৰতম্য ঘটিছে। তেওঁৰ উপন্যাবোৰৰ মাজেদি অসমৰ প্ৰকৃত, নদী-নলা, পৰ্বত-পাহাৰ, ধৰ্ম, উৎসৱ-পাৰ্বন, নৃত্যগীত আদিৰ প্ৰাঞ্জল বৰ্ণনা দাঙি ধৰিছিল। স্বদেশ আৰু স্বজাতিৰ প্ৰতি ভালপোৱাৰ ভাৱ সকলোৰে মনত জগাই তোলাই বৰদলৈৰ উপন্যাসৰ প্ৰধান বৈশিষ্ট।

জোনাকী যুগতে পোন প্ৰথমতে প্ৰেমক বিষয়-বস্তু হিচাপে গ্ৰহণ কৰি উপন্যাস ৰচনা কৰা হয় আৰু ইয়াৰ পৰা উদ্ভৱ হোৱা হৰ্ষ-বিষাদ,

বিৰহ-মিলন ইয়াত অংকণ কৰা হয়। বৰদলৈৰ উপন্যাসবোৰৰ কাহিনী প্ৰণয়াত্মক। তেওঁ উপন্যাসত ডেকা-গাভৰুৰ প্ৰেমৰ দুই প্ৰকাৰৰ পৰিণতি দেখুৱা হৈছে। প্ৰথম পৰিণতিত বৈবাহিক সম্বন্ধৰ দ্বাৰা পাত্ৰ-পাত্ৰীৰ মিলন সুখজনক হৈছে। দ্বিতীয় পৰিণতিত বাধা অতিক্ৰম কৰিব নোৱাৰি প্ৰণয়-ভংগ হোৱাৰ ফলত শোকাবহ বিচ্ছেদৰ বেদনাই ঠাই পাইছে। প্ৰেমৰ বিভিন্ন অৱস্থাৰ ছবি দাঙি ধৰোতে তেওঁ সকলো ক্ষেত্ৰতে সামাজিক বন্ধন, ঐতিহ্য-পৰম্পৰা, ৰীতি-নীতি আদিত সততে দৃষ্টি ৰাখিছিল। প্ৰেমৰ কদৰ্য ৰূপ বৰদলৈৰ উপন্যাসত নাই। প্ৰায়বোৰ উপন্যাসতে নায়ক-নায়িকাৰ আশৈশৱ সান্নিধ্যৰ ফলত প্ৰণয়ৰ সূত্ৰপাত হৈছে। প্ৰেমিক-প্ৰেমিকাৰ মাজত প্ৰেমৰ উন্মেষ আৰু প্ৰকাশৰ থলী হ'ল ভাওনা-সবাহ, বিহুতলী, ভুঁইতলী বা নৈৰ পাৰ।

ৰমন্যাসিক সাহিত্যৰ এটা অন্যতম লক্ষণ হৈছে প্ৰকৃতি প্ৰীতি। অসমীয়া উপন্যাসৰ ঘটনা প্ৰবাহত প্ৰয়োজনীয় উপাদান কৰি তোলা হৈছে প্ৰকৃতিক। অসমৰ হাবি-বন, নৈ-নিজৰাৰ নিজস্ব সৌন্দৰ্যই প্ৰকাশ লাভ কৰিছে। এই প্ৰাকৃতিক দৃশ্য সমূহে উপন্যাসৰ কাহিনী মনোৰম কৰিয়ে এৰা নাই, কাহিনীৰ গতিবেগো প্ৰদান কৰিছে। ইয়াৰ ফলত এই বিলাক কাহিনীৰ পটভূমি হৈ থকা নাই, কাহিনীৰ উপাদান হৈ পৰিছে। বৰদলৈয়ে লক্ষীমপুৰ জিলাৰ সোৱণশিৰী আৰু ঘুঁণাসুতি অঞ্চলৰ প্ৰাকৃতিক বৰ্ণনা মিৰি জীয়ৰী উপন্যাসৰ মাধ্যমত দাঙি ধৰিছে। গাঁও-ভূঁই, নদী-ঘাটৰ বৰ্ণনা, টঙি ৰখা, নৰাছিগা বিহুৰ বৰ্ণনাই অসমৰ প্ৰকৃতিক জীৱন্ত কৰি তুলিছে। গাছি মিৰিৰ সমাজ-ব্যৱস্থা, ভৈয়ামৰ মিচিংৰ ধৰ্ম-বিশ্বাস, বিবাহ প্ৰথা, ডেকা-গাভৰুৰ মুকলি-মূৰীয়া স্বভাৱ, মৰংঘৰৰ বৰ্ণনা চিত্ৰধৰ্মী হৈ পৰিছে। জনজাতি আৰু অজনজাতিসকলৰ যোগসূত্ৰ তথা সম্পৰ্কৰ কথা দাঙি ধৰি বৃহৎ অসমীয়া জাতি গঠনৰ কথা বৰদলৈয়ে উপলব্ধি কৰিছিল।

ৰমন্যাসিক লেখকৰ এটা প্ৰধান বৈশিষ্ট্য অতীত প্ৰীতি। অতীতৰ গৌৰৱময় ঘটনাই মনত প্ৰেৰণা দিয়ে আৰু অত্যাচাৰ উৎপীড়ণৰ কাহিনীয়ে পাঠকৰ মনত বেদনাৰ সৃষ্টি কৰাৰ লগতে ভৱিষ্যতলৈ সাৱধান হ'বলৈ সুবিধা দিয়ে। দেশৰ ভৱিষ্যৎ মংগল সাধন কৰিবলৈ হ'লে অতীতৰ পৰাও শিক্ষা লোৱা প্ৰয়োজন। এইবাবে বৰদলৈয়ে অসমত মানৰ আক্ৰমণ, মোৱামৰীয়া বিদ্ৰোহ আৰু আহোম ৰাজশক্তিৰ পতনত দেশৰ জনসাধাৰণৰ দুখ দুৰ্দশাৰ কথা বৰ্ণনা কৰিছে আৰু এই কথা কব বিচাৰিছে যে আমাৰ সকলো পৰ্য্যায়ৰ লোকৰ মাজত অনৈক্যৰ ভাৱধাৰাই এই বিপৰ্য্যয়ৰ মূল কাৰণ। ভৱিষ্যতে যাতে আমাৰ মাজত জাতীয় চেতনাবোধ আৰু একতা সকলো পৰিস্থিতিতে অটুত থাকে তাকে উপন্যাস সমূহৰ মাজেদি সকীয়াই দিব বিচাৰিছে।

বৰদলৈৰ কেইখনমান উপন্যাসত অতি প্ৰাকৃত উপাদানৰ প্ৰয়ো...

ৰমন্যাসিক লেখকৰ আন এটা বৈশিষ্ট্য হৈছে স্বদেশানুৰাগ। বৰদলৈৰ উপন্যাসত স্বদেশ প্ৰেমৰ মনোভাৱ মনোমতী উপন্যাসৰ চণ্ডী বৰুৱা, লক্ষীকান্ত, শান্তিৰাম আদি চৰিত্ৰত দেখা যায়। তদুপৰি দন্দুৱা দ্ৰোহ উপন্যাসত হৰদত্ত, নিৰ্মল ভকতত নিৰ্মল, ৰাজেশ্বৰীৰ মন্দিৰত কমলেশ্বৰ আৰু ধনেশ্বৰ আদি চৰিত্ৰত এনে আদৰ্শ প্ৰস্ফুটিত হৈছে। বৰদলৈৰ অকৃত্ৰিম দেশ-প্ৰেম তেওঁৰ ৰচিত উপন্যাসত প্ৰদৰ্শিত হৈছে। এই বাবেই তেওঁৰ উপন্যাসত অসমৰ পৰ্বত-পাহাৰ, নৈ-নিজৰা, দৌলোৎসৱ, বিহুতলী সকলোবোৰ জীৱন্ত কৰি তুলিব পাৰিছিল। তেওঁ ভাবিছিল যে এখন উপন্যাসে এটা জাতিক বহুতো আগবঢ়াই নিব পাৰে। কিন্তু এনে উদ্দেশ্য ধৰ্মিতা থকা স্বত্বেও বৰদলৈৰ উপন্যাসে কলাৰ গুণ হেৰুৱা নাই।

বৰদলৈৰ জীৱন দৰ্শন আছিল ঈশ্বৰমুখী আৰু সেইবাবেই তেওঁ ঈশ্বৰত বিশ্বাস ৰাখি ৰচনা কৰা উপন্যাসসমূহৰ কাহিনী আৰু চৰিত্ৰসমূহক এক নৈতিক পৰিমণ্ডলৰ মাজত আবৃত কৰি ৰাখিছে। তেওঁৰ মতে বৈষ্ণৱ গুৰু শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱে ৰাখি থোৱা আদৰ্শ আৰু ধৰ্মৰ ভেটিতে গঢ় লৈ উঠা অসমীয়া সমাজৰ স্থায়িত্ব নিৰ্ভৰ কৰিছে নৈতিকতাৰ ওপৰত। এই বাবে উপন্যাসসমূহত বৈষ্ণৱ ধৰ্মত থকা ত্যাগ, মানৱ প্ৰেম, সহযোগিতা পৰোপকাৰ আদি আদৰ্শসমূহ স্পষ্ট কৈ ফুটি উঠিছে। এই বৈশিষ্ট্যসমূহে উপন্যাসবোৰত এটা নৈতিক ৰহণ সানিছে।

অসমীয়া সাহিত্যত ৰমন্যাসিক চালিকা শক্তিটো বৰদলৈৰ হাততে শক্তিশালী হয়। পশ্চিমীয়া সাহিত্যত জন্ম গ্ৰহণ কৰা এই ভাৱধাৰা বৰদলৈৰ ৰচিত উপন্যাসবোৰৰ যোগেদি অসমীয়া সাহিত্যত ঠন ধৰি উঠে। মিৰি জীয়ৰী উপন্যাসত অসমীয়া কাহিনী সাহিত্যত প্ৰথম বিষয়-বস্তুৰ বাস্তৱতা আৰু কলা-কৌশল প্ৰয়োগ কৰা হয়। প্ৰথমবাৰৰ বাবে তামেদ, নিৰমাই আদি সাধাৰণ মানুহে উপন্যাসত ঠাই পায়। এনে ৰমন্যাসিক চালিকা শক্তিৰ বাবে বৰদলৈয়ে সৃষ্টি কৰা চৰিত্ৰবোৰ সজীৱ আৰু জীৱনৰ বাবে সজ।

### অসমীয়া উপন্যাসত বৰদলৈৰ প্ৰভাৱ ঃ

বৰদলৈয়ে উপন্যাস ৰচনা কৰাৰ আগতে অসমীয়া সাহিত্যত স্বৰূপাৰ্থত সাৰ্থক উপন্যাস এখনো নাছিল। অৰুনোদই যুগত অসমীয়া ভাষাত কাহিনী সাহিত্যৰ সৃষ্টি হৈছিল যদিও সেই কাহিনী সাহিত্যৰ চৰিত্ৰবোৰ একেবাৰে স্থিতিশীল আৰু যান্ত্ৰিক আছিল। সেইবোৰত প্ৰয়োগ কৰা ভাষা যথোপযুক্ত নাছিল। ...

গোহাঞি বৰুৱা ...

জীৱন ধাৰাৰ সম্যক চিত্ৰ তেওঁলোকে উপন্যাসত চিত্ৰিত কৰিব পৰা নাই। এইবাবে উপন্যাসিক হিচাপে দুয়োজনে সফলতা লাভ কৰিব নোৱাৰিলে।

১৮৯৫ খ্ৰীষ্টাব্দত বৰদলৈয়ে প্ৰথম উপন্যাস মিৰিজীয়ৰী ৰচনা কৰি অসমীয়া উপন্যাস সৃষ্টিৰ ক্ষেত্ৰখনক এক সঠিক পথেৰে গতিশীলতা দিলে। আগৰ লেখকসকলৰ ৰচনাৰ সীমাবদ্ধতা আৰু দুৰ্বলতা অতিক্ৰম কৰি পাশ্চাত্য সাহিত্যৰ আদৰ্শত প্ৰকৃত উপন্যাসৰ শুভাৰম্ভ কৰে।

বৰদলৈৰ সৃষ্টিশীল প্ৰতিভা আছিল অনন্য। অসমীয়া সাহিত্যত কোনো সাৰ্থক উপন্যাসৰ সৃষ্টি নোহোৱাকৈ ইংৰাজী আৰু বাংলা উপন্যাসৰ আহিৰে তেওঁ সাৰ্থক উপন্যাস সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অসমীয়া উপন্যাস সৃষ্টি হোৱাৰ আগতেই যেন প্ৰথমতে গভীৰতা আৰু বিশুদ্ধি কঢ়িয়াই আনিছিল। কলিকতাত পঢ়ি থকা অৱস্থাতে স্কট আৰু বংকিম চন্দ্ৰৰ যুগান্তকাৰী উপন্যাসবোৰে তেওঁক আকৃষ্ট কৰিছিল আৰু এই উপন্যাসবোৰ পঢ়োঁতে বৰদলৈৰ মনলৈ অসমৰ পৰ্বত-পাহাৰ, নদী-নলা, বিল-খাল, হাবি বননি আদিৰ কথা অহাৰ লগতে অসম বৈচিত্ৰপূৰ্ণ সংস্কৃতি আৰু অতীত অসমৰ বৰ্ণাঢ্য ঐতিহাসিক ঘটনাবোৰে মনৰ আকাশত ভুমুকি মাৰিছিল। তেতিয়াই তেওঁ সেই বিলাককে উপন্যাসৰ হিচাপে গ্ৰহণ কৰিবলৈ সংকল্প লৈছিল।

বৰদলৈৰ উপন্যাসৰ কলা কৌশলৰ ওপৰত গুৰুত্ব নিদি কাহিনীৰ বৰ্ণনাৰ ওপৰত বেছি মনোযোগ দিছিল। বৰদলৈৰ সাৰ্থক উপন্যাস সৃষ্টিয়ে সমকালীন আৰু পৰৱৰ্তী কালৰ অসমীয়া লেখক সকলক প্ৰভাৱান্বিত কৰিছিল।

অসমীয়া সাহিত্য জগতত বৰদলৈ প্ৰধানকৈ দুটা দিশত অমৰ লেখক। (ক) অসমীয়া সাহিত্যৰ ঐতিহাসিক বিচাৰত তেওঁ অমৰ। জোনাকী আলোচনীৰ যোগেদি ঊনবিংশ শতিকাৰ শেষ দশকত অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ আদৰ্শত ৰমন্যাসৰ সূচনাৰ সময়তে বৰদলৈয়ে এককভাৱে অসমীয়া উপন্যাসৰ শক্তিশালী আধাৰ প্ৰতিষ্ঠা কৰে। পদ্মনাথ গোহাঞি বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱা আদিৰ দৰে বিশাল প্ৰতিভাশালী লেখকে উপন্যাস সৃষ্টিত হাত দিছিল যদিও সফল হ'ব নোৱাৰিলে। আধুনিক অসমীয়া সাহিত্যৰ সূচনা কালতে বৰদলৈয়ে অতি সফলভাৱে অসমীয়া উপন্যাসৰ ইতিহাসক ঐশ্বৰ্য্যময় কৰি তোলে। গতিকে তেওঁৰ ৰচনাৰ ঐতিহাসিক মূল্য আছে। (খ) দ্বিতীয় কাৰণ তেওঁৰ উপন্যাসৰ শিল্প গুণত। উপন্যাস এবিধ কলা আৰু ইয়াৰ স্থিতি বৰ্তি থাকে ইয়াৰ বিষয়গত আৰু মনোধৰ্মী উপাদান বোৰত। মনোধৰ্মী উপাদানবোৰত কল্পনা আৰু বাস্তৱতাৰ সংমিশ্ৰণ, মনঃ সমীক্ষণ আৰু কাব্যিকতা ৰস আৰু আদৰ্শ অৱতাৰণা কৰা হয়। বাণী ভংগী আৰু মনোহোৰিত্ব হৈছে উপন্যাসৰ সূক্ষ্ম শৰীৰ। সৃষ্টিশীল লেখকে সৃজনীশীল সূক্ষ্ম দৃষ্টিভংগীৰে মানুহৰ বাস্তৱ জীৱনত আনে নেদেখা অনেক সত্য দেখা পায়। এই সত্যবোৰকে আধাৰ ৰূপে লৈ লেখকে উপন্যাসৰ কাহিনী আৰু চৰিত্ৰ নিৰ্মাণ কৰে। বৰদলৈয়ে কল্পনাৰ আশ্ৰয় লৈ অসমৰ অসমীয়াৰ জীৱন ধাৰণ পদ্ধতি, অসমীয়া মানুহৰ স্বভাৱ-চৰিত্ৰ, ৰীতি-নীতি আৰু ইতিহাস উপন্যাস কেইখনৰ মাজেৰে প্ৰকাশ কৰিছে। অসমৰ প্ৰকৃতিৰ বৰ্ণনা তেওঁৰ ৰচিত মিৰিজীয়ৰী, মনোমতী, দন্দুৱা দ্ৰোহ আৰু তাম্ৰেশ্বৰীৰ মন্দিৰত অংকিত হোৱা দেখা যায়।

এখন উপন্যাস সৃষ্টি কৰিবলৈ লেখকে যি কল্পনা কৰে তাত এক সংগতিপূৰ্ণ পদ্ধতি আৰু সৃষ্টিশীলতা থাকে। উপন্যাস ৰচনা কৰিবলৈ কেনে ধৰণৰ পদ্ধতি অৱলম্বন কৰি কল্পনা কৰা হ'ব এই বিষয়ে উপন্যাসিকে পূৰ্ব সিদ্ধান্ত কৰি নথয়। কল্পনাৰ অনুক্ৰমেৰে উপন্যাসৰ কাহিনী আৰম্ভ হোৱাৰ পিচত এটা সংগতিৰ মাজেদি কাহিনী বিন্যাস কৰা হয়। এই ঐক্যৰ বাবেই অনেক সৰুবৰ ঘটনা সমষ্টিৰে উপন্যাসত এটা পৰিপূৰ্ণ কাহিনী গঢ়ি তোলে। বৰদলৈয়ে কাহিনী বিন্যাসত এই নীতি অনুসৰণ কৰা নাই। তেওঁৰ উপন্যাস কেইখন মানৰ কাহিনী বিকাশত পূৰ্ব পৰিকল্পিত আচনি প্ৰস্তুত কৰা নাছিল। মনোমতী, ৰহদৈ লিগিৰী, নিৰ্মল ভকত উপন্যাসৰ কাহিনীয়ে একমুখী গতি হেৰুৱাইছে।

উপন্যাসত প্ৰকাশ পোৱা বাস্তৱতা হ'ল কাল্পনিক বাস্তৱতা। জীৱনৰ বৈচিত্ৰপূৰ্ণ চিন্তা, কৰ্ম আৰু ঘটনাবোৰকে উপন্যাসত দাঙি ধৰা হয়। উপন্যাসত অংকিত চৰিত্ৰৰ আশা নৈৰাশ্য হাঁহি কান্দোন, ভয় সংশয় আদি মানুহৰ চিৰন্তন অনুভূতি। এই অনুভূতিবোৰকে প্ৰত্যয়জনক ঘটনা আৰু পৰিস্থিতিৰ মাজেদি উপন্যাসত প্ৰকাশ কৰা হয়। বৰদলৈৰ উপন্যাসৰ চৰিত্ৰসমূহ এনে ৰূপায়ণৰ বাবে উৎকৃষ্ট অসমীয়া মানুহ সাধাৰণতে সহজ-সৰল শান্তি প্ৰিয় আৰু আত্ম সন্তুষ্ট। তেওঁলোক পৰিশ্ৰমী, সাহসী আৰু দেশপ্ৰেমিক। অসমীয়া মানুহৰ চিন্তাৰ পৰম্পৰা আৰু আদৰ্শক বৰদলৈয়ে কিছুমান চৰিত্ৰৰ মাজেদি ফুটাই তুলিছে। মিৰিজীয়ৰীত তামেদ আৰু নিৰমাই, মনোমতী উপন্যাসত মনোমতী আৰু শান্তিৰাম ভকত ইয়াৰ উৎকৃষ্ট উদাহৰণ। উপন্যাসৰ শিল্প সৌন্দৰ্য্য হ'ল আনুভূতিক। এইবাবে উপন্যাসত মনঃ সমীক্ষণৰ দ্বাৰা আভ্যন্তৰিণ জীৱনৰ অতল তলিত প্ৰবেশ কৰা হয় আৰু তেতিয়াহে প্ৰত্যাহিত জীৱনত প্ৰকাশ নোপোৱা চিৰন্তন মানৱীয় অনুভূতিক আৱিষ্কাৰ কৰিব পৰা হয়। মনোমতী উপন্যাসত হলকান্ত বৰুৱাই পূৰ্ব শত্ৰু নিপাতৰ আশাত বদনৰ দৰে চণ্ডী বৰুৱাৰ ৰাজ হাউলিলৈ মান সেনাক আগবঢ়াই আনি যি দেশ দ্ৰোহ কৰিলে তাৰ প্ৰতিফল স্বৰূপে মানৰ বন্দীশালত একমাত্ৰ পুতেক লক্ষ্মীকান্তক দেখি মূৰত আকাকশী সৰগ ভাঙি পৰিল। এইয়া উপন্যাসিকৰ মনঃ সমীক্ষণত ধৰা দিয়া মানুহৰ ক্ৰিয়াৰ মানসিক অৱস্থাৰ বহিঃ প্ৰকাশ। বৰদলৈৰ উপন্যাসত জীৱনৰ গোপন সত্যৰ প্ৰকাশ ঘটোৱা হৈছে গভীৰ মনঃ সমীক্ষণেৰে আৰু কলা হিচাপে উপন্যাস কেইখনৰ সৌন্দৰ্য্য উজ্জ্বল হৈছে।

উপন্যাসক সৌন্দৰ্য্যশালী ৰসপূৰ্ণ কৰি তুলিবলৈ মনস্তত্ত্ব আদি যিবোৰ মনোধৰ্মী উপাদান প্ৰয়োগ কৰা হয় সেইবোৰত সংযোগ কৰা হয় কাব্যিকতা। লেখকৰ অভিজ্ঞতাক উপন্যাসৰ সামগ্ৰিকতাৰ মাজেদি প্ৰকাশ কৰা হয় আৰু এইবাবেই উপন্যাসে আহৰণ কৰে কলাৰ গুণ আৰু কলাত্মক আনন্দ দানৰ ক্ষমতা। চৰিত্ৰৰ মাধ্যমত উপন্যাসৰ শিল্প সৌন্দৰ্য্যৰ

ৰসোপলব্ধি কৰোৱা হয়। বৰদলৈয়ে উপন্যাসবোৰত কাব্যিকতা আৰু ৰস সৃষ্টি কৰাত সফল হৈছে। মিৰিজীয়ৰী, দন্দুৱা দ্ৰোহ, ৰহদৈ লিগিৰী আৰু নিৰ্মল ভকত উপন্যাসত এনে কাব্যিকতাৰ সফল ৰূপায়ণ দেখা যায়। তদুপৰি উপমা, ৰূপক, প্ৰতীক আদি কাব্যিক অলংকাৰেৰে বৰদলৈৰ উপন্যাসবোৰ সমৃদ্ধ। মনোৰম বৰ্ণনাই তেওঁৰ উপন্যাসক কাব্যিক মনোহাৰিত্ব দান কৰিছে। উপন্যাসত যি সৌন্দৰ্য্য সৃষ্টি কৰা হয় সিয়ে পাঠকৰ মনত প্ৰশান্তিৰ ভাব সৃষ্টি কৰে। এই প্ৰশান্তিৰ ফলত উপলব্ধি হয় ৰসানুভূতি। উপন্যাসৰ ৰসোপলব্ধি হয় গভীৰ জীৱন বোধৰ বাবে আৰু এই জীৱনবোধ প্ৰকাশ কৰা হয় কাব্যিক শিল্পময় সৌন্দৰ্যৰ মাধ্যমত। জীৱনৰ অস্তিত্ব আৰু ইয়াৰ মনোধৰ্মী সৌন্দৰ্যযুক্ত জীৱনৰ আদৰ্শৰ কথা উপন্যাসত অংকণ কৰা হয়। উপন্যাসত সৎ আৰু অসৎ উভয় চৰিত্ৰলৈ অংকণ কৰা হয় আৰু পৰোক্ষভাৱে অসতৰ ওপৰত সতৰ বিজয় ঘোষণা কৰায়। বৰদলৈ উপন্যাসত সৎ আৰু অসৎ দুয়োবিধ চৰিত্ৰকে অংকণ কৰা হৈছে। তেওঁৰ অভিপ্ৰায় হ'ল অসতৰ ওপৰত সতৰ বিজয় দেখুৱা। তেওঁ মিৰিজীয়ৰী, মনোমতী আদি উপন্যাসৰ কথা বস্তু যত্ন সহকাৰে বিন্যাস কৰি উপযুক্ত চৰিত্ৰ সৃষ্টি কৰি কাব্যিক সংলাপ সংযোগ কৰিছে। উপন্যাস কেইখনত পৰিৱেশ সৃষ্টি, জীৱন দৰ্শন, কাহিনী গঠনৰ কলা কৌশল আৰু ৰীতিয়ে কাব্যিক ৰসৰ সৃষ্টি কৰিছে।

উপন্যাসত থকা বৰ্ণনা শিল্প গুণেৰে ঐশ্বৰ্যশালী আৰু মহিমাৰে উজ্জ্বল হ'লেহে উপন্যাসৰ ৰস সৃষ্টি হয় আৰু পাঠকে সৌন্দৰ্য অনুভূতিৰ আনন্দ লাভ কৰিব পাৰে। লেখকৰ স্বকীয় বাণীভংগীয়ে সৃষ্টি কৰা বৰ্ণনাই মাধুৰ্য্য দান কৰিব পাৰে। বৰ্ণনাভংগী হ'ল কোনো সৃষ্টিশীল লেখকৰ মৌলিক শক্তি অথবা সৃষ্টিশক্তিৰে শব্দ, মধুৰ বাণী ভংগীৰ দ্বাৰা ভাষাৰ মাধ্যমত ভাৱক সুষমামণ্ডিত কৰি প্ৰকাশ কৰিব পাৰি আৰু ইয়াৰ দ্বাৰা ভাষাক অথবক্ৰলন পৰা মুক্ত কৰা হয়। কাব্যিক সৌন্দৰ্যৰে সমৃদ্ধ বাণী ভংগীয়ে উপন্যাসৰ বিষয়বস্তু, লেখকৰ ব্যক্তিত্ব, যুগ চেতনা আদি স্পষ্ট কৰি তোলে আৰু উপন্যাসৰ সামগ্ৰিক ৰস, সৌন্দৰ্য আৰু মনোহাৰিত্ব বৃদ্ধিত সহায় কৰে। বৰদলৈৰ বাণী ভংগী কাব্যিক সৌন্দৰ্যৰে সমৃদ্ধ। তেওঁ গদ্যৰীতিত অসমীয়া জতুৱা ঠাঁচ, উপমা, প্ৰবচন আদিৰ বহুল প্ৰয়োগ আছে। সন্ধি সমাসযুক্ত সংস্কৃতীয়া শব্দৰ দ্বাৰা তেওঁৰ গদ্য ভাৰাক্ৰান্ত নহয়। আনহাতে তেওঁৰ গদ্যত থলুৱা বিশেষকৈ মিচিং ভাষাৰ শব্দ, গীত মাত, আয়েম ভাষাৰ কিছুমান শব্দ আৰু সেই ভাষাৰে সংলাপৰ প্ৰয়োগ দেখা যায়। আপং, কণেং, কাচিন, ম্যাটিন, টেলেট, ট্ৰিনিম আদি মিচিং ভাষাৰ শব্দ। চৰিত্ৰসমূহৰ কথোপকথনত ব্যৱহাৰ কৰা ভাষা বিশেষ মনকৰিবলগীয়া। তেওঁৰ সহজ সৰল আৰু পোন পটীয়া ভাষাই বহু সময়ত সংলাপধৰ্মী অৰ্থাৎ নাটকীয় ৰূপ পাইছে। ৰংগিলী উপন্যাসত বিভিন্ন প্ৰেমিক-প্ৰেমিকাৰ মাজত হোৱা কথোপকথন ইয়াৰ উল্লেখযোগ্য উদাহৰণ। মনোমতী, ৰহদৈ লিগিৰী, দন্দুৱা দ্ৰোহ উপন্যাসত চৰিত্ৰবোৰৰ কথোপকথনে নাটকীয় পৰিবেশৰ সৃষ্টি কৰিছে। কথোপকথনৰ মাধ্যমেৰে তাম্ৰেশ্বৰীৰ মন্দিৰ উপন্যাসৰ কাহিনী ইমান দূৰ আগবঢ়াই নিয়া হৈছে যে ইয়াক সংলাপধৰ্মী উপন্যাস আখ্যা দিব পাৰি।

*Good health and good sense are two of life's greatest blessings.*

-Publilius syrus.

*He who loves not his country, can love nothing*

-Byton.

# "অসমীয়া ভাওনা ঃ ইয়াৰ ভৱিষ্যত ?"

শ্ৰীপ্ৰণৱ বৰুৱা।
স্নাতক ৩য় বৰ্ষ (কলা)

কেৱল অৰ্থ সম্পদেই দেশ এখনৰ প্ৰকৃত সম্পদ হ'ব নোৱাৰে। অৱশ্যে আজিৰ বাস্তৱবাদী সমাজত কথাষাৰৰ মূল্য নাই যেন লাগিলেও দেশ তথা জাতি একোটাৰ নিজা সংস্কৃতিৰ মাজেৰেহে জাতিটোৰ প্ৰকৃত পৰিচয় পোৱা যায়। সংস্কৃতিৰ ভিতৰতো আকৌ নাট-শাল খনেহে জাতীয় জীৱনৰ ৰূপ জেউতি ব্যাপকভাৱে ফুটাই তুলিব পাৰে।

এই বিষয়ত অসমৰ ঐতিহ্য সুদূৰপ্ৰসাৰী। ভাৰতৰ আন আন ঠাইতো বিভিন্ন থলুৱা নাট্যানুষ্ঠান আছে যদিও সেইবোৰ পুৰণিকলীয়া সংস্কৃত নাটৰ আৰ্হিত বিকশিত হোৱা। কিন্তু অসমৰ নাট-ভাওনা অসমৰ মাটিৰ পৰশতে গজি উঠা আৰু তাতেই ডাঙৰ হোৱা। সেইবুলি ইয়াত সংস্কৃত নাটৰ প্ৰভাৱো একেবাৰে নপৰা নহয়; তথাপিও ইয়াত প্ৰধানকৈ থলুৱা প্ৰভাৱহে (নাটকীয় ৰীতি আৰু গঠন পদ্ধতিৰ ক্ষেত্ৰত) পৰিলক্ষিত হয়। প্ৰায় ৫০০ বছৰৰ আগতেই অসমীয়া নাটৰ প্ৰথম হোতা শংকৰদেৱে 'চিহ্নযাত্ৰা' ভাওনা পাতি বৈকুণ্ঠৰ পট তৰি যি নাট অভিনয়ৰ পাতনি মেলিছিল, তেনে দৃশ্যপটৰ সংযোজনাৰে হোৱা নাট্যানুষ্ঠান ভাৰততহে নালাগে পৃথিৱীৰ ভিতৰতে ইয়াৰ আগতে ক'তো হোৱা নাছিল যেন লাগে।

মহাপুৰুষ দুজনাই লিখি থৈ যোৱাৰ পাছত অনেকেই নাট ৰচনা কৰিবলৈ লয়। সত্ৰাধিকাৰ এজন নতুনকৈ পাতত বহাৰ লগে লগে তেওঁৰ দ্বাৰা লিখিত আৰু পৰিচালনাৰে অভিনীত একোখন নাট অভিনয় হোৱাটো এটা নিয়মত পৰিণত হ'ল। লাহে লাহে সত্ৰাধিকাৰৰ বাহিৰেও সাধাৰণ গঞাইও নাট লিখি ভাওনা কৰাবলৈ ধৰিলে।

অসমীয়া নাটবিলাকৰ বেছিভাগৰে ভাষা ব্ৰজাৱলী। এই ভাষাটো শুনিবলৈ শুৱলা আৰু সহজ-সৰল। ল'ৰা-বুঢ়া সকলোৰে বোধগম্য এই ব্ৰজাৱলী ভাষাটো। অৱশ্যে পিছলৈ এই ভাষাৰ ব্যৱহাৰ কমি আহে আৰু অসমীয়া ভাষাই ইয়াৰ ঠাই অধিকাৰ কৰে।

অসমীয়া ভাওনা মেলিবৰ ঠাই নামঘৰ। অসমৰ প্ৰায় সকলো গাঁওতে একোটিকৈ নামঘৰ আছে। আগেয়ে প্ৰায়বোৰ গাঁওতে বছৰত তন্ততঃ একোখনকৈ হ'লেও ভাওনা পতাৰ নিয়ম আছিল, অৱশ্যে বৰ্তমান দুই তিনি বছৰৰ মূৰততহে বহুতো গাওঁত একোখনকৈ ভাওনা হ'বলৈ ধৰা দেখা গৈছে। ভাওনা চাবলৈ থিয়েটাৰৰ দৰে প্ৰৱেশ মূল্যৰ প্ৰয়োজন নাই। ৰাইজৰ সকলোৰে বাবে বহা ঠাইৰ সুবন্দোৱস্ত কৰা হয়। মহিলাৰ বাবে আচুতীয়াকৈ সুচল ঠাই ৰখা হয়।

ভাওনাত ভাগ লওঁতাসকলৰ, নিজা বংশৰ উপাধিৰ উপৰিও বায়ন, গায়ন, সূত্ৰধাৰী আদি উপাধিও থাকে। প্ৰায়বোৰ গাৱঁতে বংশ পৰম্পৰা ৰক্ষা কৰি একে পৰিয়ালৰ লোকৰ মাজৰ পৰাই আজিও গায়ন, বায়ন, সূত্ৰধাৰ বাব চলাই আহিছে। ভাওনা বুলিলেই গায়ন বায়নসকলে লাগিলে সত্তৰ বছৰীয়া বৃদ্ধই হওক, নিজৰ নিজৰ দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহে।

অসমীয়া ভাওনাৰ এটা হাস্যমধুৰ চৰিত্ৰ বহুৱা। বহুৱাই ভাওনাৰ কেৱল সাময়িক জিৰণিহে আনে এনে নহয়। বহুৱাই নাটৰ বিষয়বস্তুৰ লগত তেনেকৈ সম্বন্ধ নাৰাখিও নিজ চৰিত্ৰৰ সাৰ্থকতা প্ৰতিপন্ন কৰে। বহুৱা স্বভাৱকবি, স্বভাৱশিল্পী আৰু ভাওনাৰ ৰহমিঠৈ। উপস্থিত বুদ্ধি বহুৱাৰ এটা ডাঙৰ গুণ। এই শতিকাৰ আদি ভাগৰ মোহন বহুৱাৰ বিভিন্ন কথা আজিও সতেজ হৈ চলি আহিছে। এবাৰ তেওঁ ভাওনাৰ মাজত বহুৱা গাই থকা অৱস্থাতে বহুৱালৈ বুলি এজন লোকৰ হাতত কাৰোবাৰ এখনি ফটা চুটি কাপোৰ ভালদৰে নুৰিয়াই বান্ধি চিনিব নোৱাৰাকৈ দি পঠাই কলে— 'যা মই উপহাৰ দিয়া বুলি কবি'। বহুৱাই সমাজৰ মাজতে বস্তুটো খুলি চালে, তেওঁ কিন্তু বিমোৰত নপৰিল; বৰং ডাঙৰ অপৰাধ কৰা যেন দেখুৱাই উপহাৰ অনা লোকজনক ধমক দি উঠিল—"কটা নিধক অধৰমী, পাপী। তোৰ ইমান সাহনে? প্ৰভু ঈশ্বৰৰ বৰগাৰুৰ গিলিপটো আনি মোক পিন্ধিবলৈ দিয়? এতিয়াই লৈ যা, অধিকাৰৰ গাৰুটোত আগৰ দৰে লগাই থগৈ।" এনেদৰে বহুৱাসকলে কোনো পৰিস্থিতিতে পৰাজয় স্বীকাৰ নকৰাকৈ থাকি দৰ্শকক হাঁহিৰ খোৰাক যোগাবলৈ সক্ষম হৈছিল। বহু সময়ত আকৌ এনে কিছুমান বহুৱাও ওলায় যিবোৰে কোনোমতে আনক ৰস দিব নোৱাৰি নিজৰ ৰসতে নিজেই মাথোন ৰগৰ কৰে।

ভাওনাত বহুৱাৰ দৰে আন এটি চৰিত্ৰ হৈছে "দূত"। দূতে সাধাৰণতে কোনো ৰজাৰ আগমনৰ আগে আগে ওলাই ৰাইজক "চুপ-চাপ" ৰজা আহিছে বুলি সাৱধান কৰি দিয়ে। দূতে কোনো বাৰ্তা আন চৰিত্ৰৰ আগতে জনায়গৈ।

ভাওনাৰ আৱশ্যকীয় সকলো বয়-বস্তু ভাৱৰীয়াসকলৰ লগতে ভাওনাৰ লগত জড়িত লোকসকলে নিজে তৈয়াৰ কৰি লয়। খোল, মৃদঙ্গ, তাল, সাজ-পোছাক মুখা ইত্যাদিবোৰ বাঢ়ৈ কহাঁৰ, কুমাৰ, কমাৰ আদিসকলে তৈয়াৰ কৰি দিয়ে। ভওনাত মুখাৰ ব্যৱহাৰে তাৰ আকৰ্ষণ বৃদ্ধি কৰে। গুৰু ম'হ বক, দৈত্য-দানৱ, দেৱতা, হাতী সকলোৰে ৰূপ মুখাই প্ৰকাশ কৰে। মুখা সাধাৰণতে তামোল, বাহঁ আদিৰ ঢকুৱা আৰু কোনো গছৰ বাকলি কাঠ, বাঁহৰ কাঠি, কাগজ মাটি আদিৰ দ্বাৰা তৈয়াৰ কৰি লোৱা হয়। সাধাৰণতে যিবোৰ চৰিত্ৰ অস্বাভাৱিক সেইবোৰৰ ক্ষেত্ৰত মুখা ব্যৱহাৰ কৰা হয়। ৰাৱণ, গণেশ, বৰাহ গৰুড়, ব্ৰহ্মা, আদি বহুতো চৰিত্ৰৰ ক্ষেত্ৰত মুখা ব্যৱহাৰ কৰা হয়। আজিকালি ভাওনাত মুখাৰ ব্যৱহাৰ

প্ৰায় নোহোৱাই হ'ল। মুখা গঢ়া খনিকৰৰ অভাৱ ইয়াৰ এটা মূল কাৰণ। মুখা পিন্ধিবলৈ আগ্ৰহহীনতা হয়তো আন এটা কাৰণ; কিন্তু মুখাৰ ব্যৱহাৰে অৱস্থাৰ স্বৰূপ ফুটাই তোলাত বিশেষ সহায় কৰে। মুখাৰ ব্যৱহাৰ নোহোৱা হৈ যোৱাত আমাৰ ব্যৱসায় এটা আৰু শিল্পকলাৰ বিষয় এটাও যেন লুপ্ত হৈ গৈছে। অৱশ্যে মুখা ব্যৱহাৰতো সততে অসামঞ্জস্যতা চকুত নপৰা নহয়।

ভাওনাত মুখাৰ বাহিৰেও যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ নেতলগা-নোমাল ভালুক বান্দৰৰ নিমিত্তে বনোৱা চোলা, ৰথ, সাপ, অভিনয়ৰ প্ৰয়োজনীয় বস্তু কৃত্ৰিম ডাড়ি-চুলিৰ ব্যৱহাৰ হয়।

ভাওনাত চৰিত্ৰৰ প্ৰকাৰভেদে মুখত ৰঙ দিয়া হয়। সাধাৰণতে বগা, কলা, নীলা, ৰঙা ৰঙ চৰিত্ৰত সনা হয়। ঋষি, মুনি, ব্ৰাহ্মণ, আদিত বগা, কৃষ্ণ, বিষ্ণু, বলৰাম, শ্ৰীৰাম, আদিৰ চৰিত্ৰত নীলা, দানৱ। অসুৰ আদিৰ চৰিত্ৰত ক'লা আৰু দেৱতা, গন্ধৰ্বক ৰঙা ৰঙ, সনা হয়। গায়ন-বায়নে শুদ্ধ বগা পাগুৰি মাৰে। পাগুৰিৰ ওপৰত বকুল ফুলৰ মালা লয়।

ভাওনা-থলিত যথোচিত স্থানত সৰ্বপ্ৰথমেই থাপনাখন স-ভক্তিৰে সজাই লোৱা হয়। থাপনাখনৰ কাষতে সত্ৰাধিকাৰজন বা গাৱঁৰ মুখিয়াল লোকসকলে বহে। ভাওনা আৰম্ভ হোৱাৰ লগে লগে আঁৰিয়া ধৰাই আঁৰিয়া আনে। বায়নে খোলৰ চাপ মৰাৰ লগে লগে ভওনাগৃহলৈ নহাকৈ ঘৰত কাম কৰি থকাসকলেও খৰধৰকৈ কাম-বন সামৰি নিজা নিজা ঠাই লয়হি। খোলত ক্ৰমে বৰ-ধেমালি, সৰু ধেমালি বাজিবলৈ লয়। ইয়াৰ পাছতে আহে ঘোষাঘাত। তাৰ পাছতেই নন্দী, শ্লোক, সূত্ৰধাৰ। সূত্ৰধাৰৰ পাছত ভাওৰীয়াসকল নাচি নাচি প্ৰৱেশ কৰে, সুৰ লগাই বচন গায়। ভাওনাৰ শেষত মুক্তিমঙ্গল ভটিমা গাই ভগৱানৰ ওচৰত বঢ়া-টুটাৰ বাবে ক্ষমা বিচাৰে আৰু সকলোৰে মঙ্গলৰ বাবে প্ৰাৰ্থনা জনোৱা হয়।

সংস্কৃতিৰ প্ৰতিটো বস্তুৰেই সময়ৰ অগ্ৰগতিত ৰূপ সলায় কেতিয়াবা শক্তিশালী প্ৰভাৱত পৰি এটা আনটোৰ লগত জাহ যায়। বিবৰ্তনৰ পথেদি আহি ভাওনাইও মঞ্চ পাইছেহি ভাওনাৰ বিভিন্ন বস্তুৰে আধুনা প্ৰান্ত ৰূপে তৰক্ষয়ৰ স্বাক্ষৰ বহন কৰিছে। কিন্তু একালত ভাওনাক অতিশয় পবিত্ৰ আৰু এৰ সুকৰূপ [illegible] আৰু ব্যক্তিগতভাৱে আয়োজন কৰা এনে ভাওনাত [illegible] বুলি বিশ্বাস।

লাহে লাহে [illegible] অসমীয়া ভাও[illegible] ব্যৱহাৰ হ'বলৈ ধৰিলে [illegible] লাগতি বং[illegible] আদিৰো [illegible] চৰিত্ৰবোৰ কলিকতীয়া [illegible] কেনেকৈ চকুৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে [illegible] লগত কুলুৰ, কলিকতীয়া [illegible] কাগজ, নেইল পলিচ, লিপষ্টিক আদি বিভিন্ন সামগ্ৰী [illegible] আহিলে ধীৰে ধীৰে। ভাওনাত [illegible] ব্যৱহাৰ হ'ল, [illegible] শংকৰদেৱৰ একমাত্ৰ 'চিহ্নযাত্ৰা' [illegible] অভিনয় [illegible] সলনি বিদ্যুৎ [illegible] আগৰ লৰ্ঠনবোৰ নিষ্প্ৰয়োজনীয় কৰি পেলালে।

এইয়া পুনি [illegible] প্ৰাকমুহূৰ্তৰ বাস্তৱতা আবৰণেই পৰিপূৰ্ণ, [illegible] মানুহে অধিক আনন্দ পাব বিচাৰে। বৰ্তমান মানুহৰ [illegible] আগ্ৰহ কমি আহিছে। ইয়াৰ ঠাই অধিকাৰ কৰিছে চিনেমাই।

পূৰ্বতে ভাওনা ধৰ্মমূলক [illegible] অমিয়াৰস তাওৰ আছিল। ধৰ্মপ্ৰাণ লোকসমাজত এই বিচাৰ এতিয়াও নাইকিয়া হৈ যোৱা নাই। কিন্তু সময়ৰ চকৰিত পৰি ভাওনাই ধৰ্মানুষ্ঠানৰ উপৰিও বহুবৰ্ষী ৰঙ্গানুষ্ঠানত পৰিণত হৈছেগৈ। এইয়া আদৰণীয় নহ'লেও যুগৰ দাবীক অস্বীকাৰ কৰিব নোৱাৰি। নহ'লে এই বিবৰ্তন ৰোধ কৰিবলৈ গৈ ভাওনাৰ মৃত্যু মাতি অনাহে হ'ব। ৰক্ষণশীল এচামে নামঘৰৰ বাহিৰে আন ঠাইত থাপনা প্ৰতিষ্ঠা নকৰাকৈ ভওনা পতা অসংগত বুলি আপত্তি দৰ্শালেও এই কথা পাহৰি যোৱা উচিত নহয় যে একালত আহোম ৰাজদৰবাৰৰ উপৰিও নেপাল ৰাজদৰবাৰতো ভাওনা হৈছিল। অলপ মুকলি নহ'লে, এবা ধৰাৰ মাজেৰে নগলে ইয়াৰ আয়ুস দিনে দিনে টুটিবহে। এতিয়া প্ৰশ্ন হ'ল ভাওনাক কি ৰূপত ৰখা যায়। ইয়াক পৰিবৰ্তনৰ পথত যাবলৈ দিয়াটো উচিত হবনে?

*If you give what you do not need, it is not giving*

— Mother Teresa.

*Hope is life and life is hope*

—Adele shreve.

# শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰু কিছু মুকলি চিন্তা

শ্ৰীঅৰুণ চমুৱা।
স্নাতক ১ম বৰ্ষ (কলা)

অসমৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বিখ্যাত 'বাৰ ভূঞা' বংশত জন্মগ্ৰহণ কৰা শ্ৰীমন্ত শঙ্কৰদেৱক সেই সময়ৰ ভাৰতীয় নৱজাগৰণৰ এজন মহান চিন্তাবিদ বুলিব পাৰি। আমি এই প্ৰবন্ধত শঙ্কৰদেৱৰ ধাৰ্মিক দিশটোৰ বিষয়ে আলোচনা কৰিবলৈ নগৈ তেখেতৰ গুণ আৰু কৰ্মৰাজিৰ বিষয়েহে আলোচনা কৰিম। কিয়নো শঙ্কৰদেৱক আমি কোনো ঈশ্বৰ বা অৱতাৰী পুৰুষ বুলি ভাবিব নোৱাৰো। শঙ্কৰদেৱক সম্পূৰ্ণ ইতিহাস প্ৰসিদ্ধ এজন মহান চিন্তাবিদহে বুলিব পাৰি। তেখেতে সেইসময়ৰ অসমীয়া সমাজখনলৈ যিখিনি বৰঙণি আগবঢ়ালে সেইয়া নিশ্চয় স্মৰণযোগ্য। শঙ্কৰদেৱক বাদ দি আমি অসমীয়া সমাজখনৰ কথাই ভাবিব নোৱাৰো।

পোন্ধৰ, ষোল্ল শতিকাত অসমত বিভিন্ন জাতৰ লোকসকলৰ তাণ্ডৱলীলা চলিছিল। চুটিয়া, কছাৰী, আহোমসকলে একো একোটা অঞ্চললৈ প্ৰজা শাসন কৰিছিল। তেখেতসকলৰ নীতি-নিয়ম, চাল-চলন অতি আচৰিত ধৰণৰ আছিল। সৰু সৰু ৰজাসকল শক্তিশালী আৰু তান্ত্ৰিক পূজাৰ দাস আছিল। জাত-পাতৰ বিচাৰে সমাজখন প্ৰদূষিত কৰিছিল। পৰস্পৰে পৰস্পৰক হিংসাৰ চকুৰে চাইছিল। উচ্চ শ্ৰেণীৰ লোকসকলে নীচ-দুৰ্বল শ্ৰেণীৰ ওপৰত শোষণ অত্যাচাৰ চলাইছিল। তেত্ৰিশ কৌটি দেৱতাক সন্তোষ কৰিবৰ বাবে অসংখ্য জীৱ-জন্তু বলি দিব লগা হৈছিল। ৰজাৰ বিচাৰত দোষীসকলক 'কেচাই খাতী' গোসানীৰ আগত বলি দিয়া হৈছিল। তেতিয়াৰ দেৱতাৰ পূজাত নৰবলি পৰ্যন্ত দিব লগা হৈছিল। মৃত্যুৰ আগত বলি দিব বিচৰা মানুহজনক যি ইচ্ছা তাকে কৰিবলৈ দিয়া হৈছিল। ফলত সাধাৰণ প্ৰজাবিলাকে বলিৰ উৎপাতত তিষ্ঠিব নোৱাৰিছিল। পৰম্পৰা ৰক্ষা কৰাৰ নামত জীয়া বিধৱা বোৱাৰীক বলপূৰ্বক টানি নি জ্বলন্ত চিতাত দলিয়াই দিছিল। এচাম উচ্চ শ্ৰেণীৰ লোকে ধৰ্মৰ দোহাই দি মদ, ভাং কানি আদিক ধৰ্মীয় দ্ৰব্য হিচাবে প্ৰচলন কৰি, চন্দ্ৰ, সূৰ্য্য ধৰিত্ৰী আদিক দেৱতা বা কালপুৰুষৰ ৰূপত পূজা কৰাই শোষক শ্ৰেণীয়ে দান-দক্ষিণাৰ মাজেদি আৰামৰ জীৱন কটাবলৈ চেষ্টা কৰিছিল। সৰল হোজা চামক ধৰ্মীয় দ্ৰব্য হিচাবে ৰাগিয়াল দ্ৰব্য সেৱন কৰাই মগজুটো সম্পূৰ্ণ পংগু কৰাৰ চেষ্টা কৰিছিল। ৰাগীয়াল দ্ৰব্য সেৱনৰ পাছত ভাই-ককাইৰ মাজত খোৱা কামোৰা লাগি শেষত মৃত্যু হোৱা ঘটনাও ঘটিছিল। সুৰা বা ৰাগীয়াল দ্ৰব্য তৈয়াৰৰ বাবে শস্যৰ ভঁড়ালৰ তলি উদং কৰা আৰু জেঠ, আহাৰ মাহত ভাতৰ নাটনি হ'লে মহাজনৰ পৰা অত্যধিক সুতত 'ধান' অথবা 'টকা' ধাৰলৈ লৈ শেষত নিজৰ মাটি-বাৰী পৰ্যন্ত হেৰুৱাব লগা ঘটনাও হৈছিল। একোটা ধৰ্মীয় উৎসৱৰ বাবে মাটি-বাৰী বন্ধকত দিয়া ব্ৰাহ্মণক দান-দক্ষিণা দিয়াৰ যি প্ৰথা, তেনে এটা প্ৰথাৰ বিপৰীতে তেতিয়াৰ শঙ্কৰদেৱক আমি এজন মহান চিন্তাবিদ বুলিব লাগিব।

মহাপুৰুষজনাই ভাষা-সাহিত্য সৃষ্টি কৰাৰ উপৰিও মানুহৰ আসুৰিক গুণবোৰ দমন কৰাৰ কাৰণে তম গুণ সৃষ্টি কাৰক দ্ৰব্য আদি ভক্ষণৰ পৰাও জনসমাজক আঁতৰাই অনাৰ চেষ্টা কৰিছিল। সেই সময়ত চলি থকা হিংসা-বিদ্বেষ আদিৰ বিৰুদ্ধে মাত মাতিবৰ বাবে শঙ্কৰদেৱে এক শৰণ নামধৰ্মৰ দ্বাৰা সকলোকে একতা তথা ভাতৃত্ব ভাৱেৰে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল। সেয়ে গোষ্ঠী, ধৰ্ম, সম্প্ৰদায়, নিৰ্বিশেষে অসমীয়া সমাজখন বিনয়ী নম্ৰ, ন্যায়-পৰায়ণ, সহনশীল আৰু শান্ত প্ৰকৃতিৰ আছিল। শঙ্কৰদেৱৰ ধৰ্মত কোনো কঠোৰ বিধি নিষেধ নাছিল। শঙ্কৰদেৱে জাত-পাতভেদে মানুহক উচ্চ-নীচ জ্ঞান কৰাৰ বিপৰীতে গণতান্ত্ৰিক মতাদৰ্শকহে আগস্থান দিছিল।

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। বিজ্ঞান অবিহনে আমাৰ জীয়াই থকাই জটিল। বিজ্ঞান বোলা বিষয়টো মানৱ ধৰ্মৰ ভিতৰুৱা বিষয়। বৈজ্ঞানিক এলবাৰ্ট আইনষ্টাইনে বিজ্ঞান আৰু ধৰ্ম সম্বন্ধে এনেদৰে মন্তব্য দিছিল— "Science and religion are not contradictory rathar these two are Suplementary' অৰ্থাৎ "বিজ্ঞান আৰু ধৰ্ম পৰস্পৰ বিৰোধী নহয়, এটা আনটোৰ পৰিপূৰক। সুক্ষ্ম দৃষ্টিৰে পৰ্যবেক্ষণ কৰিলে গুৰুজনাৰ প্ৰতিভাৰ আঁৰত দেখা পাওঁ এক অপৰাজেয় গুণ। ধৰ্ম, জড় বিজ্ঞান তৎক্ষণিক প্ৰমাণৰ লগত ইয়াৰ তুলনা ক্ষীপ্ৰতৰ নহয় বা পাৰ্থক্যত নোহোৱা নহয়, বৰং ধৰ্মৰ ফল অনুভূত হয় হৃদয়ত। অসমীয়া সংস্কৃতিৰ ঘাই পথটো নিৰ্মাণ কৰা ব্যক্তিজন হৈছে শঙ্কৰদেৱ। শঙ্কৰদেৱক বাদদি অসমীয়া সংস্কৃতিৰ কথা ভাবিবই নোৱাৰি।

ধৰ্ম সমাজৰ সৃষ্টি। সেয়েহে ধৰ্মই বহুল প্ৰসাৰ লাভ কৰে সমাজতহে। কিন্তু বৰ্তমান সমাজত শিক্ষিত লোকসকলৰ এক বুজন সংখ্যকেই ধৰ্মীয় ধাৰণাক বিকৃত ৰূপ দি কিছুমান উপকৰুৱা কথাৰে অশিক্ষিত লোকসকলক ভুল পথে পৰিচালিত কৰিছে। ধৰ্মীয় গ্ৰন্থত অনেক অলৌকিক কথা থাকে। অশিক্ষিত লোকসকলে অলৌকিকতাক বিশ্বাস কৰি আনন্দ পায়। কিন্তু আধুনিক যুগৰ পৰিবৰ্তনৰ লগত খাপ খোৱাকৈ ধৰ্মীয় চিন্তাধাৰাক সলনি কৰি লব লাগিব। ধৰ্মৰ দুটা ভাগ আছে। এটা দৰকাৰী ভাগ আৰু আনটো 'অদৰকাৰী' ভাগ। দৰকাৰী ভাগটোৱে সমাজত দয়া, প্ৰেম, কৰুণা, অহিংসা সততা, নৈতিকতা, মানৱতা প্ৰতিষ্ঠাত অৰিহণা যোগায়। আনহাতে ধৰ্মৰ অদৰকাৰী ভাগটোৱে ইয়াৰ সম্পূৰ্ণ বিপৰীত প্ৰতিক্ৰিয়া বিয়পাই সমাজ বিষাক্ত কৰি তোলে। ধৰ্মৰ 'অদৰকাৰী' দিশটো আমি যিমান গুৰুত্ব দিছো

তাৰ সামান্যতম গুৰুত্ব 'দৰকাৰী' দিশটোত দিয়াহেঁতেন আমি হয়তো বৰ্তমানতকৈ কিছু উন্নত সমাজ এখন পালোহেঁতেন। প্ৰশ্ন হয়— আমি প্ৰকৃত ধৰ্ম পৰায়ণ হ'ব নোৱাৰিলো নেকি? আনহে ন'লাগে মানৱতাবাদী মহাপুৰুষ শঙ্কৰ-মাধৱৰ ৰাজ্যত মানৱতাৰ আজি কিয় অপমৃত্যু ঘটিছে? ৰাজনৈতিক আৰু অৰ্থনৈতিক ভ্ৰষ্টাচাৰত আমাৰ ৰাজ্যখনক ভাৰতৰ ভিতৰত চতুৰ্থ দূৰ্নীতি পৰায়ণ ৰাজ্য হিচাবে প্ৰতিষ্ঠা কৰাত দায়ী কোন? এইখনেই শঙ্কৰ-মাধৱৰ সমাজ। ৰাজ্যখনত দেখোন লাখ লাখ শঙ্কৰদেৱৰ শিষ্য আছে; সাতশৰো অধিক সত্ৰ, গাঁৱে ভূঞে নামঘৰ, মঠ মন্দিৰ আছে। তথাপি জানো আমি প্ৰগতিশীল মানৱীয় সমাজ গঢ়িব পাৰিছোঁ? এইখন শঙ্কৰ-মাধৱৰ সমাজ ইমান অধঃপতিত হ'বলৈ পালে কেনেকৈ? কিন্তু দুৰ্ভাগ্যৰ বিষয় মহাপুৰুষ জনাৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত তেৰাৰ নীতি আদৰ্শ প্ৰচাৰ আৰু প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যোৱা পাঁচশ বছৰে মাননীয় সত্ৰাধিকাৰসকলে যেনেদৰে উদাসীনতা দেখুৱালে, তেনেদৰে কুৰি শতিকাৰ শংকৰী আন্দোলনৰ গুৰি ধৰোঁতাসকলো বিফল হোৱা বুলি কব নালাগিবনে? মানুহক কৃষ্ণ ভক্ত কৰাই, শঙ্কৰদেৱৰ শাস্ত্ৰসমূহ কেৱল মুখস্থ মাতি বছৰেকত এবাৰ ভাওনা-সবাহ পাতি আৰু গুৰুজনাৰ তিথি পাতি মাহ-প্ৰসাদ খালেই শংকৰী নীতি ৰক্ষা কৰা নুবুজায়। যদিহে আমি প্ৰকৃত মানৱ ধৰ্ম উপলব্ধি কৰিব নোৱাৰো।

আমি যুৱসমাজে ৰাজ্যখনে সন্মুখীন হোৱা সকলো সংকটৰ পৰা ৰক্ষা কৰিব পাৰিম, কেৱল যুক্তি, কৰ্মনিষ্ঠা, অনুশীলন আৰু দৃঢ়তাৰে। ইয়াৰ বাবে যুৱসমাজে শঙ্কৰদেৱৰ সমাজবাদৰ আদৰ্শক সাৰোগত কৰি আগবাঢ়িব লাগিব। গুৰুদ্বয়ৰ ৰচনাসমূহ আওঁৰাই বৃদ্ধলোকৰ মাহ-প্ৰসাদ খোৱাৰ উপকৰণ বুলি নধৰি বাস্তৱজগতত সিবিলাকৰ সাৰ্থক প্ৰয়োগৰ বিষয়ে ভাবিব লাগিব।

*The true source of right is duty. If we all discharge our duties, rights will not be far to seek.*

– Mahatma Gandhi

*An injury is much sooner forgotten than an insult.*

–Lord chesterfield.

# অসমীয়া সাহিত্যৰ প্ৰথম কবি ঃ লুইপাদ


শ্ৰীইন্দ্ৰজিৎ দত্ত

স্নাতক ৩য় বৰ্ষ (কলা)


মাধৱদেৱে কোৱা সহজ পাৰিৱতিৰ পৰা সম্পূৰ্ণ আতৰত বৌদ্ধধৰ্মৰ শেহৰস্তৰৰ সহজীয়া সম্প্ৰদায়। সমসাময়িক কালৰক্ৰযান, বজ্ৰযান, মন্ত্ৰযানৰ লগত অমিল তথা পূজা পাতল বিশ্বাস নকৰা, বাহিক অনুষ্ঠানৰ আড়ম্বৰহীন এই সহজীয়া সম্প্ৰদায়। এই সম্প্ৰদায়ৰ সাধনা দেহকেন্দ্ৰীক আৰু শ্বাস-প্ৰশ্বাসৰ লগত কাৰবাৰ। অসমীয়া সাহিত্যত প্ৰথম কবিৰূপে খ্যাত লুইপাদ বৌদ্ধধৰ্মীৰ সহজীয়া সম্প্ৰদায়ৰ। এই সহজীয়া সম্প্ৰদায়ৰ সিদ্ধাচাৰ্যসকলৰ সাধন সম্পৰ্কীয় গীতসমূহেই অসমীয়া সাহিত্যৰ প্ৰথম কাব্য চৰ্যাপদ। গুৰুমুখী সাধনা আৰু গুহ্যতত্ত্ব ইয়াৰ মূল বিষয়; ইয়াৰ বিশেষ মূল্য ভাষাতাত্ত্বিক। তথাপি সাহিত্যিক মূল্য একেবাৰে নোহোৱা নহয়। প্ৰাঞ্জল ভাষা, ইঙ্গিতপূৰ্ণ উপমা আৰু সমসাময়িক সাধাৰণ জীৱনৰ চিত্ৰ আদিৰ প্ৰয়োগে চৰ্যাগীতখিনি আকৰ্ষণীয় আৰু মোহনীয় কৰি তুলিছে।

আমি পোৱা চৰ্যাগীতকোষৰ প্ৰথম গীতটো লুইপাদৰ। এওঁৰ এই গীতৰ চতুৰ্থপদৰ টীকাত মুনিদত্তই 'আদিসিদ্ধাচাৰ্যঃ লুয়ীপাদঃ এবং বদতি' আদি সিদ্ধাচাৰ্য লুইপাদে এইদৰে কয় বুলি লিখা কথাষাৰে এওঁৰ প্ৰাচীনত্ব বা জেষ্ঠ্যত্বৰ প্ৰমাণ দাঙি ধৰে। লুইপাদৰ এজন শিষ্য দাৰিকপাদৰো গীত এই সংগ্ৰহত সন্নিবিষ্ট হৈছে। বৌদ্ধবিচৰ্যসকলৰ মাজতো আৰু অসমীয়া কবিসমাজতো লুইপাদ প্ৰথম কবি। বেদ-পদ ছন্ন কৰাসত্বেও এই বৌদ্ধসাধকেই অসমৰ প্ৰথম গায়ন কবি।

য়ু আন্ ছাঙৰ বিৱৰণিত দেখা যায়— তেওঁ ভাস্কৰ বৰ্মাক লগ পাওঁতে ৰজাই বিশিষ্ট অতিথি গৰাকীক কামৰূপ অঞ্চলৰ গীত শুনাইছিল। চীনা অতিথিয়ে গীত শুনি মন্তব্য কৰিছিল বোলে গীতৰ সুৰ চীনদেশৰ। 'কথাটি নুবুজোঁ, সুৰটি বুজিছোঁ'। ইয়াতে অসমীয়া কাব্যপ্ৰয়াসৰ প্ৰথম উল্লেখ পোৱা গৈছে। এই গীতৰ কোনো চিন-মোকাম পাবলৈ নাই। গতিকে লুইপাদৰ ৰচনাকে প্ৰথম অসমীয়া কবিৰ প্ৰথম কাব্য প্ৰয়াস বুলি ক'ব লাগিব। এয়া নৱম-দশম শতিকাৰ কথা।

চৰ্যাগীতিকোষৰ উনত্ৰিশ সংখ্যক গীত লুইপাদৰ। এই দুইটি গীতৰ শিৰতে ৰাগ পটঞ্জৰী বুলি লিখা। গীতৰ শিৰত ৰাগ-তাল লিখাৰ প্ৰথা ইয়াত আছে।

ৰাগপটমঞ্জৰী

"
কাআ তৰুবৰ পঞ্চবি ডাল।
চঞ্চল চীন পইটো কাল ।।
দিঢ় কৰিঅ মহাসুহ পৰিমাণ।।
লুই ভনই গুৰু পুছিঅ জান।।

বৌদ্ধধৰ্মৰ মতে ৰূপ-বেদনা-সংস্কাৰ-বিজ্ঞান-সংজ্ঞা এই পাঁচটা ডাল। শৰীৰক গছৰ লগত তুলনা কৰাটো ভাৰতীয় সাহিত্যত প্ৰচলিত। অসমীয়া হিন্দুৰ সকাম-নিকামত আশীৰ্বাদ দিওঁতে ব্যাধিয়ে যেন পীড়িতৰ বৃক্ষৰপৰা আন ঠাইলৈ গতি কৰে এনে বুলি কয়। সহজীয়া সম্প্ৰদায়ত গুৰুৰ প্ৰতি বিশেষ শ্ৰদ্ধা নহ'লে সাধনত আগবাঢ়িব নোৱাৰে। অসমীয়া হিন্দু সমাজত গুৰু মুখীয়া নোহোৱা মানুহক অলপ দিনলৈকে ঘিন কৰিছিল। ব্ৰাহ্মণে গায়ত্ৰী দিক্ষা ললেও গুৰুমুখীয়া হয়, অৰ্থাৎ শৰণ লয়।

সাধাৰণতে পূজা-প্ৰাৰ্থনা-তীৰ্থ আদিয়ে 'মহাসুখ' দিব নোৱাৰে। গুৰুৱে কেনেকৈ শিষ্যক শ্বাস-প্ৰশ্বাসৰ শাস্ত্ৰমতে নিয়ত কৰিব লাগে তাৰ উপদেশ দিয়ে। এই দেহাশ্ৰয়ী সাধনাৰে লক্ষ্যত উপনীত হ'ব পাৰে। সকলোবোৰ গীত সহজ নহয়। সৰহভাগ বিশেষ অৰ্থ বুজাবৰ বাবে ব্যৱহাৰ কৰা গুপুত ভাষা। এই চৰ্যাগীতৰ ছন্দও মাত্ৰা নিৰ্ভৰ; সম্পূৰ্ণ অক্ষৰ নিৰ্ভৰ নহয়। সংগীত শাস্ত্ৰৰ কোনো কোনো গ্ৰন্থত চৰ্যাক যদিও যোগীয়ে গোৱা গীত বুলি কৈছে তথাপি এইখিনিত ৰাগ সংগীতৰ সম্পূৰ্ণ লক্ষণ নাই বুলি পণ্ডিত ৰাজেশ্বৰ মিত্ৰই কয়।

চৰ্যাপদৰ প্ৰথম গীতত লুইপাদে গুৰুমুখী সহজ সাধনৰ আভাস দি তেওঁৰ ৰচিত আন গীতটিত সহজানন্দ বা মহাসুখৰ সাধনীয়া অভিজ্ঞতাৰ আভাস দিবলৈ চেষ্টা কৰিছে—

'ভাৱ নহোই অভাৱ ন জাই।
আইস সংৰোহে কোপতি আই?।।
লুই ভনই বট দুলকথ বিনানা।
তিঅ ধাত্ৰ বিলসই উইন জানা।।
জাহেৰ বান চিহ্নিৰুব ন জানি।
সো কইসে আগম বেত্ৰ বখানি।।
লুই ভনই মই ভাবই কিস।
জা লই আছেস তাহেৰ চ'হনা দিস।।

উপনিষদৰ বাক্যৰ লগত এই চৰ্যাৰ ভাষাৰ মিল থাকিলেও দুখন বেলেগ জগত। তথাপি বৌদ্ধধৰ্মৰ সহজ সম্প্ৰদায়েই শূন্যৰ মাজত আনন্দৰ আস্বাদ পায়। মহাপুৰুষ শংকৰ-মাধৱৰ গীতৰ লগত মিলাৰেপাৰ (তিব্বতী সাধক) গীতৰ সাদৃশ্য ধৰিব পাৰি। কিন্তু এই চৰ্যাপদৰ মিল নাই।

অসমীয়া সাহিত্যৰ প্ৰথম যুগৰ ৰচনা হিচাপে চৰ্যাপদে পৰৱৰ্তী সাহিত্যলৈ কিছুমান সম্পদ দি নোযোৱা নহয়। যদিও পৰৱৰ্তী সাহিত্যত সম্পূৰ্ণ বৌদ্ধভাৱাপন্ন নহয় তথাপি অসমত যি ব্ৰজবুলি ব্যৱহৃত হৈছিল

সেই ব্ৰজবুলিও চৰ্যাৰ ভাষাৰ পৰিণতি। ব্ৰজবুলি সেই কালত উদ্ভৱ হৈছিল কৃষ্ণকথা ৰসিক বৈষ্ণৱসকলে সকলোৰে বুজিব পৰাকৈ ব্যৱহাৰ কৰা এটা কৃত্ৰিম মিশ্ৰ ভাষা আৰু ইয়াত বিভিন্ন উপাদানৰ সংমিশ্ৰণ ঘটিছিল কিন্তু কামৰূপত চৰ্যাৰ ভাষাই আঞ্চলিক ব্ৰজবুলিৰ আধাৰ। অসমীয়া কবিতাৰ ভাষাই চৰ্যাপদতেই পোখা মেলিছে। মাধৱ কন্দলিৰ ৰামায়ণতো ইয়াৰ চিন দুই এটা আছে। চৰ্যাপদ যাইকে তন্ত্ৰ সাহিত্যৰ দ্বাৰা পুষ্ট। বৈষ্ণৱ সাহিত্য প্ৰাচীন উপনিষদীয় সাহিত্যৰ দ্বাৰা বৰ্দ্ধিত। যি কি নহওক চৰ্যাপদ [illegible]

[illegible]

*No great work can be done without sacrifice*

Vivekananda

*A God Gives every bird its food; but he does not throw it into the nest*

J C Holland

# অযোধ্যা, পোখৰাণ আৰু হিন্দু-মুছলিমৰ সম্প্ৰীতি

শ্ৰীসন্তোষ গগৈ।
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

ভাৰতবৰ্ষৰ হিন্দু মুছলমানৰ সম্প্ৰীতিৰ বিষয়ে আলোচনা কৰাৰ আগতে ধৰ্ম সম্পৰ্কে কিছু কথা আলোচনা কৰা উচিত হ'ব। ড শিৱনাথ বৰ্মনে তেওঁৰ 'সাম্প্ৰদায়িকতা ইয়াৰ আতি-গুৰি' নামৰ ৰচনাত ধৰ্ম সম্পৰ্কে এইদৰে লিখিছে: "সাম্প্ৰদায়িকতা ধৰ্ম নহয়, ধৰ্ম হ'ল পৰলোকত সুখ-শান্তি লভিবৰ উদ্দেশ্যে কৰা কিছুমান নৈতিক আচৰণৰ সমষ্টি। ই বহুলাংশে ব্যক্তিগত।"

পণ্ডিতসকলে ১৮৫৬ চনত আৱিষ্কৃত Neander that যুগৰ মানৱ প্ৰজাতিৰ প্ৰাচীন মৃতদেহসমূহৰ সমূহীয়া সমাধিকেই ধৰ্মৰ প্ৰথম চানেকি বুলি কব খোজে। প্ৰাচীন কালত মৃতকৰ আত্মাৰ অলৌকিক ক্ষমতাত বিশ্বাস কৰি সেই আত্মাৰ প্ৰভাৱৰপৰা মুক্ত হ'বৰ কাৰণে বিভিন্ন উপায় অৱলম্বন কৰিছিল। সম্ভৱত এনেবোৰ বিশ্বাসৰ মাজৰ পৰাই অংকুৰণ হৈছিল আধুনিক ধৰ্মৰ বীজ। বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে ধৰ্ম হ'ল এক ভ্ৰান্ত চিন্তা-চৰ্চা, য'ত বাস্তৱত ফলাফল পোৱা নাযায়। য'ত বাস্তৱৰ পৰা আঁতৰি পৰলোকত সুখ-শান্তিৰ কথা চিন্তা কৰে। যিটো কেৱল আপাতঃ দৃষ্টিতহে সম্ভৱ হয়।

ধৰ্মই এক অলৌকিক শক্তি (ঈশ্বৰ) ৰ ওপৰত বিশ্বাস স্থাপন কৰে। ধৰ্মৰ মতে এই বিশ্বাস জগতখনৰ স্ৰষ্টা হৈছে ভগৱান। কিন্তু বিজ্ঞানীসকলে পৃথিৱীখন সূৰ্য্যৰপৰা পৃথক হৈ নিজ কক্ষপথত পৰিভ্ৰমণ কৰাৰ পাছত বহুহাজাৰ বছৰে ঘটা পৃথিৱীপৃষ্ঠৰ ৰাসায়নিক আৰু ভৌতিক পৰিৱৰ্তনৰ ফলত প্ৰথমে এককোষী আৰু পিছত বহুকোষী জীৱ আৰু বহু হাজাৰ বছৰৰ জৈৱ বিৱৰ্তনৰ ফলত জীৱশ্ৰেষ্ঠ মানৱৰ সৃষ্টি হৈছে বুলি মত পোষণ কৰে। এতিয়া আমি আলোচনাৰ বাবে যদি জীৱজগতৰ স্ৰষ্টা ভগৱান বুলি ধৰি লওঁ তেন্তে সেই ভগৱানৰ স্ৰষ্টা কোন? ই আমাৰ মনত উদয় হোৱা এক সাধাৰণ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ ক'ত।

মানৱ সমাজৰ আটাইতকৈ পুৰনি সমূহীয়া আৱিষ্কাৰেই হ'ল ভগৱান। যাৰ ওপৰত দুখ, বেদনা, কষ্ট, ভাগৰ, সুখ, শান্তি আদি সকলো জাপি দি আমি চিন্তামুক্ত হওঁ। অলপ গভীৰভাৱে চিন্তা কৰিলে এটা কথা স্পষ্ট হৈ পৰিব যে ভগৱানৰ সৃষ্টি মানুহ নহয়, মানৱ সামাজৰ সমূহীয়া সৃষ্টিহে ভগৱান।

ধৰ্মই মানুহক ঐক্যবদ্ধ নকৰে। একে ধৰ্মীয় মানুহৰ মাজতে বহুতো যুদ্ধ-বিগ্ৰহ, ক্ষমতাৰ যুঁজ-বাগৰ আদিৰ উদাহৰণ বুৰঞ্জীৰ পাত মেলিলেই দেখিবলৈ পাওঁ, যিটো বৰ্তমান সমাজতো প্ৰচলিত। ধৰ্ম কেতিয়াও মানৱ সমাজৰ অপৰিহাৰ্য হ'ব নোৱাৰে। ধৰ্ম নাথাকিলেও মানুহ সুখ-শান্তিৰে জীয়াই থকাৰ সকলো পথ বন্ধ হৈ যাব নোৱাৰে। পৃথিৱীত ইমানবোৰ ধৰ্ম থকা স্বত্বেও মানুহে পদে পদে অপমৃত্যুৰ আশংকাত ভুগিবলগীয়া হৈছে কিয়? প্ৰাচীন কালত যি সময়ত আধুনিক ধৰ্মৰ ধাৰণা জন্ম হোৱা নাছিল সেই সময়তো মানুহ জীয়াই আছিল।

**ভাৰতবৰ্ষত হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ নিদৰ্শন ঃ—**

ঐতিহাসিক হিন্দু-মুছলমানৰ ধৰ্মীয় দ্বন্দ্বই স্বাধীনতাৰ পাছত দেশক দ্বিখণ্ডিত কৰিলে। ইমানতে হিন্দু-মুছলিমৰ দ্বন্দ্ব ক্ষান্ত নাথাকি ১৯৯২ চনৰ ৬ ডিচেম্বৰ তাৰিখে পাতনি মেলিলে ধৰ্মীয় সম্প্ৰদায়ৰ চূড়ান্ত পৰ্যায়ৰ দ্বন্দ্বৰ।

১৯৯২ চনৰ ৬ ডিচেম্বৰ। অযোধ্যাত হিন্দু ধৰ্মৰ উপাসকসকলে ঐতিহাসিক বাবৰি মছজিদ ধ্বংস কৰি ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ ফোপোলা স্বৰূপটো উদঙাই দেখুৱালে। বাবৰি মছজিদৰ ধ্বংসই কেৱল মুছলমান লোকৰ মাজতেই আঘাত সনা নাই; বিশ্বৰ হিন্দু সমাজ আৰু হিন্দু- দৰ্শন বুজি পোৱা যি কোনো লোকৰ মনত আঘাত হানিলে। ১৯৯২ চনৰ ৬ ডিচেম্বৰত 'কৰসেৱক' সকলে মছজিদ ধ্বংস কৰাত হিন্দু-মুছলমানৰ তেজেৰে ৰাঙলি হৈছিল সৰযু নৈ। সেই দিনটো ভাৰতবৰ্ষৰ ইতিহাসত চিহ্নিত হ'ল কলংকিত দিন হিচাপে। আজিৰ দেশত ইমানবোৰ সমস্যাৰ বৃধি থকাৰ পিছত্তে সম্প্ৰদায়িকতাৰ বিষ-বাষ্পই সমগ্ৰ দেশকে চানি ধৰিছে। সেয়েহে আজি পলমকৈ হ'লেও প্ৰয়োজন হৈছে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে এক প্ৰবল সংগ্ৰামৰ।

**মূল বিবাদ ঃ—** অযোধ্যাত ৰামচন্দ্ৰৰ জন্ম বুলি ৰামায়ণত বৰ্ণনা আছে। হিন্দু উপাসকসকলৰ মতে বিবাদমান ঠাইত (অযোধ্যাত) মছজিদটো প্ৰকৃততে এটা মন্দিৰহে আছিল। পাছত বাবৰে তাত এটা মছজিদ নিৰ্মাণ কৰি মন্দিৰ নিচিহ্ন কৰি পেলালে। গতিকে মন্দিৰ মছজিদলৈ গোচৰ তৰা হ'ল। ফলত ১৯৩৬ চনৰ পৰা নামাজ পঢ়া বন্ধ হৈ আছে। গতিকে অযোধ্যাত মন্দিৰ মছজিদক লৈ দ্বন্দ্বৰ সৃষ্টি হ'ল। এই সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পাই দিয়াত মুখ্য ভুমিকা ললে বিশ্ব হিন্দু পৰিষদ, আৰ. এছ. এছ আদিয়ে। "..........অযোধ্যা সৰযু নৈৰ পাৰত অৱস্থিত। তাত এটা ৰজা দশৰথৰ ৰাজমহল আছে। এই ৰাজমহল থকা স্বত্বেও ৰাম কিন্তু এই ৰাজমহলটোত জন্ম হোৱা নাছিল। কাৰণটো কি? মহলৰপৰা আধামাইল দূৰত্বৰ এজোপা গছৰ তলত মুকলি ঠাইত জন্ম হোৱা বুলি কোৱা হয়।" (শ্ৰীৰামৰ জন্মস্থান ক'ত? কোনে জানে? -বাণী ঘোষাল)

ৰাম এজন ৰজাৰ পুতেক হোৱা স্বত্বেও তেওঁ নিজ মহলত জন্ম নহৈ জন্ম হৈছিল এখন মুকলি ঠাই মছজিদটোৰ কাষত। ইয়াত কোনো ৰাজনৈতিক উদ্দেশ্য লুকাই আছে নেকি?

**হিন্দু ধৰ্মৰ সংকীৰ্ণতাবাদ ঃ—**

আমাৰ সমাজত শ্ৰম বিভাজনৰ ফলত জন্ম হোৱা শ্ৰেণীসমূহ জাত-পাতত পৰিণত হ'ল। সামন্তবাদৰ মাজত লালিত পালিত উচ্চবৰ্ণই তথাকথিত নীচ বৰ্ণক শোষণ চলাবলৈ লাগিল। শ্ৰেণী সংগ্ৰাম পৰিণত হ'ল জাতি সংগ্ৰামত।

নিম্ন জাতৰ লোকৰ ওপৰত চলিল বিনা বিচাৰে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, ধৰ্মীয় শোষণ। ফলস্বৰূপে নিম্ন বৰ্ণৰ হিন্দুসকল মুছলমান ধৰ্মত দিক্ষীত হৈ ধৰ্মান্তৰিত হ'ল। এনে লোকসকল স্বাভাৱিকতে ধৰ্মীয় গোড়ামীৰ বলি হৈছে। ফলস্বৰূপে হিন্দু ধৰ্মৰ প্ৰতি বিতৃষ্ণা ভাৱ জন্মিছে।

হিন্দু ধৰ্মৰ মহানুভৱতা, সহিষ্ণুতা নাইকিয়া হৈ ধৰ্মীয় গোড়ামি বৃদ্ধি পাবলৈ ধৰিলে। ভাৰতৰ বিগত চৰকাৰবোৰেও হিন্দু উগ্ৰবাদক নীৰৱ দৰ্শক হৈ চাই থাকিল। বাম ফ্ৰণ্টে উগ্ৰ জাতীয়তাবাদৰ বিপক্ষে যুঁজ দিবলৈ গৈ নিৰ্বাচনত বিপৰ্যস্ত হ'ব লগা হ'ল। অনাহাতে বি জে পি য়ে মন্দিৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দি কেন্দ্ৰত একক সংখ্যাগৰিষ্ঠ দল আৰু কেবাখনো ৰাজ্যত চমকপ্ৰদ সাফল্য দেখুৱালে।

**মুছলিম সমাজৰ প্ৰতিক্ৰিয়া ঃ—** ৬ ডিচেম্বৰত বাবৰি মছজিদ ধ্বংশৰ পাছত বিশ্বৰ মুছলিম সমাজত জাগুৰ খাই উঠিল। বিশ্বৰ মুছলমান মৌলবাদে ৬ ডিচেম্বৰৰ ঘটনাটোক লৈ একগোট হৈ তীব্ৰ প্ৰতিবাদ কৰিছিল। কিন্তু তেওঁলোকে এই কথাটো জনা উচিত আছিল যে ৬ ডিচেম্বৰৰ ঘটনাটো এটা আভ্যন্তৰিণ বিষয়। উপসাগৰীয় যুদ্ধত আমেৰিকান সৈন্য বাহিনীয়ে যেতিয়া ইৰাকৰ বিৰুদ্ধে যুদ্ধ কৰি বৰ্বৰতাৰ পৰিচয় দিছিল সেই সময়ত মৃত্যু হৈছিল বহু ইৰাকী মুছলমান। লগতে আকাশ [illegible] মহিলা। কিন্তু সেই সময়ত মুছলমান [illegible]

**হিন্দু মুছলমানৰ সম্প্ৰীতিৰ এনা ডাৰীডাল ক'ত? ঃ—**

যোৱা [illegible] পাছত স্বাভাৱিকতে [illegible] ঘটনাৰ আগে-পিছে পাকিস্তানেও [illegible] চৰকাৰে ঘোষণা কৰিলে [illegible] স্বাৰ্থতে কৰা হৈছে। যদি [illegible] পৰীক্ষাৰ পাছত আজি ভাৰতবাসী [illegible] এনে পাৰমাণবিক পৰীক্ষাৰ পাছত [illegible] সন্মুখীন হ'বলগীয়া হৈছে। যি সময়ত [illegible] সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে সেই সময়ত [illegible] জনসাধাৰণৰ মনতো উদ্বেগৰ সঞ্চাৰ কৰিছে।

দেশত পুঁজিবাদ যিদিনালৈকে [illegible] সেই দিনলৈকে সাম্প্ৰদায়িকতা জীয়াই থাকিব। সাম্প্ৰদায়িকতাই পুঁজিপতিৰ স্বাৰ্থ ৰক্ষা কৰে। যেতিয়ালৈকে সামন্তবাদৰ পতন নহয়, এক সুস্থিৰ প্ৰগতিবাদী সমাজতন্ত্ৰ গঠন নহয় তেতিয়ালৈকে হিন্দু মুছলমানৰ দ্বন্দ্ব থাকিব।

মছজিদ, মন্দিৰ, গীৰ্জা, গুৰুদ্বাৰ আদি আমাৰ প্ৰধান সমস্যা নহয়। আমাৰ সমস্যা নিৰক্ষৰতা, অন্ধবিশ্বাস, কুসংস্কাৰ, ভাত, কাপোৰ, আৰু আশ্ৰয়স্থল। সাম্প্ৰদায়িকতা প্ৰগতিৰ প্ৰতিবন্ধক। সাম্প্ৰদায়িকতা হ'ল এচাম সুবিধাবাদী লোক স্বাৰ্থৰ হকে পতা এক ধ্বংশ যজ্ঞ। এতিয়া সকলো ভাৰতীয়ই একগোট হৈ সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰাৰ সময় আহি পৰিছে। তেতিয়াহে হিন্দু-মুছলমানৰ সম্প্ৰীতি জীয়াই থাকিব।

*Economy : The wealth of the poor and the wisdom of the rich.*

–Alexander Dumas.

*Well done is better than well said*

–Benjamin Franklin

# মহাসাগৰৰ বিষয়ে চমুকৈ ইটো সিটো কথা

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত
প্ৰবক্তা, প্ৰাণীবিজ্ঞান বিভাগ

আজিৰ পৰা বহু বছৰৰ আগতেই ... কৃষ্ণিওয়ে মহাসাগৰ সম্পৰ্কে বৰ্ণনা কৰিবলৈ গৈ কৈছিল— The Oceans actually condition all human activities, generating rain, floods or draughts's brining about constant changes, scow or abrupt, gentle or catastrophic ... সঁচাকৈ সাগৰ এতিয়াও আমাৰ বাবে যেন এক বিশালতা আৰু সম্পদৰ অফুৰন্ত ভাণ্ডাৰ, বিজ্ঞানীৰ বাবে ৰহস্যৰ অন্তহীন সঁফুৰা, কবি সাহিত্যিক সকলৰ বাবে লেখনিৰ এক অনন্য প্ৰেৰণা। মনত পৰিছে কবি দেৱকান্ত বৰুৱাৰ সেই স্কুলীয়া জীৱনতে পঢ়া—

সাগৰ দেখিছা? দেখা নাই কেতিয়াও? ময়ো দেখা নাই।
শুনিছো তথাপি
নীলিম সলিল ৰাশি বাধাহীন উৰ্মিমালা আছে দূৰ
দিগন্ত বিয়পি। ("সাগৰ দেখিছা")
....................

কবিতাংশলৈ এই সাগৰৰ বিশালতা আৰু ইয়াৰ সৌন্দৰ্য উপভোগ কৰিব পাৰিছিলো তেতিয়া, যেতিয়া উৰিষ্যাৰ ৰাজধানী চহৰ ভুবনেশ্বৰৰ কৌশল্যাগংগাৰ পৰা উৰিষ্যা ৰাজ্যিক পৰিবহন নিগমৰ বাছেৰে গৈ উপস্থিত হৈছিলোগৈ পুৰীৰ সমুদ্ৰতীৰত। ১৯৯২ চনত 'ফিচ্ছাৰী চায়েন্সৰ' ছাত্ৰ হিচাপে উৰিষ্যাৰ Central 'Institute of Freshwater Aquaculture' নামৰ বিশ্বৰ আগশাৰীৰ মৎস্য সম্পদ গৱেষণা প্ৰতিস্থানত ক্ষেত্ৰ অধ্যয়নৰ লগতে বংগোপসাগৰৰ উপকূল অঞ্চলৰ মৎস্য ক্ষেত্ৰ সমূহত অধ্যয়নৰ সুবিধা পাইছিলো। পুৰীৰ সাগৰতীৰ আৰু পশ্চিমবঙ্গৰ দীঘাৰ সাগৰ তীৰত সাগৰ আৰু ইয়াৰ সম্পদৰ পৰিচালনা সম্পৰ্কে অনেক কথাই শিকা হৈছিল সেই যাত্ৰাত।

বায়ুমণ্ডলৰ যেনেকৈ কোনো সীমাৰেখা নাই, ঠিক তেনেকৈ মহাসাগৰৰো কোনো ভৌতিক সীমনা নাই বুলিব পাৰি। ইংৰাজীত 'Ocean' শব্দই সাগৰক বুজায়। ইয়াৰ অৰ্থ হ'ল পৃথিৱীৰ খোলাটোৰ এনে কিছু দ' অঞ্চল য'ত কেৱল লুণীয়া পানীৰ দ্বাৰাই পৰিপূৰ্ণ হৈ থাকে। পৃথিৱীৰ খোলাটোৰ দুই-তৃতীয়াংশ পানীৰ দ্বাৰা পৰিপূৰ্ণ। ইয়াৰে অলৱণাক্ত (Fresh Water) অংশক বাদ দি বাকী অংশক পাঁচখন মহাসাগৰত ভাগ কৰা হৈছে। সেই কেইখন বিশালতাৰ দিশৰ পৰা ক্ৰমে— প্ৰশান্ত মহাসাগৰ, আটলাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, দক্ষিণ মহাসাগৰ আৰু উত্তৰ মহাসা... ভালেকেইখন উপসাগৰো আছে। ... সকলোৱে জানো।

যদিও পটাছিয়াম, কেলছিয়াম আদিৰ লগতে অনেক মৌল আৰু যৌগ পোৱা যায়। ভূ-পৃষ্ঠৰ ওপৰেৰে বৈ যোৱা পানীয়েই লৱণৰ পৰিমাণ সমুদ্ৰত বঢ়াই তোলে যদিও সামুদ্ৰিক প্ৰাণী, উদ্ভিদ নতুনকৈ যোগ হোৱা বৰষুণৰ পানী আদিয়ে এই লৱণৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে। লৱণৰ বাহিৰেও সমুদ্ৰৰ পানীত নানান প্ৰকাৰৰ পদাৰ্থ ভাসমান অৱস্থাত থাকে। অক্সিজেনকে ধৰি ভালেমান গেছীয় পদাৰ্থও সাগৰৰ পানীত দ্ৰৱীভূত ৰূপত পোৱা যায়। পৰীক্ষাৰ দ্বাৰা প্ৰমাণিত হৈছে যে সাগৰ পৃষ্ঠৰ ওপৰিভাগৰ প্ৰতি লিটাৰ পানীত ১০ মিলিগ্ৰাম পৰিমাণৰ অক্সিজেন গেছ দ্ৰৱীভূত হৈ থাকে। এই পৰিমাণ পানীৰ গভীৰতা বৃদ্ধিৰ লগে লগে কমি যায়। কাৰ্বন-ডাই অক্সাইড আৰু নাইট্ৰ'জেন গেছো বিশিষ্ট মাত্ৰাত সাগৰৰ পানীত দ্ৰৱীভূত ৰূপত থাকে। এই গেছসমূহ সমুদ্ৰৰ জীৱ প্ৰজাতিবোৰৰ বাবে অতি প্ৰয়োজনীয়।

সমুদ্ৰপৃষ্ঠ বতাহৰ ফলত সৃষ্টি হোৱা ঢৌৰ বাবে ওখোৰা-মোখোৰা যেন দেখি। সমুদ্ৰৰ তলখনো কিন্তু মসৃন নহয়। ইয়াত ভূ-পৃষ্ঠৰ দৰেই খলা-বমা, পাহাৰ, মালভূমি আদি অঞ্চল থাকে। উপকূলৰ পৰা ক্ৰমে তললৈ নামি গলে যি হেলনীয়া অৱস্থাৰ সন্মুখীন হোৱা যায় তাক এবিচ (Abyss) বোলে। সাগৰৰ তলিৰ ৯৫০০ মিটাৰ উচ্চতাৰ পৰ্বতটোৱেই হ'ল পৃথিৱীৰ আটাইতকৈ ওখ অঞ্চল। ই প্ৰশান্ত মহাসাগৰৰ নিউজিলেণ্ডৰ ওচৰত অৱস্থিত। আনহাতে ফিলিপাইন দ্বীপপুঞ্জৰ ওচৰৰ 'মেৰিএনা ট্ৰেন্স' হ'ল আটাইতকৈ দ' অঞ্চল। এই অঞ্চলটো সাগৰ পৃষ্ঠৰ পৰা ১১ কিল'মিটাৰ গভীৰত। ইয়াত যদি হিমালয়ৰ এভাৰেষ্ট শৃংগটো নি বহুৱাব পৰা যায় তেন্তে নিশ্চয়কৈ ই সমুদ্ৰপৃষ্ঠৰ পৰা ১$^1/_2$ কি.মি. তলত অৱস্থান কৰিব। বিজ্ঞানীসকলে সাগৰৰ গভীৰতা "ইক'চাউণ্ডাৰ" নামৰ এক কৌশলৰ দ্বাৰা নিৰূপন কৰে আৰু 'ফেডম' নামৰ এককত প্ৰকাশ কৰে।

বৰ্ত্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰা অব্যাহত থকাৰ সময়তে বিজ্ঞানৰ দুটা নতুন ধাৰাই বিজ্ঞানী সকলৰ লগতে সাধাৰণ লোকলৈও নানান দিশত আশাৰ বতৰা বহন কৰিছে। সেই দুটা হ'ল তথ্য প্ৰযুক্তি (Information technology) আৰু জৈৱ প্ৰযুক্তিবিদ্যা (Bio technology) কোৱা হৈছে আগন্তুক শতিকাটোৰ প্ৰথম ৫০ টা বছৰত এই দুটা ধাৰাৰ বহল ব্যৱহাৰে মানৱ জীৱনলৈ ব্যাপক পৰিবৰ্ত্তন আনিব। মহাসাগৰৰ অফুৰন্ত সম্পদৰ সদ্ব্যৱহাৰ এই দুটা প্ৰযুক্তিবিদ্যাৰ ধাৰাৰ দ্বাৰাই সম্ভৱ হৈ উঠিবগৈ। ইতিমধ্যে নানান অত্যাধুনিক যন্ত্ৰপাতি আৰু 'SCUBA' (Self Contained underwater Breathing Apparatus) নামৰ পোচাক পিন্ধি ডুবাৰুসকলে মহাসমুদ্ৰৰ অনেক বতৰা সমুদ্ৰ ... কেন্দ্ৰবোৰলৈ (Marine Research Centre) প্ৰেৰণ

কৰিছে। ইয়াৰ ভিত্তিতেই সমুদ্ৰ বিজ্ঞানীয়ে একবিংশ শতিকাৰ বিশ্বৰ বৰ্দ্ধিত জনসংখ্যাৰ যোৱা মাৰিব পৰাকৈ সাগৰৰ সম্পদ আহৰণ কৰাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে।

সাগৰৰ পানীত সূৰ্য আৰু চন্দ্ৰৰ প্ৰভাৱত জোৱাৰ ভাটাৰ সৃষ্টি হয়। কেতিয়াবা আকৌ এই জোৱাৰ ভাটা পৃথিৱীৰ ঘূৰ্ণীয়মান গতিৰ বাবেও হ'ব পাৰে। এই জোৱাৰৰ শক্তিক অপৰম্পৰাগত শক্তি (Non-Conventional Energy) হিচাপে ব্যৱহাৰ কৰাৰ ব্যাপক থল আছে। সাগৰৰ বতাহৰ ফলত সৃষ্টি হোৱা শক্তিকো ব্যৱহাৰ কৰিব পাৰি।

মহাসমুদ্ৰই পৃথিৱীৰ আটাইতকৈ ডাঙৰ 'ইক'চিষ্টেম' বোলা হৈছে। ৬,০০,০০০ বৰ্গ কিল'মিটাৰ পৰিমানৰ সেউজ অঞ্চল মহাসাগৰতেই আছে। ইয়াত স্থানাভেদে ভিন ভিন পৰিস্থিতি তন্ত্ৰ দেখিবলৈ পোৱা যায়। সেইবিলাক হ'ল— প্ৰকৃত মহাসাগৰীয় পৰিস্থিতি তন্ত্ৰ, উপকূলীয় পৰিস্থিতিতন্ত্ৰ, মোহনা অঞ্চলৰ পৰিস্থিতি তন্ত্ৰ ইত্যাদি। সাগৰৰ পানীৰ ভৌত ৰসায়নিক গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি পৰিস্থিতিতন্ত্ৰসমূহৰ সদস্যবিলাক ভিন ভিন হ'ব পাৰে। যাক সমুদ্ৰৰ জৈৱ বিবিধতা (Marine biological diversity) বুলি কোৱা হয়। সাগৰৰ বিভিন্ন 'ফেডম' গভীৰতাত অলেখ প্ৰাণী আৰু উদ্ভিদৰ সমাৰেশ ঘটা দেখা যায়। খালি চকুৰে নেদেখা উদ্ভিদ প্লৱকৰ পৰা আৰম্ভ কৰি উচ্চ পৰ্যায়ৰ উদ্ভিদলৈকে সকলোকে একেলগে উৎপাদক (Producer) বুলি কোৱা হয়। আনহাতে নানান প্ৰাণী প্লৱকৰ পৰা আৰম্ভ কৰি বিশাল স্তনপায়ী নীল তিমিলৈকে অনেক প্ৰাণী মহাসাগৰ পৰিস্থিতি তন্ত্ৰত থাকে। এই প্ৰাণীসমূহে খাদ্যশৃংখল (Food Chain) বা খাদ্য পতা (Food Web) ৰ বিভিন্ন স্থানত উপভোক্তাৰ স্থান গ্ৰহণ কৰে।

নীলিম সলিল মহাসাগৰৰ বুকুৰেদিয়েই প্ৰাচীন কালৰে পৰা নানান দেশৰ মাজত যাতায়ত ব্যৱস্থা চলি আহিছে। ইয়াৰ বাবেই সৃষ্টি হৈছে বিভিন্ন দেশত বন্দৰ, পোতাশ্ৰয় আৰু অনেক উপকূল নগৰী। দেশ এখনৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো মহাসাগৰ সমূহৰ গুৰুত্ব অসীম। পৃথিৱীৰ প্ৰায়বোৰ দেশেই উন্নত নৌ-জাহাজ আৰু চাবমেৰিনেৰে সু-সজ্জিত কৰি ৰাখিছে নিজৰ নিজৰ নৌ বাহিনীবোৰ, এই মহাসাগৰবোৰৰ ওপৰতে। সাগৰৰ পানীৰ পৰা জলবিদ্যুৎ, লৱণ, খাদ্যসম্ভাৰ, ঔষধ, খনিজ পদাৰ্থ আদি অ... সম্পদ আহৰণ কৰি মানৱ জাতিৰ উপকাৰত লগোৱা হৈছে। কেতিয়া... আকৌ মহাসাগৰৰ বুকুত নিম্নচাপ সৃষ্টি হৈ প্ৰবল প্ৰতাপী ঘূৰ্ণী বতাহ... জন্ম হয় আৰু ই দেশৰ উপকূল অঞ্চলত যথেষ্ট ক্ষয় ক্ষতি কৰি থৈ যা...

মহাসাগৰ সমূহত বৰ্তমান প্ৰদূষণজনিত সমস্যাই ভয়াবহ ৰূপ ... কৰিছে। উদ্যোগীকৰণ, নগৰীকৰণ আদিৰ ফলত সৃষ্টি হো... আৱৰ্জনাসমূহৰ শেষ স্থান যেন মহাসমুদ্ৰৰ বক্ষহে। এনে থকাৰ ... সমুদ্ৰসমূহক ব্যৱহাৰ কৰা হৈছে 'Bottomless dustbin' হিচা... মহাসাগৰৰ জলৰাশি প্ৰদূষিত হোৱাৰ ফলত অনেক প্ৰজাতিৰ সামু... জীৱ চিৰদিনৰ বাবে নিঃশেষ হৈ গৈছে অথবা বিলুপ্ত হোৱাৰ পথ... শেহতীয়া তথ্য মতে প্লাষ্টিকজাত কেতবোৰ সামগ্ৰী সাগৰলৈ নিক্ষে... কৰাৰ ফলত সেইবিলাকত পানীৰে পৰিপূৰ্ণ হৈ জেলীমাছৰ ৰূপ ধা... কৰে। এনে সামগ্ৰীসমূহ জেলীমাছ বুলি ভুল কৰি খাই অনেক প্ৰজাতি... মাছ আৰু স্তনপায়ী প্ৰাণী মৃত্যুমুখত পৰিছে। তৈলবাহী জাহাজ দুৰ্ঘটনা... হৈ কেতিয়াবা কেতিয়াবা বহু হাজাৰ কি. মি লৈকে জলৰাশি প্ৰদূষি... কৰি তোলে। যাৰ ফলত অনেক সামুদ্ৰিক জীৱৰ মৰণ মিলে। যুগ-যুগ... ধৰি সৃষ্টি হোৱা প্ৰবাল দ্বীপ (Coral reefs) সমূহ, বঙ্গোপসাগৰৰ উপকূ... মেংগ্ৰোভ উদ্ভিদবিলাক তথা অনেক মহাসমুদ্ৰৰ সম্ভাৰৰ প্ৰদূষণৰ ... ক্ষতি সাধন হৈছে। এই সৰু লেখাটিৰ যোগেদি আগ্ৰহী পাঠকৰ ... মহাসমুদ্ৰ সম্পৰ্কীয় তথ্যৰ খিৰিকিখন মাত্ৰ মেলি দিয়াৰ চেষ্টাহে ... হৈছে। সাগৰৰ এডভেঞ্চাৰ ক্ৰীড়া,সাগৰ তলীৰ ধ্বংসাৱশেষ, সা... পানীৰ নীলা বৰণ কিয় হয়, সমুদ্ৰৰ বুকুৰেদি কৰা পৰিভ্ৰমণ, গভীৰ পা... মৎস্য আহৰণ, সাগৰৰ জৈৱ বিবিধতা, সাগৰত তেলৰ সন্ধান, সা... তলিত মুকুতা, সাগৰ তলিত কৰা নানান কৃষি, আদি এশ এটা ... বিষয়ে বিতং অধ্যয়নৰ থল নিশ্চয় আছে। শেষত ইয়াকে কব পাৰি... সাগৰে নিজৰ বহল বক্ষৰ অনেক বতৰা আমাক দিলে আৰু দি থা... কিন্তু, বামুৰ্দা ত্ৰিভুজৰ ৰহস্যৰ দৰে অনেক ৰহস্যৰ সন্তেদ পাবলৈ বি... আৰু প্ৰযুক্তিবিদ্যাৰ চৰম শিখৰত আৰোহন কৰা মানৱ জাতিয়েও অ... বাট চাব লগিব।

*Without goals we cannot grow*

-Dr. David Schwartz.

*Man is not the creature of circumstances, circumtances are the creatures of men.*

-Benjamin Disraeli

# স্বৰাজোত্তৰ ৫০ বছৰত ভাৰত পাকিস্থানৰ সম্পৰ্ক

শ্ৰীখগেন দাস
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

১৯৪৭ চনৰ ১৫ আগষ্টত বৃটিচসকলে ভাৰতক স্বাধীনতা দিয়াৰ ঘোষণা কৰে আৰু ভাৰত, পাকিস্থান নামে দুখন দেশক পৃথক পৃথক দেশ হিচাপে স্বাধীনতা দি দুয়োখন দেশৰ মাজত ভবিষ্যতে সংঘৰ্ষ হোৱাৰ বাট মুকলি কৰি যায়। স্বাধীনতা লাভ কৰাৰ পাছৰ প্ৰথম চৌবিশ বছৰত ভাৰত পাকিস্থানৰ মাজত তিনিখন পোনপটীয়া যুদ্ধ আৰু বৰ্তমানলৈকে বহুতো বিবাদে দেখা দিছে। ১৯৭১ চনৰ যুদ্ধত বাংলাদেশ জন্ম হয়। ১৯৬৬ চনত সম্পাদিত তাছখণ্ড চুক্তি আৰু ১৯৭২ চনৰ যুদ্ধৰ ফলস্বৰূপে ছিমলা চুক্তি হয়। এই দুয়োখন চুক্তিয়ে ভাৰত-পাকিস্থানৰ সম্পৰ্ক উন্নত কৰাৰ দৃঢ় পদক্ষেপ লৈছিল যদিও সেয়া সফল হৈছে বুলিব নোৱাৰি। যুদ্ধকেইখনত ভাৰতে জয়লাভ কৰে যদিও আজাদ কাশ্মীৰ ৭৮ হাজাৰ বৰ্গকিলোমিটাৰ ভাৰতীয় এলেকা পাকিস্থানৰ দখললৈ যায়। অৱশ্যে ছিমলা চুক্তিয়ে ভাৰত পাকিস্থানৰ পোনপটীয়া সামৰিক সংঘৰ্ষ এৰাই চলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

দুয়োখন দেশৰ উত্তপ্ত পৰিস্থিতি স্বত্তেও দুয়োখন ৰাষ্ট্ৰতে ৰাজনৈতিক নেতৃত্বৰ সাল-সলনি ঘটাৰ লগতে ভাৰত পাকিস্থানৰ মাজত সম্পৰ্ক উন্নত কৰাৰ কাৰণে বহুতো প্ৰচেষ্টা হাতত লৈছে। শ্ৰীমতী বেনজীৰ ভুট্টোৰ নেতৃত্বাধীন পিপলছ পাৰ্টিৰ পাছত মুছলীম লীগৰ নৱাজ শ্বৰীফৰ গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা আৰু আনহাতেদি ভাৰতত বি. জে. পি. চৰকাৰৰ আগমনে ইতিমধ্যে চুবুৰীয়া ৰাষ্ট্ৰ দুখনৰ দ্বি-পাক্ষিক সম্পৰ্কত দেখা দিয়া অচলাৱস্থাৰ অৱসান ঘটোৱাৰ ক্ষেত্ৰত দুয়োখন ৰাষ্ট্ৰই আলোচনা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। দুয়োজন প্ৰধানমন্ত্ৰীৰ নিৰ্দেশত যোৱা মাৰ্চ মাহত নতুন দিল্লীত বহা বৈঠকৰ অন্তত এই আলোচনাৰ বাবে চিনাক্ত কৰা প্ৰধান বিষয়কেইটা হৈছে— কাশ্মীৰ প্ৰসংগ, জন্মু-কাশ্মীৰত আস্থাৰ পৰিৱেশ ঘূৰাই অনাকে ধৰি শান্তি আৰু নিৰাপত্তা বিষয়, ছিয়াচিন হিমপ্ৰবাহৰ বিবাদ, তুলবুল নৌ প্ৰকল্প, সন্ত্ৰাসবাদ আৰু মাদকদ্ৰব্য চলাচল, অৰ্থনৈতিক তথা বাণিজ্যিক সহযোগিতা আদি বিষয়ত আলোচনা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ব্যৱসায় বাণিজ্যৰ বিষয়বোৰত সহযোগিতা হৈছে যদিও কাশ্মীৰৰ প্ৰসংগতো অলপো উন্নত হোৱা নাই। উল্লেখযোগ্য যে দুয়োখন ৰাষ্ট্ৰই এই সমস্যাবোৰ নিজৰ ভিতৰতে দ্বিপাক্ষিক চুক্তিৰ দ্বাৰা সমাধান হোৱাটো বিচাৰে, তৃতীয় ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা বোধ নকৰে।

যোৱা নিৰ্বাচনৰ যোগেদি ড° ফাৰুক আব্দুলাৰ নেতৃত্বত জন্মু আৰু কাশ্মীৰৰ চৰকাৰ প্ৰতিষ্ঠিত হোৱাত কাশ্মীৰৰ ক্ষেত্ৰত ভাৰতে হেৰুৱা স্থিতি ঘূৰাই পাব বুলি ভবা হৈছিল যদিও তেনে কোনো শান্তিৰ পৰিৱেশ হোৱা বুলি কব নোৱাৰি। পাকিস্থানৰ পৰা বহুতো উগ্ৰপন্থী সোমাই বহুতো নিৰীহ মানুহক হত্যা কৰিছে। এনে সন্ত্ৰাসবাদক ৰুধিবৰ বাবে জন্মু-কাশ্মীৰৰ গাঁওৰক্ষী বাহিনীক উচ্চপৰ্য্যায়ৰ সামৰিক প্ৰশিক্ষণ দি সাজু কৰি তোলা হৈছে আৰু সু ফলো পোৱা গৈছে। এই কথা স্মৰণযোগ্য যে ঐতিহাসিক আনবিক অস্ত্ৰৰ পৰীক্ষা নিষিদ্ধ চুক্তিত (ছি.টি.বি.টি.) বিশ্বজনমতক আওকান কৰি দুয়োখন দেশে চুক্তিত স্বাক্ষৰ কৰা নাই। অৱশ্যে শেহতীয়াভাৱে ভাৰতে এই চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনীয়তাই দেখা দিছে। ভাৰতে ওচৰ-চুবুৰীয়া দেশকেইখনৰপৰা পাই অহা ভবুকিৰ বাবে আৰু নিজকে সুৰক্ষিত কৰিবলৈ যোৱা ১১ মে' আৰু ১৩ মে' তাৰিখে পাঁচটা পাৰমানৱিক বোমা সফলভাৱে পৰীক্ষা কৰে। ভাৰতৰ এনে পৰীক্ষাৰ পাছত পাকিস্থানেও ২৯ মে' আৰু ৩০ মে'ত ৬ টা পাৰমানৱিক বোমা পৰীক্ষাৰ পাছত দুয়োখন ৰাষ্ট্ৰই বহুতো আন্তৰ্জাতিক প্ৰতিবন্ধকতাৰ সন্মুখীন হৈছে। এই পাৰমাণৱিক পৰীক্ষাৰ কাৰণে ভাৰতে নিৰাপত্তা পৰিষদত সদস্যপদ পাবলগা সুযোগটো বহু পৰিমাণে হেৰুৱায়। এতিয়া প্ৰশ্ন হৈছে দুয়োখন দেশে সন্মুখীন হোৱা বিভিন্ন প্ৰতিবন্ধকতাবোৰ কেনেধৰণেৰে সন্মুখীন হয়?

শেহতীয়াকৈ ১৯৯৮ চনৰ জানুৱাৰী মাহত আমেৰিকাত অনুষ্ঠিত হোৱা বৈদেশিক পৰ্য্যায়ৰ মানৱাধিকাৰ বাৰ্ষিক অধিৱেশনত ভাৰতত হোৱা সন্ত্ৰাসবাদৰ কাৰণে প্ৰথম বাৰৰ কাৰণে পাকিস্থানক জগৰীয়া কৰিছে। কিন্তু ইয়াৰ আগতে আমেৰিকাই কাশ্মীৰত চলা সন্ত্ৰাসবাদৰ কাৰণে স্থানীয় লোক জড়িত আছিল বুলি কৈছিল। বৰ্তমানৰ আমেৰিকাৰ এই ঘোষণাই কাশ্মীৰ প্ৰসংগটো নতুন দিশে গতি কৰিছে। ভাৰতে সদায় ভাৰতত হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ কাৰণে পাকিস্থানকে জগৰীয়া কৰি আহিছে আৰু পাকিস্থানক এখন সন্ত্ৰাসবাদী ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিবলৈ আন্তৰ্জাতিক মহলক হেঁচা দি আহিছে। ইছলামিক সন্ত্ৰাসবাদীক বিভিন্ন ধৰণেৰে সহায় কৰি অহা মুখ্য নেতা ওছামা বিন লাদেনক ধ্বংস কৰিব নোৱাৰিলে সহজে ভাৰতত শান্তি ঘূৰি নাহে, সেয়া ধ্ৰুৱপ।

ভাৰত আৰু পাকিস্থানৰ মাজৰ সংঘৰ্ষৰ মূলতে হ'ল কাশ্মীৰ। ভাৰত পাকিস্থানৰ সম্পৰ্কত হেঙাৰ সৃষ্টি কৰি অহা কাশ্মীৰ সমস্যা সমাধান কৰাৰ মাপকাঠি ক'ত আছে? বিচ্ছিন্নতাবাদী শক্তিসমূহলৈ আগবঢ়োৱা সাহায্য বন্ধ কৰিবলৈ পাকিস্থান সাজুনে? আনহাতে কাশ্মীৰ উপত্যকাত পাকিস্থানে সন্ত্ৰাসবাদক উচটনি দি অহা কাৰ্য্যক বন্ধ কৰিবনে? ইমানদিনে পাকিস্থানৰ বৈদেশিক নীতিৰ মূল বিষয় কাশ্মীৰক পাকিস্থানৰ কূটনীতি তথা ৰাজনীতিৰপৰা বাদ দিবনে? ঠিক ভাৰতেও কাশ্মীৰক সদায় নিজৰ

অবিচ্ছেদ্য অংগ হিচাপে ঘোষণা কৰি আহিছে। গতিকে ভাৰতে পাকিস্থানক কাশ্মীৰ সহজে কেতিয়াও এৰি নিদিয়ে। কাশ্মীৰৰ সংকট এটা স্থায়ী মীমাংসা নহ'লে ভাৰত আৰু পাকিস্থানৰ সম্পৰ্ক কেতিয়াও উন্নত নহয়। ভাৰত পাকিস্থানৰ সম্পৰ্ক উন্নতত দুয়ো ৰাষ্ট্ৰত হিতাকাংক্ষী দেশ আমেৰিকা, চীন আৰু ৰাছিয়াৰ ভূমিকাও গুৰুত্বপূৰ্ণ হ'ব।

৫০ বছৰ ধৰি চলি অহা দুয়োখন দেশৰ শত্ৰুতা ভাব অৱসান ঘটোৱাৰ সময় আহি পৰিছে। এনে ক্ষেত্ৰত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰী[illegible] বলিষ্ঠ নীতিৰহে প্ৰয়োজন। সম্প্ৰতি দুয়োখন দেশে পাৰমানৱিক [illegible] পৰীক্ষাৰ পাছত সন্মুখীন হোৱা আন্তৰ্জাতিক প্ৰতিবন্ধকতা কেনেকৈ [illegible] কৰি নিজৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰি নিজকে আন্তৰ্জাতিক পৰ্যায়[illegible] শক্তিশালী দেশ হিচাপে চিহ্নিত কৰিব পাৰে তাৰ বাবে দুয়োখন দেশ[illegible] সহযোগিতাৰ মুৰেই প্ৰয়োজন।


*The really are those who are always contented with their lot.*

–A vatour Meher Baba.

*The great men and women keep their sights high; they think ahead; followers devote their thinking to routine tasks.*

–Henry Thomas.

# ফটোগ্ৰাফীৰ আনন্দ আৰু উপলব্ধি



ইন্দিবৰ বুঢ়াগোহাঞিঃ
প্ৰৱক্তা আৰু মূৰব্বী, প্ৰাণীবিজ্ঞান বিভাগ,
মুখ্য সমন্বয়ক, ৰেচম বিজ্ঞান বিভাগ।

কেমেৰাক বাদ দি পৃথিৱীখনৰ বিভিন্ন ক্ষণ অনুক্ষণবোৰ ধৰি ৰখাৰ কথা কল্পনা কৰকচোন। প্ৰিয় বান্ধৱীৰ লাজকুৰীয়া হাঁহিটো, পুত্ৰৰ জন্মদিনটোৰ অথবা কন্যাজনীৰ বিয়াৰ দিনটোৰ মুহূৰ্তবোৰ, বৰষা আকাশৰ কলীয়ামেঘৰ লুকাভাকু অথবা ঋতুআকাশৰ বিচিত্ৰ ৰূপ অথবা ঋতুৰে ঋতুৰে সলনি হোৱা প্ৰকৃতিৰ মোহনীয়া ৰূপ এইবোৰ যথাযথ অথবা অৰ্থবহভাৱে ধৰি ৰাখিবৰ বাবে প্ৰয়োজন এটা নিৰ্ভৰযোগ্য কেমেৰা আৰু তাক চলোৱা ব্যৱহাৰিক জ্ঞান আৰু কিছু অভিজ্ঞতা।

সফল ফটোগ্ৰাফাৰৰ আঙুলিৰ হেঁচা কেমেৰাৰ শ্বাটাৰত পৰিলে শিলে সাৰ পায়, ভগ্নপ্ৰায় কোনো স্মৃতিস্মাৰকে গুণগণায়-বৰ্ণময় অতীত। সাৰ পাই উঠে কোনো সাধাৰণ মানুহৰ জীৱনে।

ভাল ছবি এখন তুলিবলৈ কল্পনাৰ প্ৰয়োজন। সেয়াও লেন্সৰ মাজেদিহে। পোহৰ আৰু ছাঁৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সংমিশ্ৰনেই হ'ল— ফটোগ্ৰাফী। ইয়াৰ মাজেদি লাভ কৰা আনন্দ চিত্ৰ ভাস্কৰ্য্য, সংগীত, নাটক আৰু গীত কবিতা আদিৰ মাজেদি লাভ কৰা আনন্দৰ দৰেই- প্ৰাণময়, বৰ্ণময় আৰু নিটোল। তেনে আনন্দ আৰু সৃষ্টিৰ তাড়নাতে মেৰু অঞ্চলৰ দৰে দুৰ্গম ঠাইত পদে পদে থকা মৃত্যু সম্ভাৱনাকো আওকান কৰি ঘণ্টাৰ পিচত ঘণ্টা বৰফাবৃত ঠাইত হাতত থাৰ্মোবেগত কেমেৰা লৈ ফটোগ্ৰাফাৰ থাকেগৈ পোহৰ আৰু ছাঁ ই খেলা কৰা বিৰল মুহূৰ্ত্তৰ ছবি তুলিবলৈ। এনে ঠাইত ঠাণ্ডাৰ প্ৰকোপত সাধাৰণ কেমেৰাৰ শ্বাটাৰে কাম নকৰে। কেমেৰাৰ লেন্সত অলপতে কুৱঁলী পৰি যায়। ফিল্ম থুনুকা হৈ পৰে। পকালে ছিগি যায়। এই অসুবিধাবোৰকো মানুহে আতঁৰাই বিৰল মুহূৰ্ত্তৰ ছবি তুলিছে- কেৱল সৃষ্টিৰ আনন্দত।

নিশাচৰ বাদুলী অথবা কোনো বন্যজন্তুৰ বিচৰণ এলেকাত ৰাতি আত্মগোপন কৰি ঘণ্টাৰ পিচত ঘণ্টা হাতত কেমেৰা লৈ ৰৈ থাকে ফটোগ্ৰাফাৰ- মনে বিচৰা ছবি এখন তুলিবলৈ। ৰাতি ফুলা 'ব্লিডিংহাৰ্ট' ফুলৰ পাহিৰ পৰা তেজ সদৃশ তৰল পদাৰ্থখিনি নিগৰি পৰা মুহূৰ্ত্তটোৰ ছবি তুলিবলৈও একেই অপেক্ষা, উত্তেজনা আৰু অনুভূতিৰ দৰকাৰ।

চিত্ৰ-ভাস্কৰ্য্যৰদৰে আলোকচিত্ৰৰো এক সুকীয়া প্ৰকাশ আছে। শিল্পীৰ নিজস্ব চিন্তাভাৱনাৰে একোখন আলোকচিত্ৰ সৃষ্টি হয়। জীৱন আৰু সমাজক প্ৰত্যক্ষ কৰি সাহিত্য সৃষ্টি কৰা যিমান সহজ ফটোগ্ৰাফাৰ এজনৰ বাবে সেয়া সিমান সহজ নহয়। তেওঁ ছবিৰ মাধ্যমেৰে দৰ্শকক জয় কৰিব পাৰিব লাগিব। উৎসাহ আৰু আগ্ৰহ সৃষ্টি কৰিব পাৰিব লাগিব।

আলোকচিত্ৰাশিল্পী স্বচ্ছ সৎ পৰ্য্যবেক্ষক হোৱাটো অত্যন্ত জৰুৰী। তাৰ পিচতেই প্ৰয়োজন অনুভূতিপ্ৰৱন মন এটাৰ আৰু তাৰ প্ৰখৰতাৰ। বিষয় একোটা পৰ্য্যবেক্ষণ কৰি অভিজ্ঞতা অৰ্জনেৰে একনিষ্ঠভাৱে বুজিব লাগিব এই মাধ্যম। ইয়াৰোপৰি প্ৰয়োজন নিয়মানুবৰ্ত্তিতাৰ।

কেমেৰাৰ লেন্সৰ মাজেদি যি দেখিলো তাকেই ক্লিক্ কৰি বন্দী কৰি থলো— এই বিশ্বাসৰ পৰিপন্থী নহ'লে ভাল ছবি তুলিব নোৱাৰি। বিষয়বস্তুৰ ওপৰত পোহৰ পৰা দিশ আৰু বিষয়বস্তুৰ কম্প'জিচন সম্পূৰ্ণ কৰি কেমেৰাৰ স্থান নিৰূপন কৰিব লাগে। এনেদৰে ছবি তুলিলে মনে বিচৰাধৰণৰ ছবিএখন পাব পাৰি।

চিত্ৰকৰ এজনে এটা দৃশ্যৰ ছবি আকোঁতে হঠাতে উপলব্ধি কৰিলে আকাশৰ নীলা ৰঙটো যেন ফৰগ্ৰাউণ্ডৰ ৰঙৰ সৈতে মিলা নাইবা খাপখোৱা নাই। এই বিচ্যুতি আতঁৰাবলৈ তেওঁ নীলাৰ সৈতে আন ৰঙৰ মিশ্ৰণ ঘটাব পাৰে। কিন্তু চিত্ৰকৰৰ দৰে কেমেৰাৰ ফ্ৰেমৰ মাজৰ ৰঙৰ পৰিবৰ্ত্তন সাধিব নোৱাৰি। নিজ ইচ্ছাৰে ফ্ৰেমৰ দৃশ্যৰ কোনো নিৰ্দিষ্ট ৰঙকে সলনি কৰিব নোৱাৰি। সেইবাবে ইয়াত ৰঙীন অথবা ক'লা-বগা ছবিত ৰঙৰ অনুশীলন এক জটিল সমস্যা। অভিজ্ঞতা আৰু পৰ্য্যবেক্ষণে এই সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰে।

আজিকালি এমেচাৰ ফটোগ্ৰাফী বহুতৰে হবী হৈ পৰিছে। বজাৰত ৱাইড ৰেঞ্জৰ অলেখ কেমেৰা ওলাইছে। শিশুৱে ছবি তুলিব পৰা অনেক সহজ কেমেৰাও পোৱা যায়। আমাৰ অনেকৰ ধৰণা— উন্নত কাৰিকৰী সুবিধাযুক্ত বহুদামী কেমেৰাইহে ভাল ফটো তুলিব পাৰি। এই কথা বহুত সময়ত সত্য নহয়। প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা অনেক ফটোগ্ৰাফ সাধাৰণ কেমেৰাৰে লোৱা।

পৃথিৱীৰ প্ৰথম কেমেৰাটো আছিল— এটা গহনা থোৱা সাধাৰণ বাকচ। এই বাকচটোকে অলপ ইফাল-সিফাল কৰি ভিতৰত ছিলভাৰ হেলাইডত তিওউৱা কাগজ এখন ভৰাই লৈছিল। বাহিৰৰ পৰা এই ছিলভাৰ হেলাইডত তিওউৱা কাগজখনত পোহৰ পৰিবলৈ দিয়া হৈছিল।

যেতিয়া কেমেৰাৰ পৰা পোহৰ পৰা কাগজখন উলিয়াইছিল তেতিয়া দেখা গৈছিল পোহৰ পৰা অংশবোৰ ক'লা আৰু পোহৰ নপৰা অংশবোৰ বগা। ই আছিল আচলতে নিগেটিভ। এই নিগেটিভৰ পৰা আচল ছবিখন প্ৰস্তুত কৰোতে নিগেটিভৰ প্ৰতিচ্ছবিৰ বিপৰীত ছবি এখন পোৱা গৈছিল। এই গোটেই পৰিঘটনাতো আচলতে আলোক ৰাসায়নিক বিক্ৰিয়া আৰু তাৰ ফল। ১৮১৬ চনত বহু পৰীক্ষা নীৰিক্ষাৰ অন্তত এই পৰীক্ষাৰ দ্বাৰা সফলতা লাভ কৰা মানুহজন আছিল— ফৰাচীদেশৰ জোচেফ নিচেফ'ৰ নিপ। এই জোচেফেই ফটোগ্ৰাফীৰ আধাৰশিলা স্থাপন কৰি থৈ গ'ল। তেওঁৰ পিচত বহুজনে পৰীক্ষা নীৰিক্ষা কৰি ফটোগ্ৰাফীৰ উন্নতি সাধিলে।

শেহতীয়াকৈ ফিল্ম নোহোৱাকৈ কম্পিউটাৰৰ ফ্লপিৰ জৰিয়তে পোনপটীয়া ফটো পাব পৰা ব্যৱস্থা হৈছে য'ত প্ৰচেচিং কৰাৰ দৰকাৰ নাই। ভাৰতবৰ্ষৰ বজাৰত সম্প্ৰতি কেনন-ইউ এচ ৫; নিকন এফ-৫; নিকন এফ ৭০ এক্স; নিকন এফ ৯০ এক্স; পেনটেক্স এম জেদ ৫ এন ভাল কেমেৰা পোৱা যায়। জাৰ্মানীত নিৰ্মিত কেমেৰাই বৰ্ত্তমান আটাইতকৈ দামী। 'লেইকা' নামৰ জাৰ্মানীত নিৰ্মিত কেমেৰা আজিকালি ফেচন, এডভাৰ্টাইজিং আৰু প্ৰট্ৰেইচাৰ আদিত ব্যৱহৃত হৈছে।

চিৰিয়াচভাৱে ফটোগ্ৰাফী কৰিবলৈ হ'লে ভাল এচ এল আৰ কেমেৰাৰ প্ৰয়োজন। লগতে লাগে নৰ্মেল, ৱাইড, জুম, টেলি আদি লেন্স। এনে সুবিধাযুক্ত কেমেৰা ১২,০০০ টকাৰ পৰা কেইবা লাখ টকা পৰ্য্যন্ত দামৰ আছে। ইকনমি আৰু মধ্যমদামী বুলি বিশ্বত পৰিচিত 'হাচেলব্লেড'ৰ দাম এঘাৰ লাখ ষাঠিহাজাৰ টকা। তেনেকুৱা মডেলৰ আমেৰিকাত নিৰ্মিত একোটা কেমেৰাৰ দাম দুই লাখ দহহাজাৰ টকা।

আমাৰ অসম প্ৰদেশখন প্ৰকৃতিৰ বৰ্ণময়তাৰে প্ৰাচুৰ্য্যময়। গাৰেঁ-ভুঁঞে, খেতিয়ে-পথাৰে, নৈয়ে-বিলে ফটোগ্ৰাফীৰ অনেক সমল থকা স্বত্বেও আহিলাপাতিৰ অভাৱ আৰু খৰচী হোৱা বাবে আসমৰ পৰা ফটোগ্ৰাফী কৰি বিশ্বত আত্মপ্ৰতিষ্ঠা কৰিব পৰা নাই। অৱশ্যে নলীনি বৰুৱা, মহেন্দ্ৰ বৰুৱা, অজিত হাজৰিকা, অমূল্য মান্না আদিয়ে জীৱনজোৱা সাধনা কৰি ফটোগ্ৰাফাৰ হিচাবে পৰিচিত হৈছে।

এই ক্ষেত্ৰত আন্তৰ্জাতিক [illegible] অৰ্জন কৰা ফটোগ্ৰাফাৰ ৰঘু ৰাই[illegible] কয়— "নিজেই নিজৰ [illegible] হ'বৰ বাবে প্ৰত্যেকৰে প্ৰয়োজন হয় সময়ৰ। নিজকে প্ৰতিষ্ঠা কৰিবৰ বাবে অনেক দূৰ অতিক্ৰম কৰি লাগিব। সাফল্য লাভৰ [illegible] নাই। এই পথ সময় [illegible] সময়তে দীৰ্ঘ। নিজৰ [illegible] নিজেই [illegible] লাগিব। নিজৰ [illegible] সম্পৰ্কে নিজেই ঠিক কৰিব [illegible]"

চিত্ৰকৰৰ চিত্ৰৰ [illegible] আলোকচিত্ৰ শিল্পীৰ [illegible] শক্তিশালী আলোকচিত্ৰ [illegible] বুজিলো বুলি [illegible] দৰ্শকৰ সংখ্যা আমাৰ [illegible] ছবিৰ ভাষা পঢ়িবলৈ বুজিবলৈ যত্ন কৰা লোকৰ অভাৱ। [illegible] পাৰিপাৰ্শ্বিকতাৰ খুউব মনোযোগেৰে অধ্যয়ন [illegible] সঠিকভাৱে অনুধাৱন কৰিব নোৱাৰি। উদাহৰণ [illegible] ধৰি ৰখা আলোকচিত্ৰ এখনত চকু ফুৰায়েই [illegible] কথা বুজিব পৰা যায়[illegible] এনেদৰেই আমাৰ দেশত নিৰ্দ্ধাৰিত [illegible] আলোকচিত্ৰৰ মানদণ্ড নিৰ্দ্ধাৰিত হৈছে আমাৰ জীৱনযাত্ৰাৰো মানদণ্ড।

পশ্চিমীয়া দেশবোৰত ইয়াৰ তুলনামূলক দৃশ্যপট একেবাৰে বিপৰীত। শিল্পৰ বিশাল পৃথিৱীখনৰ অন্যান্য ক্ষেত্ৰ ছবিজগতৰ যথাযথভাৱেই স্বীকৃত আৰু প্ৰশংসিত। ইয়াৰ বাবে আছে পৃথক মিউজিয়াম বা কলাবিথীকা। যিসকল ফটোগ্ৰাফাৰ মৌলিক আৰু সৃজনধৰ্মী সৃষ্টিকৰ্মত ব্ৰতী তেওঁলোককৈ আগবঢ়োৱা হয়— বিশেষ চৰকাৰী অনুদান। চাকৰিৰ বাবে হাবাথুৰি খোৱাৰো প্ৰয়োজন নাই। সেয়ে নিজ প্ৰতায়েৰে আগবাঢ়ে তেওঁলোক।

আমাৰ দেশৰ জীৱনৰ মানদণ্ড এতিয়াও সেই শতাব্দী জোৰা পুৰণি গাঁথনিৰ ভিত্তিতে থিয় দি আছে। এই সংস্কৃতি আৰু ঐতিহ্যৰ এক মনোজ্ঞ [illegible] আছে। সি আজি বিলুপ্তিৰ পথত। কোনো শিল্প মাধ্যমৰ জৰিয়তে [illegible] জীৱন আৰু জীৱনৰ অভিজ্ঞতাৰ মুহূৰ্ত্তবোৰ যদিহে তুলি ধৰিব পৰা যায় সিয়েই হ'ব শিল্পীৰ বাবে চৰম সুখ। ৰঘু কাইয়ে কোৱা এই কথাখিনি আমি উপলব্ধি কৰো-গভীৰভাৱে।

*Politics is perhaps the only profession for which no qualification is thought necessary.*

– R. L. Stevenson.

*He who wishes to secure the good of others has already secured his own.*

–Confucius.



# অব্যক্ত বেদনা

শ্ৰীভবেন কোঁৱৰ
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

নিজম চলপুৰাটোক কঁপাই জীপগাড়ীখন ঘেৰ ঘেৰাই উঠিল। ক্ষন্তেকতে গাড়ীখন আগবাঢ়িল চাৰিকড়ীয়া নৈৰ দলংখনৰ ফালে। হাতৰ ঘড়ীটোলৈ এবাৰ চাই কমল গগৈয়ে ড্ৰাইভাৰ মদনক ক'লে—

ঃ সময় বহুত হ'ল, অলপ দবাই যাবা মদনকাই। পাৰিলে অলপ সোনকালে ঘূৰিব লাগিব। পুৰণি কেচ বহুত পেনডিং হৈ আছে।

ঃ হ'ব চাৰ।

ঃ মদন কাই!

ঃ কি কয় চাৰ?

ঃ আপুনি এজন আৰক্ষী ড্ৰাইভাৰ। মই এজন পুলিচ উপ-পৰিদৰ্শক। আপুনি মোৰ পিতৃ বয়সৰ ব্যক্তি। সেয়েহে মই আপোনাক মদনকাই বুলি মাতিম। আপুনি বেয়া পাব নেকি?

উপপৰিদৰ্শকজনৰ কথাত মদনৰ হাঁহি উঠিল। তেওঁ হাঁহি হাঁহি কলে- নাই নাই, মই অলপো বেয়া নাপাও চাৰ।

ঃ মদনকাই, ইমান পুৱাতেই কুঁৱলী ফালি সৌ মহিলা গৰাকী অকলশৰীয়াকৈ ক'ৰ পৰা আহিছে? ক'লৈ যাব? মদনকই ছোৱালীজনীৰ ওচৰতে গাড়ীখন ৰখাই দিবচোন, কথা এটা সুধি চাম।

ছোৱালীজনীৰ ওচৰ পোৱাৰ লগে লগে গাড়ীখন ৰৈ গ'ল। গাড়ীৰ ভিতৰৰ পৰাই গগৈয়ে সুধিলে- বেয়া নাপায় যদি আপোনাক কথা এটা সোধোঁ?

গাড়ীৰ ভিতৰৰ পৰা অহা অচিনাকী কণ্ঠস্বৰত ছোৱালীজনী সচকিত হৈ উঠিল। প্ৰশ্ন সোধা ব্যক্তিজনৰ ফালে চাই তাই ক'লে—

ঃ আপুনি নিশ্চয় ইয়াকে সুধিব বিচাৰিছে ইমান পুৱাতে মই ক'ৰ পৰা আহিছো, ক'লৈ যাম আৰু মোৰ নাম কি?

ঃ ঠিক অনুমানেই কৰিছে আপুনি। গগৈয়ে উত্তৰ দিলে।

ঃ কিন্তু বাটৰ বাটৰুৱা কোন ক'ৰপৰা আহিছে ক'লৈ যাব এইবোৰ জনাৰ কি প্ৰয়োজন আছে আপোনাৰ?

ঃ সময়ত ব্যক্তি বিশেষে প্ৰয়োজন হয় কেতিয়াবা।

ঃ হ'লেও ইমানবোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ বৰ্তমান মোৰ সময় নাই আৰু মই প্ৰস্তুত নহও। কথাখিনি কৈ মহিলাগৰাকী যাবলৈ উদ্যত হ'ল। গগৈয়ে পুনৰ মাত লগালে— ঃ ৰ'বচোন, ক্ষন্তেক ধৈৰ্য্য ধৰক। সময় আপোনাতকৈ মোৰ বেচি তাকৰ।

গগৈয়ে ছোৱালীজনীৰ কপালখনলৈ চালে; অবিবাহিতা। ... নিয়ৰত তিতা

যেন এপাহ পূৰ্ণ বিকশিত ৰক্ত গোলাপহে তেওঁলোকৰ সন্মুখত ফুলি আছে। গাল মুখত ক'তো অকণমানো খলাবমা নাই। ৰক্তজবাৰ দৰে ভমকাফুলীয়া শাৰীখনে শুকুলা নিপোটল দেহৰ ৰূপ-সৌন্দৰ্যত ৰহন চৰাইছিল যদিও তাইৰ মুখৰ ছবিত কিবা অবুজ চিন্তাও তিক্ততাভৰা বিষাদ বেদনাৰ প্ৰতীক বিদ্যমান। সামান্য ৰঙা আৰু ওখহা চকুযুৰি অনিদ্ৰা ও অশ্ৰুপ্লাৱনত যে জুৰুলা তাক সহজে অনুমান কৰিব পাৰি। সেয়েহে গগৈয়ে গাড়ীৰ ভিতৰৰপৰা নামি মহিলাগৰাকীৰ ওচৰলৈ গ'ল আৰু সুধিলে—

ঃ বেয়া নাপায় যদি আপোনাৰ নামটো কওকচোন?

ঃ মিচ্ সন্ধ্যা দেৱী।

ঃ পিতাৰ নাম?

ঃ দেউতা নাই— কেন্সাৰ ৰোগত মৃত্যু হৈছে।

ঃ আপোনাৰ ঘৰ ?

ঃ সেই এৰি অহা গাঁওখনত।

ঃ ধন্যবাদ, এতিয়া আপুনি যাব ক'লৈ?

ঃ ইমানবোৰ আপোনাক প্ৰয়োজন কিয়?

ঃ মিচ্ দেৱী, বৰ্তমান আপোনাক এজন আৰক্ষী বিষয়াই প্ৰশ্ন কৰি আছে। আৱশ্যকবোধ নকৰিলে কোনো আৰক্ষী বিষয়াই বাটৰ বাটৰুৱাক মিছাতে আমনি নিদিয়ে। কথা হ'ল ইমান পুৱাতে আপুনি ঘৰৰপৰা ওলাই আহিছে; কপৌ-কাউৰীও আনকি বাহৰ পৰা ওলোৱা নাই। চাওক আপুনি এগৰাকী গাভৰু ছোৱালী, তাতে কোনো এজন সাৰথিও নাই। মই জনাত ঢকুৱাখনা চাৰিআলিৰ কাষৰ চাৰিকড়ীয়া দলঙৰ পাৰত ইতিপূৰ্বে কেইবাটাও ঘটনা সংঘটিত হৈছে। সেয়েহে এলেকাটো বৰ নিষ্কণ্টক নহয়। গতিকে মই ক'ব বিচাৰিছিলো যদি কিবা বিপদত পৰিছে বা জৰুৰ ক'ৰবালৈ যদি যাবলগা আছে তেন্তে পাৰিলে সামান্য সহায় কৰিব পাৰোঁ।

ঃ পুলিচে অকলশৰীয়া গাভৰু ছোৱালীক এনেদৰে পালে কেনেদৰে সহায় কৰিব তাক মই ভালদৰে জানো। সেয়ে যদি নহয় তেন্তে, ৰাজপথেদি আহি থকা এজনী অকলশৰীয়া ছোৱালীক এনেদৰে বিনা কাৰণত পথৰুদ্ধ কৰি জেৰা কৰা অন্য কিবা উদ্দেশ্য থাকিব পাৰে বুলি মই নাভাবোঁ। ঠাট্টাৰ সুৰত তাই কথাখিনি ক'লে।

ঃ আপুনি ভুল বুজিছে মিচ্ দেৱী।

ঃ মই ভুল বুজা নাই ইন্সপেক্টৰ বাবু। মিঠা মাতৰ আঁৰত যে বিষ থাকে, অতি ভক্তি যে চোৰৰ লক্ষণ এই কথা মই জানো।

ঃ আপুনি বেছি কথা কৈছে।

ঃ প্ৰয়োজন হ'লে কৰই লাগিব। আপোনালোকৰ দৰে স্বাৰ্থপৰ, লম্পট, অমানুহবোৰক মই কাহানিও বিশ্বাস নকৰোঁ।

ঃ মিচ্ দেৱী, আপুনি সীমা অতিক্ৰম কৰি গৈছে, অন্যথা মই......

ঃ কি কৰিব? গুলী কৰিব,নহয় জানো? কৰক, মই মৰিবলৈ ভয় নকৰোঁ।

ঃ মিচ্ দেৱী, আপুনি ছোৱালী অবলা নাৰী। আপোনাৰ দৰে নাৰীক মাৰকিল কৰিলে মোৰ কোনো যশস্যা নাবাঢ়ে। আপোনাক আমি শাস্তি দিব পাৰো; কিন্তু নিৰস্ত্ৰজনক আঘাত কিম্বা হত্যা কৰাতো বীৰৰ ধৰ্ম নহয়। প্ৰথম দৃষ্টিত আপোনাক শিক্ষিতা ও ভদ্ৰ মহিলা বুলি ভাবিছিলোঁ। হয়তো আপুনি উচ্চশিক্ষিতাও! কিন্তু আপোনাৰ ব্যৱহাৰে আপোনাক শিক্ষাৰ মৰ্য্যাদা ও মানদণ্ড একেবাৰে হ্ৰাস কৰি পেলালে। মিচ্ সন্ধ্যা আৰক্ষীৰ বিষয়ে যদি আপুনি নাজানে তেন্তে আজি জানি যাওক, ভাৰতীয় সংবিধানক সদায় সন্মান জনাই, সম্পূৰ্ণ মৰ্য্যাদা দি আইন শৃখলা অটুট ৰাখি জনসাধাৰণক শান্তি আৰু সুৰক্ষা প্ৰদান কৰি অন্যায় ও অধৰ্মৰ বিৰুদ্ধে যুঁজ দিবলৈকে আৰক্ষী বাহিনীৰ জন্ম। সেই জন্মক্ষণৰ পৰাই দিন-ৰাতি সমান কৰি আৰক্ষীসকলে দেশৰ সেৱাকেই কৰি আহিছে। হাজাৰ হাজাৰ আৰক্ষীলোকে নিজৰ অমূল্যজীৱন বিসৰ্জন দিছে। এইহেন মহান আৰক্ষী জাতিটোক আপুনি আজি মিছাতে কলংক জাপি দিছে। আপোনাক মই কোনো ধৰণৰ বেয়া ব্যৱহাৰ কৰা নাছিলোঁ। মনত ৰাখিব দেৱী, আপুনি ভৱাৰ দৰে আৰক্ষী বিষয়াসকল ইমান অমানুহ নহয়। বহু চিন্তা কৰি আপোনাক আজি ক্ষমা প্ৰদান কৰিছোঁ। যাওক সন্ধ্যা দেৱী। মদনকাই ব লক। মদনে গাড়ী ষ্টাৰ্ট দিলে ক'লা ধোঁৱা আৰু বগাধূলি উৰুৱাই গাড়ীখন আগবাঢ়িল খামনৰ ফালে। এক কিলোমিটাৰ মান অতিক্ৰম কৰাৰ পিছত মদনে গগৈলৈ চাই ক'লে— ছোৱালীজনীৰ মগজুৰ বিকাৰ আছে যেন পাওঁ চাৰ!

ঃ সঁচাকৈ মদনকাই, ইমান অসৎ ছোৱালী আগতে ক'তো লগ পোৱা নাই। দেখিলে নহয় হঠাৎ আমাক কি ব্যৱহাৰ কৰিলে। আমি যেন তাইক বলাৎকাৰ কৰিবলৈহে বিচাৰিছিলোঁ। উপকাৰ কৰিবলৈ গৈ অপমানহে পালোঁ। এনেবোৰ কাৰণতে দেশ আৰু জনগণৰ প্ৰতি থকা আত্মীয়তা আৰু মানৱতাৰ ভাৱবোৰ মনৰ পৰা আঁতৰি যাব খোজে!

ঃ বেটীৰ কি যে লাউপাত-কঁচুপাত মুখ! তাইৰ মানত আমি মানুহ নহয়, জন্তুহে। ত্ৰিবেদী চাৰে পাৰ লাগিছিল, গৰু কোবোৱা দিলে হয়। আপুনিহে তাইক ক্ষমা কৰি দিলে।

ঃ জাতিত নাৰী বুলিয়ে মোৰ দয়া উপজিল মদনকাই। আনহাতে তাইৰ দৰেই এজনী গাভৰু ভনী মোৰো আছে। বাৰিষা এবাৰেই নাহে, বছৰত তিনি চাৰিটাকৈ বান অহাৰো উদাহৰণ আছে। ভেলেঙী কেতিয়াবা আকৌ মোৰ জালতে পৰিব। মই মনে মনে তাইৰ কথাকে ভাবি আছো।

ঃ তেন্তে গাড়ী ঘূৰাম নেকি চাৰ?

ঃ ঘূৰাব নালাগে; খামন গাওঁখন পাৰ হৈ সিপাৰৰ গাওঁখনৰ প্ৰথম অৱস্থাতেই ৰাখি দিবা।

ইন্সপেক্টৰ গগৈ আৰু মদনে যি উদ্দেশ্য কৰি ৰাতিপুৱাই থানাৰপৰা ওলাই আহিছিল সন্ধ্যাৰ কথাবোৰে সকলোবিলাক ওলট-পালট কৰি পেলালে। খামন গাওঁখন পাৰ হৈ ইন্সপেক্টৰৰ নিৰ্দেশমৰ্মে গাড়ীখন ৰাখিলে মদনে। আনফালে সন্ধ্যা, তাই অকলশৰে বাটে বাটে আগবাঢ়িল। তাই বৰ দুৰ্বল। মানসিকভাৱেও সিমান সুস্থ নহয়। মনৰ গতিবিধিও বৰ ভাল নহয়। সন্ধ্যাৰ মনৰ লক্ষ্য এটাই তাই কৰবাত আত্মহত্যা কৰিব। প্ৰকৃততে যদি সন্ধ্যা দুৰ্বল মনৰ তেন্তে তাইৰ লক্ষ্য নিশ্চয় চাৰিকড়ীয়া নদীৰ দলংখন আৰু গভীৰ চাৰিকড়ীয়া নদীৰ বোৱতী পানীখিনি। এইকা[...]

তাই পুলিচ উপপৰিদৰ্শকজনে সুধোঁতে তাইৰ নিজৰ নাম, ঘৰ কইস[...] সুস্থভাৱেই উত্তৰ দিছিল, কিন্তু কলৈ যাব তাৰ উত্তৰ দিয়া নাছিল। কো[...] গাঁৱলৈ বা চহৰলৈ যাব তাৰ নামটো কোৱাত কোনো বাধা থাকিব নো[...] বুজা যায় সন্ধ্যাৰ নিৰ্দিষ্ট কোনো গন্তব্য স্থান নাই। আৰু তাইৰ বেল[...] চেহেৰাটোৰেও কয় তাই যেন লক্ষ্যহীনা কলৈ যাব কোনো ঠিকনা[...]

ক'লা বৰণৰ টেক্সী এখন দিলৰ মানৰপৰা আহি সন্ধ্যাৰ ও[...] পাওঁ পাওঁ অৱস্থাত গাড়ীৰ ভিতৰৰ পৰা এটা কণ্ঠ ভাহি আহিল— ও[...] ওলাই, সাপেও দেখে ভেকো আমাৰ লক্ষ্যবস্তু বৰ্তমান চকুৰ আ[...] সেইজনী ছোৱালী দেখিছানে ইমান নিজান ঠাইত অকলে অৱস্থা[...] আছে।

ঃ ও মানুহৰ সমাগমৰ ঠাই, এই নিজান বুলি কৰলৈ আহিছা [...] নাই চাৰিওফালে মানুহৰ ঘৰ

ঃ নহয়, মানে ৰাতিপুৱা যে!

টেক্সীখন গৈ সন্ধ্যাৰ ওচৰত ৰ'লগৈ। লগে লগে গাড়ীৰ ভিত[...] পৰা নামি আহিল তিনিজন সুঠাম ডেকা। সন্ধ্যাৰ হাতত ধৰি এক[...] কলে— 'বাইদেউ, বেয়া নাপাব যদি আমাৰ গাড়ীত উঠক। আ[...] আপোনাক লক্ষ্যস্থানলৈ লৈ যাম। শোক কাটিছে কিয়? আপুনি কো[...] কাণ্ড দেখি মোৰ মন একেবাৰে সেমেকি পৰিছে।

ঃ ছিঃ ছিঃ বাটত আহি থকা এজনী অকলশৰীয়া ছোৱালীৰ হা[...] ধৰিবলৈ অ লপমানো চৰম নাই আপোনালোকৰ! মিছাতে পুৰুষ জা[...] নামত কলংক সানিছে কিয়? যাওক, মোৰ ওচৰৰপৰা এতিয়াই আঁত[...] যাওক।

সন্ধ্যাৰ কথালৈ কোনো ক্ৰক্ষেপ নকৰি দুৰ্দান্ত ৰাক্ষসৰ দৰে হা[...] ভৰিয়ে কাপোৰ বান্ধি ডেকা কেইজনে ডাঙি নি গাড়ীৰ ভিতৰত স[...] এজনী গণিকাৰ দৰে ব্যৱহাৰ কৰি সেই ঠাইৰপৰা তৎক্ষণাৎ তাইক আ[...] লৈ গ'ল ক'লা বৰণৰ টেক্সীখনে। গাড়ীখন ক্ৰমান্বয়ে আগবাঢ়িল ইন্সপে[...] আৰু মদন বৈ থকাৰ ফালে। উপায়ন্তৰ সন্ধ্যাই গাড়ীৰ ভিতৰতে যে[...] ফেকুৰি কান্দিবলৈ ধৰিলে। বাটত বৈ থকা গগৈ আৰু মদনে গাড়ীখ[...] দৃষ্টি নিক্ষেপ কৰিলে।

ঃ মদনকাই!

ঃ চাৰ।

ঃ সন্ধ্যা দেৱী এই টেক্সীখনত উঠি অহা নাইতো!

ঃ ক'ব নোৱাৰি, আহিবও পাৰে চাৰ। কোনোবা প্ৰেমিকৰ লগ[...] ক'ৰবালৈ যোৱাৰ প্ৰগ্ৰাম কৰিয়েই আহিছিল নেকি?

ঃ তেনেকুৱাই যদি কিবা হয় তেন্তে আমাৰ চিন্তা কৰিবলগা এ[...] নাই। অন্য অঘটন নঘটিলেই হ'ল। তথাপি চিগনেল এটা দিয়াচোন ৰা[...]

ইন্সপেক্টৰৰ কথামতে মদনে গাড়ীখন ৰখাবলৈ চিগনেল দিলে য[...] গাড়ীখন নাৰাখিলে। ভিতৰৰপৰা নাৰীকণ্ঠ ভাহি আহিল— এৰি দে, এ[...] দে.........নহ'লে মৰিলো........।

নাই নাই এৰি দিয়া নহব আজি............।

ঃ মদনকাই চিএঃৰি যোৱা ছোৱালীজনী সন্ধ্যাই হ'ব নেকি? কোনো[...] দুৰ্বৃত্তৰ দলে পাই তাইক উঠাই লৈ আহিল। সন্ধ্যা নহ'লেও অন্য কোনো[...] নাৰী। উঠক উঠক, মইয়ে ড্ৰাইভ কৰো।

গগৈয়ে গাড়ীখন ষ্টাৰ্ট দি গতিবেগ বঢ়াই দিলে। আনফালে দুৰ্বৃত্তৰ দলেও পিচত পুলিচৰ গাড়ী বেগাই যোৱা দেখি সিহঁতৰ গাড়ীৰ গতিবেগো বঢ়াই দিলে। কিন্তু ৰাস্তাটো আগদিনা হোৱা বৰষুণৰ ফলত বোকাৰে পৰিপূৰ্ণ হৈ আছিল। সেয়েহে দুৰ্বৃত্তৰ গড়ীখনৰ এটা চকা সম্পূৰ্ণ বোকাত সোমাই আগলৈ নোযোৱা হৈ পৰিল। ফলত সিহঁতে গাড়ী এৰি পলাবলৈ ধৰিলে। গগৈৰ গাড়ীখন সেইখিনি পয়গৈ মানে সিহঁতবোৰ পলাই পত্ৰং দিলে। ক্ষন্তেক পিছতেই গাড়ীখনৰ ওচৰ পালেহি গাড়ীখন। ক'লা ৰঙৰ গাড়ীখনৰ ভিতৰত সন্ধ্যাই লাজ আৰু ভয়ত কপি থকা দেখি গগৈ ওচৰ চাপি গৈ সুধিলে—

ঃ শাৰিৰীক কিবা আঘাত পাইছে নেকি আপুনি?

ঃ নাই।

ঃ তেন্তে নামি আহক।

ঃ ইচ্ বোকাত কেনেকৈ নামো?

ঃ নামক বেচি বোকা নহয়।

গগৈয়ে টেক্সীখনৰ ৰং, নম্বৰ, ঠাইডোখৰৰ নাম, বিৱৰণ আদি সকলোবোৰ লিখি লৈ সন্ধ্যাক জীপখনত উঠিবলৈ ক'লে—। তিনিও গাড়ীত উঠিল আৰু মদনে গাড়ী ষ্টাৰ্ট দি গাড়ীখন বাটতে ঘুৰাই লৈ থানালৈ বুলি ৰাওনা হ'ল।

ঃ মিচ্ সন্ধ্যা, গাড়ীৰপৰা নামি পলাই যোৱা ডেকা কেইজনৰ লগত আপোনাৰ চিনাকি কেতিয়াৰপৰা আৰু সম্পৰ্ক কেনে ধৰণৰ?

ঃ মোৰ কোনো পুৰণি চিনাকি নহয় আৰু কোনোধৰণৰ সম্পৰ্কও নালাগে।

ঃ তেন্তে সিহঁতৰ লগত আপুনি কিয় আহিছিল?

ঃ মই ইচ্ছা কৰি অহা নাছিলোঁ। মোক জোৰ কৰি আনিছিল।

ঃ আপুনি নিশ্চয় ৰাখিবলৈ চিগ্‌নেল দিছিল।

ঃ নাই, মই কোনো ধৰণৰ চিগ্‌নেল দিয়া নাছিলোঁ। মই ৰাস্তাৰ একাষত বহি থকা স্বত্বেও টেক্সীখন আহি হঠাৎ মোৰ গাৰ কাষতেই আহি ৰৈ গৈছিল আৰু লগে লগে গুণ্ডা, বদমাচ এটা নামি মোক বলপূৰ্বক ভাবে ঠেলি টেক্সীৰ ভিতৰত প্ৰবেশ কৰাইছিল। ভিতৰত থকা অন্য দুজনে টানি মোক হেঁচা মাৰি ধৰিছিল।

ঃ বদমাচ কেইটা আছিল?

ঃ তিনিটা।

ঃ ইমান পুৱাতে বাৰু আপুনি ক'লৈ যাবলৈ আহিছিল? সন্ধ্যা নিমাত হ'ল। তাই দুচকুৰে দুধাৰি লোতক বৈ আহিল। কোনো কথা নকৈ তাই মাথো কান্দি কান্দি বহি থাকিল গাড়ীচিটত।

ঃ সন্ধ্যা, আপোনাক মই এতিয়াও ঘৰুৱা হিচাপেই কথা সুধি আছোঁ। আপোনাৰ ওপৰত কোনো ধৰণৰ কেচ্‌মামলা লোৱাৰ কথা এতিয়াও ভবা নাই। আপুনি ভবাৰ দৰে কোনো অসৎ প্ৰবৃত্তিৰ বা অমানৱীয় ভাৱ চিন্তা লেখমানো মোৰ অন্তৰত নাই। কওঁক কিবা যদি বিপদত পৰিছে বা জৰুৰী যদি কৰবালৈ যাব লগা আছে; মই আপোনাক কথা দিছোঁ, কোনো অপকাৰ সাধন নকৰাকৈ আপোনাৰ লক্ষ্যস্থানত থৈ আহিম। নিঃসন্দেহে কওঁক, পৰাখিনি মই সহায় কৰি দিম। গাড়ীৰ ভিতৰত কবলৈ বেয়া পইছা যদি থানাৰ ভিতৰতে কবা।

তীব্ৰবেগেৰে আহি গড়ীখন থানাত সোমালহি। তাৰ পিছত তিনিও গাড়ীৰ পৰা নামি থানাৰ ভিতৰৰ কোঠালৈ গ'ল। ইন্সপেক্টৰ গগৈয়ে সন্ধ্যালৈ চকী এখন আগবঢ়াই দি তাত বহিবলৈ নিৰ্দেশ দিলে। সন্ধ্যাই চকীখন অলপ আতৰাই আনি বহিল। ওচৰতে থকা আন এখন চকীত গগৈও বহিল। মদনে কোঠাৰপৰা ওলাই আহি গাড়ীখন নিৰ্দিষ্ট ঠাইত থলে।

ঃ বাৰু সন্ধ্যা কওকচোন আপোনাৰ কথাবোৰ। আগ্ৰহেৰে সুধিলে ইন্সপেক্টৰ গগৈয়ে।

ঃ মই ক'লৈ যাবলৈ আহিছিলো; ঠাইখনৰ নাম মই নাজানো। বদমাচহঁতে মোক জোৰাকৰি উঠাই ননা হ'লে, ইমান সময় মোৰ আত্মাটো গৈ থাকিলহেঁতেন সেই অচিন নেদেখা ঠাইখনলৈ। বিশাল চাৰিকড়ীয়াৰ বোৰতী সোঁতত অকলশৰীয়া জাঁজিদৰে উটি-ভাহি গৈ থাকিলহেঁতেন মোৰ এই নৰতনু কোনোবা আচিন সমুদ্ৰ অভিমুখে।

ঃ তাৰমানে আপুনি আত্মহত্যাৰ পণ লৈয়ে ঘৰৰ পৰা ওলাই আহিছে?

ঃ হয়। কলংকৰ কালিমা এসোপা লৈ জীয়াই থকৰ ইচ্ছা মোৰ নাই। মৃত্যুৱেই মোৰ বাবে চিৰশান্তিৰ আশ্ৰয়।

ঃ কলংক, বদনাম এইবোৰ কাৰ নাথাকে সন্ধ্যা? আকাশৰ চন্দ্ৰটোৰ গাতো কলংক আছে।

ঃ চন্দ্ৰলোকত বাস কৰা সকলে চন্দ্ৰটোক ঘৃণা বা উপহাস কৰেনে নকৰে সেই কথা মই নাজানো। কিন্তু আমাৰ এই পৃথিৱীখনত আমাৰ সমাজখনত কলঙ্কিনী নাৰীৰ বাবে জীয়াই থাকিবলৈ বিন্দুমানো ঠাই নাই। নিজৰ ভুলৰ বাবে হওঁক বা আনৰ ছলাহী কথাত বান্ধখায়েই হওঁক কেতিয়াবা কোনোবা গভৰু মোৰ দৰে বদনামী, কলংকিনী হয়; সেই নাৰীবোৰৰ ওপৰত সমাজৰ যি দৃষ্টি সেয়া যেন মানুহৰ চকুৰ চাৱনি নহয়, এপাত জ্বলন্ত অগ্নিবানহে। এই অগ্নিবানত থকা-সৰকা হৈ যন্ত্ৰনাভোগী হৈ থকাতকৈ মৃত্যুৱেই শ্ৰেয়।

আত্মহত্যা যে মহাপাপ, আনহাতে আত্মহত্যা কৰিব বিচৰা জনৰো আইন অনুসৰি শক্তিৰ বিধান আছে। কিন্তু পাপ-পূণ্যৰ কথা বিচাৰ বিবেচনা কৰিবলৈ বৰ্তমান তাই বিবেকহীন। এইবোৰ একো চিন্তা তাই কৰিব নোৱাৰে। তাইক লাগে কেৱল মৃত্যু।

ঃ বেয়া নাপাব আৰু এটা কথা সোধো। আপুনি যে কলংকৰ কথা ক'লে এনে কি কলংকৰে আপুনি কলংকিনী হ'ল যিটোৰ কাৰণে নেকি আপুনি আত্মহত্যা কৰিব বিচাৰিছে?

ঃ মোৰ বদনাম আৰু কলংকৰ কথা কবলৈ গ'লে আপোনাৰ গাতো চেকা নপৰাকৈ নাথাকিব। কাৰণ আপোনাৰদৰে এজনে মোৰ সকলো কাঢ়ি লৈ গ'ল তেখেতক মই প্ৰাণভৰি ভাল পাইছিলোঁ। তেখেতেও মোক ভাল পাওঁ বুলি কৈছিল। লগতে জীৱনৰ সঙ্গী কৰি লোৱা প্ৰতিশ্ৰুতিও দিছিল। কিন্তু শেষত বৰ নিষ্ঠুৰভাৱে মোক প্ৰতাৰণাহে কৰিলে। এমাহ দুমাহকৈ আজি ছয়মাহ পাৰ হ'ল, তেখেত আৰু নাহিল মোৰ ওচৰলৈ। আনকি খবৰ বাতৰিও নিদেয়ে আৰু নোলোৱা হ'ল। সঁচাকৈয়ে যদি আপুনি মানৱতাৰ খাতিৰত মোক সহায় কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে

তেন্তে মোক সেইজনকে এবাৰ দেখা কৰি এষাৰ কথা ক'বলৈ সুবিধা কৰি দিয়ক।

ঃ যিজনক আপুনি এবাৰ দেখা কৰিবলৈ বিচাৰিছে, সেইজন বা কোন? ক'ত থাকে, নাম কি নকলে মই ক'ত বিচাৰি থাকিম। নাম ঠিকনা পালেহে বিচাৰিবলৈ সহজ হ'ব।

ঃ বৰ্তমান আপুনি থকা থানাতে তেখেত আছিল, আপুনিয়েই আহি তেখেতক বদলি কৰিছিল। বৰ্তমান ক'ত আছে সেইটো মই নাজানো।

ঃ মোৰ আগত, মানে মই বদলি দিয়াজন পলাশ শৰ্মাহে। তেখেত আজি............।

কথাষাৰ শেষ নৌহওতেই সন্ধ্যাই তপৰাই ক'লে—

ঃ হয়। মই তেখেতকেই এবাৰ দেখা কৰিবলৈ বিচাৰিছোঁ। যেনে-তেনে মোক কিবা এটা কৰি দিয়ক।

যিজনৰ কাৰণে তাইৰ আজি এই অৱস্থা হৈছে সেইজনটো আজি এই পৃথিৱীত নাই। যদি জীয়াই থাকিলেহেঁতেন হয়তো ইন্সপেক্টৰ কমলে নিজেই সেই জনৰ ওচৰলৈ সন্ধ্যাদেৱীক লৈ গৈ নিজ মুখেৰে ক'লেহেঁতেন— আপোনাক বিচাৰি বিচাৰি, আপোনাৰ চৰণ চুবলৈ এয়া সন্ধ্যাদেৱী আপোনাৰ সেৱা শুশ্ৰূষা কৰি যাব। গতিকে আপুনি সন্ধ্যা দেৱীক গ্ৰহণ কৰক, আৰু সাংসাৰিক পথৰ যাত্ৰী হওঁক। আপোনালোকৰ দাম্পত্য জীৱন সুখৰ আৰু মধুময় হ'বই। কিন্তু এই সকলোবোৰ কবলৈ বা বুজাবলৈ যে সেইজন আৰু এই বাস্তৱ পৃথিৱীত নাই। আজি প্ৰায় ছমাহৰ আগতে পলাশ শৰ্মা শ্বহীদ হৈ স্বৰ্গৰ কোনোবা এখন বিতোপন কাননত আছেগৈ। ইয়াৰ পৰা বদলি হৈ যোৱাৰ দুদিনৰ পাচতেই শিৱসাগৰত ৰাতি ডিউটিলৈ যাওঁতে উগ্ৰপন্থীৰ হাতত পলাশ শৰ্মা নিহত হয়। উগ্ৰপন্থীৰ নিষ্ঠুৰ বুলেটৰ আঘাট পলাশৰ জীৱন চাকি সেই বিয়াগোম ৰাতিয়েই চিৰদিনৰ কাৰণে নুমুৱাই লৈ গ'ল। হয়তো সন্ধ্যাই পলাশৰ মৃত্যুৰ বাতৰি আজিও পোৱা নাই। কিন্তু এই মুহূৰ্তত সেই করুণ বাতৰিটো সন্ধ্যাক দিব জানো? কাৰণ মানসিকভাৱে সন্ধ্যা বৰ্তমান বৰ দুৰ্বল। সুস্থ বুলিও ক'ব নোৱাৰি। এই খিনি সময়ত সেই বাতৰি পালে হয়তো আৰু কিবা হৈ পৰিব। আত্মহত্যা কৰিবলৈ প্ৰেৰণাহে দিয়া হ'ব। আৰু নজনোৱাকৈ গোপনে ৰাখিলেও পাছত যদি আত্মহত্যাৰ পণ ত্যাগ কৰি বিনিময়ত পলাশ আহিব আহিব বুলি গোটেই জীৱন যদি বাটলৈকে চাই থাকে, তেতিয়াতো কেৱল নিৰাশাৰ বাহিৰে অন্য যে একোৱেই নাপাব তাই। আনহাতে পলাশৰ মৃত্যুৰ বাতৰি নাপালে, নাজানিলে আৰক্ষী জাতিৰ প্ৰতি সন্ধ্যাৰ অন্তৰত শিলৰ ৰেখাৰ দৰে যি ঘৃণা ও অৱহেলাৰ ভাৰে ঠাই ল'লে সি যে কোনো দিনেই পৰিষ্কাৰ নহ'ব। সন্ধ্যাৰ বাবে আৰক্ষীসকল চিৰদিন স্বাৰ্থপৰ, লম্পট, অমানুহ হৈয়ে ৰব। তেতিয়াহলে সন্ধ্যা বৰ্তমান কি হ'ব? অদূৰ ভৱিষ্যত হ'ব কি? এগৰাকী কলংকিনী ৰমনীক আশ্ৰয় বা নিৰাপত্তা দিব কোনে? কোনো নিৰাপত্তা বা আশ্ৰয়স্থল নাপালে সন্ধ্যাই এটাই পথ ল'ব আত্মহত্যা। আজি যিকোনো প্ৰকাৰে আত্মহত্যাৰ পৰা

ৰক্ষা পৰিল। কিন্তু কাইলৈ? কাইলৈ জানো সন্ধ্যাৰ মনত দুখ আদিয়ে খুন্দা মাৰি নধৰিব। এইবোৰ ভাবি ভাবি আকৌ যদি আত্ম... কৰিবলৈ যায়! কোনে চাই থাকিব, কোনে ৰক্ষা কৰিব তেতিয়া? ... ফুলাম, ষোড়শী জীৱন এটাই কেৱল নোপোৱাৰ বেদনাকেই ... অকালতে গতি কৰিব কোনোবা অজান দেশলৈ। কিমান বেদনা... হ'ব সেই অকাল মৃত্যু! বৰ্তমান কি উপায় কৰিব বা কি উপায়েৰে ... মনৰ গতি সলনি কৰি পুনৰ জীয়াই থকাৰ হেঁপাহ, হাবিয়াস আনি... দিব পাৰিব আৰু কোনে ধৰণৰ ব্যৱস্থা ললে সন্ধ্যাৰ অন্তৰ... আৰক্ষীসকলৰ প্ৰতি থকা ঘৃণা ও অৱহেলাৰ ভাৱবোৰ আঁতৰি... পৰিবৰ্তে অপাৰ দয়া মমতা ও অসীম ভক্তিৰ ভাব উপজিব। আ... হ'লে তেওঁ এহাতে সন্ধ্যাৰ হাতত ... পিন্ধাৰ শিৰত সেন্দুৰ।

ঃ সন্ধ্যা, যিজন পলাশৰ কাৰণে তুমি আত্মহত্যা কৰি... বিচাৰিছিলা, সেইজন পলাশ আজি এই সংসাৰত নাই। দুঃখজনক... তেওঁ কথাষাৰ সন্ধ্যাক কলে।

বাতৰিটো শুনি সন্ধ্যা উচপ খাই উঠিল। পলাশৰ কথা কৈ... তাই কান্দি কান্দি ভাগি পৰিল। বহুতো শান্ত্বনা দিয়াৰ পিছতো ইন্সপে... যেতিয়া সন্ধ্যাৰ কান্দোন বন্ধ কৰিব নোৱাৰিলে, উপায়হীন হৈ তেওঁ... গ'ল—

সন্ধ্যা, তুমি নাকান্দিবা। কান্দি আৰু কোনো লাভ নাই। নিয়তি... পলাশক লৈ গ'ল এই সংসাৰৰ পৰা। তাৰ ঠাইত অন্য এজন পলা... তোমাৰ ওচৰলৈ পঠোৱা হ'ল, তোমাৰ হাঁহি-কান্দোনৰ সমভাগী হ'ব... আজিৰ পৰা তোমাৰ জীৱনৰ নিৰাপত্তাৰ বাহক হ'ব এই অকিঞ্চন। দিব... বাৰু সেই অধিকাৰ!

সন্ধ্যাই কোনো কথা নকৈ কান্দিয়েই থাকিল।

ঃ সন্ধ্যা তুমি নাকান্দিবা; তোমাৰ শূন্য মনৰ মণিকুটৰ সিংহা... পুনৰ পূৰ্ণ কৰি তোমাৰ উকা শিৰত তেজৰ ৰঙা সেন্দুৰৰ সামান্য ... উপহাৰ মই তোমালৈ আগবঢ়াইছোঁ। গ্ৰহন কৰিবানে বাৰু?

ইন্সপেক্টৰৰ কথা শুনি তাই যেন হেৰুৱা পলাশক পুনৰ ঘূৰাই পালে। তাইৰ অন্তৰে চিঞৰি চিঞৰি কান্দিছিল যদিও এই মহান ইন্সপেক্টৰ জনৰ কোমল অন্তৰৰ সঞ্জীৱনী শক্তি থকা কথাবোৰ শুনি অন্তৰৰ কান্দোন অন্তৰতে মাৰ গ'ল। ইন্সপেক্টৰৰ ভৰিত ধৰি থুকাথুকি মাতেৰে তাই ক'বলৈ ধৰিলে—

ঃ মোৰ অৰ্মাজনীয় সকলো ভুল-দোষৰ অপৰাধৰ উচিত শাস্তিৰ বিনিময়ত এজনী কলংকিনী ৰমনীলৈ আপুনি অকুণ্ঠচিত্তে যি মূল্যবান উপহাৰ দাঙি ধৰিছে, হিন্দু সমাজৰ নাৰীৰ বাবে তাতকৈ শ্ৰেষ্ঠ ও মূল্যবান উপহাৰ এই বৰেণ্য জগতত অন্য আৰু একোৱেই হ'ব নোৱাৰে। জীৱন থকালৈকে এইখন জগতক মই চিঞৰি চিঞৰি কৈ যাম......... কৈ যাম...

"চুটিগল্প যেন এটি পাখিলাহী পখিলা। নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটি ফুলৰ পাহিত বহি মৌ চোঁহে, তাৰ পাছত উৰামাৰি কোনোবাফালে পায়গৈ। আমাৰ চকুৰে বন্দী কৰিব পাৰে মাথোন তাৰ এক লহমাৰ আকণ্ঠ মধুপান।" —মহেন্দ্ৰ বৰা (সাহিত্য উপক্ৰমনিকা)।

# 'মাটি আকাশ আৰু মই'



শ্ৰীমতী জ্যোতি গগৈ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

গায়ত্ৰী, ফৰিদা, ডেইজী আৰু প্ৰতিমাৰ স'তে অফ্‌পিৰিয়ডত বানপানীয়ে কৰি যোৱা ক্ষয়-ক্ষতিৰ বিষয়ে কথা পাতি থাকোতেই বিৰাট হুলস্থুল হোৱা যেন শুনিলোঁ। হাই-উৰুমিৰ মাজতে 'চোৰ' 'চোৰ' বুলি দুই এটা উকি। কেউজনী খৰখেদাকৈ কলেজৰ ফিল্ডত থকা জুমটোৰ ওচৰ পোৱাত ইকান-সিকান কৈ শুনিলোঁ- এটা ল'ৰাই সোণৰ চেইন এডাল চুৰ কৰি ধৰা পৰিছে। তংক্ষণাত ডিঙিলৈ হাতখন নিলোঁ। নাই দেখোন........! কলেজলৈ আহোতে পিন্ধি অহা খুব ভালদৰে মনত আছে। ভিৰ ঠেলি মাৰ-পিট কৰি থকা ল'ৰাকেইজনৰ ওচৰ পাই মোৰ চেইনডাল হেৰোৱাৰ কথা ক'লোঁ। মোৰ ফালে এক সন্দেহৰ দৃষ্টি দিয়াত লকেটটোত থকা মোৰ নামটো প্ৰমাণ হিচাপে দেখুৱালোঁ। গায়ত্ৰীহঁতৰ ওকালতিত চেইনডাল ঘূৰাই পালোঁ। চুৰ কৰা ল'ৰাটোলৈ চালো— বেচেৰাই ভয়তে পেপুৱা লাগিছে। চকুহাল সাংঘাতিক কৰুণ। পুনৰ আটাইকেইজনী জুমটোৰ পৰা আঁতৰি নিজৰ নিজৰ ক্লাছলৈ দিহাদিহি গ'লোঁ।

লাহে লাহে সন্ধ্যা নামিছে। মই থকা 'বৰুৱা ছাত্ৰী নিবাস'টোও ক্ৰমে আন্ধাৰে গিলি পেলাইছে। কলেজৰ পৰা আহিবৰে পৰা মনটো এক ধৰণৰ অপৰাধবোধত আচ্ছন্ন হৈ আছে। কলেজত ঘটা ঘটনাটোৱে মোৰ মনটো এনেদৰে ভাবক্ৰান্ত কৰি তুলিছে যাৰ পৰা পৰিত্ৰাণ পোৱাৰ আঁশাত আন্ধাৰ হৈ পৰা বাবান্দাত অকলে অকলে পায়চাৰি কৰি ফুৰিছোঁ। নাভাৱো নাভাৱো বুলিও চুৰ কৰা ল'ৰাটোৰ কৰুণ চকুহালে মোৰ পাছে পাছে খেদিছে। আছে সেই কৰুণ চকুহালৰ আঁৰত.........! কিয় মইতো এবাৰ তাক সুধিব পাৰিলোহেঁতেন সি চেইনডাল ক'ত, কেনেকৈ পালে! যদিহে কোনো দোষ নথকাকৈ সি ইমানবোৰ মাৰ খাইছে! কথাটো ভৱাৰ লগে লগে বুকুখনত এটা বিযে খুন্দা মাৰি ধৰিলে। কি স্বাৰ্থপৰ মই !!! চেইনডাল ঘূৰাই পোৱাৰ আনন্দত মই মানৱীয় প্ৰমূল্যবোধৰ পৰা স্খলিত হৈ গ'লো। যদি ল'ৰাটো ইতিমধ্যে বেয়াকৈ জখম হৈছে অথবা মৃত্যু হৈছে..........! বাৰন্দাতে উচুপি উচুপি কান্দি দিলোঁ। কাষৰ ৰুমত পঢ়ি থকা কল্পনা, দীপা, বীতু, দীপ্তি, সৰুফুলহঁত উধাতু খাই মোৰ কাষ পালেহি। ঘটনাৰ আকস্মিকতাত সিহঁত আচৰিত হৈছে। ইটো, সিটো সুধি মোক ব্যতিব্যস্ত কৰিলে যদিও মই মুখফুটাই একো ক'ব নোৱাৰিলো।

যোৱা কিছুদিন ধৰি মই একেটা চিন্তাতে ডুব গৈ আছোঁ। ক'তো মন বহাব পৰা নাই। খাওঁতে, শুওঁতে, উঠোতে, বহোতে সৰুফুলে অনবৰতে মোক লক্ষ্য কৰিছে। মোৰ অন্যমনস্কতা, অস্বাভাৱিক গহীনতাখিনিৰ বাবে মুখফুটাই একো সুধা নাই। দুয়োজনীয়ে ধেমেলীয়া কথাৰে অনবৰতে হুলস্থুল লগাই থাকোঁ। হঠাতে মই এনেদৰে গহীন হৈ যোৱাত তাইও গম্ভীৰ হৈ পৰিছে। এদিন মোক খুব লাহেকৈ কৈছিল 'তুমি বাৰু যোৱা কালি ৰাতি কি সপোন দেখিছিলা? টোপনিত উচুপি উচুপি কাৰোবাক কৈ আছা— 'মোক বেয়া নাপাবা, মোক........ ক্ৰমে অস্পষ্ট হৈ অহা কথাবোৰ শেষৰখিনি ধৰিব নোৱাৰিলোঁ।

মই একো উত্তৰ নিদিয়াত তাই আঁতৰি গৈছিল। বাকীবোৰে মোক জোকাবলৈ আৰম্ভ কৰিছে- প্ৰেমত পৰিছো বুলি। এটা ম্লান হাঁহিৰ বাদে মই সিহঁতবে'ৰকো প্ৰতিবাদ কৰা নাই। চেইনডালৰ চেঁচা সপৰ্শটো মোৰ এডাল অজগৰ সাপৰ দৰে লাগিল। সাপদালে মোৰ ডিঙিটো এনেদৰে চেপি ধৰিছে— মোৰ উশাহ বন্ধ হৈ গৈছে ক্ৰমশঃ........।

প্ৰতিদিনে কলেজলৈ গৈ সেই কৰুণ চকুহালৰ গৰাকী ল'ৰাটোক বিছাৰি চলাথ কৰিছোঁ। তাৰ দেখা-দেখিয়েই নাই। মোৰ বাবেই বেচেৰাই ইমানবোৰ লাজ, অপমান, দুখ পাব লগা হ'ল। এক দুঃখবোধে মোৰ মনত বেয়াকৈ থিতাপি লৈছে। হয় কিজানি-দুঃখবোধো এক প্ৰকাৰৰ গোপন অসুখ। ল'ৰাটোৰ সতে দুআষাৰ কথা পাতিব পাৰিলেই মই এই অসুখৰ

পৰা আৰোগ্য হ'ব পাৰিম। হঠাৎ তৰংগৰ মুখে খবৰ পালো কালি ল'ৰাটোৰ মাক ঢুকাল'। শিল পৰা কপৌৰদৰে মই থৰ হৈ পৰিলোঁ। বুকুত অহা-যোৱা কৰি থকা বিষটো উকমুকাই উঠিল। দুচকুৰে সুৰসৰাই চকুপানী বোৱ বাগৰি থাকিল। গায়ত্ৰী আৰু হিমাদ্ৰীয়ে মোক শান্ত্বনা দিয়'ৰ বৃথা চেষ্টা কৰিলে। মোৰ উচুপনিটো বাঢ়ি গৈ থাকিলে সিহঁত দুজনীৰ উৎকণ্ঠাৰ সমানুপাতকভাৱে। হিৰণ্য, বিজু, মঞ্জুহঁতে বেঢ়ি ধৰি মোক ইটো-সিটো সুধিলে মই নকলো একোকে।

বানপানীয়ে ঢকুৱাখনাৰ সকলোবোৰ ঠাই বুৰাই পেলোৱাৰ বাবে কৰ্তত হাজাৰ জন গৃহহীন হোৱা লোকে আশ্ৰয় লৈছে। অস্বাস্থ্যকৰ পৰিবেশ খাদ্যবস্তু খোৱাপানীৰ অভাৱত মানুহবোৰৰ বিলাই বিপত্তিৰ সীমা নোহোৱা হৈছে। দিনে কিমানজন বেমাৰত পৰিছে, কিমান জনৰ মৃত্যু হৈছে,.........তাৰ হিচাপ নাই। কৰ্তত আশ্ৰয় লোৱা সকলো এক প্ৰকাৰ গৰালত থকাৰ দৰেই আছে। একেটা কোঠাতে হাঁহ, কুকুৰা, গৰু, ছাগলী, গাহৰিৰে সৈতে এক দুৰ্গন্ধময় পৰিবেশ। জীৱনৰ সকলো মায়া, মোহ, জলাঞ্জলি দি মাথো জীয়াই থাকিবলৈকে মানুহে যুঁজ দিছে সমস্যাৰ লগত হায়! জীৱনৰ মোহ! ! কৰ্তত আশ্ৰয় লোৱা এই মানুহবোৰৰ দুৰৱস্থা চাবলৈ বাবলী আৰু মামুনৰ লগত আহি থাকোতেই পুনৰ এক বিৰদি হুলুস্থুল শুনিলো কৰ্টফিল্ডত। দৌৰাদৌৰিকৈ ওচৰ পাই দেখো বিৰাট বাট নোপোৱা এটা মানুহৰ জুম ঘূৰণীয়া আকৃতিৰে। কনাকনি কৰি গম পালো এজনী পোন্ধৰ বছৰীয়া ছোৱালীয়ে তিনিমহলাৰ ওপৰৰ পৰা জাপ দি আত্মহত্যা কৰিছে। ঠেলিহেচি মৃতদেহটোৰ ওচৰ চাপিলো। ছোৱালীজনী খুব ধুনীয়া আছিল। দীঘল চুলিকোচা আউলি-বাউলি হৈ দেহজুৰি পৰি আছে। কাষত কুচি-মুচি বহি থকা ল'ৰাটোলৈ চকু যোৱাত আচৰিত হলোঁ। মই ইমানদিনে বিছাৰি ফুৰা ল'ৰাটো এইটো : এইজনী তেন্তে তাৰ ভনীয়েক আছিল.........! কিন্তু তাই আত্মহত্যা কৰিলে কিয় ! ! ইমান সময়ে সি কন্দা নাছিল। ভনীয়েকৰ নিস্তেজ মুখখনলৈ চাই অবাক হৈ পৰিছিল। চ'ক খাইছে হয়তো। মোক চিনিব পাৰি সি এটা বিকট চিঞঁৰ মাৰি অজ্ঞান হৈ পৰিল। তৎক্ষণাত মানুহ জাকৰ মাজত হুৰাদুৰা লাগিল। ইতিমধ্যে পুলিচ আহি পাইছিল। পোষ্টমৰ্টেমৰ বাবে মৃতদেহটো গাড়ীত উঠাই ল'লে। ল'ৰাটোৰ অজ্ঞান দেহটোৰ স'তে ময়ো উঠি ললো। গাড়ীয়ে গতি লোৱাৰ পাছতহে ভাৱিলো ঘটনাৰ আকস্মিকতাৰ কথা। বাবলী আৰু মামুনক ক'ত এৰি আহিলোঁ একো মনত নাই।

বহুসময় পৰিচৰ্য্যাৰ পাছত ল'ৰাটোৱে জ্ঞান ঘুৰাই পালে। বেডৰ কাষত মোক থকা দেখি হুকহুকাই কান্দি পেলালে। তাৰ মূৰত আলফুলে হাত বুলাই দিয়াৰ বাদে শান্ত্বনা দিয়াৰ একো ভাষাই বিছাৰি নাপালো। কেতিয়াবা কেৱল স্পৰ্শই হয়তো ভাষা প্ৰকাশৰ মাধ্যম হৈ পৰে। এজন ডাক্তৰে মোক বিচৰাত ওলাই গ'লো— তুমি পেচেণ্টৰ কি হোৱা? বাইদেৱেক হওঁ। এটা চুটি উত্তৰ দিয়াৰ বাদে কি কম একো ভাৰি নাপালো। এটা ৰিপোৰ্ট আছিল'— মোৰ ফালে আগবঢ়াই দিয়া ৰিপোৰ্টটো পঢ়ি

পুনৰ মই থৰ লাগিলো। আচৰিত ...... ছোৱালীজনীৰ গৰ্ভত দুমহীয়া ভ্ৰূণ। এই নিৰীহ ছোৱালীজনী অসহায়তাৰ সুযোগ লৈ এইদৰে ছেতালি খেলিলে? আশ্চৰ্য্য, ... দুখৰ অতিশয্যাত মই হৈ পৰিলোঁ। ৰিপোৰ্টটো বেগৰ ভিতৰত ভৰাই ল'ৰাটোৰ আগবাঢ়িলোঁ। ভনীয়েকৰ মৃত্যু তা'ৰ বাবে ৰহস্য হৈয়েই থাকক। জঘন্যৰূপৰ ভনীয়েকৰ মৃত্যু সংবাদ সি কেতিয়াও সহজে লব যিটো অশ্ৰুতিকৰ, নিৰ্মম— সেই ঘটনা ৰহস্য হৈয়েই থাকক। ল'ৰাটো তেতিয়াও কান্দি আছে। সি কান্দক। কান্দি, কান্দি মনৰ সকলো বোজা অলপ হ'লেও পাতলাব পাৰি। এটা সময়ত সি শান্ত হ'ল। মুহূৰ্তত তাক কি সোধা উচিত ভাবি নাপালোঁ। নীৰৱতা ভংগ কৰি জেপৰ পৰা চিঠি এখন উলিয়াই মোলৈ আগবঢ়াই দিলে। মোক হেনো কেইবাদিন ধৰি বিচাৰি ফুৰিছে। বহুত উৎকণ্ঠা লৈ চিঠিখন ললো—

"বাইদেউ,

চিঠখন লিখিবলৈ লৈছোঁ যদিও এক সংকোচবোধে মোক দিব খুজিছে। সেয়ে শ্ৰদ্ধা কিম্বা মৰম আদিৰে সম্বোধন কৰিব নোৱাৰিলো ভাব হয়— চোৰৰ অনুভব, অনুভূতিবোৰতো পাপৰ চেকা সনা কিজানি আজি মই সিদিনা ঘটনাটোৰ সঁচা স্বীকাৰোক্তি দিম। দোষী— নিৰ্দোষী বিচাৰ কৰাৰ ভাৰ আপোনাৰ হাতত।

এসাজৰ পৰা সিসাজলৈ যাৰ চিন্তা তেনে এটা দুখীয়া পৰিয়ালৰ ল'ৰা মই। দেউতাৰ দিন-হাজিৰা কৰা টকাৰে পেটেভাতে খাই মেট্ৰিকটো পাছ কৰিলোঁ : কিন্তু নিয়তিৰ পৰিহাস.........! অত্যাধিক মদ্যপানৰ হেতু তিনিমাহ আগতে দেউতা ঢুকাল। দেউতা ঢুকোৱাৰ ধৰি মাৰ স্বাস্থ্যও বেয়া হৈ আহিল। মাটিৰ কাজিয়া কৰি ককাইদেউ বছৰৰ বাবে জেলত আছে। ককাইদেউৰ চিন্তা আৰু সংসাৰৰ চিন্তাই মাক জুৰুলা কৰি পেলালে। এদিন ডাক্তৰে ক'লে মাৰো টি.বি. হৈছে। ভনীজনী আৰু মোৰ অৱস্থা পানীত হাঁহ নচৰা হ'ল। একো নোখোৱাকৈয়ে সিদিনা কলেজলৈ আহিছিলো। হঠাৎ ফিল্ডত সোনৰ চেইনডাল পৰি থকা দেখি বুটলি ললোঁ। কোনো চিনাকি নাই বাবে জেপত ভৰাই ক্লাছত সোমালো : কিন্তু.............! সিদিনা ক্লাছত মোৰ অলপো মন নবহিল। চেইনডাল জেপতলৈ ক্ৰমাৎ মই ঘৰৰ চিন্তাত ডুব গলোঁ। ভাবিলো, চেইনডাল এতিয়াই ঘূৰাই নিদি বন্ধকীত থৈ মোৰ মাৰ চিকিৎসা কৰিম। মা ভাল হৈ উঠিলে, ময়ো ইটো-সিটো কিৰি দুপইচা গোটাই চেইনডাল মোকলাই আনি গৰাকীক ঘূৰাই দিম। সেই মূহুৰ্তত মোৰ ভাৱ হৈছিল ধনীমানুহৰ বিলাস সামগ্ৰী স্বৰূপ অকণমান হেৰোৱা সোনৰ বিনিময়ত যদি মৃত্যুৰ সতে যুজঁ-বাগৰ চলাই থকা মোৰ দুখনী মাই জীৱন ঘূৰাই পায়- সেই চুৰিত মোৰ পাপ নহয়। পাপৰ সংজ্ঞা লোভত। এক নতুন আশাই মোৰ মনত ভুমুকি মাৰিছিল। চেইনডাল পুনৰ হাতলৈ আনি লিৰিকি-বিদাৰি চাওঁতেই দা দা কেইজনমানে মোক দেখা পাই চেইনডাল

বিষয়ে সুধিলে। মই সচাঁ কথাকে ক'লো। তাৰপাছত..........সিহঁতে মোক ইমান মাৰিলে! মোৰ দুয়োখন হাত মোচৰি দিয়াৰ বাবে আজিও বিষাই আছে। আচলতে আমাৰ ঘৰলৈ আশ্ৰয় কৰাত মোৰ পাপ হৈছিল। তাৰ উচিত শাস্তি মই পালোঁ।

বহুত লিখি পেলালোঁ। মোৰ ভুলবোৰ আপুনি ক্ষমা নকৰিবনে???

ইতিত

'বকুল'

সুদীৰ্ঘ চিঠিখন পঢ়ি থাকোতে মই নিজৰ অজ্ঞাতেই কান্দি পেলাইছো। বকুলে নিস্পলক নেত্ৰে মোৰ মুখলৈ চাই আছে। এই মুহূৰ্তত মোৰ এনে লাগিছে— বকুল যেন আজন্ম চিনাকি। মই সুধি পেলালো— "বকুল আমাৰ ঘৰলৈ যাবা? একেবাৰে? আজিৰ পৰা তুমি মোৰ সহোদৰ ভাইটি হ'বা। তোমাৰ বাবে এডাল সোণৰ চেইন কিয় হাজাৰ ডালৰ মূল্য মই বহন কৰিম। তুমি পঢ়ি শুনি সঁচা মানুহ হ'ব লাগিব। মোক নিজৰ বাইদেউৰ দৰে মাতিব পাৰিবা?" কেইমুহূৰ্তমান বৈ বকুলে চকুপানীবোৰ মোহাৰি ল'লে। খিৰিকিৰে দুই-এজাক পাতল ফিৰফিৰিয়া বতাহ আহি মোৰ বগা দুপা ট্ৰাখনৰ এটা আগ উৰুৱাই বকুলৰ মুখখন ঢাকি ধৰিলে। মই বকুলক আশ্ৰয় দিম মোৰ আঁচলৰ আঁৰত। মনটো পাতল পাতল লাগিল।

বাৰন্দাত, দুৱাৰ মুখত ইতিমধ্যে আমাৰ অজ্ঞাতে বহুতো মানুহ গোট খাইছে। ডাক্তৰ, নাৰ্চ, বাবলী আৰু মামুনৰ লগতে কটত দেখি অহা দুই এখন চিনাকি মুখ। সকলোৰে দৃষ্টি আমাৰ ফালে। ভিৰ ঠেলি ওলাই আহি মই মুকলি আকাশৰ তলত বৈ এচাটি সজীৱ বতাহৰ অপেক্ষাত ৰ'লো। গোটেই ঘটনাবোৰ আদিৰ পৰা মনলৈ আনিলো। একেলগে ইমানবোৰ সংঘাট মানুহৰ জীৱনলৈ কেনেদৰে আহিব পাৰে! বকুল নিশ্চয় এইবাৰ কঠোৰ হ'ব। উপৰ্য্যুপৰি সংঘাটবোৰে তাৰ জীৱনলৈ এক নতুন তৰংগ নানিবনে.......!! এজাক উমাল বতাহে মোক চুই গ'ল। আকাশখন বেছি নীলা হৈ পৰিছে। সেই নীলাৰ মাজত মই বিছাৰি পালো বকুলক মানুহ হিচাপে জীয়াই তোলাৰ সাহস। মই বকুলক আশ্ৰয় দিম! আশ্ৰয়!! সাহস, প্ৰেৰণা, উৎসাহ আৰু মৰমৰ অভেদ্য আশ্ৰয়.........!!!

*A short story can deal with any subject under the sun, from the death of a horse to a young girl's first love-affair, from the blossoming of a flower to a great cataclysm*

– H. E. Bates.

# উদ্গীৰণ

শ্ৰী নিৰ্মল [illegible]
[illegible] ৩য় বৰ্ষ (কলা)

"মা, চাহ আনা আৰু'।" পুতেক অম্লানৰ কথাত ফুলমনিয়ে একো নামাতিলে। গৰম কেৰাহীখনত ৰুটিতো লুটিয়াই দিলে। খিৰিকিখনেদি পুৰাৰ পাতল ৰ'দডাক আহি মজিয়াত আচাৰ খাই পৰিছেহি। দূৰৰ পথাৰখন পাতল কুঁৱলীৰে আবৃত। তগৰ ফুলজোপাৰ পাতবোৰত এতিয়াও এটোপ-দুটোপ নিয়ৰে চিকমিকাই আছে। খোৱাৰ মেজত ল'ৰা -ছোৱালী দুটাই বাপেকৰ সৈতে চাহ খাবলৈ বাট চাই আছে। ফুলমণি একান্তমনে নিজৰ [illegible]ত ব্যস্ত। পুৱাৰ পৰা ৰাতিলৈকে ফুলমণিৰ কামৰ অন্ত নাই। কাম [illegible] কাম। তাৰ বাবে ফুলমণিৰ কোনো আক্ষেপো নাই। ঘৰৰ কাম-বন কৰিবৰ বাবেই গিৰীয়েক প্ৰতাপে আনিছিল তৰালিক। গাঁৱৰ ছোৱালী তৰালি অতি কম দিনৰ ভিতৰতে প্ৰতাপ বৰুৱাৰ হাউলীৰ অতি প্ৰয়োজনীয় অংগ হৈ পৰিছিল। কিন্তু সেইজনী তৰালিকো ঘৰৰ পৰা আঁতৰাই পঠাবলৈ এদিন ফুলমণি বাধ্য হৈছিল। স্বামী, পুত্ৰ-কন্যাৰ সান্নিধ্যটো অকলশৰীয়া ফুলমনি ঘৰুৱা কামত ব্যস্ত হৈ থাকিব খুজিলে। নিসংগতাৰ বেদনাবোৰ পাহৰিবৰ বাবেই ফুলমনিয়ে পুৱাৰ পৰা নিশালৈকে কেৱল কামকেই কৰি যায়। যেন মানৱীয় আবেগ অনুভূতিহীন এটা যন্ত্ৰ।

কামৰ মাজতে অকণমান আজৰি পালেই ফুলমনি বুৰ যায় অতীতৰ মাজত। মন উৰা মাৰে ল'ৰালিৰ সেই নদীকাষৰীয়া গাঁওখনলৈ। লগৰীয়াৰ সৈতে খেলা সেই ধূলিয়ৰী ৰাস্তাটোলৈ। দেবুৰ সৈতে শেলুক বিচাৰি ফুৰা সেই পথাৰখনলৈ। চিনেমাৰ ৰিলৰ দৰে ক্ৰমে শৈশৱ, কৈশোৰ, যৌৱনে পাৰ হৈ যায় তাইৰ মনৰ দিগন্ত। আহিনৰ চেঁচা ৰাতিপুৱাবোৰত তাই, মাকন, মিণ্টুহঁত দৌৰ মাৰিছিল জেতুকী মাহীৰ চোতালৰ আগৰ শেৱালী জোপাৰ তললৈ। বেৰৰ জলঙাৰে পোহৰ হৈছেনে নাই চাই চাই উৎকৰ্ণ হৈ তাই অপেক্ষা কৰিছিল মাকণহঁতৰ সংকেতলৈ। এপাহ-দুপাহকৈ দুবৰিৰ ফাকে ফাকে ফুলবোৰ সৰি তাইৰ ফুটফুটীয়া ফ্ৰকটোৰ দৰেই হৈ পৰিছিল জেতুকী মাহীৰ চোতাল। কি মধুৰ আছিল ফলমূল বিচাৰি পিতপিতাই ফুৰা শৈশৱৰ সেই দিনবোৰ! চোতালৰ ধূলিত কপৌ চৰাইৰ খোজে তুলি যোৱা ফুলবোৰ চাই আপোনপাহৰা হোৱা দিনবোৰ...।

ফুলমনি সৰুৰেপৰাই চোকা বুদ্ধিৰ আছিল। ভুৱন ছাৰে তাইক অসম্ভৱ মৰম কৰিছিল। সকলোৰে খঙাল বুলি কোৱা "ভুৱন ছাৰ"ৰ কোমল অন্তৰখন দেখি তাই আচৰিত হৈ যায়। সকলোৰে আশীৰ্বাদ শিৰত লৈ ফুলমনিয়ে এদিন গাঁৱৰ স্কুল এৰি চহৰৰ স্কুলত নাম লগাইছিল। তাই লাহে লাহে ডাঙৰ হৈছিল। দেবুৰ দৃষ্টিয়ে যেন তাইৰ কলিজাত আঁকি দিছিল কপৌচৰাইৰ খোজবোৰ..........। ল'ৰালিৰ খেলৰ লগৰীয়া দেবুলৈ চাবলৈ তাইৰ লাজ লাজ লাগিছিল। তাইৰ মেট্ৰিক পৰীক্ষা ওচৰ চাপি আহিছিল। সেই সময়তে [illegible] প্ৰতাপ বৰুৱা উপস্থিত হয়। ফুলমনিৰ দৰিদ্ৰ দেউতাকৰ ওচৰত [illegible] চাকৰিয়াল প্ৰতাপক পাই ফুলমনিৰ দেউতাকে সকাহ পালে। পৰিস্থিতিৰ ওচৰত হাৰমানি পঢ়াৰ প্ৰবল ইচ্ছা ত্যাগ কৰি ফুলমনি হ'লগৈ প্ৰতাপ বৰুৱাৰ পত্নী। ধূলিয়ৰী চোতালত ক্ৰমে ক্ৰমে অস্পষ্ট হৈ পৰিল সেই কপৌচৰাইৰ খোজবোৰ..........।

বৈবাহিক জীৱনৰ আৰম্ভণিতে সুখী আছিল ফুলমনি আৰু প্ৰতাপ। যুগ্মজীৱনৰ সাক্ষীস্বৰূপে সিহঁতৰ মাজলৈ আহিছিল ক্ৰমে অম্লান আৰু পিংকি। সিহঁতক লৈ ব্যস্ত হৈ পৰিছিল ফুলমনি। কণমানি শিশু দুটিৰ হাঁহি, কান্দোন আৰু আনন্দই ভৰাই তুলিছিল সিহঁতৰ মন, ভৰাই তুলিছিল ঘৰ, .......সিহঁতৰ জীৱন এই আনন্দময় জগতক নেওচি প্ৰতাপ বৰুৱাই খোজ দিছিল এখন অন্ধকাৰ, দুৰ্গন্ধময় জগতত। দুৰ্নীতিৰ জৰিয়তে উপাৰ্জন কৰিবলৈ আৰম্ভ কৰিলে অপৰ্যাপ্ত ধন। ফুলমনিৰ বাধালৈও মনদিয়াৰ সময় নাছিল প্ৰতাপৰ। মহাব্যস্ত হৈ পৰা প্ৰতাপক লাগে কেৱল টকা আৰু টকা। এসময়ৰ এটা সৰু ঘৰৰ ঠাইত থিয় হ'ল আজিৰ এই প্ৰকাণ্ড অট্টালিকাটো। ফুলমনিয়ে নিজৰ ভিতৰতে আত্মগোপন কৰিছিল। অপৰ্যাপ্ত ধনৰ কবলত বেপেৰোৱা হৈ পৰিছিল সিহঁতৰ মন। তথাকথিত 'কালচাৰ্ড' মানুহ প্ৰতাপ বৰুৱাৰ দৰেই গঢ় ললে দুই সন্তানে। ফুলমনিয়ে কেতিয়াবা ভাবে- ইহঁতে বাৰু মুকলি আকাশৰ তলত থিয় হৈ অনুভৱ কৰিব পাৰিবনে প্ৰকৃতিৰ অন্তহীন বিশালতা! অকৃত্ৰিম মহানতা! ফুলমনিয়ে নিৰ্বিকাৰ হৈ সকলো সহ্য কৰি যাবলৈ যত্ন কৰিছিল। পুতেক, বাপেক আৰু জীয়েকৰ কাৰ্য্যই বোবা কৰি পেলাইছিল তাইক। চৰিত্ৰহীন অম্লানৰ বাবেই তৰালিয়ে আত্মহত্যা কৰিছিল। তেতিয়া তৰালি অন্তঃসত্বা আছিল। তাইক ঘৰলৈ পঠাই দিওতে ফুলমনিয়ে কথাটো জনা নাছিল। ফুলমনিয়ে আঘাট পাব বুলিয়েই হয়তো তৰালিয়ে এই জঘন্য সত্যটো গোপন কৰিয়েই ৰাখি থৈছিল।

[illegible] আইতা এইয়া মাছ। নৰেনৰ মাতত ফুলমনিৰ চিন্তাৰ যতি পৰিল। নৰেনে মাছটো চৰিয়া এটাতে থলে। চিকমিকাই থকা ৰাকলিৰে এটা বৌ মাছ। বেত এডোখৰে কাণ আৰু মুখ চিলাই থোৱা এটা ধুনীয়া বৌ মাছ। পুৱাই মাছ বিচাৰি ওলাই যোৱা ১০/১২ বছৰীয়া নৰেনৰ গালত অম্লানৰ আঙুলিৰ স্পষ্ট চাপ। ডকাইটি কৰি জেলত সোমোৱা অম্লানে মিঠাই চুৰ কৰি খোৱাৰ বাবে নৰেনক দিয়া শাস্তিৰ নমুনা এইয়া। ফুলমনিয়ে চাহৰ কাপ-প্লেটবোৰ ট্ৰে এখনত নি টেবুলত থলেগৈ। চাহখোৱাৰ পাছত ফুলমনিৰ লৰালৰিকৈ ভাত বঢ়াবৰ হয়েই। পিংকি কলেজলৈ যায়, অম্লান

বায় চিনেমা চাবলৈ বা কাৰোবাৰ লগত আড্ডা মাৰিবলৈ। প্ৰতাপ অৱশ্যে তেনেকৈ ওলাই নাযায়। দুৰ্নীতিৰ অভিযোগত চাকৰিৰ পৰা নিলম্বিত হোৱা লম্বা-ডোঙৰীয়াজনে [illegible] কিবা এটা কৰৰ বাবে কুটুৰি আছে। কালি ভাতখোৱাৰ সময়ত প্ৰতাপে পুতেকক পুৱাৰ চাহৰ টেবুলত এটা সুখবৰ দিম বুলি কথা দিছিল। ফুলমনিয়ে মনে মনে ঈশ্বৰক প্ৰাৰ্থনা কৰিলে। —সেই সুখবৰটো যেন প্ৰতাপ বৰুৱাই চাকৰিত মকৰল পোৱাৰ খবৰটো নহয়। প্ৰতাপ বৰুৱাই তেওঁৰ জেপৰপৰা এখন ভাজ কৰা কাগজ উলিয়াই সকলোৰে কৌতূহলপূৰ্ণ চকুবোৰৰ আগত মেলি ধৰি ঘোষণা কৰিলে, আমাৰ অম্লান আজিৰপৰা 'মাষ্টৰ'। এইখন হ'ল তোমাৰ নিয়োগপত্ৰ।


ফুলমনিয়ে তৎক্ষণাৎ সকলো বুজি পালে। চৰকাৰী বিষয়া অভিজিৎ দত্তক কিয় প্ৰতাপ বৰুৱাই ৰাতি বাৰ বজালৈকে নিজৰ ঘৰত মদ খুৱায়। ড্ৰাইভাৰ মোহন থকা স্বত্বেও কিয় পিংকিয়ে দত্তক গাড়ী চলাই ঘৰত থৈ আহে। ফুলমনিয়ে অনুভৱ কৰিলে প্ৰতাপ বৰুৱাৰ দুৰ্নীতিৰ জালত তাই যেন এটা বন্দী মাছ। ছটফটাই আছে কিন্তু বাচিবৰ কোনো উপায় নাই। তাইৰ চকুৰ আগত ভাঁহি উঠিল এজাক দেৱশিশু.......তাই, দেবু, মামনি, মিণ্টু......। সন্মুখত ভুৱন চাৱ। মৰমীয়াল ভুৱন চাৱৰ অৱয়ৱ ক্ৰমে পৰিৱৰ্তন হৈ যেন এটা প্ৰকাণ্ড দৈতাত পৰিণত হৈছে। দৈতাটোৰ ভয়ংকৰ মুখখন মিলি গৈছে অম্লানৰ মুখাৱয়ৱত। 'অম্লান'! ডকাইত, ধৰ্ষনকাৰী অম্লান! সি তাৰ প্ৰকাণ্ড মুখখন মেলি সিহঁতক গিলি পোলোৱাৰ উপক্ৰম কৰিছে। ফুলমনিয়ে প্ৰাণৰ ভয়ত কাতৰে চিঞৰি উঠিল....। অম্লানে জোটাই জোটাই পঢ়ি থকা তাৰ চাকৰিৰ নিয়োগপত্ৰখন থাপমাৰি লৈ পাকঘৰৰ চৌকাত সুমোৱাই দিলে। কোনেও একো তৰ্কিবই নোৱাৰিলে। ফুলমনিৰ ৰণচণ্ডী মূৰ্তি দেখি সকলো থৰ হৈ গ'ল। জুইৰ লেলিহান শিখাই নিয়োগপত্ৰ খন ইতিমধ্যেই ছাঁই কৰি পেলালে। অতদিনে চূড়ান্ত লাঞ্চনা-গঞ্জনা সহ্য কৰিও নিমাত হৈ থকা ফুলমনিৰ চকুকেইটা তেতিয়া দপদপকৈ জ্বলি উঠিল।.........টিক্ টিক্কৈ ৰঙা এটা ৰক্তপিণ্ডৰ দৰেই.........!!

*'মানুহজনে সুধিলে,— তুমি ভূত বিশ্বাস কৰানে?*

*নকৰোঁ। — মই উত্তৰ দিলোঁ।*

*লগে লগে মানুহজন অদৃশ্য হৈ গ'ল।'*

বিশ্বৰ শ্ৰেষ্ঠতম চুটি গল্পটো



# অবৈধৰ পৰিণতি



শ্ৰীজিতেন কুমাৰ শইকীয়
স্নাতক ৩য় বৰ্ষ (কলা

কড়া নদীৰ ভিতৰত এটা দ ডুবি হ'ল খিলাকটি ডুবি। তাৰ গভীৰতা ১৭/১৮ হাতৰ কম নহয়। সেই ডুবিটোৰ পৰা আধাকিলোমিটাৰমান দূৰত পুথিখাটী গাঁও। মৎস্য ব্যৱসায়ী পুথিখাটী গাঁও। নদীত মাছ ধৰি খিলাকটি ডুবিৰ কাষত থকা খিলাকটি ঘাটত নাওবোৰ বান্ধি ৰাখে। সেই ডুবি আৰু ঘাটৰ এক প্ৰাচীন ইতিহাস আছে। আজো ককাইতৰ দিনত বোলে কুমাৰবোৰে মাটিৰ কলহ সেই ঘাটটোৰ ওচৰত নাও বান্ধি গাঁৱৰ মানুহৰ লগত ধানৰ বিনিময়ত বিক্ৰী কৰিছিল। ভঙা কলহৰ খিলাকটিবোৰ সেই ঠাইতে পৰি থাকি যায়। বহুদিন এনেদৰে খিলাকটি পৰি পৰি ঠাই ডোখৰ খিলাকটি পূৰ্ণ হ'ল। সেই ডুবিটোত জাল মাৰিলে জালৰ টোন খিলাকটিৰে ভৰি আহে। সেয়েহে বোলে আজোককাইতে ডুবিটোৰ নাম থলে খিলাকটি ডুবি। পুথি খাটী, গবৈমাৰী, বাটমাৰী, ঢাপলিয়াল আদি গাঁৱৰ জীয়ৰী-বোৱাৰীবোৰে সেই ঘাটৰ পৰাই পিতলৰ কলহত পানী নিয়ে।

ফাগুন মাহ। শীতৰ প্ৰকোপ তেতিয়াও কমা নাই। বাহিৰলৈ ওলালে ঠেটুৰাই ধৰে। পুথিখাটী গাঁৱৰ মানুহৰ বাবে কিন্তু ঠাণ্ডা নাই। সঞ্জীৱনী (চুলাই) অকণমান ধৰি লৈ ওৰে ৰাতি মাছ ধৰে, পিছদিনা বিক্ৰী কৰি তাৰে প্ৰয়োজনীয় বস্তুখিনি গোটাই লয়। সাচন-সামৰণ তেওঁলোকৰ নাই। আজি পালে, আজিয়েই শেষ।

পেটৰ অসুখ হোৱাৰ বাবে গগণ দাস মাছ মাৰিবলৈ সিদিনা নগ'ল। সি নৈৰ ঘাটৰ ওচৰত বিৰিণা-খাগৰিৰে সাজি লোৱা অস্থায়ী জুপুৰি এটাত শুই আছে। লগৰবোৰ মাছ ধৰি নহালৈ সি তাতে থাকিব। তেতিয়া ৰাতি সম্ভৱ বাৰমান বাজিছে। গগণৰ শৌচ কৰিব লগাত জুপুৰিটোৰপৰা ওলাই আহিছেহে মাত্ৰ, জোনৰ পোহৰত বগা কাপোৰ পিন্ধা মাইকী মানুহ এজনী ঘাটৰ ফালে আগবাঢ়ি অহা দেখা পালে। তাৰ বুকুখন কঁপি উঠিল। এইকেইদিন মানুহৰ মুখত এনেয়ে ভূতৰ কথা ওলাই আছে, তাতে আজি শনিবাৰ। সি ভয়তে জ্বৰ ঘমাদি ঘামিছিল। অলপ সময় সি মানুহজনীৰ ফালে চাই ৰ'ল। মানুহজনী গৈ গৈ নৈৰ ঘাটৰ ওচৰত ৰ'ল। কড়ালৈ চাই তাই আপোনা-আপুনি ক'লে—

'কড়া, অবৈধৰ পৰিণতি তুমি নিশ্চয় জানা। আজি তপনে মোৰ সতীত্ব নাশ কৰি আঁতৰি গ'ল। মা-দেউতা, বংশ-পৰিয়ালে নিশ্চয় মোক গ্ৰহণ নকৰে। সমাজৰ আগত বা মই মুখ দেখুৱাম কেনেকৈ। তুমিতো বহু ডেকা-গাভৰুক আপোন কৰি লৈছা। মোকো লবা। তোমাৰ আঁৰতে মই লুকাই থাকিম চিৰদিন,যিদিনালৈকে তুমি বৈ থাকা।' গগনে দেখিলে মানুহজনী লাহে লাহে হালি পৰি গ'ল। কাণ্ড দেখি সি ভয়তে কি কৰো কি নকৰো কৰি দামুৰী পোৱালীৰ দৰে গাঁৱৰফালে চেকুৰ মাৰিলে। মুখত তাৰ অস্ফুট স্বৰ 'ৰাম, ৰাম'। প্ৰথমে সি কুসুম দেদাইক মাত লগালে- 'দেদাই, অ দেদাই, উঠচোন, উঠ।' কেইবাবাৰো মতাৰ পিছতহে দাইটিৰ মাত ওলাল, 'কি হ'ল? এই কালৰাত্ৰি কিহে পালে তোক, চিঞৰি ফুৰিছে?'

'সাংঘাতিক কথা দেদাই। নৈৰ ঘাটত ক'ৰবাৰ পৰা মানুহ এজনী আহি অচেতন হৈ পৰি আছে। ভূত নে মানুহ মই হ'লৈ নাজানো। অচেতন হৈ পৰি থকা দেখি ভয়তে তোৰ ওচৰলৈ দৌৰি আহিলোঁ। দুজনমানক লৈ যাওঁ ব'লছোন!'

'সঁচানে? এই ৰাতিখন! ছেঃ ঠাণ্ডাও বেছি। ব'লছোন আৰু দুজনমানক জগাই লওঁ।'

ফটিক, সুখেশ্বৰ, তীখৰ, বেদেলা আদিকে ধৰি চাৰি পাচঁজন মা[...] মানুহ লৈ সিহঁত নৈৰ ঘাটৰ ফালে আগবাঢ়িল। গামোচাৰ আগত সৰিয়[...]


আৰু হাতত দা-কুঠাৰ লৈ যাবলৈ নোপাইছিলে। কাৰণ সিহঁতে জানে যে এইবোৰ হাতত থাকিলে ভূতে ভয় কৰে। গৈ গৈ তেওঁলোকনৈৰ ঘাট পালেগৈ। দূৰৰ পৰা তেওঁলোকে দেখিলে কিবা এটা ঘাটত পৰি থকা দেখিলে। প্ৰথম আগবাঢ়ি যোৱা মানুহটো নোলাল। সুখেশ্বৰ সিহঁতৰ মাজৰ আটাইতকৈ সাহিয়াল। হাতত জেঠি দা খন লৈ সি ঘাটৰ ফালে আগবাঢ়িল। পিছে পিছে আনকেইটাও ওচৰত গৈ দেখে যে অচেতন অৱস্থাত এজনী ছোৱালী পৰি আছে। মৃত নে জীৱিত প্ৰথমতে ধৰিবই নোৱাৰি, নাকৰ ওচৰত হাত দিছে গম পালে যে জীয়াই আছে। জোনৰ পোহৰত মুখখন চাই দেখা পালে যে সেইজনী সিহঁতৰ প্ৰতিবেশী গোপালপুৰ গাঁৱৰ সৰুকণ দত্তৰ ছোৱালী। কি কাৰণে ছোৱালীজনীৰ এনে অৱস্থা হ'ল বুলি আটাইকেইটাই জোৰা-কুই কৰিলে। ফটিকে ক'লে, 'ক'ৰবালৈ গৈছিল, কিহবাই পালে বুজিছ। অম্বেশ্বৰক (বেজ) মাতি আনিব লাগে। আমি বিমান পাৰি সোনকালে আমাৰ গাঁৱলৈকে তাইক লৈ যাওঁ ব'ল। অম্বেশ্বৰে জাৰি-ফুকি দিলে ভাল হ'ব।'

সকলোটিয়ে ধৰি ছোৱালীটিক পুথিখাটী গাঁৱলৈ লৈ গ'ল। তীখৰ আৰু তিলেশ্বৰ গ'ল অম্বেশ্বৰ বেজৰ ঘৰলৈ। ফটিক আৰু বেদেলা গ'ল সৰুকণৰ ঘৰলৈ। মাইকী মানুহবোৰে তাইক সেকা-পোটকা কৰিবলৈ ধৰিলে। কিছুসময়ৰ পিছত বেজ আহি পালেহি। সৰিয়হ তেল জাৰি ঘঁহি চালে আৰ ক'লে, 'ভূত নহয় বুজিছ। আন কিবা অপদেৱতা যেন পাইছো। তেওঁ চাই মেলি বিধান দিব।' শৰ্মাৰ ওচৰত মঙ্গল এখন চোৱাব লাগে। আহিয়েই জীয়েকৰ সৰুকণ আহি ইতিমধ্যে ঘটনাস্থলী পালেহি। কোনোমতে গাত 'তই কিয় এনেকুৱা হলি' বুলি পৰি যাব খুজিছিল। তাইৰ ধৰিছে তেওঁক ৰখালে। ছোৱালীজনীৰ নাম আছিল মীনাক্ষী। কিবা অজান ইতিমধ্যে চেতন আহিছিল। চকুমেলি তাই চাৰিওফলে চালে। সৰুকণে জীয়েকক আশঙ্কাত পুনৰ মুদি দিলে। চেতন অহাত বুজাই-বঢ়াই সৰুকণে জীয়েকক লৈ ঘৰাভিমুখে যাত্ৰা কৰিলে। তেতিয়া পূবে ধলফাট দিছিল।

পূবে ধলফাট দিলে, সূৰুযে ভুমুকি মাৰিলে। মীনাক্ষীৰ জীৱনৰ গোপন কাহিনীবোৰও সমাজত ওলাই পৰিলে। পকা কঁঠাল পাছীৰে ঢাকি ৰাখিব নোৱাৰি, যেনেকৈ আন্ধাৰৰ আঁঠুৱাৰে সূৰুযক ঢাকি ৰাখিব নোৱাৰি। মীনাক্ষী সৰুকণৰ ডাঙৰ ছোৱালী। পঢ়াত তাই বৰ বেয়া নহয়। মেট্ৰিক পৰীক্ষা দিবৰ সময়ত দেউতাকে ভাবিলে টিউচন এটা দিলে তাই নিশ্চয় ভাল ৰিজাল্ট কৰিব। সেয়েহে পৰিয়ালৰে তপনক টিউচন এটা কৰি দিবলৈ ক'লে। সিও না নকৰিলে। টিউচন আৰম্ভ হ'ল মীনাক্ষীহঁতৰ ঘৰত। দিনবোৰ গৈ আছে ক্ৰমশঃ। সিহঁত দুয়োৰে কথা-বতৰা আৰু চাৱনিবোৰো যেন বেলেগ হৈ গৈছে। এবাৰ যদি তপনে এটা শব্দ কয়, দুবাৰ চাই তাইৰ মুখলৈ। সেই অবুজ চাৱনিৰ মাজতে অংকুৰিত হ'ল প্ৰেমৰ বীজ। লাহে লাহে এনেকুৱা হ'ল যেন ইজনে-সিজনক নেদেখিলে থাকিব নোৱাৰে।

সিদিনা আছিল দেওবাৰ। দেউতাক ঘৰত নাছিল মীনাক্ষীৰ। মীনাক্ষীৰ মাক ব্যস্ত ৰন্ধা-বঢ়া কামত। তেনে এক নিৰ্জন মুহূৰ্তত তপনে অস্ফুটস্বৰে কৈ উঠিল, মই তোমাক ভাল পাওঁ মীনাক্ষী, বৰ ভাল পাওঁ। তাৰ পিছত সি তাইক সাৱটি ধৰি আঁকি দিছিল গালে-মুখে অজস্ৰ চুমা। সেই চুমাই তাইৰ কোমল গাভৰু দেহত তুলিলে শিহৰণৰ জোৱাৰ। সেইদিনাৰ পৰা সিহঁত দুয়োজনাই পাহৰি পেলাইছিল বৈধ-অবৈধৰ সম্বন্ধ আৰু শিক্ষক-ছাত্ৰীৰ সম্পৰ্ক। লাহে লাহে সিহঁতহাল ইমান ওচৰ চাপিল যে অবৈধভাৱে মিলন হ'বলৈ ধৰিলে। তাৰ পৰিণতি স্বৰূপে মীনাক্ষীয়ে গৰ্ভত ধাৰণ কৰিলে অবৈধ সন্তানৰ ভ্ৰূণ। পাশৱিক কামনাৰ অন্তত তপন আঁতৰি গ'ল মীনাক্ষীৰ ওচৰৰ পৰা। কিন্তু মীনাক্ষী যে ছোৱালী! তাই যাব ক'লৈ! উপায়ন্তৰ হৈ তাই বহুবাৰ তপনক বিচাৰিলে। কিন্তু সি আঁতৰি গৈছিল বহু দূৰলৈ। ফুলকুমলীয়া মীনাক্ষীৰ কথা সি এবাৰো নাভাবিলে। কাপোৰৰ আৱৰণেৰে যেতিয়া তাইৰ দেহৰ গোপনীয়তা ঢাকি ৰাখিব নোৱাৰা হ'ল তেতিয়া তাই বাছি ললে আত্মহত্যাৰ পথ। এনেদৰেই জুইত চগা পৰি মৃত্যু হয়। কিন্তু মীনাক্ষী মৰিব নোৱাৰিলে। হয়তো পেটত থকা নিষ্পাপ শিশুটিৰ বাবেই।

মীনাক্ষী অবৈধ সন্তানৰ মাতৃ। মাক দেউতাক, বংশ পৰিয়াল, বন্ধু-বান্ধৱী কোনেও নামাতে। নামাতি নামাতি তাই বোবা হৈ গৈছে। তাইৰ মিতিৰালি আন্ধাৰৰ সৈতে, পোহৰৰ সৈতে নহয়। তাইৰ চাৰিওফালে মাথো আন্ধাৰ। আজিকালি পোহৰলৈ তাই বৰ ভয় কৰে। তাই যেন আন্ধাৰৰ মাজত জ্বলি জ্বলি শেষ হৈ যোৱা এটা মমৰ টুকুৰা.......। তাই জীয়াই আছে মাথোঁ প্ৰায়শ্চিত্তৰ আশাত!!



# শৈল হৃদয়ৰ গান

শ্ৰীৰমেন কুমাৰ গগৈ
স্নাতক প্ৰথম বৰ্ষ (কলা)

[এক] প্ৰস্তাৱনা ঃ— পূৰবীবাৰ কথাৰে

কেইদিনমানৰ পৰা মই লক্ষ্য কৰিছোঁ স্বপ্নিলৰ যেন কিবা এটা হৈছে। সি যেন অশান্ত হৈ পৰিছে। সেই গল্প-কবিতা লিখা স্বপ্নিলে যেন গল্প-কবিতা লিখিবলৈ এৰি দিছে। অভিনয়ৰ মাজতে জীৱনৰ নিগূঢ় অৰ্থ বিচাৰি পোৱা স্বপ্নিল যেন কৰবাত হেৰাই গৈছে। সি যেন প্ৰয়োজনতকৈ ভাবুক হৈ পৰিছে।

এদিন স্বপ্নিলক তাৰ এই আকস্মিক পৰিবৰ্তনৰ কাৰণ সোধাত সি কলে- সিহঁতেনো হৃদয়হীনতাত ভুগিছে। তাৰহেনো অনুভূতিবোৰ জড় হৈ পৰিছে। সি অনৰ্গল কৈ গৈছিল। সি মোক সপোনৰ সংজ্ঞা সুধিছিল। ভালপোৱাৰ মৰ্ম বিশ্লেষণ কৰিবলৈ কৈছিল আৰু প্ৰেমৰ শাশ্বত অৰ্থ বিচাৰিছিল। তাৰ এই কথাবোৰ শুনি মোৰ ভাব হৈছিল তাৰ হয়তো জীৱনটোৰ প্ৰতি বিতৃষ্ণা উপজিছে; হয়তোবা সি জীৱন সংগ্ৰামত যুঁজি যুঁজি ভাগৰি পৰিছে; নহ'লেবা সি কাৰোবাৰ দ্বাৰা প্ৰতাৰিত হৈছে।

সি পুনৰ আৰম্ভ কৰিছিল— পূৰবী বা, তুমি হয়তো ভাবিব পাৰা এয়া প্ৰলাপ। আচলতে তেনে নহয়। জীৱনত পালো কি? সেই প্ৰশ্ন অবান্তৰ। মোৰ মানত ডাঙৰ কথা, মই এতিয়াও জীয়াই আছোঁ। কৈ কৈ সি বৈ গৈছিল। তাক আৰু কিবা সোধাৰ প্ৰয়োজনবোধ নকৰিলোঁ। সেইদিনা তাৰ পৰা মই বিদায় লৈছিলোঁ।

[দুই]

শীৰ্ষবিন্দু— আত্মকথা ১/

আজি ৰবিবাৰ। শাওণৰ আকাশত মেঘ। হয়তো শাওণী আকাশৰ কাজল মেঘৰ বৰষাই পৃথিৱীত যেন এক প্ৰলয়ৰ সৃষ্টি কৰিব। নৃত্যৰতা নদীবোৰ যেন দুগুণ উচ্ছ্বাসত উথলি উঠিব। এক অজান আশংকাত মোৰ মন কঁপি উঠিল। বুকুৰ কোণত যেন কিবা এটা বিষ অনুভূত হৈছে। মই যেন অশান্ত হৈ পৰিছোঁ। মোৰ অন্তৰৰ নিভৃত কোণত লুকাই থকা কথাবোৰ, হৃদয়ৰ অনুভূতিবোৰ চিএঞৰি চিএঞৰি যেন কাৰোবাক কৈ দিব। আপোন পাহৰা হৈ গৈ গৈ মই পূৰবীবাৰ কাষ পালোঁগৈ। গৈয়ে আৰম্ভ কৰি দিলোঁ।

'পূৰবীবা সেই দিনা যে তোমাক লগ পাইছিলো, তাৰ ঠিক দুদিন আগতে স্বপ্নালী মোৰ ওচৰলৈ আহিছিল। তোমালোকেতো জানা, স্বপ্নালী আৰু মোৰ মাজত সম্পৰ্কৰ কথা। সেইজনী স্বপ্নালীবাক মই প্ৰাণভৰি ভাল পাইছিলোঁ, যাৰ আন্তৰিকতাত জীয়াই থকাৰ প্ৰেৰণা পাইছিলোঁ; কবিতা লিখিছিলোঁ সেইজনী স্বপ্নালীয়েই মোৰ ওচৰলৈ আহিছিল। তোমালোকেতো জানা পূৰবীবা আমাৰ ভালপোৱাক লৈ কলেজ বন্ধু মহলত ভালকৈ গুণ-গুণনি উঠিছিল। তেতিয়া তাই মোক কি কৈছিল জানা— তাই কৈছিল 'তুমি এই বোৰলৈ ভয় নকৰিবা স্বপ্নিল। মই তোমাৰ কোলাত মূৰ থৈ পৃথিৱীখনক নতুনকৈ চাব বিচাৰোঁ। তোমাৰ সঁচা আন্তৰিকতাত মই জীয়াই থকাৰ প্ৰেৰণা পাইছো। সকলো স্বাৰ্থৰ উৰ্দ্ধত আমাৰ এই প্ৰেম, ভালপোৱা, বন্ধুত্ব। উদ্দেশ্য প্ৰনোদিত আজি-কালিৰ সস্তীয়া প্ৰেমৰ লগত আমাৰ প্ৰেমক তুলনা কৰি কলুষিত কৰিবলৈ নিবিচাৰিবা স্বপ্নিল। সেইজনী স্বপ্নালীয়েই মোৰ ওচৰলৈ আহিছিল নতুন এটা ৰূপত।'

আত্মকথা-২

আহিয়েই তাই মোৰ ওচৰত প্ৰতিশ্ৰুতি বিচাৰিছিল। তাইৰ জীৱনৰ নিৰাপত্তাৰ প্ৰতিশ্ৰুতি। দেউতাকে তাইক বিয়া দিব খোজা ডাক্তৰজনৰ লগত তাই হেনো জীৱনতো বিষময় হ'বলৈ দিব নোৱাৰে। ডাক্তৰজনৰ

ওচৰত তাই মন [illegible] জীৱনৰ এই সকলোবোৰ পাব; বিৰিনি তাই [illegible] কিন্তু তাইক দেখো এনে হৃদয়, এটা শিল্পীসুলভ মন [illegible] বিচাৰে।

স্বপ্নালীক মোৰ [illegible] তাইৰ শিল্পীসুলভ মনতো। কিন্তু মই স্বপ্নালীক [illegible] দিব নোৱাৰিলোঁ। কাৰণ মোৰ বিচাৰত স্বপ্নালী [illegible] স্বপ্নালীৰ পৰা মই দৌৰি পলাইছিলোঁ মোৰ [illegible] নিৰাপত্তাৰ বাবে। নাইবা স্বপ্নালীৰ আভিজাত্যত মই নিষ্প্ৰভ হৈ পৰিছিলোঁ। অথবা স্বপ্নালীৰ আভিজাত্যক আদৰি আনিবলৈ মোৰ খুউব ভয় লাগিছিল।

স্বপ্নালীক স্বাৰ্থপৰ বুলি ভাবিবলৈ বাধ্য হৈছিলোঁ মই। যিহেতু স্বপ্নালীয়ে বিয়া কৰাব খোজে এজন শিল্পীক। অথবা এজন শিল্পীৰ পত্নী হিচাপে শিল্পীজনৰ লগতে তাইো বিখ্যাত হ'ব বিচাৰিছিল। তাই মোক অথবা মোৰ সত্বাক উপলব্ধি কৰিবলৈ চেষ্টা কৰা নাছিল। তাইৰ জীৱনতো দুৰ্বিসহ হৈ পৰাৰ আশংকাত তাই মোৰ কাষ চাপিব বিচাৰিছিল। যদি মই এজন শিল্পী নহৈ ডাঙৰ হলোহেঁতেন? অথবা তাইক যদি এজন শিল্পীৰ লগত দেউতাকে বিয়াৰ দিন ঠিক কৰিলেহেঁতেন তেতিয়া হয়তো তাই মোক প্ৰশ্ন কৰিলেহেঁতেন, প্ৰেমৰ চূড়ান্ত ৰূপ কি বিয়া? অথবা ক'লেহেঁতেন বিয়া নোহোৱাকৈ জানো আমাৰ সম্বন্ধতো বৰ্তি থাকিব নোৱাৰে?

স্বপ্নালীয়ে মোৰ সত্বাক বুজিবলৈ চেষ্টা নকৰিলে। তুমিতো জানা পূৰবীবা মোৰ মা, দুজনী বাইদেউ আৰু ভাইটিৰ সৈতে আমাৰ সৰু পৰিয়ালটো। দেউতা ঢুকোৱাৰ পিছত আমি বৰ কষ্টেৰে ডাঙৰ হৈছোঁ। বাইদেউহঁতৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত মই অসমীয়াত অনাৰ্চ সহ এম. এ. ডিগ্ৰীটো ললো। কিন্তু মোৰ সেই চাৰ্টিফিকেটখনৰ সহায়ত মই কেৱল ইটোৰ পিছত সিটো ইন্টাৰভিউহে দিলোঁ। মোৰ পৰিয়ালৰ প্ৰত্যেকজন সদস্যাৰে বিশ্বাস মই এটা ভাল চাকৰি পাম। ভাইটোক এম. এ. পঢ়োৱাম, বাইদেউ দুজনীক বিয়া দিম! কিন্তু তাৰ বিপৰীতে মোৰ টিউচনৰ টকা কেইটাৰে ঘৰৰ লোন-তেলৰ জোৰা মৰাৰ পৰা ভাইটোক বি. এ. পঢ়োৱালৈকে সকলো খৰচ। অথচ মোৰ এই অৱস্থাৰ মৰ্মে মৰ্মে উপলব্ধি কৰিয়ো স্বপ্নালীয়ে মোৰ ওচৰত তাই জীৱনৰ নিৰাপত্তা বিচাৰি আহিছে। বাংগালী স্বপ্নালীজনীক মোৰ ভাল লাগে। ভাল লাগে তাইৰ মাৰ্জিত ৰুচি-ব্যৱহাৰ অথবা স্মাৰ্টনেচ; অথবা তাই নাটকত কৰা নিখুঁট অভিনয়ৰ বাবে। কিন্তু মইতো তাইক কোনোদিনে বিয়া কৰাম বুলি ভবা নাই! অথবা এইবোৰ কথা ভাবিবলৈ অৱকাশেই বা পালো ক'ত? তথাপি মোৰ বাইদেউ দুজনীক যদি বিয়া দিব পাৰিলোহেঁতেন, স্বপ্নালীৰ প্ৰস্তাৱটো বিচাৰ কৰি চালোহেঁতেন।

স্বপ্নালীৰ মনতোও যিমানেই শিল্পীসুলভ নহওঁক কিয় তাইৰ অভিজাত্য, অহংকাৰত যেন মই চুৰমাৰ হৈ যাম। সেইবোৰ ভাবিও মই শংকিত হৈ পৰিছিলোঁ। সেয়ে বিচাৰত মই যদি স্বাৰ্থপৰও হও তথাপি স্বপ্নালীৰ পৰা পলাই থকাটোক শেষ সিদ্ধান্ত কৰি পেলালোঁ।

আভিজাত্যৰ ৰঙীন আস্বাদনৰ সমাজখনলৈ মোৰ খুউব ভয় লাগে পূৰবীবা। তথাকথিত আজি-কালি ভদ্ৰসমাজত দেখা বেৰাৰীৰ দৰে স্বপ্নালীয়েও যদি ক্লাব, চিনেমা অথবা মেল-মিটিংক লৈ ব্যস্ত হৈ পৰে আৰু সেই কাৰণে যদি মোৰ মা অথবা বাইদেউহঁতে তাইৰপৰা কটু কথা শুনিবলগা হয়! এইবোৰ ভাবি মই অস্থিৰ হৈ পৰিছো পূৰবীবা। মই কেতিয়াও এনেকুৱা হ'বলৈ দিব নোৱাৰো পূৰবীবা, কেতিয়াও দিব নোৱাৰো! সেইবাবেই কৈছো পূৰবীবা এই প্ৰজন্মৰ মানুহবোৰৰ অনুভূতিবোৰ যেন জড় হৈ গৈছে। মানুহবোৰ যেন যান্ত্ৰিক হৈ পৰিছে। প্ৰত্যেকেই যেন নিজক লৈয়ে ব্যস্ত।

## [তিনি]

উপসংহাৰ— মই এটা গল্প লিখিম.....

আজি কেইদিনমানৰ পৰা মই চেষ্টা অব্যাহত ৰখিছো, এটা গল্প লিখিবলৈ। প্লট বিচাৰি মই দূৰলৈ নগ'লো। ভাবি চালো মোৰ এই পঁচিশটা বসন্তই গৰকি যোৱা কেইটামান মুহূৰ্তক শিল্পসংহত ৰূপত লিপিবদ্ধ কৰিলেই দেখোন এটা গল্প হ'ব। ভাবি ভাল লাগি গ'ল। ইতিমধ্যে স্বপ্নালী বিয়া হৈ গছে।।


মোৰ জীৱনৰ সেই টুকুৰা টুকুৰ ঘটনাৰাজি গল্পৰ আকাৰত জুকিয়াবলৈ গৈ মই যেন ভাগৰি পৰিছোঁ। ক্ৰমশঃ যেন অৱশ হৈ পৰিছে মোৰ সমস্ত শৰীৰ। হাতৰ কলম যেন থমকি পৰিব। গল্পতো মই যিমানেই সৰ্বাঙ্গসুন্দৰ কৰিবলৈ চেষ্টা কৰিছোঁ সিমানেই যেন সি বেবেৰিবাং কিবা এটালৈ পৰিবৰ্তন হৈছে। মোৰ অৱশ ভাগৰুৱা দেহটোত যেন কিবা এটাই হেঁচি ধৰিছে। হাতখন যেন অচল হৈ পৰিছে। এবাৰ দুবাৰ নহয় সাতবাৰ মই সেই একেখনি কথাকেএটা সৰ্বাঙ্গ সুন্দৰ গল্প লিখিবলৈ চেষ্টা কৰি প্ৰত্যেকবাৰেই ব্যৰ্থতাক আকোৱালি লৈছোঁ।

কিন্তু মই চেষ্টা এৰি দিয়া নাই। যদিও মই গল্পটো লিখাত প্ৰতিবাৰেই ব্যৰ্থ হৈছোঁ তথাপি মোৰ আনন্দ এইখিনিতে যে মই গল্পটো লিখিবলৈ চেষ্টা কৰিয়েই আছোঁ। মোৰ মনলৈ আহিছে প্ৰাপ্তিৰ আনন্দতকৈ যেন প্ৰপ্তিৰ বাবে কৰা প্ৰাচেষ্টা বেছি আনন্দদায়ক সেইবাবেই হয়তো মোৰ বিশ্বাস হৈছে গল্প লিখাৰ সকলোবোৰ টেকনিক খটুৱাব নোৱাৰিলেও এদিন এই গল্পটোৱে মোৰ হাতত প্ৰাণ পাই উঠিব।

এয়া কাগজ-কলম লৈ মই অষ্টমবাৰৰ বাবে গল্পতো লিখিবলৈ মেজৰ কাষত বহিছোঁ।

# অনুভৱৰ সিপাৰত তাই আৰু মই

জয়ন্ত কুমাৰ গগৈ
স্নাতক চূড়ান্ত বৰ্ষ (কলা)



অনুভৱৰ আঁৰে আঁৰে
মোৰ গানৰ সমুদ্ৰত
তাই
সুৰ এটা হৈ
লৰে কি চৰে
আঁৰলে-নিৰলে মোৰ শিমলু শিতানত
এপাহ বনৰীয়া বেলিফুল দোৱোল খাই পৰে
তাই তেজৰ পানী যুঁৱলীত
এই পৰোঁ
এই নামো
মোৰ সপোন সুৰাগী বাসন্তী আকাশ
মোৰ সীমাহীন শূন্যতা অথবা কবিতা চৰ্চ্চা
অথবা বিষন্ন প্ৰেমৰ বন্দনাক বুজি উঠাকৈ
তাই বুকুত উৎপাদিত হয়নে অনুভূতি
ফুলনে দেহ-মন-হৃদয় উপচায়
ৰিক্ত হিয়াৰ ফুল
বলেনে বুকুৰ আন্ধাৰ ফালি কেতিয়াবা
বাসৰুৱা ৰ'দৰ বতাহ
অনূদিত হয়নে
হয়নে অনূদিত
তাই ওঁঠত মোৰ ওঁঠৰ হাঁহি
চকুত চকুৰ চাৱনি
তাই চুলিৰ জোনাকত মই অনুশীলন
কৰিব খোজোঁ
মোৰ প্ৰেমৰ নতুন আদিপাঠ
শব্দৰে নিৰ্মিত মোৰ দুঃখৰ সাগৰ ত নে
অবাৰিত হৃদয়ৰ কাংশিত দেশত
তাই হৈ পৰে
অন্য এক বিদিত প্ৰেমৰ গান
প্ৰতিনিয়ত তাই বনৰীয়া গাৰুৰ আবেদনত উৰে
মোৰ কলিজাত বুটাবচা তৰাৰ নিচান।

***

# সখী

জয়শ্ৰী গগৈ
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

চপলিয়াহি ফুৰো
তোমাক বিচাৰি
উন্মাদ হওঁ বাৰে বাৰে
জেঠমহীয়া দুপৰীয়াবোৰ ডেওকী
এটা জুৰি বাৰে বাৰে পাৰ হওঁ
এটা সুৰ গুণগুণাও
ভাঙো গঢ়ো বাৰে বাৰে একোটি সপোন।।
...............ভাগৰা নাই,
তোমাৰ সুহৃদয়তাৰ সংগোপনত
মোৰ তেজৰ অৰণ্যেৰে বৈ থাকে
গান, তৰা, ফুল, নৈ,
সহস্ৰ ব'হাগ।।

***

# এয়ে মোৰ চিনাকি ৰূপালী নদী



হিমাদ্ৰী গগৈ
স্নাতক ৩য় বৰ্ষ (কলা)

মায়াহু পৰত প্ৰায়ে মই
নিঃসংগতাৰ স'তে
কথা পাতোঁ,
ভাৰাক্ৰান্ত মন এটি লৈ
প্ৰায়ে মই
ৰূপালী নদীৰ পাৰত বহোঁগৈ।
প্ৰতিদিনে—
কবৰ দিও
মোৰ সহস্ৰ দুখানুভূতি!
এনেকৈয়ে ৰূপালী নদীৰ পাৰত
জিলমিলাই
মোৰ
এটি, দুটি, বহু বেদনাৰ স্মৃতি......

***



## অনুভৱ

জাহ্নৱী চেতিয়া
স্নাতক ১ম বৰ্ষ (কলা)

প্ৰেম অনুভৱৰ প্ৰথম ৰাতি
মোৰ বুকুৰ ..........
ইকোণ-সিকোণ জুৰি
তোমাৰ হৃদয়ৰ গুণ গুণ গায়ত্ৰী।
তেতিয়া ..........
ফটাকড়ি এটা নোহোৱাকৈ
পাৰ কৰিব পাৰো সময়
জানিছিলো ..........
বিষাদৰ অনুভৱ
কিমান ভোগালী.......!!

***



## কেক্‌টাছ বননি


জ্যোতি গগৈ
স্নাতক ৩য় বৰ্ষ (কলা)

এতিয়া মোৰ চোতাল ভৰি কেক্‌টাছ বননি
এমা-ডিমা এটা জুইলগা সপোন
ধূসৰ আকাশত চট্‌ফট্ চেতনাৰ ৰাতি
এনে বিক্ষুব্ধ প্ৰহৰত নিৰ্বাসন দিয়া হয়
মোৰ বাগিছাৰ সকলো ফুল
নিৰ্বাসন দিয়া হয়
টুনী, বালিমাঁহীৰ ওভটনি নাচ
ফৰিংফুটা জোনাকত ঝাও বনৰ লিহিৰি পাতত
ওলমি ৰয় কাঁচিয়লী জোন
লঠঙা গছত ঝুলন্ত অৱস্থাত বাদুলীৰ জাক
আওঁৰাই আকাশৰ আদিপাঠ
এৰাতিৰ নিৰ্জন খনিত
নদীৰ ভঙা-গঢ়াৰ স্বপ্ন আৰু
মানুহৰ শোকৰ শেৱালী
এতিয়া মোৰ চোতালত জুৰি কেক্‌টাছ বননি
বাহিৰে ভিতৰে নিৰ্যাতিত পথাৰৰ
বালিয়ৰি শব্দৰ আমনি
মোৰ দেহজুৰি কেক্‌টাছ বননি ০০০

***

## অন্তৰীপ

নির্মল সূত
স্নাতক ৩য় বর্ষ (বিজ্ঞান শাখা)



(১)
তুমি উপহাৰ দিয়া ফুলপাহত কাঁইটও আছিল
মই আলফুলে বুকুত সুমাই থলো
তুমি নেদেখাকৈয়ে.............

(২)
মোৰ হৃদয়ৰ কপাট বন্ধ কৰি দিলেই
বুকুত অনুভৱ কৰো
তোমাৰ গাভৰু পথাৰৰ উমাল বতাহ।

(৩)
তোমাৰ তেজৰ সোঁতত
এতিয়াও স্পন্দিত হয়নে বেহেলাৰ সুৰ?
মোৰ বেহেলাৰ তাঁৰ ছিগা বহুদিন হ'ল.......।

(৪)
ৰাতিটো গভীৰ হ'লেই
মোৰ বন্ধকোঠাৰ অন্ধকাৰত মই উলঙ্গ হও
গোপন কক্ষৰ পৰা উলিয়াই আনো
মোৰ কক্ষ বিক্ষত কলিজা
ঘাঁ বোৰত আলফুলে লগাই দিও
চকুলোৰ লুণীয়া মলম।

(৫)
স্মৃতিৰ পিঞ্জৰা ভাঙি
অতীতবোৰ ভগাই দিবা সময়ক
দুখবোৰ গুজি দিবা মোৰ সুখৰ গাগৰিত
তেতিয়া তুমিও মুক্ত হ'বা
মুক্ত বিহঙ্গিনীৰ দৰে পাহৰি পেলাবা
এবা সোঁতৰ জীৱন্ত মুহূৰ্তবোৰ
প্ৰতাৰণাৰ গভীৰ কক্ষত দলিয়াই দিবা
তোমাৰ দৃঢ় (?) প্ৰতিশ্ৰুতিবোৰ.......
আৰু মোলৈ আগবঢ়াই দিবা
ভূৱা আক্ষেপৰ এটি নতুন উপহাৰ.......।


***

## তেজে ধোৱা গান

জিতু দত্ত
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

ৰক্তাৰক্তা হৃদয়ৰ শিৰা উপশিৰা
সোঁতবোৰ বন্ধ হ'লেই
নামি আহে এজাক ধূসৰতা।
তেজ বন্ধ হ'লেই হৃদয় ভাগি যায়
আতংকেই আবৰে চৌপাশ
নিস্তেজ হয় কলিজা।
আজি কালি
বন্দুক বাৰুদৰ শব্দই
ভাঙি দিয়ে নিশাৰ নিস্তব্ধতা
হৃদয় তাতে ডুবায়।
এতিয়া নীলিম আকাশত এচপৰা
ক'লা ডাৱৰ
সূৰুযৰ আভাসো আৰু নাই
ক্ৰমে ক্ৰমে এন্ধাৰ হৈ আহিছে দিন
আতংকত হৃদপিণ্ডৰ কম্পন
তোমাৰ মোৰ কণ্ঠত তেজে ধোৱা গান।

***



## শ্বহীদ তেজৰ মূল্য

বিষ্ণু ...
স্নাতক ৩য় বৰ্ষ (...

কামনাৰ জুইকুৰা নুমাই গ'ল
দুৰণিত অসমী আইৰ তেজৰ
স্বাধীন পতাকাখনে
গৰজি উঠিল
দুনীতিৰ বোকাৰ পৰা সমাজক ৰক্ষা
কৰিবলৈ গৈ স্বদেশত মই হ'লো
সন্ত্ৰাসবাদী।
ভৰিত বুলেটৰ পৰশ লাগিল
পাৰ হৈ গ'ল বহুতো নিদ্ৰাবিহীন ৰাতি.
প্ৰাণ পাই উঠিল এটা প্ৰতিবাদী মন
এতিয়া বাহুত থকা পেঙ দুডালক সাৰটি
অনুভৱ কৰিছো মাথো শ্বহীদ তেজৰ মূল্য।

# লিমাৰিক

শিব প্ৰসাদ গগৈ
অধ্যক্ষ

(১)
ঢেকীয়াপটীয়া বাঘ যেন হলো ঢোলা পিন্ধি.
পুবা গধূলি ঘূৰি ফুৰে ধিতিঙালী মাৰি
হাত ভৰালেই জেপ উদং
গাৰঁত বোলে ভঙুৰা ভটং
উগাৰী থাকে পেট ভৰহি ঢেকীয়া শাকৰ পানী

(২)
পেনপেনীয়া প্ৰেমগাঠা লওঁতেই মেলি
বগচণ্ডী আহি সোমহি আহিল হুৰমূৰ কৰি
জাকৰুৱা পেটৰ মাৰোতেই লেঠা
টেটুলৈকে ধাৰ শুনিছনে বেটা
পাপৰি প্ৰেমৰ কবিতা পুথি মেলাতে থাকিল পৰি

(৩)
চাকৰিত সোমহি তাৰ আহি গ'ল ঢং
টেটুলৈকে ঢোলা খহি তলং ভটং
ইংৰাজী মাৰে জিভা লুটিয়াই
বাটেঘাটে ফুৰে থলামুৰি খায়
ঘৰলৈ গলে দেখিবা তেওঁৰ টেকেলি উদং

(৪)
জাটুলি জীয়েকে ঢোটালে জোঁৰহি গা ঘেলাই ফুৰি
গাৰে ভূক্ৰে জহহি থাকে ঠিকাদাৰ জোঁৰহি বুলি
ভাল বজালা ভোবুলি বৌ
একে খেৰতে পৰিল বৌ
তেলিয়া সাৰেং কৰবাতে ৰ'ল কাউৰি ধৰিছে ছালি।

***

# কবিতা

হৰেশ বেগন
উঃ মাঃ ১ম বৰ্ষ (বিজ্ঞান)

আকাশত হাতীপটীৰ সাকোঁ
মোৰপৰা তোমালৈ
তোমাৰ পৰা মোলৈ
তৰাফুলৰ সুবাসেৰে জোনৰ পোহৰ
মাজত সুপ্ত নিজৰা
য'ত
তোমাৰ মুখত মোৰ মুখ বিচাৰি পাওঁ
আঙুলিত আঙুলি থৈ
ওঁঠত ওঁঠ থৈ
হৃদয়ৰ স'তে হৃদয় মিলাওঁ
(জোনৰ পোহৰেৰে)

চকুত চকু থৈ কথা পাতোঁ
(নিজৰাৰ ভাষাৰে)
সৌৱা চোৱা—
আকাশত এটি দুটিকৈ
অলেখ তৰালিয়ে গজালি মেলিছে
তোমাৰ খোপাত গুজিম তৰাফুল
(খোপা গৰকি আহক সেউজীয়া
শব্দবোৰ হওঁক সেউজীয়া
দুখবোৰ হওঁক সেউজীয়া.....)
চকুৰ পতাৰে নিগৰি অহা পানীত
নিজৰা হৈ বই থাকিম
জিৰি জিৰি জিৰি কৈ.........
মোৰ পৰা তোমালৈ
তোমাৰ পৰা মোলৈ
(বতাহে ঢউ তুলিব
শিলৰ ফাঁকে ফাঁকে তৰাৰ ফুল বাচিম
সেউজীয়া হওঁক শিল
নিজৰা হৈ ব'ব পানী) ০০০

***

'অৰণি'ৰ কেইটিমান নিৰ্বাচিত লেখা

# অৰণি

**সম্পাদনা সমিতি ঃ**

*উপদেষ্টা ঃ*
শ্ৰীযুত পূৰ্ণানন্দ গগৈ

*সদস্য-সদস্যা ঃ*
ড° জিতৰাম কলিতা।
শ্ৰীযুত অজয় কুমাৰ পাণ্ডে।
শ্ৰীযুত ইন্দিবৰ বুঢ়াগোহাঞি।
বিপুল গগৈ
পলাশ কোচ
সঞ্জীৱ চুতীয়া
পদ্মনাথ পায়েং
ডেইজীৰাণী গগৈ
নিৰ্মল সূত

*সম্পাদনা ঃ*
জিতেন কুমাৰ শইকীয়া

*অনুলিখন—*
পবিত্ৰ গগৈ
পদ্মনাথ পায়েং
সম্পাদক

*বেটুপাত আৰু স্কেচ্চ ঃ*
অৰবিন্দ চেতিয়া

*অলংকৰণ ঃ*
সম্পাদক

# সম্পাদকীয়

'অৰণি' পঞ্চদশ বছৰ প্ৰথম সংখ্যা

**বিশ্বৰ বিভিন্ন প্ৰান্তত ঃ—**

''কেৱল সময়ে জানো পাহৰাব পাৰে
মানুহৰ আত্মঘাতী
কলংকৰ দিন
কোনোবাই আহি যদি
বিশ্বাসৰ নেমেলে পাতনি
আপোন হাতেৰে ?''

চাওঁতে চাওঁতে কুৰিটা শতিকা গৰকি আজি আমি উপনীত হৈছোঁহি একৈশ শতিকাৰ দুৱাৰ দলিত। বিশ্বৰ বিভিন্ন প্ৰান্তলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় যে একৈশ শতিকাৰ আৰম্ভণি পৰ্বতে মানুহে নিজৰ আত্মঘাতো নিজে মাতি আনিছে। সমগ্ৰ বিশ্বব্যাপি বিৰাজ কৰিছে এক শ্বাসৰুদ্ধ পৰিস্থিতিয়ে। সন্ত্ৰাসবাদে এইবোৰৰ ভিতৰত শিৰোনামা দখল কৰিছে। অন্য নালাগে আমাৰ অসমখনলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় যে অসম বুলিলে আজি আমি বুজি পাওঁ সন্ত্ৰাসবাদৰ অসম, তাহানিৰ উজ্জ্বলাৰ অসম বা 'সুজলা-সুফলা-শস্য-শ্যামলা অসম' আজি আৰু নাই। দুষ্টচক্ৰৰ প্ৰৰোচনাত পৰি এদল যুৱক বিপথে পৰিচালিত হৈছে, ফলস্বৰূপে হত্যাকাণ্ড, ধৰ্ষণ, লুণ্ঠন, অপহৰণ আদি কূটাঘাতমূলক কাযহি সমাজত মূৰ দাঙি উঠিছে। এনেধৰণৰ কাযবোৰ হয়তো এটা সময়ত নিঃশেষ হৈ পৰিব, কিন্তু কেৱল সময়ৰ সোঁতে এই বিষ-বাষ্পৰ ধোঁৱা-আঁতৰাব নোৱাৰে। উদাহৰণস্বৰূপে ১৯১৪ চনত সংঘটিত হোৱা বিশ্বকঁপোৱা প্ৰথম মহাসমৰৰ কথা উল্লেখ কৰিব পাৰি। এই বিশ্বযুদ্ধত আমেৰিকাই জাপানৰ ওপৰত বোমা বিস্ফোৰণ কৰিছিল। তাৰ পৰিণতিত জাপানৰ দুখন চহৰ ভস্মীভূত হৈছিল। সেই যুদ্ধ শেষ হ'ল কিন্তু তাৰ ফল সেই চহৰ দুখনৰ জনসাধাৰণে আজিও ভুগি থাকিবলগীয়া হৈছে। সময়ৰ অগ্ৰগতিৰ লগে লগে, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যথেষ্ট উন্নতি ঘটিছে। এই উন্নতিয়ে সমাজ জীৱন উন্নততৰ কৰি তুলিছে। তথাপি আজিও জীৱশ্ৰেষ্ঠ মানৱে 'আমি' সকলোৱেই যে মানুহ সেই আত্মবিশ্বাস ঘূৰাই আনিব পৰা নাই। মই হিন্দু, তেওঁ মুছলমান আদি অমানৱীয় ভাৱধাৰাই মানুহৰ মনলৈ আনি দিছে সন্দেহ। সেই সন্দেহ পৰিণতিতে সংঘটিত হৈছে গোষ্ঠীগত সংঘৰ্ষৰ। বৰ্তমান শিক্ষিত চামৰ মাজতো এনে ভাৱধাৰা থকাটো অতি পৰিতাপৰ বিষয়। সমাজৰপৰা এনে ঘৃণনীয় সন্দেহবাদীতাৰ অন্ত পেলাবৰ কাৰণে আমাৰ মাজত 'আমিভাৱ' (We feeling) বিৰাজ কৰিব লাগিব। সেই ক্ষেত্ৰত অগ্ৰণী ভূমিকা লব লাগিব আমি যুৱসমাজে। নিজা আত্মবিশ্বাসেৰে কঁকালত টঙালি বান্ধি আহা হাতত হাত মিলাই আগবাঢ়ি যাওঁ এক নতুন পৃথিৱী গঢ়াৰ মানসেৰে। সকলোৱে বিশ্বাসৰ হাত আগবঢ়ালে আমাৰ বিজয় নিশ্চিত।

**কলেজ প্ৰাচীৰ-পত্ৰিকা প্ৰসংগত ঃ—**

সুদীৰ্ঘ চাৰিটা বছৰ ঢকুৱাখনা মহাবিদ্যালয়ত শিক্ষাগ্ৰহণ কৰি ইয়াৰ বিভিন্ন দিশসমূহ অধ্যয়ন কৰি চাওঁতে এটা কথা লক্ষ্য কৰিছোঁ-শিক্ষা-দিক্ষাৰ ক্ষেত্ৰত কলেজখনে কিছু উন্নতি লাভ কৰিছে; কিন্তু সাহিত্যৰ দিশত চৰম অৱনতি ঘটিছে। তাৰ বাবে নতুন আশা-উদ্দীপনা বুকুত বান্ধি আগবাঢ়ি অহা প্ৰতিজন সম্পাদকেই ক্ষোভ কৰিবলগীয়া হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্যস্পৃহা এনেয়ে কম, তাতে যোৱা নিৰ্বাচনত দুষ্টচক্ৰই প্ৰাচীৰ পত্ৰিকাৰ বাকচ ভাঙি যি বীৰত্বৰ পৰিচয় দিলে সেই দুষ্টচক্ৰৰ বীৰত্বক খৰ্ব কৰি আহা আমি সাহিত্যৰ নিশকতীয়া দিশটোক সবল কৰি তোলো। সৃষ্টিশীল সাহিত্যৰ জৰিয়তে সাহিত্যাকাশত নিজৰ নাম ৰাখি যাওঁ।

ধন্যবাদেৰে

# আধুনিক অসম নিৰ্মাতা মাণিক চন্দ্ৰ বৰুৱা

শ্ৰীলিচামণি বৰুৱা
স্নাতক ১ম বাৰ্ষিক (কলা)

'গছৰ গুটি ৰুৱে এজনে আৰু তাৰ ফল ভোগ কৰে শতজনে।' কিন্তু সেই ৰোপণকাৰীজনৰ কৃতিত্ব এক স্বাভাৱিক প্ৰক্ৰিয়াত বিস্মৃতিৰ গৰ্ভত প্ৰৱেশ কৰেগৈ। মাণিকচন্দ্ৰ বৰুৱাও এনে এগৰাকী বিস্মৃত ব্যক্তি যাৰ নাম বিংশ শতাব্দীৰ জন্মলগ্নতে আৰম্ভ হোৱা অসমৰ উচ্চ শিক্ষাৰ পতন আৰু প্ৰসাৰণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

১৮৫১ চনৰ ৪ ছেপ্তেম্বৰ বৃহস্পতিবাৰে এইজনা মহান ব্যক্তিৰ জন্ম হয় নগাওঁ জিলাৰ সাগৰিজান অঞ্চলৰ বাসিন্দা হাবিৰাম বৰুৱাৰ গৃহত। মাণিকচন্দ্ৰ বৰুৱাৰ শিক্ষা জীৱন আৰম্ভ হয় গুৱাহাটীত। ১৮৬৮ চনত বৰ্তমানৰ কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ সেই স্কুলৰে এল. এ. শ্ৰেণীত ভৰ্তি হয় আৰু দুবছৰৰ মূৰত শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰতিযোগিতামূলক পৰীক্ষাত বৃত্তি লাভ কৰি কলিকতাত বি. এ. পঢ়িবলৈ যায়। কিন্তু দুৰ্ভাগ্যবশতঃ কলিকতাৰ জলবায়ুৱে নুশুজাত মাণিক চন্দ্ৰ বৰুৱাদেৱে পাটনা চহৰৰ বাকিপুৰ কলেজত নাম লগায়গৈ। কিন্তু ১৮৭২ চনত বি. এ পৰীক্ষাত বহাৰ আগতেই দেউতাকৰ মৃত্যু হোৱাত আৰু নিজৰ দুৰ্বল স্বাস্থ্যৰ বাবে সিমানতে শিক্ষা জীৱনৰ সামৰণি মাৰে।

শিক্ষা সাং কৰাৰ পাছত মাণিকচন্দ্ৰ বৰুৱাক চিফ কমিচনাৰ কিটিঞ্জ চাহাবে চাব ডেপুটি কলেক্টৰৰ পদ যাচিছিল যদিও স্বাধীনমনা বৰুৱাদেৱে সেই পদ প্ৰত্যাখান কৰি ব্যবসায়ত নামি পৰিল। বৰুৱাদেৱ আছিল এজন সচেতন অসমীয়া নাগৰিক। সেয়ে ব্যবসায় চলাই থকাৰ মাজতে অসমৰ ৰাজনৈতিক, শিক্ষা আৰু সামাজিক সমস্যাৱলীৰ প্ৰতি তেওঁৰ মন আছিল সদা জাগ্ৰত। ১৮৮২ চনত তেওঁৰ অক্লান্ত প্ৰচেষ্টাতে ইংৰাজী অসমীয়া দুয়োটা ভাগ থকা 'আসাম নিউজ' নামৰ বাতৰিকাকত ওলায়। **এই কাকতখনৰ উদ্দেশ্য আছিল এফালে অসমৰ অভাৱ অভিযোগবোৰ ইংৰাজ বিষয়াসকলৰ দৃষ্টিগোচৰ কৰা আৰু আনফালে অসমবাসীৰ নিজৰ প্ৰয়োজন আৰু সীমাবদ্ধতা সম্পৰ্কে সচেতন কৰি তোলা।** এটি কাকতখন সুকলমে চলাবৰ বাবে 'আসাম প্ৰিন্টিং কৰ্পৰেচন' নামে এটি ছপাশাল প্ৰতিষ্ঠা কৰিছিল। পদ্মনাথ গোঁহাঞিবৰুৱাৰ মতে মাণিকচন্দ্ৰ বৰুৱাই "অসমত সাদিনীয়া বাতৰি কাকতৰ বাট দেখুওঁতা।" ১৮৮৫ চনত 'আসাম নিউজ' কাকতখন বন্ধ হৈ যোৱাত ১৮৯৪ চনত পুনৰ 'আসাম' নামৰ আন এখন সাদিনীয়া বাতৰি কাকত উলিয়াইছিল।

**এজন দায়িত্বসম্পন্ন আৰু নিষ্ঠাবান নাগৰিক হিচাপে বৰুৱাদেৱে গুৱাহাটী তথা অসমৰ অনেক সভা সমিতি অনুষ্ঠান-প্ৰতিষ্ঠানৰ সদস্য, সম্পাদক, সভাপতিৰূপে কাৰ্য্যনিৰ্বাহ কৰিব লাগিছিল আৰু সৰ্বভাৰতীয় অনুষ্ঠানবোৰতো অসমৰ হৈ প্ৰতিনিধিত্ব কৰিছিল।** ১৮৯০ চনত কলিকতাত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ মহাসভাত অসমৰ প্ৰতিনিধিস্বৰূপে তেওঁ যোগদান কৰিছিল আৰু তাৰ আৰ্হিত ১৯০৩ চনত জগন্নাথ বৰুৱা, প্ৰভাতচন্দ্ৰ বৰুৱা, ফৈজণুৰ আলি কেইবাজনো বন্ধু-বান্ধৱৰ সহযোগত 'আসাম এছ'ছিয়েছন' নামৰ অসমৰ প্ৰথমটো জাতীয়তাবাদী, ৰাজনৈতিক অনুষ্ঠান প্ৰতিষ্ঠা কৰে। আসাম এছ'ছিয়েছনৰ সম্পাদক হিচাপে তেওঁ অসমৰ নানা অভাৱ-অভিযোগৰ বিষয়ে চৰকাৰলৈ আবেদন-নিবেদন কৰিছিল আৰু বহুক্ষেত্ৰত সফলতা লাভ কৰিছিল।

১৮৮২খ্ৰীঃত লোকেল বৰ্ড আৰু মিউনিচিপালিটিত নিৰ্বাচন প্ৰবৰ্ত্তিত হ'ল। অসমীয়াৰ ভিতৰত মানিকচন্দ্ৰ বৰুৱা পোনপ্ৰথমে লোকেল বৰ্ড সদস্য, আৰু ভাইচ্‌চেয়াৰমেন, প্ৰথম মিউনিচিপাল কমিচনাৰ আৰু চেয়াৰমেন। এইবোৰ পদত থাকি তেওঁ অনেক লোকহিতকৰ কামত বিশেষকৈ নগৰৰ উন্নয়নত অৰিহণা যোগাবলৈ সমৰ্থ হৈছিল।

ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত উপৰক্ত বৰঙণিৰ স্বাক্ষৰ ৰাখি যোৱাৰ লগতে শিক্ষায়তনিক দিশত আগবঢ়োৱা অৰিহণাৰ বাবেহে বৰুৱাদেৱক 'আধুনিক অসম নিৰ্মাতা' হিচাপে বিখ্যাত কৰি তুলিলে।

অসমত উচ্চ ইংৰাজী বিদ্যালয়ৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাত শতিকাটোৰ শেষ দশকৰ ফালে অসমত কলেজীয়া শিক্ষা প্ৰৱৰ্তনৰ বাবে এটি জাগৰণৰ সৃষ্টি হ'ল। ১৮৯৬ চনৰ চাৰ হেন্‌ৰী ষ্টাডমেন কটন অসমৰ চীফ কমিচনাৰ নিযুক্ত হৈছিল। তেওঁ প্ৰথমতে কলেজৰ পৰিৱৰ্তে কলিকতাৰ অসমীয়া ছাত্ৰৰ বাবে এটা হোষ্টেল স্থাপন কৰাৰ পক্ষপাতী আছিল। কিন্তু মাণিকচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ফণীধৰ চলিহা আদিৰ আবেদন আৰু নিজৰো অসমৰ পৰিস্থিতিৰ সম্যক উপলব্ধিৰ পাছত ১৮৯৯ চনৰ ৩ নবেম্বৰত গুৱাহাটীত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰি কলেজ পতাৰ সিদ্ধান্ত ঘোষণা কৰে। ''I resolved to be guided by public opinion and I abandoned my own scheme and decided to establish a local college.'' কটণ চাহাবে এই ভাষণটোৰ প্ৰাৰম্ভতে সমজুৱাক সম্বোধন কৰি এইদৰে কৈছিল "Babu Manik Chandra Boruah and gentlemen.'' ইয়াৰ পৰাই উপলব্ধি কৰিব পাৰি কটন কলেজ প্ৰতিষ্ঠাত বৰুৱাদেৱৰ ভূমিকা কিমান আছিল। এই প্ৰস্তাৱৰ ভেটিত ১৯০১ চনৰ ২৭ মে' তাৰিখে অসমৰ প্ৰথমখন উচ্চশিক্ষাৰ অনুষ্ঠান কটন কলেজৰ ভেটি স্থাপন হয়।


১৯১২ চনত বৰুৱাদেৱে অসমৰ চীফ্‌কমিচনাৰ আৰ্চডেইল আৰ্লক লগ কৰি অসমত এখন আইন কলেজ প্ৰতিষ্ঠাৰ বাবে প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনৰ ভিত্তিতে আৰ্ল চাহাবে অসমৰ প্ৰথমখন আইন

কলেজ 'আর্ল ল'কলেজ'(বর্তমান চৰকাৰী আইন মহাবিদ্যালয়) স্থাপন কৰে ১৯১৪ চনত।

বৰুৱাদেৱে মাতৃভাষাৰ শিক্ষাতকৈ সংস্কৃত আৰু ইংৰাজী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিছিল আৰু এখন সংস্কৃত কলেজ স্থাপনৰো যো-জা চলাইছিল।

মাণিকচন্দ্ৰ বৰুৱাৰ আন এটি স্মৰণীয় কীৰ্তি হ'ল গুৱাহাটীৰ 'কাৰ্জন হল'। লৰ্ড কাৰ্জনৰ অসম আগমনৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰ বাবে তেওঁক সম্বৰ্দ্ধনা জনাবলৈ সংগ্ৰহ কৰা পুঁজিৰ পৰা ছয় হাজাৰ টকা ৰাহি কৰি এই হলটি স্থাপন কৰিছিল। ই পুথিভঁৰাল আৰু সভাগৃহৰূপে ব্যৱহৃত হৈছিল।

বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, [illegible], [illegible] সচেতন এইজন অসমপ্ৰাণ ব্যক্তিৰ ১৯১২ চনৰ [illegible] অসমবাসীক কন্দুৱাই পৰলোকলৈ গমন কৰে। এই মহান [illegible] স্মৃতি ৰক্ষাৰ নামত [illegible] মধ্য ইংৰাজী [illegible] মাণিকচন্দ্ৰ বৰুৱা মধ্য ইংৰাজী বিদ্যালয়।" [illegible] নামত এখন বিচনা আৰু এটা [illegible] আলিবাটৰ নাম মাণিকচন্দ্ৰ বৰুৱা ৰোড হ'ল। [illegible] প্ৰশংসনীয় ভূমিকা এওঁৰ নামেৰে নামাঙ্কিত কৰা হৈছে। [illegible] স্বাধীনতা পোৱা ৫০ টা বছৰৰ অন্তত, এই ব্যক্তি [illegible] তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছো।



# এমুঠি নিঃসংগতাৰ স্পৰ্শ

গল্প

শ্ৰীমতী গায়ত্ৰী চুতীয়া।
স্নাতক ২য় বৰ্ষ (কলা)

এক বুজাব নোৱাৰা দুখ আৰু যন্ত্ৰণাই মোৰ হৃদয়খন আচ্ছন্ন কৰি আনিছে। মোৰ এনে লাগিছে মই যেন মোৰ কাষত বহি অহা এই ল'ৰাজনৰ স'তে ক্ষন্তেকৰ বাবে এক আত্মীয়তা গঢ়ি তুলি মোৰ বুকুত কুটকুটাই থকা যন্ত্ৰণাখিনিৰ ভাগ তেওঁকো দিলাই দিম। পিছ মুহূৰ্ততে মোৰ মনটো সংকুচিত হৈ পৰিছে। আচলতে মোৰ মনটোৱে এই মুহূৰ্তত কোনো এক বিশ্বস্ত বন্ধুৰ সংগ পাবৰ বাবে উত্ৰাৱল হৈ পৰিছে। কোনো এক বোবা যন্ত্ৰণাই যেতিয়া বুকুত ওলমি ৰয় তেতিয়াই হয়তো প্ৰতিজন মানুহৰ অন্তৰাত্মাই বিচাৰি উঠে নিজেই কাষতে কোনো এক বিশ্বস্ত বন্ধু। হয়তো তেওঁৰ কলিজাতো সংগোপনে ঢালি দিব বিচাৰে দুখৰ প্ৰতিটো কোষে-কোষে সৃষ্টি হোৱা বাৰিষাৰ তেজাল বৰষুণৰ প্ৰতিটো টোপাল। প্ৰতিটো দুখৰ কিম্বা প্ৰতিটো যন্ত্ৰণাৰ মুহূৰ্তৰ অনুভূতি অকপটে স্বীকাৰ কৰিবপৰা দুখন অন্তৰাত্মাই বুজি উঠা বিশ্বাসযোগ্য এক অন্তৰংগ বন্ধুৰ বাদ দি আন কোন হ'ব পাৰে............! অন্তৰংগ মাথো এটি শব্দ.......বুকুত সোমাই আছে যেন কিবা পোৱা-নোপোৱা।

মই ঘৰৰপৰা বাহিৰলৈ ওলাই যোৱা মাথো এটা বছৰহে হৈছে। ঘৰখনৰ মাজতে আবদ্ধ হৈ থাকি বাহিৰৰ জগতখনৰ বহু কথাই যেন অনুভৱ কৰিব পৰা নাছিলো। সেইবাবেই হয়তো প্ৰথম কেইদিন হোষ্টেলত বহুত কন্দা-কটা কৰিলোঁ। গহীন-গম্ভীৰ সবিতা বা, মুখত যেন অনবৰতে খং ভাব এটা কঢ়িয়াই ফুৰা তেনে লগা সত্যবাহঁতৰ প্ৰতিটো কথাৰ পোনপটীয়া অৰ্থ বোধগম্য নোহোৱাৰ বাবেই প্ৰতি মুহূৰ্ততে অন্তৰখনে কিবা নোপোৱাৰ বেদনাত হাঁহাকাৰ কৰি কান্দি উঠিছিল। সময়ৰ চলমান গতিত লাহে লাহে মিলি গ'লো সবিতাবাহঁতৰ লগত আৰু মিলি গ'লো বিবিবা, মীনাক্ষী, দীপা, দেৱযানীহঁতৰ লগত। হোষ্টেলৰ প্ৰতিটো কমেও বৰ্ণিল সাজ সজাই পিন্ধি ল'লে এজোৰ বৰণীয়া পোছাক। আমি সকলো নৱাগতাই সবিতাবাহঁতৰ কমত একেলগে বহি বিবিবা আৰু সাগৰদাৰ প্ৰেমৰ সম্পৰ্কক লৈ জমাই তুলিব পৰা হ'লো।............পৰাহ'লো ট্ৰাংকৰ এচুকত পৰি থকা কোনো পত্ৰ বন্ধুৰ চিঠিৰ টোপোলাটো সকলোৰে সন্মুখত উদঙাই দেখুৱাব। ইমান আন্তৰিকতা বাৰু মানুহৰ মনত কেনেকৈ থুপ খাই থাকে! কলিজাৰ কি যে এক আত্মিক বন্ধন...... কেতিয়ানো সৃষ্টি হ'ল গমেই নাপালোঁ!! প্ৰতিদিন আমাৰ মাজত আলোচনাবিলাক স্বপ্না বাইদেউ, সঞ্চিতা বাইদেউৰ মেজৰ ক্লাচৰপৰা আৰম্ভ হৈ দীপাৰ ককায়েক Nerist ৰ পাৰ্থদা আৰু মোৰ বন্ধু পাৰ্থৰ চিঠি, বিবিবা আৰু সাগৰদাৰ প্ৰেমৰ ৰোমাঞ্চত শেষ হয়গৈ। কেতিয়াবা বাংগালী দেৱযানীৰ দৰে বিবিবাক উদ্দেশি মইও চিঞৰি উঠো আস.........বিবিবাৰ বুকুৰেদি বাগৰি অহা প্ৰেমৰ বতাহজাক চুই চাবলৈ বৰ মন যায়। দেহৰ প্ৰতটো ৰন্ধ্ৰে-ৰন্ধ্ৰে শিহঁৰিত হয় প্ৰেমৰ এসোঁতা জোনাকী ঢউ।.......কি যে এক অনামী শিহৰণ.........বুকুত স্পন্দিত হয় তেজৰ প্ৰতিটো তৰংগৰ তালে তালে ধমনীৰ কোবাল ঢউ.........! লগে লগে হাঁহিৰ গিৰ্জনিত কঁপি উঠে কমৰ প্ৰতিখন দেৱাল। মাতাল হোৱাৰ জোখাৰে হাঁহিৰ উমাল স্পৰ্শত হয়তো সিহঁতেও আঁকি ল'ব বিচাৰে চিনাকি-অচিনাকী দিনৰ দুই ওঁঠৰ তপত চুমা.......আস্......কি যন্ত্ৰণা......কাৰোবাক আপোন কৰি লবলে' ইমান সহজ, কিন্তু বিদায়ৰ মুহূৰ্ত কিয় ইমান কঠিন হয় বাৰু! কেনেকৈ পাহৰিম সতবাৰ মিঠা আব্দাৰবোৰ! মোৰ ফটোকপিয়ে কিন্তু তোৰ এলবামৰ প্ৰথম পৃষ্ঠাত ঠাইপাব লাগিব। আৰু.....আৰু এড্ৰেচটো দি কৈ উঠা সবিতাবাৰ মৰম সুলভ অভিমানবোৰ........ তোৰ পৰাহে যদি চিঠি পাওঁ, আজি পাঁচোটা বছৰে বহুতকৈ এড্ৰেচ বিলালো কিন্তু চিঠি হ'লে কাৰোপৰা নাপালোঁ। এই সোণালী, মৌলৈ চিঠি দিলে সুন্দৰ Literature লগাই চিঠি দিবি। আচলতে মৌলৈ মনে বিচৰা ধৰণে কোনেও চিঠি নিদিয়ে অ'। উস্ যন্ত্ৰণাত মোচৰ খাই উঠে কলিজাটো। এৰা.......ৰাখিব লাগিব! আন নহ'লেও এই এবছৰতে গঢ়ি উঠা আত্মীয়তাৰ দাবীত। সবিতাবাই কৈছিল, মোৰ কলিজাত বহুত দুখে হেতা-ওপৰা লগাই থকা যেন তাইৰ অনুভৱ হয়। প্ৰতিটো কথা জুখি-মাখি ক'লেও তাৰ মাজতে কেতিয়াবা সেইবোৰ হেনো সবিতাবাৰ চকুত ধৰা পৰে। কেনেদৰে বুজাম সবিতা বাক......। এইবোৰ মাথো এতিয়াৰ পৰা স্মৃতি হৈ ৰ'ব। আজিৰ পৰা প্ৰতিনিয়ত মৌনতাৰ বুকুত মোৰ অনুভূতিপ্ৰৱণ মনটোৱে খুপি খুপি বিচৰণ কৰি ফুৰিব তেজাল দিনপঞ্জীৰে গঠিত সুবিশাল স্মৃতিৰ দলিচাত। হয়তো প্ৰতিদিন বাগৰি যাব সৰ্পিল গতিৰে কলিজাৰ বুকুৰেদি অনাকাংক্ষীত এক বেদনাৰ ঢৌ। এৰা! তেনে সময়তে প্ৰতিজন মানুহে বান্ধি লোৱাৰদৰে মইও বান্ধি লম প্ৰৱল ধুমুহাৰ মাজতো দৃঢ় হ'ব পৰাকৈ যুঁজিবৰ বাবে এক শক্তিশালী মন। আজি এনে এটা যন্ত্ৰণা গধুৰ মন লৈ আহি আছো হোষ্টেলৰ প্ৰতিটো অভিজ্ঞতা টোপোলা বান্ধি ঘৰ অভিমুখে।


ঘে-ৰে-ক-ঘড়্-ঘড়্-মই বহি অহা গাড়ীখন ৰৈ যোৱাতহে চেতনা আহিল। ইমানপৰে মই যে নিজৰ ভাৱতেই আত্মবিভোৰ হৈ আছিলো। দলংখনহেনো দুৰ্বল, গাড়ীপাৰ হ'ব নোৱাৰে। মোৰ কাষৰ ঠাইখিনি দখল কৰি অহা ল'ৰাজনলৈ কেৰাঁহিকৈ চাই পথালোঁ, সিও মোৰ দৰে আত্মমগন হৈ বহি আহিছিল। গাড়ীখন ৰৈ যোৱাতহে চক্ খাই উঠিল। হয়তো মোৰদৰে সিও বুকুত এসোপা বেদনা-মধুৰ যন্ত্ৰণা কঁৰপৰা কঢ়িয়াই আনিছে। খৰখেদাকৈ নামি পৰিলো, সিটো মূৰত ৰৈ থকা 407 খনৰ চিট এটা দখল কৰিবৰ বাবে। মোৰ পাছে পাছে অন্য যাত্ৰীসকলৰ দৰে সেই ল'ৰাজনো.........।

## আবেলিৰ বালিভাত

শ্ৰীপলাশ কোঁচ
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

সোৰণশিৰিৰ বুকুত সিদিনা
তিৰবিৰাই নাচিছিল এটা
সপোন দুপৰীয়া
বতাহত লাহ দি
ৰ'দে আহি সোৰণশিৰিৰ শীতলতাত
এবুকুলৈকে ডুবিছিল
অ' ঠিকেই, অলপ পিছত
মায়াসনা এজাক বতাহে চুই গৈছিল
সিহঁতৰ বালিভাতৰ খিল্ খিল্ উদং শৰীৰ
আঁতৰি যোৱা এচাটি
অঘৰী ডাৱৰে চাই হাঁহিছিল
তিনিটা শিলত বালিভাত উতলিছিল
দুপৰীয়াটোৰ দৰে
বালিভাতৰ ধোঁৱাই দুহাতেৰে
মেৰিয়াই ধৰিছিল সিহঁতৰ মন
আজিও বতাহত প্ৰাচীনতাৰ জকমক্ শীতল সুবাস
বালিভাতৰ আবেলিটোৰ মাজত
চুই চাওঁ সোৰণশিৰিৰ পিছল শৰীৰ......।

('অৱণি' পঞ্চদশ বছৰ ১ম সংখ্যা)



## ইতিহাসৰ বীজ

শ্ৰীতোলন চন্দ্ৰ
স্নাতক ২য় বাৰ্ষিক (

মোৰ কবিতাত ৰোপণ কৰিব খোজা
ইতিহাসৰ বীজ।
জানো, তইঁতে মোক হত্যা কৰিব পাৰিবি
পাৰিবি জানো,
ধ্বংস কৰিব ইতিহাসৰ বীজ
যদিহে সাৰপানীৰ অভাৱত উচুপি টোপনি নাযায়
ই অঙ্কুৰিত হ'বই।
সঁচা, সেইনিশা মই কাণপাতি শুনিছিলোঁ
অন্তৰীণত শিয়ালৰ দৰে মাতালবোৰৰ চিঞৰ
সিহঁতে যেন ৰজাকো হত্যা কৰিব!
শিক্ষাৰ কথা সিহঁতে কি জানে?
পাৰোতেনো সাহিত্যৰ কঠীয়াতলীত নাচেনে,
সিহঁতে বাৰু জানেনে?
সিদিনা কিয় কলমৰ চিঁয়াহী ৰঙা হৈ গ'ল?
তইঁতে সেইটো শিকি লবি
মানৱতা- সচাঁ মানৱতা
মোক আকৌ তইঁতে হত্যা কৰিব নিবিচাৰিবি
মোক হত্যা কৰিব পাৰিবি
কিন্তু থাকি যাব ইতিহাসৰ বীজ
ই অঙ্কুৰিত হ'বই। ০০০

# অনুভূতি


পল্লৱিতা বৰুৱা
স্নাতক ৩য় বৰ্ষ (কলা)


জোনাক নিশা খিৰিকিৰ কাষত বহি
মই অনুভৱ কৰো
মোৰ দুচকুৰ অযুত আশাবোৰ
এতিয়া বিশাল আকাশৰ তলত
কোনে বুজিব মোৰ হৃদয়ৰ
কৰুণ যাতনা!
মাথোঁ খিৰিকিৰ কাষত
কটাওঁ উজাগৰি নিশা
কেৱল তোমাৰ বাবেই
মোৰ দেশৰ বাবেই
মোৰ এই সংগ্ৰাম
মোৰ আইৰ বাবেই....
মই আজি বন্দী এই কাৰাগাৰত
তোমাৰ বাবে মাত মাতিলেই
মই হওঁ বিদ্ৰোহী
যি দোষত মই হওঁ কাৰাৰুদ্ধ।

('অৰণি' পঞ্চদশ বছৰ ১ম সংখ্যা)

# কবিতা, বিষয়; প্ৰেম


শ্ৰীমতী জয়শ্ৰী গগৈ
স্নাতক চূড়ান্ত বৰ্ষ (কলা)




এনে কোনো কথা নাছিল
যে তুমি আহিবা
এনে কোনো চুক্তি নাছিল যে
তুমি আকাশৰ নীলাবোৰ আনি দিবা মোক
আচলতে এনে কোনো সম্ভাৱনাই নাছিল
যে তুমি বকুল হৈ ফুলিবা
মোৰ বুকুত
কিন্তু,
তুমি আহিলা
এজাক বকুল হৈ ফুলিলা মোৰ বুকুত
কাৰণ,
এনে কোনো চুক্তি নাই হৃদয়ৰ যে
ই অৱৰুদ্ধ হয় যুক্তিত
প্ৰেমৰ কোনো কথা নাই
যে ই এটা নিৰ্দিষ্ট বিন্দু হয়।
সেইবাবেই
তোমাৰ হাঁহিত আজিও ফুলে সহস্ৰ বহাগ।


('অৰণি' পঞ্চদশ বছৰ ১ম সংখ্যা)


# পুৱতি নিশাত


শ্ৰীঋষিৰাজ ফুকন
উঃ মাঃ ২য় বৰ্ষ (কলা)


ৰাতিৰ বুকুৰেদি
স্নাত সুৰুজে আনে
প্ৰাণ-প্ৰবাহৰ আলোড়ণ,
বিধস্ত হৃদয়
পীড়িতৰ বিননি
যৌৱনৰ উচুপনি।
মোৰ জীৱনৰ
নৱ-নৱ কবিতাই
কিনো সোঁৱৰাই???
স্মৃতিৰ প্লাৱনে দিয়েহি টৌৱাই
পুৱতি নিশাই
তেতিয়া মোৰ
হেজাৰ হেজাৰ কবিতাই
হাতে হাতে শলিতা লৈ
উঠে সাৰপায়। ০০০

('অৰণি' পঞ্চদশ বছৰ ১ম সংখ্যা)





*বিজ্ঞান শাখাৰ প্ৰাচীৰ পত্ৰিকা*

# "ইউ-টু-পিয়া"

**সম্পাদনা সমিতি**

উপদেষ্টা
- শ্ৰীযুত প্ৰশান্ত গগৈ
- শ্ৰীযুত নৰেন্দ্ৰনাথ দাস
- শ্ৰীযুত ইন্দিবৰ বুঢ়াগোঁহাঞি
- শ্ৰীযুত ডিম্বেশ্বৰ গগৈ

সম্পাদক
- শ্ৰীসন্তোষ গগৈ

সহঃ সম্পাদক
- শ্ৰীঅংকুৰ প্ৰতীম গগৈ

সদস্য/সদস্যা
- শ্ৰীনিৰ্মল সূত
- শ্ৰীপলাশ খনিকৰ
- শ্ৰীমতী জুনমণি গগৈ
- শ্ৰীইন্দিবৰ কোঁৱৰ
- সম্পাদক, ঢকুৱাখনা মহাবিদ্যালয়ৰ আলোচনী শাখা

বেটুপাত ঃ নিৰ্মল সূত

স্কেচ ঃ নিৰ্মল / অৰবিন্দ

অলংকৰণ ঃ সম্পাদক

## সম্পাদকীয়

[illegible]

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ব্যাপক প্ৰয়োগৰ ফলত সংবাদ মাধ্যম সমূহলৈ এক যুগান্তকাৰী পৰিবৰ্তন আহিল। যি সময়ত দূৰ অঞ্চলত কোনো এক খবৰ পৃথিৱীৰ চাৰিওফালে বিয়পি পৰিব পাৰে সেই সময়ত আমাৰ ইউ-টু পিয়াৰ দৰে হাতে লিখা আলোচনীৰ প্ৰাসংগিকতা বা কিমান তাক সন্দেহেই উদ্ভৱ হয়। কিন্তু এনে আলোচনীৰ গুৰুত্ব কোনোকালেই উলাই কৰিব পৰা বিষয় নহয়।

বৰ্তমান "যুৱ উচ্ছৃংখলতা" [illegible] অসমৰ এটা ডাঙৰ সমস্যা। এই কথাটো [illegible] সকলো ব্যক্তিয়ে বিনাদ্বিধাই সমৰ্থন কৰিব। যি যুৱ সমাজ দেশৰ ভৱিষ্যত, গোটেই সমাজৰ প্ৰতিনিধি সেই যুৱ সমাজৰ উচ্ছৃংখলতাৰ কাৰণ কি?

যি কি নহওক, আজিৰ সমাজত ইয়াৰ এটা সু-সমাধান নিশ্চয় উলিয়াবই লাগিব। তাৰ বাবে সংবাদ পত্ৰ আৰু আলোচনী সমূহে গুৰুত্বপূৰ্ণ ভূমিকা লব লাগিব। কিন্তু এচাম বুদ্ধিজীৱীৰ ভুল পৰিচলনাতেই যুৱ উচ্ছৃংখলতাৰ ইন্ধন যোগাইছে। দেখা গৈছে এচাম লিখক বুদ্ধিজীৱীয়ে অশ্লীলতাৰ বিৰুদ্ধে লিখিব গৈ অশ্লীলতাক সম্পূৰ্ণৰূপে ভাঙি ধৰিছে। ফলত ই হৈ পৰিছে অন্য এক ভয়ানক অশ্লীলতা।

গতিকে এইখিনিতে আহি পৰিছে "ইউ-টু-পিয়াৰ দৰে আলোচনীৰ প্ৰাসংগিকতা, এনে ধৰণৰ আলোচনীবোৰেই জন্ম দিয়ে নতুন সাহিতিক তথা ভিন্ন লেখকৰ। এই নতুন সাহিতিক তথা লেখক সকলৰ চিন্তা চৰ্চাই উন্মোচন কৰিব সমাজ জীৱনৰ নতুন ধাৰা। নতুন সাহিতিক হব লাগিব ইতিহাসত বৰ্ণিত বীৰৰ কাহিনী বনোৱা সাহিত্য নহৈ ভৱিষ্যত— মুখী আৰু সত্য তথ্য ভিত্তিক। আমি ভাবো ভৱিষ্যতৰ অভিযানত অভিযাত্ৰীৰ সহায় হোৱাৰেই "ইউ-টু-পিয়াৰ" দৰে আলোচনীৰ প্ৰধান লক্ষ্য।

# সম্পাদকীয়

২য় বছৰৰ ১ম সংখ্যা

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বাঢ়ন্ত প্ৰয়োগৰ ফলত সংবাদ মাধ্যম সমূহলৈ এক যুগান্তকাৰী পৰিৱৰ্তন আহিল। যি সময়ত চকুৰ প্ৰচাৰতে কোনো এক খবৰ পৃথিৱীৰ চাৰিওফালে বিয়পি পৰিব পাৰে সেই সময়ত আমাৰ ইউ টু-পিয়াৰ দৰে হাতে দেৱাল আলোচনীৰ প্ৰাসংগিকতা বা কিমান তাত সন্দেহেই উদ্ৰেক হয়। কিন্তু এনে আলোচনীৰ গুৰুত্ব পোনচাতেই উলাই কৰিব পৰা বিষয় নহয়।

বৰ্তমান "যুব-উশৃংখলতা" যে অসমৰ এটা ডাঙৰ সমস্যা এই কথাটো হৃদয়বান সকলো ব্যক্তিয়ে নিঃসন্দেহে সমৰ্থন কৰিব। যি যুব সমাজ দেশৰ ভৱিষ্যত, গোটেই সমাজৰ প্ৰতিনিধি সেই যুব সমাজৰ উশৃংখলতাৰ কাৰণ কি?

যি কি নহওক, আজিৰ সমাজত ইয়াৰ এটা সমাধান নিশ্চয় উলিয়াবই লাগিব। তাৰ বাবে সংবাদ পত্ৰ আৰু আলোচনী সমূহে গুৰুত্বপূৰ্ণ ভূমিকা লব লাগিব। কিন্তু এচাম বুদ্ধিজীৱীৰ ভুল পৰিচলনাতেই যুব উশৃংখলতাৰ ইন্ধন যোগাইছে। দেখা গৈছে এচাম লিখক বুদ্ধিজীৱীয়ে অশ্লীলতাৰ বিৰুদ্ধে লিখিব গৈ অশ্লীলতাক সম্পূৰ্ণৰূপে ডাঙি ধৰিছে। ফলত ই হৈ পৰিছে অন্য এক জঘন্য অশ্লীলতা।

গতিকে এইখিনিতে আহি পৰিছে "ইউ টু পিয়াৰ দৰে আলোচনীৰ প্ৰাসংগিকতা, এনে ধৰণৰ আলোচনীবোৰেই জন্ম দিয়ে নতুন সাহিত্যিক তথা ভিন্ন লেখকৰ। এই নতুন সাহিত্যিক তথা লেখক সকলৰ চিন্তা চৰ্চাই উন্মোচন কৰিব সমাজ জীৱনৰ নতুন ধাৰা। নতুন সাহিত্যিক হব লাগিব ইতিহাসত বৰ্ণিত বীৰৰ কাহিনী বনোৱা সাহিত্য নহে ভৱিষ্যত— মূখী আৰু সত্য তথা ভিত্তিক। আমি ভাবো ভৱিষ্যতৰ অভিযানত অভিযাত্ৰীৰ সহায় হোৱাবেই "ইউ-টু পিয়াৰ" দৰে আলোচনীৰ প্ৰধান লক্ষ্য।



# পাহৰণিৰ গৰ্ভত অসমীয়া সাহিত্যিক পণ্ডিত পানীন্দ্ৰনাথ গগৈ

মনোৰঞ্জন গগৈ
উ. মা. ২য় বৰ্ষ (বিজ্ঞান)
ইউ-টু-পিয়া ২য় বৰ্ষ ৩য় সংখ্যা

অসমৰ এজন প্ৰখ্যাত ভাষা প্ৰেমিক সাহিত্যিক আজি সময়ৰ কাল গৰাহত। নিভাঁজ অসমীয়া, সৰল ব্যাখ্যা, আৰু মধুৰ ভাৱেৰে পূৰ্ণ প্ৰবন্ধ লিখোতা এই ব্যক্তিজনৰ কাৰ্য্যাবলীক সঠিক মূল্যায়ন কৰাটো বৰ্ত্তমান প্ৰজন্মৰ বাবে অপৰিহাৰ্য্য হৈছে।

এইজন বিচক্ষণ পুৰুষ পণ্ডিত পানীন্দ্ৰ নাথৰ জন্ম হৈছিল ১৮৭১ চনৰ আঘোন মাহত, উত্তৰ লক্ষীমপুৰ মহকুমাৰ চেতীয়া গাৱঁত। তেওঁ সৰুতে বৰ হোজা আৰু শান্ত স্বভাৱৰ ল'ৰা আছিল বাবে গাঁৱৰ বুঢ়া-বুঢ়ী, ডেকা গাভৰু আৰু বোৱাৰী জীয়ৰী আটায়ে তেওঁক মৰম কৰিছিল। ১৮৭৯ চনত তেওঁ বিখ্যাত সাহিত্যিক পদ্মনাথ গোহাঞিঃ বৰুৱাৰ লগত উত্তৰ লক্ষীমপুৰৰ চহৰীয়া পঢ়াশালিত নাম লগায়। সেই সময়ত শিক্ষাৰ মাধ্যম আছিল বঙলা ভাষা। লক্ষীমপুৰতেই তেওঁ মধ্য বঙ্গ বিদ্যালয়ৰ শিক্ষা সাং কৰি গুৱাহাটীৰ নৰ্মাল স্কুলত ভৰ্তি হয়গৈ। তাত তেওঁ তিনিবছৰ পঢ়ি তৃতীয় বাৰ্ষিক মহলাত বৰ সুখ্যাতিৰে উত্তীৰ্ণ হৈ দেশীভাষাৰ (বঙালী) উচ্চ শিক্ষা সাং কৰে।

উচ্চ শিক্ষা সাং কৰাৰ পাছত গগৈ দেৱৰ কৰ্মজীৱন আৰম্ভ হয়। তেওঁ পোন প্ৰথমে ঢকুৱাখনাৰ গৱৰ্ণমেণ্ট মধ্য বঙলা ছাত্ৰ বৃত্তি স্কুলত ১০ টকীয়া দৰ্মহাত দ্বিতীয় শিক্ষকৰ পদত সোমায়। ঢকুৱাখনাত বছৰচেৰেক কাম কৰাৰ পিছত তেওঁ উত্তৰ লক্ষীমপুৰ মজলীয়া ইংৰাজী স্কুলৰ হেড পণ্ডিতৰ পদত নিযুক্ত হয়। এই পদত নিযুক্তি পোৱাৰ পাছত তেওঁ সাহিত্য চৰ্চাত একাণপতীয়াকৈ লাগি যায়। সেই ছেগতে তেওঁ কেইবাটাও গহীন, সাৰুৱা অথচ চুটী প্ৰবন্ধ প্ৰকাশ কৰে। জোনাকী আৰু বিজুলিত প্ৰকাশিত গগৈদেৱৰ "আমাৰ উন্নতি নে অৱনতি", "তেন্তেনো উপায় কি", প্ৰভৃতিৰ দৰে গদ্য ৰচনাৰ শাৰীত থিয় দিব পৰা প্ৰবন্ধ অতি বিৰল। তেওঁৰ ৰচিত 'উটঙ্গনি' শীৰ্ষক পদ্যটিয়ে নিৰ্জীৱ অসমীয়া জাতিৰ প্ৰাণত আজিও সঞ্জীৱণী শক্তি সঞ্চাৰ কৰে। ১৮৯১ চনত সেই সময়ৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ মি. জে. ইউলচন চাহাবৰ পৰামৰ্শ মতে গগৈদেৱে মজলীয়া ছাত্ৰ বৃত্তি মহলাৰ বাবে অসমীয়া মাধ্যমত পাঠ্যপুথি ৰচনা কৰিবলৈ ভাৰ লয়। এই গুৰু দায়িত্ব তেওঁ অতি নিষ্ঠাৰে পালন কৰি লিখি উলিয়ালে 'ল'ৰাশিক্ষা' শীৰ্ষক এখন পাঠ্যপুথি। এই 'ল'ৰাশিক্ষা'ৰ ওপৰত মন্তব্য দিবলৈ গলে; পানীন্দ্ৰনাথ গগৈৰ 'ল'ৰাশিক্ষা'ৰ লগত ফেৰ মাৰিব পৰা অসমীয়া আদি পুথি আজিলৈকে ওলোৱা নাই। শুৱলা, নিভাঁজ অসমীয়া ভাষাত লিখা 'ল'ৰাশিক্ষা' পুথি তিনিছোৱাই গগৈদেৱক অমৰ কৰি ৰাখিছে। তদুপৰি তেওঁ 'অসমীয়া ল'ৰাৰ ভূগোল' 'ধাৰাপাত' গণনাৰ পুথি ইত্যাদি পাঠ্য-পুথি প্ৰণয়ন কৰিছিল।


পানীন্দ্ৰনাথ গগৈৰ সাহিত্যক প্ৰতিভা অতি বিচক্ষণীয় আছিল। তেওঁৰ ভাৱ মধুৰ আৰু গধুৰ; ভাষা নিভাঁজ আৰু প্ৰাঞ্জল; ব্যাখ্যা সৰল আৰু সুগম, শব্দ যোজনা নিভাঁজ অসমীয়া, লিখা প্ৰণালী বিতোপন। ব্যক্তিত্বৰ ফালৰ পৰা গগৈদেৱ অতি ধীৰ, শান্ত আৰু নম্ৰ পুৰুষ আছিল। সেই গুণৰ গৰিমাই তেওঁ সৰু বৰ সকলোৰে ওচৰত শ্ৰদ্ধা, স্নেহ আৰু আদৰৰ পাত্ৰ হ'ব পাৰিছিল। পানীন্দ্ৰ নাথ বাস্তৱতে, এজন নীৰৱ কৰ্মী আছিল। তেওঁ সততে কথাতকৈ কামত আগবাঢ়ে। ন্যায়পৰায়ণতা গুণ আন সকলো গুণৰ ওপৰত আছিল। অসমীয়া ভাষাৰ নীৰৱ সাধক এইজনা পণ্ডিত ১৯০০ চনৰ আঘোন মাহত পৰলোকগামী হয়। ˚ পানীন্দ্ৰ নাথ গগৈৰ আকস্মিক বিয়োগত অসমীয়া ভাষা আৰু সাহিত্যৰ মহৎ ক্ষতি হ'ল। এইজনা মহান ব্যক্তিৰ সাহিত্যকৃতি আৰু ব্যক্তিত্ব আনৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰব।

কবিতা

# কবিতা, কৰবী..........ইত্যাদি


**বিনোদ বৰুৱা**
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)
ইউ-টু-পিয়া, দ্বিতীয় বছৰ প্ৰথম সংখ্যা


*তোমালোকে*
*সূৰ্য্যোদয়ক ভাল পাবলৈ শিকিলা।*
*কেৱল সূৰ্য্যাস্তত টুকিবলৈ শিকিলা অশ্ৰু।*
*চৰাই হালধীয়া আবেলি*
*হহিতাল বুলোৱা পুৱাৰ*
*কেৱল শিকিলা*
*হিচাপ কৰিবলৈ.......*
*পোৱা-নোপোৱা।*
*জুইত চকুৰে*
*জীয়াই থকা মানুহৰ*
*জীৱন সংগ্ৰাম*
*আজন্ম প্ৰেম*
*অথবা*
*তেজ পলসুৱা সেউজীয়া পৃথিৱী*
*এইবোৰ একোৱেই নিশিকিলা.........।*
*.............আৰু বিপ্লৱৰে বা সংজ্ঞা কি?*



# হালধীয়া


**শ্ৰীহৰেশ বোৰা**
উ. মা. ১ম বৰ্ষ (বিজ্ঞান)
ইউ-টু-পিয়া, দ্বিতীয় বছৰ ২য় সংখ্যা



মই
আৰু কোনো নাই
জোনটোৰে চুকি পোৱাকৈ
গা এৰিলো
সেউজ ঘাঁহনিত
দুহাতত কেইটিমান দিঠকৰ সপোন
সপোনবোৰ লাহে লাহে
মাটিত চুমুক দিছে

তুমি
তেতিয়া কাষে কাষে
সপোনবোৰ পাখি গজি
আকাশত জোনৰ সতে
তৰা হৈ ফুলিছে
(তুমি, মই সেউজীয়া হ'লো)

দুয়ো দুয়োকে সাৱতিছো
আকাশ চুকি পোৱাকৈ
যেনে তেনে এবাৰ
যেনে তেনে এবাৰ
(সপোনবোৰ হেৰোৱাৰ আগতে)

ডেৰকালগা ঘোঁৰাত উঠি
তুমি গুছি গ'লা
আন্ধাৰৰ পৰা আন্ধাৰলৈ
গভীৰৰ পৰা গভীৰতালৈ
হয়তো কোনো কালেই বিচাৰি নোপোৱা
তোমাৰ মুখনি হালধীয়া হ'ল

মই
আৰু কোনো নাই
(কাষত কোনোবা থাকিব
তাৰো আশা নাই)
আপাততঃ সকলোবিলাক হালধীয়া




# প্ৰতীক্ষা


ৰিজু চুতীয়া
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)


ইউ-টু-পিয়া ২য় বছৰৰ ১ম সংখ্যা


তুমি আহিছিলা এদিন
জোনাক ধৰালৈ নামৰ
নিৰিবিলি পৰত
যৌৱনৰ উন্মাদনাত
খুলি দিলো
সংগোপনে
হৃদয়ৰ নিভাঁজ কোঠৰি।
তোমাৰ স্পন্দিত ধমনীৰ মৃদু শিহৰণে
সিঁচি দিলে হৃদয় চৌপাশত মোৰ
নিবিড়তাৰ সজীৱ এটি ফুল
এনেকৈয়ে
এটি শীতমগ্ন জোনাক ৰাতিত
আঁকি ল'লো হৃদয়ত.
তেজৰ এটি সতেজ ঠিকনা

এতিয়া......................
আশাৰ সেউজ বাটেৰে
তুমি অহাৰ স্বপ্ন দেখো
তুমিতো এদিন আহিবাই...... ।



*অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা*

# 'উৰ্ণনাভ'


**সম্পাদনা সমিতি**

তত্বাৱধায়ক ঃ বীৰেন দত্ত,
মুৰব্বী অধ্যাপক অৰ্থনীতি বিভাগ।

উপদেষ্টা ঃ ড° গিৰিণ গগৈ
ভোলানাথ শৰ্মা
অনিমা দত্ত

সদস্য/সদস্যা ঃ ৰাজীৱ চুতীয়া
অজিত শৰ্মা
নিতুল দুৱৰা
মিনতি কোঁছ
লিচামণি বৰুৱা

সম্পাদনা ঃ বৈকুণ্ঠ কোঁছ

অনুলিখা ঃ মিনতি কোঁছ
জ্যোতি গগৈ

বেটুপাত ঃ অপু

স্কেচ্‌ ঃ অৰবিন্দ

অংগসজ্জা ঃ অপু


প্ৰবন্ধ

## "ভাৰতীয় কৰ প্ৰথাৰ এটি সমীক্ষা"


শ্ৰীভোলা নাথ শৰ্মা
প্ৰৱক্তা অৰ্থনীতি বিভাগ


ব্যক্তিগত ভাবে কোনো প্ৰতিদানৰ আশা নকৰাকৈ জনসাধাৰণে বাধ্যতামূলক ভাবে যি পৰিমাণ ধনৰাশি চৰকাৰক দিয়ে তাক চমুকৈ কৰ বোলে। প্ৰত্যক্ষ আৰু পৰোক্ষ এই দুই প্ৰকাৰে কৰ ভগোৱা হয়।

যি কৰ ব্যৱস্থাত কৰৰ ভাৰ বা বোজা পৰিবৰ্তন কৰিব নোৱাৰি অৰ্থাৎ যাৰ ওপৰত কৰ ধাৰ্য্য কৰা হয় তেওঁৱেই বহন কৰিব লাগে তাকে প্ৰত্যক্ষ কৰ বোলে। যেনেঃ— ব্যক্তিগত আয় কৰ। অন্যহাতে, যিবিলাক কৰৰ ভাৰ এজনৰ গাৰ পৰা আন এজনৰ গালৈ পৰিবৰ্তন বা ঠেলি পঠোৱা হয় তাকে পৰোক্ষ কৰ বোলা হয়। বিক্ৰীকৰ, সীমা শুল্ক এনে বিধৰ কৰ।

ভাৰতীয় কৰ ব্যৱস্থাত প্ৰত্যক্ষ কৰতকৈ পৰোক্ষ কৰৰ ভূমিকা বেছি। মুঠ কৰ ৰাজহৰ প্ৰায় ১৫% প্ৰত্যক্ষ আৰু ৮৫% পৰোক্ষ কৰৰ অৱিহণা।

প্ৰত্যক্ষ কৰৰ জৰিয়তে ৰাষ্ট্ৰীয় আয়ৰ মাত্ৰ ২.৬% ৰাজহ সংগ্ৰহ কৰা হয়। ইয়াৰ বিপৰীতে ৰাষ্ট্ৰীয় আয়ৰ ১৬.২% পৰোক্ষ কৰৰ সহায়ত সংগ্ৰহ কৰা হয়।

আমি ভাৰতীয় কৰ ব্যৱস্থা পৰম্পৰাগতভাৱে উপলব্ধি কৰি অহা ত্ৰুটি বিলাকহে আঙুলিয়াই দিছো।

ভাৰতীয় কৰ ব্যৱস্থা অবৈজ্ঞানিক বুলি কব পাৰি। দৰিদ্ৰ জনসাধাৰণে পৰিশোধ কৰা কৰগুলিৰ ওপৰত মুষ্টিমেয় লোকে অধিক সুবিধা পোৱা ব্যৱস্থাই এনে মন্তব্য সত্যতা প্ৰমাণ কৰে। বিক্ৰীকৰৰ দৰে অধোমুখী কৰ আৰু ব্যক্তিগত আয়কৰ আমাৰ কৰ ব্যৱস্থাত কেনে বৈষম্য সৃষ্টি কৰিছে অনায়াসে উপলব্ধি কৰিব পাৰি।

এই কৰ ব্যৱস্থা প্ৰাচীন প্ৰকৃতি। কৃষক,ক্ষুদ্ৰ খেতিয়ক, ক্ষুদ্ৰ দোকানী, ব্যৱসায়ী সামান্য মাটিৰ মালিকসকল অধিক কৰ বহন কৰিছে অথচ দেশৰ ৫% লোকে দেশৰ মুঠ অৰ্থনীতি নিয়ন্ত্ৰণ কৰি আছে। ভাৰতৰ কুৰিটা উদ্যোগ উদ্যোগপতিৰ কবলত পৰিছে। উদ্যোগ জগতৰ কেইটামান পৰিয়ালে গঢ়ি তোলা কথাটোৰ নিশ্চয় ভাৰতৰ পুঁজিবাদ চৰিত্ৰ উদঙাই দিছে।

আমাৰ কৰ ব্যৱস্থাটোত ক্ৰমহ্ৰাসমান বৈশিষ্ট্য আছে। একে আয় বিশিষ্ট নাগৰীকৰ ওপৰত কৰৰ বোজা বেলেগ হোৱা প্ৰমাণ স্পষ্ট। তদুপৰি কৰ বিশেষকৈ কৃষিজাত উপাৰ্জনৰ পৰা আজি পৰিমিত বাদ পৰি আছে। প্ৰত্যক্ষ কৰ ৰাজহ অপ্ৰচুৰ। অন্যহাতে পৰোক্ষ কৰৰ সংগ্ৰহ পৰিমাণো যথেষ্ট নোহোৱাত ঘাই বিত্ত সৃষ্টি হৈ অৰ্থনীতিত বিপদ সূচাইছে। মাটি বিত্ত পৰিমাণ প্ৰতিখন বাজেটত বৃদ্ধি পাই আহিছে। মুদ্ৰাস্ফীতিৰ দৰে সমস্যা আৰু আয়ৰ বৈষম্যতা সৃষ্টি কৰাত অৱিহণা যোগাইছে।

কৰৰ বোজা অসমবিতৰণতো উল্লেখ কৰিব পাৰি। কৰ ফাঁকি আমাৰ দেশত বেছি। এনে দৰে কৰ গাঁঠনিটো দুৰ্বল কৰি অৰ্থনীতিত ক'লা ধন সৃষ্টি কৰিছে। এই কলা ধনৰ পৰিমাণ ঠিৱাং কৰিব নোৱাৰিলেও ইয়াৰ পৰিমাণ ১৫০০ কোটি টকা কম নহ'ব বুলি অনুমান কৰা হৈছে। এই কলা টকাহে দেশত সমান্তৰাল অৰ্থনীতি গঢ়ি তুলিছে।

দেশৰ সকলো নাগৰিকক সচেতন কৰি অৰ্থনীতি গঢ়ি তুলিবলৈ যে অৰ্থৰ প্ৰয়োজন তাক জনসাধাৰণেই সংগ্ৰহ কৰিব লাগিব। কৰ ব্যৱস্থাই সকলো নাগৰিকক সাঙুৰি দেশৰ অৰ্থনীতি গঢ়ি তুলিবলৈ আহ্বান কৰিব লাগে। চৰকাৰ আৰু ব্যক্তিগত পৃথকভাৱে নাভাবি জনসাধাৰণৰ চৰকাৰ জনসাধাৰণে গঢ়ি তোলা ভাৱধাৰা কৰ ব্যৱস্থাই প্ৰতিফলিত কৰিব লাগে।

প্ৰবন্ধ

# "ভাৰতীয় কৰ প্ৰথাৰ এটি সমীক্ষা"

শ্ৰীভোলা নাথ শৰ্মা
প্ৰবক্তা অৰ্থনীতি বিভাগ

ব্যক্তিগতভাৱে কোনো প্ৰতিদানৰ আশা নকৰাকৈ জনসাধাৰণে বাধ্যতামূলক ভাৱে যি পৰিমাণ ধনগুণি আগবঢ়ায় তাক চমুকৈ কৰ বোলে। প্ৰত্যক্ষ আৰু পৰোক্ষ এই দুই প্ৰকাৰে কৰ ভগোৱা হয়।

যি কৰ ব্যৱস্থাত কৰৰ ভাৰ বা বোজা পৰিবৰ্তন কৰিব নোৱাৰি অৰ্থাৎ যাৰ ওপৰত কৰ ধাৰ্য্য কৰা হয় তেওঁৱেই বহন কৰিব লাগে তাকে প্ৰত্যক্ষ কৰ বোলে। যেনেঃ— ব্যক্তিগত আয় কৰ। অন্যহাতে, যিবিলাক কৰৰ ভাৰ এজনৰ পৰা আন এজনৰ গালৈ পৰিবৰ্তন বা ঠেলি পঠোৱা হয় তাকে পৰোক্ষ কৰ বোলা হয়। বিক্ৰীকৰ, সীমা শুল্ক এনে বিধৰ কৰ।

ভাৰতীয় কৰ ব্যৱস্থাত প্ৰত্যক্ষ কৰতকৈ পৰোক্ষ কৰৰ ভূমিকা বেছি। মুঠ কৰ ৰাজহৰ প্ৰায় ১৫% প্ৰত্যক্ষ আৰু ৮৫% পৰোক্ষ কৰৰ অৰিহণা।

প্ৰত্যক্ষ কৰৰ জৰিয়তে ৰাষ্ট্ৰীয় আয়ৰ মাত্ৰ ২.৬% ৰাজহ সংগ্ৰহ কৰা হয়। ইয়াৰ বিপৰীতে ৰাষ্ট্ৰীয় আয়ৰ ১৩.২% পৰোক্ষ কৰৰ সহায়ত সংগ্ৰহ কৰা হয়।

আমি ভাৰতীয় কৰ ব্যৱস্থা পৰম্পৰাগতভাৱে উপলব্ধি কৰি তাৰ ত্ৰুটি বিলাকহে আঙুলিয়াই দিছো।

ভাৰতীয় কৰ ব্যৱস্থা অবৈজ্ঞানিক বুলি কব পাৰি। দৰিদ্ৰ জনসাধাৰণে পৰিশোধ কৰা কৰগুণিৰ ওপৰত মুষ্টিমেয় লোকে অধিক সুবিধা পোৱা ব্যৱস্থাই এনে মন্তব্য সত্যতা প্ৰমাণ কৰে। বিক্ৰীকৰৰ দৰে অধোমুখী কৰ আৰু ব্যক্তিগত আয়কৰ আমাৰ কৰ ব্যৱস্থাত কেনে বৈষম্য সৃষ্টি কৰিছে অনায়াসে উপলব্ধি কৰিব পাৰি।

এই কৰ ব্যৱস্থা প্ৰাচীন প্ৰকৃতি। কৃষক, ক্ষুদ্ৰ খেতিয়ক, ক্ষুদ্ৰ দোকানী, ব্যৱসায়ী সামান্য মাটিৰ মালিকসকল অধিক কৰ বহন কৰিছে অথচ দেশৰ ৫% লোকে দেশৰ মুঠ অৰ্থনীতি নিয়ন্ত্ৰণ কৰি আছে। ভাৰতৰ কুৰিটা উদ্যোগ উদ্যোগপতিৰ কবলত পৰিছে। উদ্যোগ জগতৰ কেইটামান পৰিয়ালে গঢ়ি তোলা কথাটোৱে নিশ্চয় ভাৰতৰ পুঁজিবাদ চৰিত্ৰ উদঙাই দিছে।

আমাৰ কৰ ব্যৱস্থাটোত ক্ৰমহ্ৰাসমান বৈশিষ্ট্য আছে। একে আয় বিশিষ্ট নাগৰীকৰ ওপৰত কৰৰ বোজা বেলেগ হোৱা প্ৰমাণ স্পষ্ট। তদুপৰি কৰ বিশেষকৈ কৃষিজাত উপাৰ্জনৰ পৰা আজি পৰিমিত বাদ পৰি আছে। প্ৰত্যক্ষ কৰ ৰাজহ অপ্ৰচুৰ। অন্যহাতে পৰোক্ষ কৰৰ সংগ্ৰহ পৰিমাণো যথেষ্ট নোহোৱাত ঘাই বিত্ত সৃষ্টি হৈ অৰ্থনীতিত বিপদ সূচাইছে। মাটি বিত্ত পৰিমাণ প্ৰতিখন বাজেটত বৃদ্ধি পাই আহিছে। মুদ্ৰাস্ফীতিৰ দৰে সমস্যা আৰু আয়ৰ বৈষম্যতা সৃষ্টি কৰাত অৰিহণা যোগাইছে।

কৰৰ বোজা অসমবিতৰণতো উল্লেখ কৰিব পাৰি। কৰ ফাঁকি আমাৰ দেশত বছি। এনে দৰে কৰ গাঁঠনিটো দুৰ্বল কৰি অৰ্থনীতিত ক'লা ধন সৃষ্টি কৰিছে। এই কলা ধনৰ পৰিমাণ ঠিবাং কৰিব নোৱাৰিলেও ইয়াৰ পৰিমাণ ১৫০০ কোটি টকা কম নহ'ব বুলি অনুমান কৰা হৈছে। এই কলা টকাহে দেশত সমান্তৰাল অৰ্থনীতি গঢ়ি তুলিছে।

দেশৰ সকলো নাগৰিকক সচেতন কৰি অৰ্থনীতি গঢ়ি তুলিবলৈ যে অৰ্থৰ প্ৰয়োজন তাক জনসাধাৰণেই সংগ্ৰহ কৰিব ... নাগৰিকক ... ভাঙুৰি দেশৰ অৰ্থনীতি ...

# "অসমৰ তৈলক্ষেত্ৰ আৰু অৱস্থিতি"

শ্ৰীবৈকুণ্ঠ কোঁচ
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

তৈল সম্পদ প্ৰকৃতিপ্ৰদত্ত খনিজ সম্পদ। প্ৰকৃতিপ্ৰদত্ত এই খনিজ সম্পদটিৰ ভাণ্ডাৰ অসীম নহয়। ইতিমধ্যে ইয়াৰ বিকল্প ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পৰা উৎস বিচাৰি বিজ্ঞানীসকল চিন্তান্বিত হৈ পৰিছে। কাৰণ আৰু দুটা দশকৰ পাছতে সমগ্ৰ তেল ভাণ্ডাৰসমূহ শেষ হৈ যাব পাৰে। ইয়াৰ এক সহজলভ্য বিকল্প ইন্ধনৰ সন্ধান দিব পৰাজন সমগ্ৰ মানৱ জাতিৰ বাবে ত্ৰাণকৰ্তাৰূপে পৰিগণিত হ'ব। এনে এক পৰিস্থিতিৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰি বমন পিল্লাইৰ দৰে মানুহ দুদিনৰ বাবে হ'লেও বাতৰিৰ শিৰোনামা, দখল কৰাৰ সক্ষমতা লাভ কৰে। এই সম্পৰ্কত "অসমত খনিজ তেল উদ্‌ঘাটনৰ অগ্ৰগতি" সম্পৰ্কে কিছুমান তথ্য দাঙি ধৰা হ'ল।

উজনি অসমৰ ডিগবৈ অঞ্চলত ১৮৮৯ চনতে খাৰুৱা তেলৰ উৎপাদন হয়। ভাৰত স্বাধীন হোৱাৰ পাছত ১৯৫৩ চনত Oil India ltd এ আৰু ১৯৫৭ চনত তেল আৰু প্ৰাকৃতিক গেছ আয়োগে উজনি অসমত খাৰুৱা তেল আৰু গেছৰ অনুসন্ধান আৰু খনন কাৰ্য্য আৰম্ভ কৰে। এতিয়ালৈকে Oil India ltd এ নাহৰকটীয়া, মৰাণ, বৰডুবি, টেঙাখাট ঘোৰাজান, টিংখং, জয়পুৰ, কঠালনি, মধুটিং, কঠালগুৰি, ডুলিয়াজান আৰু ডিকমত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ সন্ধান পাইছে। আনহাতে তেল আৰু প্ৰাকৃতিক গেছ আয়োগে গেলেকী, ৰুদ্ৰসাগৰ, লাচুৱা, বৰহোলা, চাংসাই সোণাৰী, সৰাঘাট, লাখমণি, ছেমুলগাওঁ, আমগুৰি, চাৰিআলি, গাওঁ আৰু নামতিত খাৰুৱা তেলৰ ডাঙৰ আৱিষ্কাৰ কৰিছে।

১৮৮৯ চনত আৱিষ্কাৰ কৰা তিনিচুকীয়া জিলাৰ ডিগবৈ তৈলক্ষেত্ৰখন ভাৰতৰ আটাইতকৈ পুৰণি আৰু বৰ্তমানলৈকে কম পৰিমাণে হ'লেও উৎপাদন কৰি থকা তৈলক্ষেত্ৰ। এই তৈলক্ষেত্ৰত ১০০১ টা তেলকূপ (Oil well) খনন কৰা হৈছে। ইয়াত কম গভীৰতাত থকা টাৰছিয়াৰি যুগৰ টিপাম বালিশিলৰ এটা পাতল স্তৰৰ পৰা খাৰুৱা তেল উদ্‌ঘাটন কৰি থকা হৈছে।

১৯৫৩ চনত আৱিষ্কাৰ কৰা "নাহৰকটীয়া" তৈলক্ষেত্ৰৰ পৰা ভূ-পৃষ্ঠৰ ৩০০ মিটাৰ গভীৰতাত থকা বৰাইল বালি শিলৰ স্তৰৰ পৰা খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদন কৰা হৈছে।

১৯৫৪ চনত আৱিষ্কাৰ কৰা "ৰুদ্ৰসাগৰ" তৈলক্ষেত্ৰ অসম অয়ল কোম্পানীয়ে শিৱসাগৰত আৱিষ্কাৰ কৰে। ইয়াত ৩৮০০ মিটাৰৰ অধিক গভীৰতাত থকা টিপাম আৰু বৰাইল বালি শিলৰ স্তৰৰ পৰা খাৰুৱা তেল উৎপাদন কৰা হৈছে।

"মৰান" তৈলক্ষেত্ৰখন তিনিচুকীয়া জিলাৰ ১৯৫৬ চনত আৱিষ্কাৰ কৰে। ইয়াৰ পৰা তেল আৰু প্ৰাকৃতিক গেছ দুয়োটা উৎপাদন কৰা হয়। ই

১৯৫৭ চনত "গেলেকী" তৈলক্ষেত্ৰখন আৱিষ্কাৰ কৰা হয়। ই শিৱসাগৰ জিলাৰ ১৮ কিঃ মিঃ দক্ষিণ পূৱে অৱস্থিত। ইয়াত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ ৩৫০০ মিটাৰতকৈ অধিক গভীৰতাৰ পৰা উৎপাদন কৰা ... আয়োগে কাছাৰ জিলাৰ বিভিন্ন ঠাইত তেল আৰু গেছৰ অনুসন্ধান কৰে। এতিয়ালৈকে কাছাৰ জিলাত "আদমটিলা", "ধনহৰি", "পঞ্চগ্ৰাম", "মকিমপুৰ" আৰু "বছৰপুৰত" খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ সন্ধান পোৱা গৈছে।

১৯৮৩ চনত "বৰহোলা" তৈলক্ষেত্ৰ আৱিষ্কাৰ হয় যোৰহাট জিলাৰ পৰা ৩০ কিঃ মিঃ দক্ষিণ-পশ্চিমত। ইয়াত খাৰুৱা তেল আৰু গেছ টিপাম, বৰাইল আৰু চিলেট চুনশিলৰ মাজত থকা বালিস্তৰবিলাকত আৰু তাৰ তলত থকা ভগা-ছিগা গ্ৰেনাইট শিলাস্তৰৰ মাজত পোৱা গৈছে। ভূতাত্বিক দিশৰ পৰাই এখন বৃহৎ তৈলক্ষেত্ৰ।

"নাহৰকটীয়া" আৰু "মৰান" তৈলক্ষেত্ৰৰ ওচৰতে আন এখন তৈলক্ষেত্ৰৰ আৱিষ্কাৰ ১৯৮৫ চনত কৰা হয়। ইয়াৰ তেল উৎপাদন কৰা বৰাই বালিশিলৰ স্তৰটো ২৬ মিটাৰ ডাঠ। ইয়াত খনন কৰা প্ৰথম কুপটোৰ পৰা (Oil well) দিনে ৩১৫ বেৰেল (১ বেৰেল = ১৯৫.৬৫ লি. ৩১৫ বেৰেল = ৬১৬২৯.৭৫ লি.) খাৰুৱা তেল উৎপাদন কৰা হৈছে। ইয়াৰ উপৰিও ১৯৮৫ চনত টিংখং তৈলক্ষেত্ৰ আৱিষ্কাৰ কৰা হয়। এই তৈলক্ষেত্ৰৰ মুঠ ভাণ্ডাৰৰ পৰিমাণ প্ৰায় ৬ নিযুট টন।

১৯৮৬ চনত আৱিষ্কাৰ কৰা "পঞ্চগ্ৰাম" তৈলক্ষেত্ৰত ১৯৯০ চনলৈকে ৩৯ টা কুপ (Well) খনন কৰা হয় যদিও এতিয়ালৈকে এই তৈলক্ষেত্ৰত বাণিজ্যিকভাৱে সফল হ'ব পৰা নাই।

১৯৮৯ চনত গোলাঘাট জিলাৰ ধনশিৰি উপত্যকাৰ "মাৰঘাট" তৈলক্ষেত্ৰ আৱিষ্কাৰ হয়। ইয়াত নামাচাং, টিপাম, বৰাইল আৰু চিনেট চুনশিল সংঘৰ মাজত খাৰুৱা তেল পোৱা গৈছে। ইয়াৰ পৰা দিনে ৪৫০ বেৰেল অৰ্থাৎ ৪৪০৪২৫০ লিটাৰ খাৰুৱা তেল পোৱা গৈছে। ইয়াৰ মাটিকালি ১০০ বৰ্গ কিলোমিটাৰ প্ৰায়।

ইয়াৰ উপৰিও ১৯৮৯ চনত আৱিষ্কাৰ কৰা "সোণাৰী" তৈলক্ষেত্ৰ, ১৯৯১ চনত "কঠালনি" আৰু "ভিকম" তৈলক্ষেত্ৰৰ পৰা যথেষ্ট পৰিমাণে খাৰুৱা তেল উৎপাদন কৰি আহিছে।

উল্লেখিত তৈলক্ষেত্ৰসমূহৰ উপৰিও অয়ল ইণ্ডিয়া লিমিটেড, কঠালগুৰি, বৰডুবি, মধুটিং, ডুলিয়াজান আৰু টেঙাখাটৰ তৈলক্ষেত্ৰৰ পৰা খাৰুৱা তেল আৰু গেছ উৎপাদন কৰি আহিছে। ইয়াৰ উপৰিও বৰ্ত্তমান তেল আৰু প্ৰাকৃতিক গেছ আয়োগে আবিষ্কাৰ কৰা লক্ষীমপুৰ জিলাৰ বিহপুৰিয়াত আৰু ঢকুৱাখনা মহকুমাত দুটা তৈলক্ষেত্ৰ আৱিষ্কাৰ কৰিছে। বৰ্ত্তমান বিহপুৰীয়াত আৱস্থিত তৈলক্ষেত্ৰত প্ৰথমটো Oil well স্থাপন কৰিছে যদিও ই সম্পূৰ্ণ হৈ উঠা নাই।

এক সমীক্ষামতে অসমে বছৰি ৬ নিযুট টন খাৰুৱা তেল উৎপাদন কৰি আছে। ১৯৮৮ চনলৈকে অসমে উৎপাদন কৰিব পৰা খাৰুৱা তেলৰ পৰিমাণ আছিল ৮৩৬.৬৭ নিযুত টন। ১৯৯২ চনৰ পৰা অসমে প্ৰতিটন খাৰুৱা তেলৰ বাবে ৫২৮ টকা ৰয়েলটি হিচাপে পাই আহিছে। নতুনকৈ আৱিষ্কাৰ হোৱা কেইবাখনো তৈলক্ষেত্ৰলৈ চাই এই অঞ্চলত খাৰুৱা তেলৰ উৎপাদনৰ পৰিমাণ বৃদ্ধি হোৱাৰ আশা কৰিব পাৰি। *(সহায়লৈ)*





## পলাশৰ হাতত

**জয়ন্ত কুমাৰ গগৈ**
স্নাতক চূড়ান্ত বৰ্ষ

কবিতা
কঠিন সময়ৰ কষটিশিলত খোদিত
জীৱনৰ এক বিৰল ভাষ্য
অনুভৱৰ হিমাদ্ৰি
উমবলি তেজৰ প্ৰতিবাদী স্বৰ
ডোখৰ ডোখৰ সপোনৰ মিছিল
কবিতা—
হৃদয়ৰ তৰাং নদীত ভাস্বিত
দুঃখৰ কাঁচি-জোন
শব্দৰ কুহক
বাৰুদে জীৱন খেলা কৰা
শ্বাপহঁতৰ বুকুৰ বিদীৰ্ন কৰা
ব্যাধৰ কাঁড়
কৰিতা
অমানিশা জোন
নিত্যে-নৱ শব্দৰ সাজোন-কাচোঁন

(প্ৰথম বছৰ, ১ম সংখ্যা)



## আধা ডজন লিমাৰিক

শ্ৰীৰাজীৱ চুতী
অৰ্থনীতি বিভা

(১)
উগ্ৰপন্থী সন্ত্ৰাসবাদীয়ে সোণৰ অসম
এফালৰ পৰা কৰিছে জখম।
হিংসা-সন্ত্ৰাস, লুণ্ঠনেৰে
বৰ্বৰ-নিষ্ঠুৰতাৰে
অসমক কৰিব ধৰিছে খতম।

(২)
অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্ত
কেলেংকাৰীৰ নাই কোনো অন্ত।
এল. অ. চি.ত ফচিল
মুখ্য খুলিল
কেনেকৈ সাৰিব পাৰি তাৰে বিচাৰিছে মন্ত্ৰ।

(৩)
১৭ মাৰ্চত অসমত হ'ব ইলেকচন
কোন সমষ্টিত কোন হ'ব চিলেকচন।
তাকে লৈ ব্যতিব্যস্ত
ঘটিৰাম-বাতিৰাম হৈছে ভাস্ত
কেলেংকাৰীৰ নাই কোনো ডেফিনিছন।

(৪)
অগ্ৰদূতৰ সম্পাদক কনকসেন ডেকা
কিয় বা লিখে বৰকৈ তেজা।
মৰনলৈ নাই ভয়
সত্যবোৰ কিযে দুৰ্গন্ধময়
মিছাৰ আশ্ৰয়ত কেতিয়াও নলব ভেজা।

(৫)
অসমত প্ৰতিবছৰে বানপানী হয়
বিষয়া কৰ্মচাৰীৰ পকেট গৰম হয়।
ৰাস্তা-ঘাটৰ অচলাৱস্থা
হয় সকলোৰে দুৰৱস্থা
অসম চৰকাৰৰ আকৌ নিৰ্বাচনী ইচ্ছা হয়।

(৬)
উজনি অসমৰ ঢকুৱাখনা কলেজ
ষ্টুডেণ্টৰ আছে সীমাহীন ন'লেজ।
ইলেকচন আহে
মাৰ-পিট লাগে
প্ৰতিদ্বন্দী সকলৰ মাজত কিমান যে আখেজ।

(ওপৰত উল্লেখিত ব্যক্তিকেইজনলৈ ক্ষমা প্ৰাৰ্থনা)

# ENGLISH SECTION

# Vowels in British received pronunciation and in general Indian English.

**Jamini kumar Saikia**
Lecturer, Department of English

Language is a system of communication through speech and written language is an attempt to represent the spoken language by visual symbols. Spoken language consists of successions of sounds emitted by the organs of speech, together with certain attributes. These successions of sounds are composed of :

(i) Speech sounds proper and (ii) Glides

Speech sounds are certain acoustic (of sound or the sense of hearing) effects voluntarily produced by the organs of speech; they are the result of definite actions performed by these organs. A glide is the incidental transitory sound produced when the organs of speech are passing from the position of one speech sound to that of another.

Every speech-sound can be classified as vowels and consonants. A vowel is a sound, in forming which the vocal cords are kept loosely together for vibration, the air issues in a continuous stream through the pharynx and mouth, there being no obstruction and no narrowing such as would cause audible friction. All other sounds are called consonants.

English is an unofficially accepted language for communication in international level. English is spoken as a first language in several countries like England, America, Canada, Australia, Newzeland and south africa in the world. English used as second language in other countries is different from the language of the native speakers. The difference is mainly in the area of pronunciation.

In the British Isles, there are a number of varieties of English. The English spoken in England is markedly different from the English spoken in scotland. Even within England, there are a number of regional dialects of English. The London English language differs from the English language of Yorkshire. So, we have to choose any of these varieties as a model to follow. The dialect called educated Southern British English is used as model. It is known as Received pronunciation (R.P). The word received (meaning socially acceptable) shows that this is a social rather than a regional dialect. It is a dialect of English spoken by educated southern Britishers. Very few people in England speak this dialect, nodoubt, but a good amount of work has been done on this dialect by native speakers of the dialect.

English is the second language in India. Most educated Indians who speak English, donot learn it from an R. P. Speaker. Most Indians who learn English learn their own Indian language before they exposed to English. They have in them very strongly formed linguistic habits when they attempt to learn English and these linguistic habits are bound to interfere with their learning English. The phonological system of the mother-tongue will have an influence on the phonology of their English. As there are several languages spoken in India, there cannot be something called Indian English in the same sense as French English or German English. Indeed, there are several varieties of English spoken in India, each variety being strongly coloured by the mother tongue of the speakers. No doubt, if we analyse some varieties of Indian English, we shall find certain common phonological features. If we put the common phonological features of several varieties of Indian English together and remove from each variety certain gross regional features, a variety of English will emerge which can be called General Indian English (G. I. E). It is both a descriptive and a prescriptive model. It is descriptive in the sense that it describes phonological features of a variety of English, and prescriptive that it is prescribed at the central Institute of English as Foreign Language (C.I.E.P.L) to Indian speakers of English as a model of spoken English to imitate.

American-English and British English are major varieties of English. American English has its own peculiarities. There are differences of vocabulary, spelling

syntax, and pronunciation between American English and British English. So these are two distinct varieties. However G.I.E. and British English are not such very distinctive languages. There are not much distinct syntactic, lexical and orthographical differences, although some Indian writers are trying to bring in some of course, G I E has some peculiarities due to some cultural and regional factors.The difference between GIE and British English is clear in pronunciation.

**Vowels in British R.P:** There are twenty vowels in British R.P.These vowels are classified into monophthongs and diphthongs. Monophthongs are the vowels in production of which no change of tongue from one position to another occurs glide. There are twelve monophthongs. Diphthongs are those vowels in production of which the change of position of tongue occurs. There are eight diphthongs in British R.P.

**The list of the monphthongs of R.P :**

| | | | | | |
|---|---|---|---|---|---|
| 1. | /i/ | as | in | see | /si:/ |
| 2. | /I/ | as | in | sit | /sit / |
| 3. | /e/ | as | in | ten | / ten/ |
| 4. | /x/ | as | in | hat | / λæt/ |
| 5. | /a:/ | as | in | arm | / a:m/ |
| 6. | /b/ | as | in | got | / gɒt/ |
| 7. | /ɔ/ | as | in | saw | / sɔ:/ |
| 8. | /U/ | as | in | put | /put/ |
| 9. | /u:/ | as | in | too | /tu :/ |
| 10. | /ʌ / | as | in | cup | / kʌp/ |
| 11. | /Z:/ | as | in | fur | /fz:(r)/ |
| 12. | /ə/ | as | in | ago | /ə·gəu/ |

**The list of the diphthongs of R. P.:**

| | | | | | |
|---|---|---|---|---|---|
| 1. | /eɪ/ | as | in | page | /peɪdz/ |
| 2. | /əu/ | as | in | home | /həum/ |
| 3. | /aɪ/ | as | in | five | /faiv/ |
| 4. | /au/ | as | in | now | /nau/ |
| 5. | /ɔ ɪ/ | as | in | join | /dzəɪ n/ |
| 6. | /ɪə/ | as | in | near | n ɪə(r) |
| 7. | /eə / | as | in | hair | /heə(r)/ |
| 8. | /uə / | as | in | pure | pjuə(r) |

Seven of the monophthongs are short and others are long. The short monophthongs are /ɪ/, /e/, /x/, /ʌ/, /ɒ/, /ʊ/ /e/. and long monophthongs are /ɪ/, /a/, / ɔ/, /u: /, /z:/. Three classes of diphthongs are 1 eɪ aɪ ɔɪ involve glide to /ɪ 2 /əu/, /au/ involve glide to /u/ 3. /ɪə/, /eə/, /uə/ involve glide to ə/

As opposed to the vowel system of R P , G.I.E. has a vowel system consisting of eleven pure vowels (monophthongs) and six diphthongs

**The list of monophthongs of G.I.E:**

| | | | | | |
|---|---|---|---|---|---|
| 1 | /ɪ/ | as | in | beat | /bi:t/ |
| 2. | /ɪ/ | as | in | big | /bɪg/ |
| 3 | /e:/ | as | in | gate | /ge:t/ |
| 4. | /ɛ/ | as | in | get | /gɛt/ |
| 5. | / æ/ | as | in | bat | /b æt/ |
| 6. | /a:/ | as | in | past | /pa:st/ |
| 7. | /ɒ/ | as | in | cot | /kɒt/ |
| 8. | /o:/ | as | in | home | /ho:m/ |
| 9. | /U/ | as | in | put | /put/ |
| 10. | /u:/ | as | in | fool | /fu:l/ |
| 11. | /ə/ | as | in | bus | /bəs/ |

**The list of the diphthongs of G.I.E:**

| | | | | | |
|---|---|---|---|---|---|
| 1. | /aɪ / | as | in | bite | /baɪt/ |
| 2. | /bɛ / | as | in | boil | /bɒɛɪ |
| 3 | /au/ | as | in | house | /haus/ |
| 4. | /ɪ ə/ | as | in | hear | hɪ ə(r) |
| 5. | /eə / | as | in | air | /e ər/ |
| 6. | /uə/ | as | in | the poor | /pu ər/ |

**Differences between these two systems:**

1. G.I.E has only one phoname / ə/ corresponding to R.P /ʌ/, / z / and / ə /

2. G.I.E. has one phoname / ɒ/ corresponding to R.P. / / and / : / .

3.G.I.E. has monphthongs /e: / and / o:/ in place of R. P. diphthongs / eɪ / and / ə u/.

4. The distribution of vowels in G. I. E. sometimes differes from that in R. P. for example in R. P. generally a weak vowel / ə/, /I/ or /u/ are used in unaccented syllable. This is not the case in Indian English, where the tendencey is to use the vowels, indicated by spelling

## Problems related to vowels among the Indian speakers:

1. Indians do not always maintain the slightly different length in the production of /ı / and /ı / in various positions.

2. Some Assamese, Bengali, Bihari, Hindi, Gujarati, Marathi and oriya speakers in India donot always maintain the distinction between /ı / and /ı /.

They replace /ı / by /ı / for example

eat /i:t/ pronounced as it /ıt/

feel /fi:l/ pronounced as fill /fıl/

3. Many Indian speakers replace /e/ for /eı/ which results the confusion among some pairs for example-

'fell' and 'fail'

'let' and 'late'.

4. Some Indians replace /x/ by /e/ and create confusion among pairs like

'band' and 'bend'

man and 'men'

(Telegu)

5. Some Telegu speakers replace /a:/by/ɒ / with the result of confusion among some pairs. For example 'last' and 'lost'

6. Some Telegu and Malayalam speakers replace / a:/ by / æ/ in words like 'class' and 'plant'.

7. Some Indians replace / ɒ / by /a:/ in words like 'want' and 'wash'.

8. The distinction between / ɒ/ and /ɔ :/ is not maintained in Indian English. For Example generally Indians donot differentiate the words like 'cot' and "caught"

9. In some cases / ɔ:/ is pronounced as /a:/ for example 'walk'.

10. Some Indians exchange one of these vowels /u/ and /u:/, for another. This leads confusion between words like 'full' and 'fool'

11. Many Indians often use /ə / instead of /ʌ/, even in accented syllables. The distribution of /ʌ/and /ə / in Indian English is not governed by any established pattern for example - 'bus' and 'cup'.

12. Most Indian speakers use /ər/ or /ʌ r/ in place of /ɜ:/. It is necessary to attain /r / after the vowel if / ɜ:/ is not used.


**Books referred**

1. *A Textbook of ENGLISH PHONETICS for Indian student-by T.Balasubramanian.*
2. *Spoken English. A Manual of speech and phonetics. by R.K bansal & J.B Harrison.*
3. *A outline of English phonetics by Daniel Jones.*
4. *Better English pronunciation by J.D O'connor.*

# Information Revolution

**Dilip Hatibaruah**
Department of physics

After two great revolutions based on agriculture (by river side civilizations of Greece, India, Egypt, China etc) and industry (Through r enaissance), the human civilization has now reached the peak point in the field of information technology (revolution). We are now ready to enter the twenty first century with globally extended network communication.

The most dominent device bringing in a kind of revolution age is definitely what me call computer.

Basically computer is an electronic device, which processes information according to a set of instructions, called the computer programme. There are three types of computers- DIGITAL, ANALOG and HYBRID. The most versatile type of computer is the digital computer; It has three basic componants- (1) The peripheral input and out put devices. (2) The memory and (3) The central processing unit (CPU). The input usually consists of a keyboard with tapedrive or a punched card/ tape reader.The output is usually a printer providing information on paper, a tape drive that provides it on magnetic tap or a visual-display unit (VDU) providing it on a cathoderay sereen. The computer memory consists of one or more storage devices with auxiliary memory such as magnetic disk, on which both data and programs are stored. It is totally artificial and controlled by CPU. A computer brain requires demand to do work. It can perform millions of simple arithmatic calculations per second. The whole system is controlled by CPU and performs arithmatical and logical operations on the data. The computer used in scientific research and experimental purpose, industrial and commercial work is called ANALOG computer. Here the input and out put are continuously in varying quantities. Another type of computer called HYBRID computer, is a mixed form of both digital and analog devices. Here input is usually in analog form and processing is carried out digitally in a CPU. Computer hardware consists of the actual electronic and mechanical. Devices used in the system, and software consists of the programs and data.

Now-a-days me have a fully computerised network of telecommunications providing us facilities to communicate to each other across the globe It has contributed to human brain to a great extent A human brain in nothing but a highly sophisticated, energetic and most complex device. It is obvious that the advanced nations of the world have registered exceptional growth and achievments in this field of in formation technology We are however lagging far behind in comparision to the developed nations. Till independence me had almost no technology of our own. It is true that technology in not static but it is being developed day by day Besides, in many cases there are no short cuts to growth Thus it is not very easy to catchup with the developed world, who has got a lead of several years over us. But now our scientists have played a major role in stimulating this information revolution. Primarily Indian space programme has ushered in the country a revolution in the areas of telecomm unication, TV broadcasting and other information areas. Until around two decades ago foreign scientists coming to India would mainly deliver lectures and offer us their advice in many areas of science and technology. Howevr, in the last few years the situation has changed in at least a few areas of science and technology. For example in space odyssey and nuclear energy programmes Indian scientists have been able to develop their own technology.

In the seventies, when computer was introduced in our society,(India) most trade unions violently opposed its introduction in industry and banking sectors due to imaginary fears of loosing job opportunities. But in the middle of eighties the introduction of personal computers in India created a lot of job-opportunities and hence no further such oppositions mere found.Whereas unlike other developing countries, India had rapidly introduced more personal computers in various zones. In this respect India has got a little bit of advantage over the most as the city of Bangalore popularly known as the silicon valley of India, is the major producer of softwares which are exported to the western countries against a very stiff global competition.

Computer applications is now introduced in our educational curriculam too. But software training is not adequate till now. Few years ago Railways introduced

computerised ticket reservation system, in which computers in the booking offices were networked with a central computer at different zones of the country. But under this system, the computers would allot window seats (e.g. in A.C. chair coaches) to the earliest applicants. Consequently, later applicants would find that members of a family were allotted seats haphazardly all over a given compartment, which was due to the defect of soft-ware programs.

Computer network programs came into being from the middle of this century, when nuclear (cold) war was very real. Both the superpowers-USA and USSR were ready with their sophisticated weapons tofight a probable nuclear war. The US defence Department tried to establish a network connection between the super computers of the Pentagon and various research laboratories of the states and finally the connections were extended to high-speed telephone lines, so that no nuclear attack would be able to destroy the entire network. To communicate with one another, the connected computers used simple rules named as INTERNET PROTOCOL. In this way, ARPA-net was started. There was, however, one limitation, that only the Defence Department and research laboratories had access to the ARPA-net.

ELECTRONIC MAIL (E-mail)– The computers communicated with each other by sending digital signals at a very high speed, through the telephone lines,whereas the conventional audio Signals travelled much more slowly. Every computer connected in a network followed a unique Electronic Mail address for correspondence with each other were called Electronic Mail or simply E-mail.During the early eighties (1983), fourth generation computer age was started and then personal computers were introduced in many educational institutions. In the late eighties, the National Science Foundation of the US Government decided to introduce the NSF network (NSFNET) to different educational instituation and research centres, by means of which thousands of personal computers of respective institutions were connected with five central super-computers. Those computers could not only exchange E-mail, but also had access to databases and international journals. Gradually,a lot of computer net works were extended in the western countries and all of them used the some rules of internet protocol to enchange information.In the USSR the policies of Peres troika and Glasnost had permitted the computers of the Soviet Union to be connected to the internet. Today internet is a cluster of almost thirty thusand smaller networks spread over 150 countries with an estimated nearabout 6.6 million computers connected to it around the world and about fifty million people are benefitted from it.

INFORMATION SUPER HIGHWAY–Through internet connection informations flow along existing telephone networks at very high speeds and travel all over the net work connecting individuals with a computer and a telephone line to every source of information at any corner of the world. It is simply the definition of Information superhighway. Internet exchange media-E--mail can neither be intercepted nor stopped. No single agency controls the internet, hence, no one can censor it. Connection of Information Superhighway is an irreversible process. Information through it is freely available to anybody with access to the internet. Now-a-days the Telecommunications Department of India upgraded many trunk telephone lines to high speed network systems, carrying large amounts of digital information at very high speeds. ERNET, NICNET, INET, HVNET are some of the examples of such networks. The education research network (ERNET) connects various Universities and research centres. The NICNET provided the national informatics net work, and the HVNET provided a highspeed V-satellite network. To join any of these networks, the customer would have to have a personal computer, a telephone and a communication Modern to connect the two. The function of a Modern is nothing but a transmitting digital information from a computer through a telephone line rapidly. But Indian people mere debared from its multifaceted services. However the telecommunication department could not provide their connection with internet.

THE GATEWAY INTERNET ACCESS SERVICE (GIAS)– In the year 1995 Videsh sanchar Nigam Limited (VSNL) became survice-provider cum-official-carrier of the internet, by means of which anybody can take internet facility at the cost of STD call or local telephone call, whichever is applicable in his place. In this process subscribers throughout the country, with a personal computer, Modem and a telephone, could be connected to one of the 'nodes' (centres) at the four metros, Bangalore and Pune Intercity Links connected those nodes with the main Internet Access node in Mumbai, which is connected by satellite to the internet node in the USA and by submarine cable to the internet Node in Europe. This unique facility is called the Gateway Internet Access Service.

Recently most widely used internet facility is the E-mail,by means of which one can type any important message in one's computer and send it to an E-mail address in any part of the globe is a matter of few minutes.Moreover, it is very fast and the most economic mode of communication, for example, an E-mail costs less than a postage stamp. It might well happen that an addressee does not have an E-mail address, but has a Fax number; the computer can then send the message as a computer-fax to the recipient at his Fax number.

LOG-ON CONFERENCING– Two or more persons in different corners can communicate simultaneously with the help of internet. For example, a scientist in India can contact his computer to an E-mail address in Russia and another in the USA, and all of them can communicate by typing in their respective computers, which is instantaneously transmitted to the other computers. It is called "log-on" conferencing through internet.

Today, there are some very useful search programmes in the internet. "ARCHIE" is one of such programmes. It has an index of 2.5 million file-names, which can be accessed instantaneously. By providing a key word, one has a list of files where the subject can be found. The programmes like GOPHER (goes far) and VERONICA (Very Easy Rodent oriented Netwide Index to computer Archives) search the file out and place it on the screen of the viewer.

CYBERSPACE– The vast and everincreasing amount of digital information that is available through the internet is defined as cyberspace. The most spacious gatway to enter cyberspace is only the internet, through which one can send and receive E-mail and make World-wide contacts Superhighway, through cyberspace, has led to the growth of a new section of illiterates among us in the society. Obviously it is due to lack of informative knowledge of information revolution. Only those who are dynamic, conscious and adaptable will be able to gather such informative knowledge and operate the tools of the new information revolution. It is evident that the use of the internet (E-mail) connection will become the most popular mode of communication in the twenty first century.


***Ref :***

*1. Science in India: 1947-1997-Current Science Vol-74, Feb-98, —Avinash Khare.*

*2. The internet- The information Superhighway and Introduction to cyberspace.– prof. S. Datta Presidency college, calcutta.*

## ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ প্ৰতিবেদন ঃ

### ছাত্ৰ একতা সভাৰ উপসভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ অধ্যক্ষ উপাধ্যক্ষ মহোদয়ৰ প্ৰমুখ্যে সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৯৭-৯৮ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বীতাৰে উপসভাপতিৰ দায়িত্ব বহন কৰিবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। এই গুৰু দায়িত্ব পালন কৰাৰ অন্তত মহাবিদ্যালয়ৰ উন্নতিৰ দিশত কিবা বৰঙণি যোগাব পাৰিলো নে নাই সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।

বিগত বছৰ সমূহৰ দৰে আমাৰ কাৰ্যকালতো মহাবিদ্যালয় সপ্তাহটি উলহ-মালহৰ মাজেৰে পালন কৰো। এই মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাম কাজত সাধাৰণ সম্পাদকৰ লগতে অনান্য বিভাগীয় সম্পাদক সকলক সহায় সহযোগিতা আগবঢ়াও।

সদৌশেষত মোৰ কৰ্তব্যৰত অৱস্থাত অনিচ্ছাকৃতভাৱে হোৱা ভুলৰ বাবে সদৌটিৰে ওচৰত ক্ষমা মাগিছো।

জ্ঞানৰ জ্যোতিৰে আলোকিত হওঁক ঢকুৱাখনা মহাবিদ্যালয়, চুকে-কোণে বিৰাজমান হওঁক সুস্থ সবল নৈতিকতা আৰু ঐক্যতাৰ মনোভাৱ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।

**শ্ৰীপ্ৰশান্ত হিলৈদাৰী**

*উপসভাপতি।*

### সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ১৯৯৭-৯৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীসকলৰ সামূহিক বিকাশৰ কাৰণে নিঃস্বাৰ্থ সেৱা সুযোগ আগবঢ়ালে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা অনান্য কৰ্মকৰ্তালৈ এই সুযোগতে শলাগৰ শৰাই আগবঢ়ালোঁ।

সাধাৰণ সম্পাদকৰ দৰে গধুৰ দায়িত্ব বহন কৰিবলৈ যাওঁতে বহুতো অসুবিধাৰ সন্মুখীন হৈছিলো যদিও ছাত্ৰ বন্ধু থকা শিক্ষাগুৰুসকলৰ একান্ত সহযোগিতাত কাৰ্য্যকালৰ প্ৰথম পদক্ষেপ হিচাপে ২০/১/৯৮ তাৰিখৰ পৰা ২৭/১/৯৮ তাৰিখলৈ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহটি অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ। উক্ত মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাত কেইবাজনো নিমন্ত্ৰিত বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখযোগ্য যে মুকলি সভালৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননীয় পঞ্জীয়ক মহোদয় শ্ৰীযুত বিমল গগৈক আমন্ত্ৰণ কৰা হৈছিল যদিও এৰাব নোৱাৰা কাৰণবশত তেঁখেত উপস্থিত থাকিব নোৱাৰিলে।

ঢকুৱাখনা অঞ্চলৰ জ্ঞান বৃক্ষ স্বৰূপ ঢকুৱাখনা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটিৰ চৰকাৰী সাহায্য প্ৰাপ্তিৰ বাবে মোৰ সীমিত কাৰ্য্যকালত ভালেখিনি প্ৰচেষ্টা হাতত লওঁ যদিও দুখেৰে জনাবলৈ বাধ্য যে আজিকোপতি কোনো সহায় -সহযোগিতা পোৱা নগ'ল। কাৰ্যকালৰ ভিতৰত মই মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ সৰ্বাংগীন উন্নতিৰ কাৰণে মহাবিদ্যালয় কতৃপক্ষৰ সহযোগত কিছুমান পদক্ষেপ লওঁ। মহাবিদ্যালয়খনৰ বাবে ভাবুকিস্বৰূপ হৈ পৰা চাৰিকড়ীয়া নদীৰ ভয়াৱহ গৰাখহনীয়া প্ৰতিৰোধৰ কাৰণে মই বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত হেঁচা প্ৰয়োগ কৰিছিলো। ফলস্বৰূপে ঢকুৱাখনা মহকুমাৰ মাননীয় মহকুমাধিপতি মহোদয়ে খহনীয়া এলেকাটি পৰিদৰ্শন কৰি উপযুক্ত ব্যৱস্থা ল'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

মহাবিদ্যালয়খনে সদায়ে অনুভৱ কৰি অহা খেলপথাৰ এখনৰ বাবে কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিছিলো যদিও উপযুক্ত মাটিৰ অভাৱত ই সম্ভৱ নহ'ল।

বিগত বছৰবোৰতকৈ মোৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয়খনিৰ শৈক্ষিক পৰিবেশ যথেষ্ট শান্তিপূৰ্ণ আছিল বুলিব পাৰি। ছাত্ৰ একতা সভাৰ সমূহীয়া প্ৰচেষ্টাত নৱাগত ছাত্ৰ-ছাত্ৰীসকল ৰেগিংৰ মুখামুখি হ'বলগীয়া নহ'ল। মহাবিদ্যালয়খনত নিয়মীয়া পৰিষ্কাৰৰ বাবে মই কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰো। উল্লেখযোগ্য যে এই পৰিপ্ৰেক্ষিতত মই এদিন মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত আলোচনা কৰিবলৈ যাওঁতে অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। মহাবিদ্যালয়লৈ শিক্ষাগ্ৰহণাৰ্থে বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে যাতে চৰকাৰী সুলভ মূল্যৰ সামগ্ৰী পাব পাৰে তাৰ বাবেও মই যোগাযোগ কৰো।

এইবছৰ হোৱা প্ৰলয়ংকাৰী বানত ঢকুৱাখনা অঞ্চলৰ বহুতো লোক গৃহহীন হৈ পৰে। তেখেতবিলাকৰ বহুতে আমাৰ মহাবিদ্যালয়খনিত শিবিৰ পাতি থাকে।

মহাবিদ্যালয়ৰ পৰম্পৰাগত নৱাগত আদৰণি সভাখনি প্ৰবল বানপানী স্বত্তেও ২ চেপ্টেম্বৰৰ দিনা সুচাৰুৰূপে পাৰ হৈ যায়। আমন্ত্ৰিত স্থানীয় কেইজনমান বিশিষ্ট ব্যক্তি তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে অনুষ্ঠানটি সফল কৰি তোলে। আমাৰ কাৰ্যাকালৰ দিনতে মহাবিদ্যালয়খনিৰ বিজ্ঞান শাখাটিৰ চৰকাৰী পঞ্জীয়নভুক্ত হোৱাত অঞ্চলটিৰ লোকসকলৰ বহুদিনীয়া স্বপ্ন বাস্তৱায়িত হ'ল।

প্ৰতিবেদনৰ শেষত এটা কথা উনুকিয়াই নোযোৱাকৈ নোৱাৰিলো। আমাৰ বৰ্ষৰ বাজেটৰ ঘাটিত পৰিমাণ আছিল ৩০০০ (তিনিহাজাৰ) টকা। যোৱা ৩০/১১/৯৮ তাৰিখৰ কাৰ্য্যনিৰ্বাহক বৈঠকৰ সিদ্ধান্তমৰ্মে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক উক্ত বিষয়ে অৱগত কৰাৰ লগতে উক্ত ঘাটি মঞ্জুৰী পৰিশোধৰ কাৰণে বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু অধ্যক্ষ মহোদয়ে বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত নহ'ল। গতিকে মহোদয়ক প্ৰতিবেদনৰ জৰিয়তে টানি অনুৰোধ জনাওঁ অনাগত দিনবোৰত যাতে কোনো বিভাগীয় সম্পাদকে এনেকুৱা সমস্যাৰ সন্মুখীন নহয়।

সদৌশেষত মোৰ কাৰ্য্যকালৰ আৰম্ভণিৰে পৰা প্ৰতিটো পদক্ষেপতে বহুমূলীয়া সহায় সহযোগিতা আগবঢ়োৱা মাননীয় অধ্যক্ষ- শ্ৰীযুত শিৱপ্ৰসাদ গগৈ, উপাধ্যক্ষ- দশৰথ পাঠক চাৰৰ লগতে সমূহ শিক্ষাগুৰু, কৰ্ম-কৰ্তা তথা ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধন্যবাদ সহকাৰে

**শ্ৰীপুলক চুতীয়া**

*সাধাৰণ সম্পাদক*

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৭-৯৮ বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে এবছৰ কাল কাৰ্য্যনিৰ্বাহ চলাই আজি প্ৰতিবেদন যুগুতোৱাৰ সময়ত প্ৰথমে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই সুযোগতে যিসকল মহান বীৰ পুৰুষে অসমীয়া জাতিৰ কৃষ্টি সংস্কৃতিৰ পথাৰ জীপাল কৰবিলৈ গৈ শ্বহীদ হ'ল সেই মহান বীৰ পুৰষসকললৈ মই আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ।

১৯৯৮ বৰ্ষৰ ৩ জানুৱাৰী তাৰিখে ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানৰ নীতি-নিয়ম মানি চলি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰি যাম বুলি কাৰ্য্যভাৰ গ্ৰহণ কৰো। সাংবিধানিকভাৱে পদটোৰ দায়িত্ব গধূৰ যদিও কাৰ্য্যক্ষেত্ৰত সিমান গধূৰ অনুভৱ কৰা নাছিলো। বছৰটোৰ

সকলোৰোৰ কাৰ্য্যসূচী সাধাৰণ সম্পাদকে মূৰ পাতি লৈ সহকাৰী সাধাৰণ সম্পাদকৰ গুৰুত্ব একেবাৰে লাঘৱ কৰি তুলিলে। আমাৰ কাৰ্য্যকালত নিজকে উন্নয়নমূলক কাম-কাজত নিয়োজিত কৰিছিলো যদিও মহবিদ্যালয়ৰ উন্নতিৰ হকে মনত আঁকি লোৱা ছবিবোৰ মাথো ছবি হৈয়ে ৰ'ল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অবহেলিত ঢকুৱাখনা মহাবিদ্যালয়ে কিবা এটা উৎসৱ-অনুষ্ঠান পালন কৰিবলৈ গৈ আৰ্থিক ক্ষেত্ৰত যি জোৰা-টাপলি মৰা কাৰ্য্য কৰে, সিয়ে মহাবিদ্যালয়ৰ আৰ্থিক দিশৰ ছবিখন ভালদৰে স্পষ্ট কৰি দিয়ে।

বিগত বছৰবোৰৰ দৰে এইবছৰো আমি মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীসমূহ পালন কৰো। পৰম্পৰা ৰক্ষা কৰি পালন কৰা কাৰ্যসূচী সমূহত বিশেষ নতুনত্বৰ সংযোগ দেখা নগ'ল। যি কি নহওঁক পৰম্পৰা ৰক্ষা কৰি পালন কৰা 'মহাবিদ্যালয় সপ্তাহ' টিত খেলা-ধূলা, সাহিত্য-সংগীত আদি নানা কাৰ্য্যসূচী পালন কৰা হয়। এই কাৰ্যসূচী ২০ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈ অনুষ্ঠিত হয়। ২৬ জানুৱাৰীৰ দিনা গণতন্ত্ৰ দিৱস উপলক্ষে কাৰ্য্যসূচী বন্ধ থাকে আৰু ২৭ জানুৱাৰীত মূল সভা অনুষ্ঠিত হয়। ইয়াৰ পিছতেই বিভিন্ন ধৰণৰ পূজা-পাৰ্বন, তিথি আদি নানান আচাৰ-অনুষ্ঠান উলহ-মালহেৰে পালন কৰা হয়। মহাবিদ্যালয়ৰ পবিত্ৰ মজিয়াত জ্ঞান লাভৰ উদ্দেশ্যে প্ৰৱেশ কৰা ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ মানসেৰে 'নৱাগত আদৰণি সভা' ২ চেপ্টেম্বৰ' ৯৮ তাৰিখে অনুষ্ঠিত কৰা হয়। উক্ত দিনৰ পুৱাৰ ভাগতে মহাবিদ্যালয়ৰ খেলপথাৰত বানপানী প্ৰৱেশ কৰে। এনে প্ৰতিকূল পৰিৱেশতো আমন্ত্ৰিত অতিথিসকল, শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিয়ে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। সদৌটিলেকে মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। উক্ত বানপানীয়ে প্ৰলয়ংকাৰীৰূপ ধাৰণ কৰাত বহুতো ছাত্ৰ-ছাত্ৰীৰ অৱস্থা শোচনীয় হৈ পৰে। আমি ঢকুৱাখনা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত প্ৰশাসনৰ তৰফৰ পৰা দুবেগমান চাউল, বুট আদি সংগ্ৰহ কৰি সহায়ৰ হাত আগবঢ়াইছিলোঁ।

ঢকুৱাখনা মহবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ " প্ৰহ্লাদ গোঁহাই সোঁৱৰণি তৰ্ক প্ৰতিযোগিতা ৪ আক্টোবৰ তাৰিখে অনুষ্ঠিত কৰা হয়। ইয়াৰ লগে লগে আমাৰ কাৰ্য্যকালৰো অন্ত পৰে।

শেষত মোৰ কাৰ্য্যকালৰ সমস্যাবহুল বছৰটোত বিপদৰ মুহূৰ্তত অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰুসকলৰ দিহা-পৰামৰ্শৰ বাবে মই চিৰকৃতজ্ঞ। তাৰোপৰি বিভিন্ন অনুষ্ঠান, সংগঠন, হিতাকাংক্ষী ব্যক্তিসকলে মোক আগবঢ়োৱা সহায়-সহযোগ আৰু দিহা-পৰামৰ্শৰ বাবে তেওঁলোকৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম। ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকলৰ লগত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি যিবিলাক কাৰ্য্য সমাপণ কৰিলোঁ, তাত হয়তো বহু ভুল-ত্ৰুটি ৰৈ গৈছে। সেই ভুলৰ বাবে ক্ষমা ভিক্ষা মাগিছো আৰু মহাবিদ্যালয়খনিৰ ভৱিষ্যত উন্ননি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**শ্ৰীবিমান বৰুৱা**

*সহকাৰী সাধাৰণ সম্পাদক*

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ বাটচ'ৰাতে ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। এই আপাহতে যিসকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰমৰ বিনিময়ত এই পবিত্ৰ শিক্ষানুষ্ঠানটিয়ে পৰিপূৰ্ণ ৰূপ পালে সেইসকল ব্যক্তিৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিছো।

১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈয়ে ব্যস্ত হৈ পৰিছিলো মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাম-কাজৰ লগত। ২০.১.৯৮ ৰ পৰা ২৮.১২.৯৮ তাৰিখলৈ অনুষ্ঠিত সপ্তাহজোৰা কাৰ্য্যসূচীৰ প্ৰথমদিনাই সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। লিখিত প্ৰতিযোগিতাৰ ভিতৰত প্ৰবন্ধ, গল্প, কবিতা, ব্যঙ্গ ৰচনা, একাংক নাটৰ পাণ্ডুলিপি, ঢকুৱাখনা মহাবিদ্যালয় আলোচনী বেটুপাত আৰু মঞ্চত অসমীয়া, ইংৰাজী, হিন্দী আদি কবিতা আবৃত্তি অনুষ্ঠিত হয়। প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক নাছিল যদিও অন্যান্য বছৰৰ তুলনাত যথেষ্ট বেছি আছিল। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ওলগ জনালোঁ। দহোবন কাটিকৰি প্ৰতিযোগিতা সমূহৰ বিচাৰকৰ আসনকেইখন অলংকৃত কৰা মাননীয় ড° জিতৰাম কলিতা চাৰ, ঈশ্বৰ প্ৰসন্ন বুঢ়াগোঁহাই চাৰ, মণিকা চক্ৰৱৰ্তী বাইদেউলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

**মহবিদ্যালয়খনত সাহিত্যচৰ্চ্চা আৰু অন্যান্য ঃ** এবুকু আশা আৰু কল্পনাৰে মহাবিদ্যালয়ৰ সাহিত্যৰ দিশটোক প্ৰতিনিধিত্ব কৰিবলৈ যাওঁতে প্ৰতিখোজতে উজুটি খাবলগীয়া হৈছিল। লিখনিৰ অভাৱত প্ৰাচীৰ-পত্ৰিকাখনি সময়মতে প্ৰকাশ কৰিব নোৱাৰি। ঢকুৱাখনা মহাবিদ্যালয়ত সাহিত্যক দিশটোক উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে এনেদৰে অৱজ্ঞা কৰাটো পৰিতাপৰ বিষয়। সাধ্যানুযায়ী পৈনত অপৈনত লিখনিৰে প্ৰাচীৰ-পত্ৰিকাৰ দুটি সংখ্যাহে প্ৰকাশ কৰিব পৰা গ'ল। সফলতা বিফলতা আপোনসবৰ বিচাৰ্য বিষয়।

ঢকুৱাখনা মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ ঢকুৱাখনা মহাবিদ্যালয় আলোচনী প্ৰকাশ কৰিবলৈ যাওঁতে যিখিনি ত্যাগস্বীকাৰ কৰিবলগীয়া হয় সেয়া নেদেখাসকলে নুবুজে। লিখনি ঘৰত গৈ বিচাৰিলেহে পোৱা যায়। এইবোৰ জীৱনৰ মধুৰ অভিজ্ঞতা। যি নহওক লিখনিৰে আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰা সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নে সমাজ জীৱন উন্নত কৰি তোলাৰ লগে লগে সাহিত্য জগতখনে যথেষ্ট উন্নতি লাভ কৰিছে। উপযুক্ত চৰ্চ্চা আৰু অধ্যয়নৰ প্ৰতি থকা অনিহাৰ বাবে কিন্তু ঢকুৱাখনা মহাবিদ্যালয়ৰ সাহিত্যৰ দিশটো ক্ৰমাগতভাৱে অধোমুখী হোৱাহে পৰিলক্ষিত হৈছে। ই অতি পৰিতাপৰ বিষয়। ছাত্ৰ-ছাত্ৰীসকলক পঢ়া-শুনাৰ লগতে সাহিত্যচৰ্চ্চাও সমানে আগবঢ়াই নিবলৈ আহ্বান জনালোঁ।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ কৰিম বুলি যি সেউজবুলীয়া আশা পুহি ৰাখিছিলো, বাস্তৱত সি ফলৱতী নহ'ল। পৰৱৰ্তী সম্পাদকসকলৰ দিনত নিশ্চয় আমি এখন উন্নত মানদণ্ডৰ আলোচনী প্ৰকাশ হোৱা দেখিবলৈ পাম। মোৰ অনভিজ্ঞতা আৰু অনিচ্ছাকৃতভাৱে হোৱা ভুলৰ বাবে সদৌটিৰে ওচৰত ক্ষমা-ভিক্ষা মাগিছো।

মোৰ কাৰ্য্যকালত প্ৰতিটো দিশতে দিহা পৰামৰ্শ দিয়া মাননীয় পূৰ্ণানন্দ গগৈ চাৰ, নৰেন দত্ত চাৰ, ভিম্বেশ্বৰ গগৈ চাৰৰ নাম কোনোকালে পাহৰিব নোৱাৰিম। বন্ধুবৰ বিপুল, সঞ্জীৱ, অনুপম, প্ৰণৱ, শৰৎ, পংকজ, ডেইজী, প্ৰতিমা, পলাশদা, পবিত্ৰদা, পদ্ম, দীপেন, বিষ্ণুদা, আদিলৈ কৃতজ্ঞতা জনাই গুৱাপাণ আগবঢ়াই প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।

সেৱাৰে

**শ্ৰীজিতেন কুমাৰ শইকীয়া**
*সম্পাদক, ঢকুৱাখনা মহাবিদ্যালয় আলোচনী*

# সমাজ সেৱা শাখাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্ততে যিসকল জ্ঞাত-অজ্ঞাত মহান বীৰ পুৰুষৰ কৰ্মঠ হাত আৰু পুৰঠ মস্তিষ্কৰে সোণোৱালী অসমীৰ বুকুৰ ভাষা-সংস্কৃতি সোণবৰণীয়া কৰি ৰাখিবলৈ গৈ আপোন শোণিতেৰে অৰ্ঘ দিলে, সেই সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ। লগতে যিসকল মহান ব্যক্তিৰ আশাসুধীয়া শ্ৰম, ত্যাগৰ জৰিয়তে ঐতিহ্যমণ্ডিত ঢকুৱাখনা মহাবিদ্যালয়খনিয়ে প্ৰাণ পাই উঠিল সেই সকললৈ এই সুযোগতে শ্ৰদ্ধা যাচিছোঁ।

১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদকৰ সাজেৰে সজ্জিত কৰি মোৰ সীমিত জ্ঞান কিম্বা অভিজ্ঞতাক যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মহাবিদ্যালয়ৰ সেৱাত উচৰ্গা কৰিবলৈ সুবিধা দিলে তেওঁলোকলৈও জ্ঞাপন কৰিলো অফুৰন্ত কৃতজ্ঞতা।

৩.১.৯৮ তাৰিখত কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই নিঃস্বাৰ্থ মনোভাৱ লৈ মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ প্ৰতিটো দিশেই সুচাৰুৰূপে চলাই নিম বুলি দৃঢ়প্ৰতিজ্ঞ হৈছিলোঁ। কিন্তু মহাবিদ্যালয়ৰ সীমিত পুঁজি আৰু প্ৰতিকূল বাতাৱৰণৰ সন্মুখীন হৈ মনেভবা ধৰণেৰে অৰিহণা আগবঢ়াব নোৱাৰিলো, তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

কাৰ্য্যকালৰ আৰম্ভণিতে মহবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এদিনীয়াকৈ এক 'বিশেষ সেৱা শিবিৰ'ৰ কাৰ্য্যসূচী ১১/১/৯৮ তাৰিখৰ দিনা ঢকুৱাখনা হাইস্কুল'ত পতা হয়। উক্ত শিবিৰত ২৫ জনমান ছাত্ৰ বন্ধুৱে শ্ৰমদান কৰি বিদ্যালয়খনৰ জেওৰা মৰা, চাৰিঢাপ মাৰি কেইটামান বেৰা ... কৰি বৃক্ষৰোপণ কৰে। এই কাৰ্য্যসূচীত বিভাগীয় উপদেষ্টা শ্ৰীযুত ভোলানাথ গগৈ চাৰ আৰু হাইস্কুলখনিৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়-সহযোগ ... পাহৰিব নোৱাৰিম।

দ্বিতীয়তে মহাবিদ্যালয়ত প্ৰতি বছৰে পৰম্পৰাগতভাৱে পাতি অহা আমাৰ অতি আপোন মহাবিদ্যালয় সপ্তাহ। ২০ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈকে অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহত চৌহদ চাফাই, তোৰণ নিৰ্মাণ, প্ৰেক্ষাগৃহ সজোৱা, বিভাগীয় অন্যান্য সম্পাদকসকলক সহায়-সহযোগ আগবঢ়োৱা আদি কাৰ্যবোৰ অনুষ্ঠানটিৰ দিনকেইটা সুকলমে পাৰ হৈ যায়।

তৃতীয়তে মহাবিদ্যালয়খনিলৈ জ্ঞান অন্বেষণৰ বাবে অহা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ মানসেৰে ২ চেপ্টেম্বৰৰ দিনা 'নৱাগত আদৰণি সভা' খনি পতা হয়। ন পুৰণি ছাত্ৰ-ছাত্ৰীসকলক অভ্যৰ্থনা কৰি অনুষ্ঠানটি সূচাৰুৰূপে পৰিসমাপ্তি ঘটে।

**শলাগৰ শৰাই ঃ** মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় উপদেষ্টা শ্ৰীযুত ভোলা গগৈ চাৰ, মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ মহোদয়ৰ লগতে সমূহ অধ্যাপক অধ্যাপিকালৈ কৃতজ্ঞতা শৰাই আগবঢ়ালোঁ। ইয়াৰোপৰি বিভিন্ন দিশত সহায়ৰ হাত আগবঢ়োৱা বন্ধু-পলাশ, ৰাজীৱ, ললিত, প্ৰমোদ, বিকাশ, টিকেন্দ্ৰ, মণ্টু, বিপুল, দীপেন, জিতু, সঞ্জীৱ, অজিত, যতীন, গুণমনি, অচ্যুত, ৰঞ্জুমণি, বাণী, বিজু, বাবলী, মৌচুমী, মৃদুলা, দাদা-হৰেশ্বৰ, ভবেন, বাইদেউ-জ্যোতি নবনীতা, চন্দা, লিলি, ভনী-শিখা, জ্যোতি, সুৰভী, লিলি আদিৰ লগতে অজানিতে ৰৈ যোৱা সকলোলৈ কৃতজ্ঞতা জনালোঁ।

সদৌশেষত মোৰ কাৰ্যকালত বানপানী তথা অন্যান্য প্ৰতিকূল পৰিস্থিতিৰ বাবে যিবোৰ কাম কৰিব নোৱাৰিলো বা আধৰুৱা হৈ ৰ'ল সেইখিনি পৰৱৰ্তী সম্পাদকৰ হাতত নিশ্চয় পূৰ্ণতাপ্ৰাপ্ত হ'ব। অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

শ্ৰদ্ধাৰে

**শ্ৰীদেবেন গগৈ**

*সম্পাদক, সমাজ সেৱা বিভাগ*

# সাংস্কৃতিক শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ১৯৯৭-৯৮ বৰ্ষৰ সাংস্কৃতিক শাখাৰ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত কৰিলে সেই সকলোলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতহে উপলব্ধি কৰিব পাৰিছিলো যে এখন মহবিদ্যালয়ৰ সাংস্কৃতিক দিশটো প্ৰতিনিধিত্ব কৰা কিমান কঠিন। কাৰ্য্যভাৰ গ্ৰহণৰ পৰা শেষ পৰ্যন্ত অতি উলহ-মালহৰ মাজেৰে মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, নৱাগত আদৰণি সভা আদি প্ৰতিটো কাৰ্য্য পৰিচালনা কৰিছিলো। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব যে মই কোনো নতুন কাম কৰিব নোৱাৰিলো। উল্লেখিত উৎসৱ-অনুষ্ঠান সমূহত সংগীত বিভাগটিয়ে বৰ্ণাঢ্য কৰি তুলিছিল। বিভিন্ন অসুবিধাৰ হেতুকে মহাপুৰুষ শংকৰদেৱৰ তিথিটো পালন কৰিব নোৱাৰাৰ বাবে সদৌটিৰে ওচৰত ক্ষমা বিচাৰিছো।

২০.১.৯৮ তাৰিখৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অতি উলহ-মালহেৰে সমাপণ হয়। প্ৰতিযোগীৰ সংখ্যাহে নিচেই সীমিত আছিল। ঢকুৱাখনা মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ত প্ৰতিযোগীৰ সংখ্যা ইমান সীমিত হোৱাটো অত্যন্ত পৰিতাপৰ বিষয়।

মোৰ কাৰ্য্যকালত প্ৰতিটো পদক্ষেপতে সহায় সহযোগ আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত অমিয় কুমাৰ সন্দিকৈ চাৰ, অধ্যক্ষ শিৱপ্ৰসাদ গগৈ চাৰ, শ্ৰীযুত ভোলা গগৈ চাৰ, ড° জিতৰাম কলিতা চাৰ আদিলৈ আন্তৰিক কৃতজ্ঞতা ও শ্ৰদ্ধা আগবঢ়ালোঁ। তদুপৰি কাৰ্য্যকালৰ প্ৰতিটো পদক্ষেপতে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী, ভাইটি-ভণ্টী সদৌটিলৈকে কৃতজ্ঞতা আগবঢ়ালোঁ। কাৰ্য্যকালত কিমান দূৰ সফল হ'লো সেয়া আপোনাসৱৰ বিচাৰ্য্য বিষয়। শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।

**শ্ৰীমতী লুলুমণি গগৈ**

*সম্পাদিকা, সাংস্কৃতিক বিভাগ।*

# ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জাতিৰ মুক্তিৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ আৰু যিসকল ব্যক্তিৰ প্ৰচেষ্টাত মহাবিদ্যালয়খনে প্ৰাণ পাই উঠিল সেইসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সুযোগতে ১৯৯৭-৯৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মোক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা দিয়া সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব লোৱাৰ পিছত এই বিভাগৰ সকলো দিশ সামৰি লৈ কাৰ্যক্ষেত্ৰত আগুৱাই যাম বুলি দৃঢ়মনোবল পোষণ কৰিছিলো। এইক্ষেত্ৰত কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ তুলাচনীলৈ আগবঢ়াই দিলো। ছাত্ৰ জিৰণি কোঠাৰ অভাৱ অসীম। সেই অভাৱসমূহ দূৰ কৰিবৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিলো। কিন্তু সীমিত পুঁজিৰ বাবে তাৰ আংশিক মাত্ৰ পূৰণ কৰিব পৰা গ'ল। তথাপিতো চেষ্টাৰ ক্ৰটি কৰা নাছিলো।

পৰম্পৰাগত নীতি অনুসৰি এইবছৰো ২০ ডিচেম্বৰৰ পৰা ২৭ ডিচেম্বৰলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈ যায়। ছাত্ৰ জিৰণী কোঠাৰ প্ৰতিযোগিতাসমূহৰ ভিতৰত কেৰম, ডবা, বেডমিণ্টন, টেবুল টেনিচ আদিয়েই প্ৰধান। যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগীসকলৰ খেল প্ৰদৰ্শনো যথেষ্ট উন্নত মানৰ আছিল। এই সুযোগতে মই খেলুৱৈসকলৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

অসমীয়াত এষাৰ কথা আছে---"আইৰ ঘৰলৈ যাম দুয়ো হাতে খাম, বিধাতাই বোলে মই পিছে পিছে যাম" —এই বছৰ ঢকুৱাখনাত হোৱা প্ৰলয়ংকাৰী বানপানীয়ে ঢকুৱাখনাবাসী বাইজৰ লগতে মহাবিদ্যালয় খনিৰো সা-সম্পত্তিৰ বিস্তৰ ক্ষতি সাধন কৰে। এই বানপানীত ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ লগতে ছাত্ৰ জিৰণী কোঠাৰ বহুতো সম্পত্তি নষ্ট হয়। এই ক্ষতিৰ বাবে পৰৱৰ্তী সম্পাদকসকলে যথেষ্ট চেষ্টা কৰিব লাগিব। মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহায়-সহযোগত এই অভাৱ সমূহ পূৰণ কৰিব পাৰিব বুলি মোৰ বিশ্বাস।

প্ৰতিবেদনৰ সামৰণি মৰাৰ আগে আগে মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা দাদা মিণ্টু তামুলী, অচ্যুত সুত, প্ৰসন্ন শৰ্ম্মা, মানস নেওগ, ৰাজেন্দ্ৰ বৰুৱা, পবিত্ৰ গগৈ, বন্ধু মৃদুল, পংকজ, মাণিক, পদ্ম, টুনটুন, ইন্দ্ৰনীল, বিশ্ব, ৰঞ্জিত, কৰুণা, নিপু, ভণ্টি- জুৰি, জুলী, পুৰবী, বাবলি, বুলনি, মিণ্টু আৰু ভাইটি প্ৰাঞ্জল আৰু বিজুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ উপদেষ্টা সহোদৰ মাননীয় শ্ৰীযুত প্ৰশান্ত গগৈ চাৰৰ লগতে গুণীণ গগৈ চাৰ, অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈ চাৰলৈ আচুতীয়াকৈ শ্ৰদ্ধা নিবেদিলো।

সদৌশেষত অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে সদৌটিৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

জয় আই অসম

সেৱাত

**শ্ৰীবিজু শৰ্মা**

*সম্পাদক, ছাত্ৰ জিৰণী কোঠা*

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ বাটচ'ৰাতে ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে যথাসম্ভৱ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বছৰটোৰ ঋতুচক্ৰৰ মাজেৰে পাৰ হৈ আহোঁতে যিখিনি কৰ্তব্য সমাপন কৰিলো তাৰে কোনখিনি লিখো, কোনখিনি এৰো বিমোৰত পৰিছো। সমস্যাৰে জৰ্জৰিত ঢকুৱাখনা মহাবিদ্যালয়ত সম্পাদিকা হিচাপে সীমিত সুবিধাৰ মাজেৰে কৰ্তব্যত অগ্ৰসৰ হৈছিলো। দায়িত্ব গ্ৰহণৰ পাছত এই বিভাগৰ অন্তৰ্গত বিভিন্ন কাম-কাজ বিলাক সুচাৰুৰূপে পালন কৰিবৰ বাবে চেষ্টাৰ ক্ৰটি কৰা নাছিলো। সফলতা-বিফলতা আপোনালোকে বিচাৰ কৰিব।

অদম্য স্পৃহাক মনত পুহি প্ৰথমেই ব্যস্ত হৈ পৰিছিলো 'মহাবিদ্যালয় সপ্তাহ'ত। প্ৰতিটো প্ৰতিযোগিতাতে যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত কিছুমান অসুবিধাৰ সন্মুখীন হৈছিলো যদিও বিভাগীয় উপদেষ্টা শ্ৰীযুতা বাসন্তী মৰাণ বাইদেউৰ দিহা-পৰামৰ্শেৰে অসুবিধাবোৰ দূৰ কৰিবলৈ সক্ষম হৈছিলো। কৰ্য্যকালৰ ভিতৰত মই কেৱল ছাত্ৰী জিৰণী কোঠাৰ ভিতৰতে আবদ্ধ নাথাকি মহাবিদ্যালয়ৰ উন্নতিৰ হকেও চেষ্টা কৰিছিলো। সৰস্বতী পূজা, নৱাগত আদৰণি সভা আদিত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলো।

মহাবিদ্যালয়খনত এটি আচুতীয়া 'ছাত্ৰী জিৰণি কোঠা' হোৱাৰ পিছত বিভিন্ন অসুবিধা দূৰ হ'ল যদিও বিভিন্ন সামগ্ৰীসমূহ ৰাখিবৰ বাবে আলমাৰি এটাৰ অভাৱ বাৰুকৈয়ে উপলব্ধি কৰিছিলো। আশা ৰাখিছো ভৱিষ্যৎ সম্পাদিকাসকলে এই অসুবিধা আঁতৰ কৰিব।

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাম-কাজত সহায়ৰ হাত আগবঢ়োৱা বিচাৰক মণ্ডলীলৈ আন্তৰিক কৃতজ্ঞতা জনোৱাৰ লগতে বাইদেউ ত্ৰিবেণী, মামু, অনু, সুমিত্ৰা, বন্ধুবৰ ক্ষীৰেশ্বৰ, মণ্টু, ঘন, বিশ্ব, হেমন্ত, বীণা, জ্যোতি, জুনু, মৰমী, বেবী, মনীকা, মনালিচা, চেন আৰু পুতুললৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে বৈ যোৱা ভুলৰ বাবে সকলোটিৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।.

শ্ৰদ্ধাসহকাৰে

**শ্ৰীমতী দীপামণি বৰপাত্ৰগোহাঁই**

*সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।*

# তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদকৰ প্ৰতিবেদন

যিসকল ত্যাগী মহান ব্যক্তিৰ সীমাহীন পৰিশ্ৰমৰ ফলত ঢকুৱাখনা মহাবিদ্যালয় নামেৰে নামাকৰণ কৰা এই মহান জ্ঞান মন্দিৰটিয়ে প্ৰাণ পাই উঠিল সেইসকলৰ প্ৰতি প্ৰতিবেদনৰ প্ৰাক মুহূৰ্ততে সশ্ৰদ্ধ সেৱা আগবঢ়ালোঁ।

দ্বিতীয়তে ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ঢকুৱাখনা মহাবিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠান এটাত তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদক পদত নিৰ্বাচিত কৰি মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলে মোৰ প্ৰতি থকা আস্থাৰ যি পৰিচয় দিলে তাৰ বাবে মই সদৌটিলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদকৰ দৰে এই গধুৰ দায়িত্ব মূৰ পাতি লৈ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে ব্যস্ত হৈ পৰিছিলো, 'মহাবিদ্যালয় সপ্তাহ'ৰ বিভিন্ন কাৰ্য্যসূচীত। উক্ত মহাবিদ্যালয় সপ্তাহটিত মই মোৰ দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মই যৎপৰোনাস্তি চেষ্টা কৰিছিলো যদিও বিভাগীয় উপদেষ্টা মহোদয় আৰু অধ্যক্ষ মহোদয়ে অৰ্থনীতিৰ ক্ষেত্ৰত যি কঠোৰ তৎপৰতা অৱলম্বন কৰিলে তাৰবাবে কাম-কাজ চলাই নিয়াত কিছু অসুবিধাৰ সন্মুখীন হৈছিলো।

৪ নৱেম্বৰত অনুষ্ঠিত কৰা ৺প্ৰহ্লাদ গোঁহাই সোঁৱৰণি সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্কপ্ৰতিযোগিতাখনি আকৰ্ষণীয় আছিল। উক্ত প্ৰতিযোগিতাত ৬ খন মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ইয়াত প্ৰথম স্থান অধিকাৰ কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰী শ্ৰীমতী ৰ'জীৰাণী শৰ্ম্মাই, দ্বিতীয় স্থান একেখন মহাবিদ্যালয়ৰে শ্ৰীমতী চুমি বৰঠাকুৰ আৰু তৃতীয় স্থান অধিকাৰ কৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীপৰাগ প্ৰতীম শইকীয়াই।

সদৌশেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়

**শ্ৰীহিৰণমণি গগৈ**

*সম্পাদক, তৰ্ক আৰু আলোচনা শাখা।*

# শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা বন্ধু-বান্ধৱী সকললৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ৰ শৰীৰ চৰ্চ্চা বিভাগটিৰ উন্নতিৰ হকে কাম কৰাৰ মানসেৰে ১৯৯৭-৯৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বীতা আগবঢ়াই নিৰ্বাচিত হওঁ। সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণৰ পিছত বহুতো গধুৰ দায়িত্ব আমাৰ ওপৰত আহি পৰিছিল। কাৰ্য্যক্ষেত্ৰত কিমান সফলতা অৰ্জন কৰিব পাৰিলো, সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মোৰ বিভাগীয় উপদেষ্টা মাননীয় শ্ৰীযুত [illegible] গগৈ চাৰ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈ চাৰৰ দিহা-পৰামৰ্শৰে কাৰ্য্যক্ষেত্ৰত আগবাঢ়িছিলো। বিভিন্ন সমস্যাৰাজিৰ মাজেৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয় সপ্তাহটি পালন কৰিব লগা হয়। অতি কৌশলপূৰ্ণভাৱে কম সামগ্ৰীৰে মহাবিদ্যালয় সপ্তাহৰ শৰীৰ চৰ্চ্চা বিভাগৰ প্ৰতিটো কাৰ্য্যসূচী সুচাৰুৰূপে [illegible] প্ৰতিযোগীসকলে উচ্চ মানদণ্ডৰ খেলা প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। এইবছৰতে পূৰ্বৰ অভিলেখ ভঙ্গ কৰি খেলুৱৈসকলে নতুন অভিলেখ স্থাপন কৰে। আমাৰ প্ৰচেষ্টা আৰু যত্নৰ বলত বহুবছৰৰ বিৰতিৰ মূৰত এইবাৰ পুনৰ ছোৱালীৰ যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত কৰো। আমাৰ কাৰ্য্যকালৰ আৰম্ভণিতে সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা মুকলি যোগাসন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি তিনিগৰাকী প্ৰতিযোগীয়ে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। পোন প্ৰথমবাৰৰ বাবে ঢকুৱাখনাত অনুষ্ঠিত হোৱা জিলাভিত্তিক শৰীৰ চৰ্চ্চা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ১৩ গৰাকী প্ৰতিযোগীয়ে বিভিন্ন শাখাত শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰে। তাৰোপৰি সদৌ অসম ভিত্তিত অনুষ্ঠিত ৰাজিক পাঞ্জা প্ৰতিযোগিতাত তিনিজন প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। পৰৱৰ্তী সম্পাদক সকলে খেলুৱৈ সকলৰ সুপ্ত প্ৰতিভাক জাগ্ৰত কৰিবৰ বাবে যাতে আৰু অধিক প্ৰচেষ্টা চলায় তাৰ বাবে অনুৰোধ জনালো। এনেকুৱা অভিজ্ঞতাৰ পৰা এটা কথা ন দি কব পাৰো যে উপযুক্ত প্ৰশিক্ষণ পালে আমাৰ মহাবিদ্যালয়ত বহুতো সম্ভাৱনাপূৰ্ণ খেলুৱৈয়ে ৰাজ্যিক পৰ্য্যায়ত পুৰস্কাৰ বুটলিবলৈ সক্ষম হ'ব।

শৰীৰ চৰ্চ্চা শাখাৰ সামগ্ৰীৰ নাটনিয়ে প্ৰতিজন সম্পাদককে নিৰাশ কৰি তোলে। ইজন সম্পাদকৰ পৰা সিজনলৈ প্ৰতিবছৰে সামগ্ৰী কমিছে যাৰ [illegible] নাবাঢ়ে। মোৰ কাৰ্য্যকালত আগৰ এজন সম্পাদকে লোৱা ক্ৰীড়া শাখাৰ ঋণ ২০০০.০০ হাজাৰ টকা পৰিশোধ কৰিবলগীয়া হয়। এনেদৰে প্ৰতিবছৰে সামগ্ৰী কমি গৈ থাকিলে শেষত শৰীৰটোহে থাকিবগৈ চৰ্চ্চাটো নাথাকিবগৈ। অধ্যক্ষ মহোদয়ক এই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখিবলৈ বিনম্ৰ অনুৰোধ জনালোঁ।

শেষত অপ্ৰিয় হ'লেও এটা কথা উল্লেখ কৰিলো, ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত যি হুলস্থুলীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছিল তাৰ যাতে কোনো কালে পুনৰাবৃত্তি নঘটে তাৰ বাবে সদৌটিলৈকে অনুৰোধ জনালোঁ। মহাবিদ্যালয়ৰ পবিত্ৰ মজিয়াত যাতে কোনো দলীয় ৰাজনীতিৰ বৃক্ষ গজিব নোৱাৰে তাৰ বাবে সচেতন ছাত্ৰ-ছাত্ৰী সকল সচেষ্ট হ'বলৈ অনুৰোধ জনালোঁ। মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনাৰ লগতে সাধ্যানুসৰি শৰীৰ চৰ্চ্চাৰ অনুশীলন বজাই ৰাখিবলৈ বিশেষভাৱে অনুৰোধ থাকিল। তেতিয়া নিশ্চয় বোকাত পদুম ফুলিবই।

মোৰ প্ৰেৰণাৰ উৎস শিক্ষাগুৰুসকল, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সদৌটিলৈ সু-স্বাস্থ্যৰ কামনাৰে.......................।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।

শ্ৰদ্ধাৰে

শ্ৰীজয়ন্ত দত্ত

সম্পাদক, শৰীৰ চৰ্চ্চা বিভাগ

# ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে ১৯৯৭-৯৮ বৰ্ষৰ ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাত মই গৌৰৱান্বিত হোৱাৰ লগতে সেই সকল ছাত্ৰ-ছাত্ৰী লৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ ক্ৰীড়া সম্পাদকৰ দায়িত্ব বহণ কৰিবলৈ যাওঁতে নানান সমস্যাৰ সন্মুখীন হৈছিলো যদিও, মাননীয় উপদেষ্টা মহোদয় শ্ৰীযুত সেৱক চুতীয়া ছাৰ, মৃদুল গগৈ ছাৰ, পূৰ্ণানন্দ গগৈ ছাৰ আৰু সমূহ অধ্যাপক গোটৰ দিহা পৰামৰ্শৰে মোৰ সকলো কাম সুচাৰুৰূপে সম্পন্ন হোৱাত, তেখেতসকললৈ মোৰ শ্ৰদ্ধা নিবেদিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আন্তঃমহাবিদ্যালয় এথেলেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিলো। অতি কম দিনৰ ভিতৰতে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলগীয়া হোৱাৰ বাবে মহাবিদ্যালয়ৰ খেলুৱৈসকলে কোনোধৰণৰ অনুশীলনৰ সুবিধা নাপালে। ফলত খেলুৱৈসকলে উন্নত মানৰ খেলা প্ৰদৰ্শনত ব্যৰ্থ হয়।

বিগত বৰ্ষবোৰৰ দৰেই ১৯৯৭-৯৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ ২০ জানুৱাৰীৰ পৰা অনুষ্ঠিত হয়। অলিম্পিক শিখা প্ৰজ্বলনেৰে প্ৰথম দিনৰ ক্ৰীড়া শাখাৰ কাৰ্য্যসূচী আৰম্ভ হয়। শিখা প্ৰজ্বলন কৰে বিগত বৰ্ষৰ দৌৰ বীৰ শ্ৰীত্ৰিদিপ শইকীয়া আৰু দৌৰৰাণী ৰাজুমণি চেতিয়াই। খেলুৱৈ সকলক শপত গ্ৰহণ কৰোৱাই উপদেষ্টা শ্ৰীযুত সেৱক চুতীয়াই। বিগত বছৰ বোৰতকৈ এই বছৰৰ বাৰ্ষিক সপ্তাহত অধিক সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল আৰু প্ৰতিযোগিতাৰ মানদণ্ডও যথেষ্ট উন্নত হৈছিল। মোৰ কাৰ্য্যকালত 'ক্ৰিকেট' প্ৰতিযোগিতা নুতনকৈ সংযোজন কৰোঁ। ক্ৰিকেটৰ চূড়ান্ত খেলত স্নাতক ৩য় বৰ্ষই জয়লাভ কৰে আৰু 'মেন অৱ দা মেচ্' আৰু 'মেন অৱ দা ছিৰিজ'ৰ সন্মান লাভ কৰে। ল'ৰাৰ ভলীবল প্ৰতিযোগিতাত উঃ মাঃ ১ম বাৰ্ষিকে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। মহিলা ভলীবল প্ৰতিযোগিতাত ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰী নিবাসৰ দলটিয়ে বিজয়ীৰ সন্মান অটুত ৰাখে।

'মহাবিদ্যালয় সপ্তাহ'ৰ সামৰণিৰ পিছত 'ঢকুৱাখনা স্পৰ্ট ষ্টাৰ'ৰ দ্বাৰা আয়োজিত ক্ৰিকেট প্ৰতিযোগিতাত মহাবিদ্যালয় দলটিয়ে অংশ গ্ৰহণ কৰিছিল যদিও দ্বিতীয় পৰ্য্যায়ৰ খেলত পৰাজয় বৰণ কৰিবলগীয়া হয়। আমাৰ মহাবিদ্যালয়ে আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অনুশীলন আৰু প্ৰস্তুতি অব্যাহত ৰখাৰ পিছতো বানপানী আৰু যোগাযোগৰ অসুবিধাৰহেতু যোগদান কৰিব পৰা নগ'ল।

কাৰ্য্যকালৰ সময়ছোৱাত মই আটাইতকৈ অভাৱ অনুভৱ কৰিছিলো এখন খেলপথাৰৰ্। কলেজিয়েট হাইস্কুল আৰু মহাবিদ্যালয়ৰ মাজত যিখন খেলপথাৰ আছে সিয়ো চাবিকড়ীয়া নদীৰ খহনীয়াৰ কবলত। গতিকে মহাবিদ্যালয় কৰ্তৃপক্ষক ইয়াৰ সুব্যৱস্থা কৰিবলৈ ইয়াৰে অনুৰোধ জনালোঁ।

এখন মহাবিদ্যালয়ৰ খেলুৱৈ সকলে খেলৰ দিশত যিমানবিলাক সা-সুবিধা পাব লাগে, আমাৰ মহাবিদ্যালয়ত নাই। মহাবিদ্যালয়ৰ বিভাগীয় পুঁজি অনুপাতে সামগ্ৰী ক্ৰয় কৰাৰ অসুবিধা। মোৰ কাৰ্য্যকালত উপদেষ্টা মহোদয়ৰ সহায়ত কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি এথেলেটৰ কেইপদমান সামগ্ৰী ক্ৰয় কৰো।

এবছৰীয়া কাৰ্য্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি মোক উৎসাহিত কৰা মাননীয় শ্ৰীযুতসেৱক চুতীয়া চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে বিভিন্ন কাম-কাজত সহায়ৰ হাত আগবঢ়োৱা দাদা ভবানন্দ, ৰাজদ্বীপ, ৰাজু, বন্ধু ৰূপেশ্বৰ, কিৰণ, ভইটি, পুতুল, ৰাজু, শিৱো, ৰাজকিশোৰ, বাইদেউ নৱনীতা, বৰ্ণালী, অনু, ভণ্টী কুঞ্জ, ৰীতাৰ ওচৰত মই আজীৱন কৃতজ্ঞ হৈ ৰ'লো।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো। পৰিশেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।

*ধন্যবাদ সহকাৰে*

**শ্ৰীমনোজ সোনোৱাল**

*সম্পাদক, ক্ৰীড়া শাখা।*

# ১৯৯৭-৯৮ বৰ্ষৰ একবিংশতম মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত বিভিন্ন বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

*সাহিত্য বিভাগ ঃ*

*লিখিত প্ৰতিযোগিতা*

(১) প্ৰবন্ধ ঃ শিক্ষা আৰু পৰীক্ষা

প্ৰথম ঃ, দ্বিতীয় ঃ, তৃতীয় ঃ — বিবেচিত নহ'ল

নিচুকনি বঁটা ঃ পদ্মনাথ পায়েং

(২) গল্প ঃ

প্ৰথম ঃ বিবেচিত নহ'ল

দ্বিতীয় ঃ ভৱেন কোঁৱৰ

তৃতীয় ঃ জিতেন কুমাৰ শইকীয়া

(৩) কবিতা ঃ

প্ৰথম ঃ, দ্বিতীয় ঃ, তৃতীয় ঃ — বিবেচিত নহ'ল

নিচুকনি বঁটা ঃ পলাশ কোঁচ

(৪) ব্যঙ্গ ৰচনা ঃ

প্ৰথম ঃ বিবেচিত নহ'ল

দ্বিতীয় ঃ পদ্মনাথ পায়েং

সুমিত্ৰ শইকীয়া

তৃতীয় ঃ বিনোদ ফুকন

(৫) বেটুপাত অংকন

অনুষ্ঠিত কৰিব পৰা নগ'ল।

(৬) একাংক নাটৰ পাণ্ডুলিপি

প্ৰথম ঃ, দ্বিতীয় ঃ, তৃতীয় ঃ — বিবেচিত নহ'ল

নিচুকনি বঁটা ঃ জিতেন কুমাৰ শইকীয়া

অৰুণ চমুৱা

*মঞ্চত আয়োজিত প্ৰতিযোগিতা*

(১) অসমীয়া কবিতা আবৃত্তি

প্ৰথম ঃ প্ৰনব বৰুৱা

দ্বিতীয় ঃ মৃদুলা বৰুৱা

হিৰণমণি গগৈ

তৃতীয় ঃ বিউটি গগৈ

(২) ইংৰাজী কবিতা আবৃত্তি

প্ৰথম ঃ পদ্মনাথ পায়েং

দ্বিতীয় ঃ প্ৰণব বৰুৱা

তৃতীয় ঃ মনালিচা গগৈ

(৩) হিন্দী কবিতা আবৃত্তি

প্ৰথম ঃ পদ্মনাথ পায়েং

দ্বিতীয় ঃ প্ৰণৱ বৰুৱা

তৃতীয় ঃ প্ৰশান্ত দলে

মৃদুলা বৰুৱা

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী পদ্মনাথ পায়েং

## ছাত্ৰ জিৰণি কোঠাৰ প্ৰতিযোগিতাৰ ফলাফল ঃ

(১) **টেবুল টেনিচ ঃ**

একক চেম্পিয়ন ঃ শ্ৰীতৰুণ গগৈ

ৰানাৰ্চ আপ ঃ শ্ৰীপদ্ম নাথ পায়েং

দ্বৈত চেম্পিয়ন ঃ শ্ৰীতৰুন গগৈ

শ্ৰীপ্ৰশান্ত হিলৈদাৰী

ৰানাৰ্চ আপ ঃ শ্ৰীপদ্ম নাথ পায়েং

শ্ৰীপ্ৰণৱ জ্যোতি গগৈ

(২) **বেডমিণ্টন ঃ**

একক চেম্পিয়ন ঃ শ্ৰীৰাজেন্দ্ৰ বৰুৱা

ৰানাৰ্চ আপ ঃ শ্ৰীকুশল কুমাৰ গগৈ

দ্বৈত চেম্পিয়ন ঃ শ্ৰীকৰুণা বৰুৱা

শ্ৰীৰনজিৎ গগৈ

ৰানাৰ্চ আপঃ শ্ৰীবিশ্ব ফুকন

শ্ৰীৰাজীৱ চমুৱা

(৩) **ড্ৰা ঃ**

চেম্পিয়ন ঃ শ্ৰীভবেন চেতীয়া

ৰাণাৰ্চ আপ ঃ শ্ৰীৰমেন গগৈ

(৪) **কেৰম ঃ**

একক চেম্পিয়ন ঃ শ্ৰীতৰুণ গগৈ

ৰাণাৰ্চ আপ ঃ শ্ৰীকৰুণা বৰুৱা

দ্বৈত চেম্পিয়ন ঃ শ্ৰীতৰুণ গগৈ

শ্ৰীৰমেন গগৈ

ৰানাৰ্চ আপঃ শ্ৰীৰনজিৎ চেতিয়া

শ্ৰীগুণিণ শৰ্মা

**শ্ৰেষ্ঠ খেলুৱৈ (Indoor Games)** শ্ৰীতৰুণ গগৈ

# মহাবিদ্যালয়ৰ সপ্তাহত অনুষ্ঠিত হোৱা ছাত্ৰী-জিৰণি কোঠাৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ঃ

টেবুল টেনিচ (একক)
চেম্পিয়ন ঃ পলিশ্ৰী পেগু
ৰানাৰ্চ আপ ঃ বৰ্ণালী চেতিয়া

টেবুল টেনিচ (দ্বৈত)
চেম্পিয়ন ঃ পলিশ্ৰী পেগু
আইমণি চেতিয়া
ৰানাৰ্চ আপ ঃ শ্ৰীবৰ্ণালী চেতিয়া
শ্ৰীগায়ত্ৰী চেতিয়া

বেডমিন্টন (একক)
চেম্পিয়ন ঃ পলিশ্ৰী পেগু
ৰানাৰ্চ আপ ঃ তুলিকা গগৈ

বেডমিন্টন (দ্বৈত)
চেম্পিয়ন ঃ পলিশ্ৰী পেগু
জুনুমণি গগৈ
ৰানাৰ্চ আপ ঃ সোণালী বৰগোঁহাই
জুলি গোহাঁই

ডবা
চেম্পিয়ন ঃ পুষ্প বৰ গোঁহাই
ৰানাৰ্চ আপ ঃ সবিতা শইকীয়া

ৰিং (একক)
চেম্পিয়ন ঃ জাহ্নৱী চেতীয়া
ৰানাৰ্চ আপ ঃ ৰিংকু চাংমাই

ৰিং (দ্বৈত)
চেম্পিয়ন ঃ বৰ্ণালী চেতিয়া
সোণালী গোঁহাই
ৰানাৰ্চ আপ ঃ ৰাজু মণি চেতিয়া
জাহ্নৱী চেতিয়া

কেৰম (একক)
চেম্পিয়ন ঃ— পলিশ্ৰী পেগু
ৰানাৰ্চ আপ ঃ— প্ৰতিমা গগৈ

কেৰম (দ্বৈত)
চেম্পিয়ন ঃ— প্ৰতিমা গগৈ
জুনুমণি গগৈ
ৰানাৰ্চ আপ ঃ— পলিশ্ৰী পেগু
তুলিকা গগৈ

## সাংস্কৃতিক শাখাৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

(১) বৰগীত প্ৰতিযোগিতা ঃ
প্ৰথম ঃ মৃদুলা বৰুৱা
দ্বিতীয় ঃ ৰুমী চেতিয়া
তৃতীয় ঃ ৰিংকু বড়া
ভাস্কৰ গগৈ

(২) ভজন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ দেৱযানী বৰুৱা
দ্বিতীয় ঃ ভাস্কৰ গগৈ
তৃতীয় ঃ বিজু কলিতা

(৩) গজল প্ৰতিযোগিতা ঃ
প্ৰথম ঃ দেৱযানী বৰুৱা
দ্বিতীয় ঃ ভাস্কৰ গগৈ
তৃতীয় ঃ ৰুমী চেতিয়া

(৪) পাৰ্বতী প্ৰসাদৰ গীত ঃ
প্ৰথম ঃ ভাস্কৰ গগৈ
দ্বিতীয় ঃ কুশল টাৰ
দেৱযানী বৰুৱা
তৃতীয় ঃ ৰুমী চেতিয়া

(৫) আধুনিক গীত ঃ
প্ৰথম ঃ ভাস্কৰ গগৈ
দ্বিতীয় ঃ দেবযানী বৰুৱা
তৃতীয় ঃ ইন্দিৰা কোঁৱৰ
ডেইজীৰাণী গগৈ

(৬) জ্যোতি সংগীত ঃ
প্ৰথম ঃ ভাস্কৰ গগৈ
দ্বিতীয় ঃ দেৱযানী বৰুৱা
তৃতীয় ঃ ৰুমী চেতিয়া

(৭) ৰাভা সংগীত ঃ
প্ৰথম ঃ দেৱযানী বৰুৱা
দ্বিতীয় ঃ ডেইজীৰাণী গগৈ
তৃতীয় ঃ ভাস্কৰ গগৈ
ইন্দিৰা কোঁৱৰ

(৮) **লোকগীত ঃ**

প্ৰথম ঃ দেৱযানী বৰুৱা
দ্বিতীয় ঃ ইন্দিৰা কোঁৱৰ
তৃতীয় ঃ বিজুমণি কলিতা

(৯) **মুকাভিনয় ঃ**

প্ৰথম ঃ বিশ্বজিৎ বড়া
দ্বিতীয় ঃ পদ্মনাথ পায়েং
তৃতীয় ঃ চিত্ৰ কুমাৰ শইকীয়া

(১০) **বিহুগীত ঃ**

প্ৰথম ঃ লুলুমণি গগৈ
দ্বিতীয় ঃ প্ৰতিমা চেতিয়া
তৃতীয় ঃ সুমিত্ৰ শইকীয়া
বিশ্ব গগৈ

(১১) **ঐনিতম ঃ**

প্ৰথম ঃ ভাস্কৰ গগৈ
দ্বিতীয় ঃ দেৱযানী বৰুৱা
তৃতীয় ঃ দীপা সন্দিকৈ
নিবেদা দলে

(১২) **একক অভিনয় ঃ**

প্ৰথম ঃ সুমিত্ৰ শইকীয়া
দ্বিতীয় ঃ মৃদুলা বৰুৱা
তৃতীয় ঃ জয়শ্ৰী লাহন

(১৩) **কৌতুক অভিনয় ঃ**

প্ৰথম ঃ অৰুণ চমুৱা
দ্বিতীয় ঃ সুমিত্ৰ শইকীয়া
তৃতীয় ঃ মৃদুলা বৰুৱা
বিশ্বজিৎ গগৈ

(১৪) **ভেশচন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিষ্ণু বৰুৱা
দ্বিতীয় ঃ জয়শ্ৰী লাহন
তৃতীয় ঃ গুণমণি সন্দিকৈ

(১৫) **একাংক নাটক ঃ**

প্ৰথম ঃ বিবেচিত নহ'ল
দ্বিতীয় ঃ ,, ,,
তৃতীয় ঃ 'বজ্ৰপাত' নাটকাৰ
জিতেন শইকীয়া
'সংগ্ৰাম' অৰুণ চমুৱা

**বছৰৰ শ্ৰেষ্ঠ সকল ঃ**

অভিনেতা ঃ বিশ্বজিৎ বড়া
অভিনেত্ৰী ঃ মৃদুলা বৰুৱা
গায়ক ঃ ভাস্কৰ গগৈ
গায়িকা ঃ দেৱযানী বৰুৱা

## শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ঃ

(১) **শক্তি উত্তোলন প্ৰতিযোগিতা (ল'ৰা) ঃ**

(ক) ০-৫২ কিলোগ্ৰাম
প্ৰথম ঃ বৈকুণ্ঠ শইকীয়া
দ্বিতীয় ঃ পংকজ গোহাঁই
তৃতীয় ঃ নাৰায়ণ গগৈ
বিশ্বজ্যোতি গোহাঁই

(খ) ৫২-৫৫ কিলোগ্ৰামৰ ভিতৰত
প্ৰথম ঃ ৰুবুল গগৈ
দ্বিতীয় ঃ অৰবিন্দ্ৰ চেতিয়া
তৃতীয় ঃ পৰমা কোঁৱৰ

(গ) ৫৫-৬৮ কিলোগ্ৰামৰ ভিতৰত
প্ৰথম ঃ যদু শইকীয়া
দ্বিতীয় ঃ বিজয় চেতিয়া
তৃতীয় ঃ ডিম্পল গগৈ

**শক্তি উত্তোলন (ছোৱালী)**

(ঘ) ০-৫৩ কিলোগ্ৰামৰ ভিতৰত
প্ৰথম ঃ তুলিকা গগৈ
দ্বিতীয় ঃ বিবেচিত নহ'ল
তৃতীয় ঃ বিবেচিত নহ'ল

(ঙ) ৫৩-৫৮ কিলোগ্ৰামৰ ভিতৰত
প্ৰথম ঃ পুষ্পজ্যোতি বৰগোঁহাই
দ্বিতীয় ঃ লখিমী শইকীয়া
দীপামণি বৰগোঁহাই
তৃতীয় ঃ

(চ) ৫৮........

প্ৰথম ঃ চিত্ৰলেখা শইকীয়া

দ্বিতীয় ঃ বিবেচিত নহ'ল

তৃতীয় ঃ বিবেচিত নহ'ল

**(২) ভাৰ উত্তোলন (ল'ৰা)**

(ক) ০-৬০ কিলোগ্ৰামৰ ভিতৰত

প্ৰথম ঃ বৈকুণ্ঠ শইকীয়া

দ্বিতীয় ঃ কবুল গগৈ

তৃতীয় ঃ জিতু চেতিয়া

(খ) ৬০ কিলোগ্ৰামৰ ওপৰ

প্ৰথম ঃ বিতু ৰাজ ফুকন

যদু শইকীয়া

দ্বিতীয় ঃ নিকুঞ্জ খনিকৰ

তৃতীয় ঃ বিবেচিত নহ'ল

**(গ) ভাৰ উত্তোলন (ছোৱালী)**

প্ৰথম ঃ চিত্ৰলেখা গগৈ

দ্বিতীয় ঃ তুলিকা গগৈ

তৃতীয় ঃ পুষ্পজ্যোতি বৰগোঁহাই

**(৩) সাতোঁৰ ঃ— (ল'ৰা)**

প্ৰথম ঃ কিৰণ চুতীয়া

দ্বিতীয় ঃ অমলেন্দ্ৰ ৰাজখোৱা

তৃতীয় ঃ বিপুল শইকীয়া

**(৪) দেহশ্ৰী প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ নাৰায়ণ গগৈ

দ্বিতীয় ঃ বিবেচিত নহ'ল

তৃতীয় ঃ বিবেচিত নহ'ল

**(৫) পাঞ্জা প্ৰতিযোগিতা ঃ (ল'ৰা)**

(ক) ০-৫৫ কিলোগ্ৰাম

প্ৰথম ঃ বৈকুণ্ঠ শইকীয়া

দ্বিতীয় ঃ অচ্যুত কলিতা

তৃতীয় ঃ বিশ্বজ্যোতি গোঁহাই

(খ) ৫৫-৬৫ কিলোগ্ৰাম

প্ৰথম ঃ মনোজ সোনোৱাল

দ্বিতীয় ঃ গোপিন বৰপাত্ৰ

তৃতীয় ঃ পদ্মনাথ পায়েং

(গ) ৬৫ কিলোগ্ৰামৰ ওপৰত

প্ৰথম ঃ অমলেন্দ্ৰ ৰাজখোৱা

দ্বিতীয় ঃ বিজয় চেতিয়া

**পাঞ্জা ঃ— (ছোৱালী)**

(ঘ) ০-৫৫ কিলোগ্ৰাম

প্ৰথম ঃ তুলিকা গগৈ

দ্বিতীয় ঃ লখিমী শইকীয়া

তৃতীয় ঃ পুষ্পজ্যোতি বৰগোঁহাই

(ঙ) ৫৫ কিলোগ্ৰামৰ ওপৰ

প্ৰথম ঃ অনিমা গগৈ

দ্বিতীয় ঃ জ্যোতিপ্ৰভা শইকীয়া

তৃতীয় ঃ বিবেচিত নহ'ল

**(৬) সমৰ কলা প্ৰতিযোগিতা**

(ক) ০-৫৫ কিলোগ্ৰাম

চেম্পিয়ন ঃ— প্ৰশান্ত কোঁৱৰ

ৰাণাৰ্চ আপ ঃ— ৰাজীৱ গগৈ

(খ) ৫৫ কিলোগ্ৰামৰ ওপৰ

চেম্পিয়ন ঃ দিগন্ত কোঁৱৰ

ৰাণাৰ্চ আপ ঃ বিমান কলিতা

**(৭) (ক) যোগাসন প্ৰতিযোগিতা (ল'ৰা) ঃ**

প্ৰথম ঃ জয়ন্ত দত্ত

ৰাজু শৰ্ম্মা

দ্বিতীয় ঃ নিকুঞ্জ খনিকৰ

তৃতীয় ঃ বিনোদ ফুকন

(খ) যোগাসন (ছোৱালী)

প্ৰথম ঃ বেনী দলে

দ্বিতীয় ঃ পলীনা বৰপাত্ৰ

**বছৰৰ শ্ৰেষ্ঠসকল ঃ**

(১) মিঃ ঢকুৱাখনা কলেজ

ঃ নাৰয়ণ গগৈ

(২) শক্তিমান পুৰষ ও লৌহমানৱ

ঃ যদু শইকীয়া

(৩) শ্ৰেষ্ঠা শক্তিমান মহিলা

ঃ চিত্ৰলেখা গগৈ

(৪) শ্ৰেষ্ঠা পাঞ্জাবীৰ ঃ

ঃ বৈকুণ্ঠ শইকীয়া

(৫) পাঞ্জা ৰাণী ঃ

ঃ অনিমা গগৈ

(৬) সমৰ কলাবিদ

ঃ দিগন্ত কোঁৱৰ

(৭) যোগসম্ৰাট (একেৰাহে চতুৰ্থ বছৰৰ বাবে)

ঃ জয়ন্ত দত্ত

(৮) সাতোঁৰবিদ

ঃ কিৰণ চুতীয়া

## ক্ৰীড়া শাখাৰ প্ৰতিযোগিতা সমূহৰ ফলাফল

(১) ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা

(ক) (ল'ৰা)

প্ৰথম ঃ ত্ৰিদিপ শইকীয়া
দ্বিতীয় ঃ কুশ হাজৰিকা
তৃতীয় ঃ অমলেন্দ্ৰ ৰাজখোৱা

(খ) (ছোৱালী)

প্ৰথম ঃ স্মৃতি বৰুৱা
দ্বিতীয় ঃ জাহ্নৱী চেতিয়া
তৃতীয় ঃ তুলিকা গগৈ

(২) ২০০ মিটাৰ দৌৰ

(ক) (ল'ৰা)

প্ৰথম ঃ ত্ৰিদিপ শইকীয়া
দ্বিতীয় ঃ অজয় চুতীয়া
তৃতীয় ঃ ৰাজেন সন্দিকৈ

(খ) (ছোৱালী)

প্ৰথম ঃ স্মৃতি বৰুৱা
দ্বিতীয় ঃ জাহ্নৱী চেতিয়া
তৃতীয় ঃ পুৰবী পেগু

(৩) ৪০০ মিটাৰ দৌৰ

(ক) (ল'ৰা)

প্ৰথম ঃ ৰাজেন সন্দিকৈ
দ্বিতীয় ঃ ত্ৰিদিপ শইকীয়া
তৃতীয় ঃ অমলেন্দ্ৰ ৰাজখোৱা
ৰমেন দাস

(খ) (ছোৱালী)

প্ৰথম ঃ স্মৃতি বৰুৱা
দ্বিতীয় ঃ জাহ্নৱী চেতিয়া
তৃতীয় ঃ পুৰবী পেগু

(৪) ৮০০ মিটাৰ দৌৰ

(ক) (ল'ৰা)

প্ৰথম ঃ ত্ৰিদিপ শইকীয়া
দ্বিতীয় ঃ অমলেন্দ্ৰ ৰাজখোৱা
তৃতীয় ঃ অজয় চুতীয়া

(খ) (ছোৱালী)

প্ৰথম ঃ স্মৃতি বৰুৱা
দ্বিতীয় ঃ জ্যোতিপ্ৰভা শইকীয়া
তৃতীয় ঃ জাহ্নৱী চেতিয়া
বেনী দলে

(৫) ১৬০০ মিটাৰ দৌৰ ঃ

প্ৰথম ঃ অজয় চুতীয়া
দ্বিতীয় ঃ জিতু চেতীয়া
তৃতীয় ঃ অমলেন্দ্ৰ ৰাজখোৱা
অনিল দলে

(৬) শ্বটপুট থ্ৰ' প্ৰতিযোগিতা

(ক) (ল'ৰা)

প্ৰথম ঃ অজিত দলে
দ্বিতীয় ঃ যদু শইকীয়া
তৃতীয় ঃ ত্ৰিদিপ শইকীয়া

(খ) (ছোৱালী)

প্ৰথম ঃ পলিশ্ৰী পেগু
দ্বিতীয় ঃ বিবেচিত নহ'ল
তৃতীয় ঃ বিবেচিত নহ'ল

(৭) ডিচকাচ থ্ৰ' প্ৰতিযোগিতা

(ক) (ল'ৰা)

প্ৰথম ঃ অজিত দলে
দ্বিতীয় ঃ যদু শইকীয়া
তৃতীয় ঃ ত্ৰিদিপ শইকীয়া

(ক) (ছোৱালী)

প্ৰথম ঃ ৰাজুমণি চেতিয়া
দ্বিতীয় ঃ জ্যোতিকা বৰুৱা
তৃতীয় ঃ তুলিকা বৰুৱা

(৮) জেভিলিন থ্ৰ' প্ৰতিযোগিতা

(ক) (ল'ৰা)

প্ৰথম ঃ নিকুঞ্জ খনিকৰ
দ্বিতীয় ঃ যদু শইকীয়া
তৃতীয় ঃ ত্ৰিদিপ শইকীয়া

(খ) (ছোৱালী)

প্ৰথম ঃ স্মৃতি বৰুৱা
দ্বিতীয় ঃ তুলিকা বৰুৱা
তৃতীয় ঃ পুষ্প পেগু

(৯) দীঘল জাম্প প্ৰতিযোগিতা

(ক) (ল'ৰা)

প্ৰথম ঃ পুলক চেতীয়া
দ্বিতীয় ঃ ৰাজেন সন্দিকৈ
তৃতীয় ঃ অজয় চুতীয়া

(খ) (ছোৱালী)

প্ৰথম ঃ ৰাজুমণি চেতিয়া
দ্বিতীয় ঃ স্মৃতি বৰুৱা
তৃতীয় ঃ ৰিংকুমণি বৰুৱা
জাহ্নৱী চেতিয়া

(১০) ওখ জাম্প প্ৰতিযোগিতা

(ক) (ল'ৰা)

প্ৰথম ঃ নিকুঞ্জ খনিকৰ
দ্বিতীয় ঃ ত্ৰিদিপ শইকীয়া
তৃতীয় ঃ অজয় চুতীয়া

(খ) (ছোৱালী)
প্ৰথম ঃ স্মৃতি বৰুৱা
দ্বিতীয় ঃ সোণমণি বৰুৱা
তৃতীয় ঃ মামণি পেগু
পুষ্পজ্যোতি বৰগোঁহাই

(১১) পল ভল্ট প্ৰতিযোগিতা
(ক) (ল'ৰা)
প্ৰথম ঃ নিকুঞ্জ খনিকৰ
দ্বিতীয় ঃ মনোজ সোনোৱাল
তৃতীয় ঃ অমলেন্দ্ৰ ৰাজখোৱা
(ক) (ছোৱালী)
প্ৰথম ঃ জাহ্নৱী চেতিয়া
দ্বিতীয় ঃ জোনোমণি গোঁহাই
তৃতীয় ঃ স্মৃতি বৰুৱা
পুষ্পজ্যোতি বৰগোঁহাই

(১২) খোজ কঢ়া প্ৰতিযোগিতা প্ৰতিযোগিতা
(ক) (ল'ৰা)
প্ৰথম ঃ অমলেন্দ্ৰ ৰাজখোৱা
দ্বিতীয় ঃ ত্ৰিদিপ শইকীয়া
তৃতীয় ঃ অনিল দলে
কিৰণ চুতীয়া
(খ) (ছোৱালী)
প্ৰথম ঃ পুষ্পজ্যোতি বৰগোঁহাই
দ্বিতীয় ঃ জ্যোতিপ্ৰভা শইকীয়া
তৃতীয় ঃ তুলিকা গগৈ

(১৩) মাৰাথান দৌৰ প্ৰতিযোগিতা
১ম ঃ অজয় চুতীয়া
২য় ঃ দিলীপ কোঁৱৰ
৩য় ঃ ধীৰাজ সিনহা
৪ৰ্থ ঃ ত্ৰিদিপ শইকীয়া
৫ম ঃ পুলক বৰবৰা
৬ষ্ঠ ঃ অনিল দলে
৭ম ঃ হেমকান্ত পেগু
৮ম ঃ বিনোদ ফুকন
৯ম ঃ নিকুঞ্জ খনিকৰ
১০ম ঃ বৈকুণ্ঠ শইকীয়া
১১তম ঃ অমলেন্দ্ৰ ৰাজখোৱা
১২তম ঃ ঘন সোনোৱাল
১৩তম ঃ অৰুণ চমুৱা
১৪তম ঃ কিৰণ চুতীয়া
১৫তম ঃ যদু শইকীয়া

(১৪) শ্ৰেষ্ঠ ক্ৰিকেট দল
(স্নাতক ৩য় বৰ্ষ)
খগেন দাস
পদ্ম পেগু
ৰাতুল গগৈ
পবিত্ৰ গগৈ
হেমন্ত চেতিয়া
প্ৰশান্ত হিলৈদাৰী
তৰুণ গগৈ
ভবেন চেতিয়া
চণ্ডীবৰ মিলি
ব্ৰজেন গগৈ
বিদ্যুত সন্দিকৈ
ৰাজেন্দ্ৰ বৰুৱা
হৰেশ্বৰ চমুৱা
কিৰণ চুতীয়া
গুপেন চেতিয়া

(১৫) শ্ৰেষ্ঠ ভলীবল দল
(ক) (উঃ মাঃ ১ম বৰ্ষ)
ৰাজেন সন্দিকৈ
যদু বৰগোঁহাই
জিণ্টু গগৈ
পবিত্ৰ চমুৱা
দীপক গগৈ
মন বৰুৱা
সুভাষ লামু বৰুৱা
ৰমেন বৰুৱা

(খ) (মহিলা)
ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰী নিবাসৰ দলটি
সোণালী বৰগোঁহাই
সোণমণি বৰুৱা
সত্য সন্দিকৈ
মৌচুমী গগৈ
স্মৃতি বৰুৱা
মনালিচা চমুৱা
জুৰি গগৈ

(১৬) বছৰৰ শ্ৰেষ্ঠসকল
শ্ৰেষ্ঠ খেলুৱৈ ঃ ত্ৰিদিপ শইকীয়া
শ্ৰেষ্ঠা খেলুৱৈ ঃ স্মৃতি বৰুৱা
শ্ৰেষ্ঠ দৌৰবিদ ঃ অজয় চুতীয়া
শ্ৰেষ্ঠ ভলীবলাৰ ঃ ৰাজেন সন্দিকৈ
শ্ৰেষ্ঠ ক্ৰিকেটাৰ ঃ ৰাতুল গগৈ

# ISSUE NO–XXI, 1997-98
# DHAKUAKHANA COLLEGE MAGAZINE
# OUR EX–EDITORS

| *YEAR* | *EDITOR* |
|---|---|
| 1971-72 | MOHURAM CHAMUAH |
| 1972-73 | BOGEN BARUAH |
| 1973-75 | MODAN CHUTIA |
| 1975-77 | BISHNU BORBORAH |
| 1977-78 | PABITRA KR GOGOI |
| 1978-85 | ANANTRA KR GOGOI |
| 1985-86 | RAMEN CHUTIA |
| 1986-88 | LOKHESWAR SONOWAL |
| 1988-89 | LOKNATH HANDIQUE |
| 1989-90 | CHITRA KR KONCH |
| 1990-91 | CHENI RAM GOGOI |
| 1991-92 | LEKHAN CHUTIA |
| 1992-93 | HEMANTA KR BORUAH |
| 1993-94 | DEVID GOGOI |
| 1994-95 | JAYANTA MADHAB BORUAH |
| 1995-96 | JITU DUTTA |
| 1996-97 | PALASH KONCH |

ঢকুৱাখনা ম

